
## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/109 | Language of work: Assamese |
| Author (s) / Editor (s): Jolin Goswami | |
| Title: অসম· সাহিত্য· সভা· পত্ৰিকা· | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat- | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1976 | Edition: |
| Size: 23½ cms. 81+20+88+10+58+97+14+25 pages | Genre: Magazine |
| Volumes: 33 - 4 issues | Condition of the original: |
| Remarks: Estd.. 1st vol. was published in the year 1927 and has been contining. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |



# অসম সাহিত্য সভা পত্ৰিকা

তৰুণৰাম ফুকন শতবাৰ্ষিকীৰ শ্ৰদ্ধাৰ্ঘ্য

ত্ৰয়োত্ৰিংশ বছৰ
চতুৰ্থ সংখ্যা
॥ মাৰ্চ, ১৯৭৭ ॥

সম্পাদক
শ্ৰীযতীন গোস্বামী

# অসম সাহিত্য সভা পত্ৰিকা

৩৩শ বছৰ ॥ ৪ৰ্থ সংখ্যা
॥ মাৰ্চ, ১৯৭৭ ॥

সম্পাদক
শ্ৰীযতীন গোস্বামী

ASAM SAHITYA SABHA PATRIKA (Vol. XXXIII, No. 3) A literary journal of Asam Sahitya Sabha Published by Dr. Hemantakumar Sarma M.A., Ph.D, General Secretary, printed at the Purbadesh Mudran, Gauhati-781008, and Edited by Shri Jatin Goswami, Gauhati-781003. Price Rs. 3·00 only.

অসম সাহিত্য সভা পত্ৰিকা
৩৩শ বছৰ ৪ৰ্থ সংখ্যা
মাৰ্চ, ১৯৭৭

●

সম্পাদক :
শ্ৰীযতীন গোস্বামী
গুৱাহাটী-৭৮১০০৩

●

প্ৰকাশক :
ড° হেমন্তকুমাৰ শৰ্মা
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-১

●

ছপাশাল :
পূৰ্বদেশ মুদ্ৰণ
ৰিহাবাৰী
গুৱাহাটী-৭৮১০০৮

●

বেচ খনে তিনি টকা

## ॥ সূচীপত্ৰ ॥


১। সম্পাদকীয়—
২। দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিভাৰ পৰ্য্যালোচনা ॥ ৯ ॥ আব্দুছ ছাত্তাৰ
৩। তৰুণ ফুকনৰ কৱিতা ॥ ১২ ॥ শ্ৰীদুৰ্গেশ্বৰ শৰ্মা
৪। দেশভক্ত ফুকনৰ গদ্য-শৈলী ॥ ১৭ ॥ শ্ৰীডিম্বেশ্বৰ শৰ্মা
৫। স্তুতিমালা ॥ ২০ ॥ শ্ৰীঅতুল চন্দ্ৰ বৰুৱা
৬। প্ৰাচ্যতত্ত্ববিদ ড° যোগীৰাজ বসুৰ
দৰ্শন আৰু সাহিত্য প্ৰতিভা ॥ ২৫ ॥ শ্ৰীৰাজু বৰুৱা
৭। উজনী অসমত কেৱল ধৰ্ম ॥ ২৮ ॥ শ্ৰীমোহন চন্দ্ৰ মহন্ত
৮। নাৰী বনাম পুৰুষ ॥ ৩২ ॥ শ্ৰীহৰেন শৰ্মা
৯। দেশভক্ত তৰুণৰাম ফুকনৰ সাহিত্যিক অৱদান ॥ ৩৩ ॥ শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
১০। তৰুণৰাম ফুকনৰ স্তুতিমালা ॥ ৩৭ ॥ শ্ৰীতীৰ্থলোচন তামুলী
১১। ৰাভা জাতিৰ জীৱন-কলা ॥ ৪২ ॥ শ্ৰীধীৰেন্দ্ৰ কুমাৰ ৰাভা
১২। ফুকনক মই কেনেকৈ জানো ॥ ৪৬ ॥ শ্ৰীপদ্মেশ্বৰ কাকতি
১৩। সিংহস্কন্ধ সমাৰূঢ়া ॥ ৫০ ॥ শ্ৰীঅমল ৰাজখোৱা
১৪। গুৱালপৰীয়া মৈষালী গীত ॥ ৫৭ ॥ শ্ৰীসমৰ সিং ৰাভা
১৫। শৈৱধৰ্ম কুসুমচয়ন ॥ ৬১ ॥ শ্ৰীগোলকেশ্বৰ বৰুৱা
১৬। হিন্দী সাহিত্যৰ ধাৰা ॥ ৭০ ॥ শ্ৰীমতী মৃন্ময়ী দত্ত
১৭। গোৱালপৰীয়া উপভাষাৰ স্বৰূপ ॥ ৭৬ ॥ শ্ৰীৰাজেন ৰাভা
১৮। ভাৰতৰ লোককথা ॥ ৮৫ ॥ শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত
১৯। পুথি পৰিচয় ॥ ৮৭ ॥
২০। অসম সাহিত্য সভাৰ বিগত বছৰৰ
কেইটামান অনুষ্ঠানৰ বাতৰি ॥ ৮৯ ॥
২১। কাৰ্য্যনিৰ্বাহক সভাৰ বিবৰণী ॥ ৯৭ ॥

পত্ৰিকাৰ সম্পাদনা সমিতিৰ সদস্যসকল ঃ

১। প্ৰধান সম্পাদক, অসম সাহিত্য সভা
২। পত্ৰিকা সম্পাদক— আহ্বায়ক
৩। শ্ৰীৰজনীকান্ত দেৱ শৰ্মা
৪। ড° উপেন্দ্ৰনাথ গোস্বামী
৫। শ্ৰীৰামচৰণ ঠাকুৰীয়া
৬। শ্ৰীইৰাণী সেন হাজৰিকা
৭। শ্ৰীযজ্ঞেশ্বৰ শৰ্মা—সভাপতি, অসম সাহিত্য সভা

সম্পাদকীয়

শতবৰ্ষৰ শ্ৰদ্ধাৰ্ঘ্য

বিংশ শতিকাৰ আগভাগত অসমীয়া ভাষা সাহিত্যলৈ যিসকলে বিশিষ্ট অৱদান আগবঢ়াই গৈছে, সেইসকলৰ ভিতৰত দেশভক্ত ফুকন আনজনা। ৰাজনৈতিক জীৱন যাপন কৰিও সাহিত্য জগতলৈ প্ৰভূত সমল পৃথিৱীৰ বহুজনে দি গৈছে। ভাৰতৰ ক্ষেত্ৰত ৰাজনৈতিক বন্দী হিচাপে কাৰাবাস খটা কেবাগৰাকীও পুৰুষে সাহিত্য সংস্কৃতিলৈ যি মহান অৱদান দি গৈছে সেই পুৰুষসকলৰ অৱদানসমূহৰ কাৰণে ভাৰতবাসীয়ে গৌৰৱ কৰি আহিছে। অসমত তৰুণৰাম ফুকনো সেই একেশাৰীৰ পুৰুষ—যিজনাৰ সৃষ্টি প্ৰতিভাৰ অসাধাৰণ ক্ষমতাই আমাক চিৰকাল গৌৰবান্বিত কৰি ৰাখিছে। কাৰাবাসৰ বাহিৰত জীৱনৰ ব্যস্ততাৰ মাজতো অসমীয়া সাহিত্যত চিকাৰ কাহিনীৰ নিচিনা হৃদয়গ্ৰাহী ৰচনা সেই যুগত কেৱল এইজন পুৰুষৰ হাততেই সম্ভৱ হৈছিল। কি গদ্য, কি কৱিতা—ফুকনৰ আটাইবোৰ ৰচনা ৰীতিৰ মাজত ৰচক মানুহজন সোমাই আছে। তেখেতৰ ৰচনাৱলীৰ বৈশিষ্ট্য আৰু শৈলীৰ বিষয়ে স্থানান্তৰত প্ৰকাশ পোৱা প্ৰবন্ধসমূহত বিশদভাবে আলোচিত হৈছে। দ্বিৰুক্তি নিস্প্ৰয়োজন।

চিন্তাত গভীৰ, বুদ্ধিত সুতীক্ষ্ণ আৰু সুচতুৰ, স্বভাৱত সাহসী, ৰাজনীতিত দূৰদৰ্শী, বৃত্তিত পৰিশ্ৰমী ইত্যাদি সমূহৰ উপৰিও ফুকন আছিল দয়াবান, মৰমীয়াল আৰু সৰ্বোপৰি এজন ত্যাগী পুৰুষ। বক্তৃতাৰ ইন্দ্ৰজালেৰে এটা সুস্থ জাতিক জাগ্ৰত কৰি এইজনা পুৰুষে আমাৰ আজিৰ জীৱনৰ কাৰণে স্থাপন কৰিছিল এক সুদৃঢ় ভেটি। বৃহত ভাৰতৰ ধ্যান ধাৰণাৰ অঙ্গ হিচাপে অসমক শাৰীত বহুৱাটোও নিশ্চয় কম কৃতিত্বৰ কথা নাছিল।

এবছৰ আগতে আমি কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াৰ শতবৰ্ষ উদযাপন কৰিছোঁ। ফুকন-বৰদলৈৰ যুগ্ম শক্তিৰ দ্বাৰা অসমত যি নতুন প্ৰাণৰ সঞ্চাৰ হৈছিল, কৰ্মবীৰ বৰদলৈ ডাঙৰীয়াৰ শতবৰ্ষ তিথি উদযাপনৰ ঢৌ মাৰ

নৌ যাবলৈ পাওঁতেই সেই শক্তিক স্মৰণ কৰি দেশভক্ত ফুকনৰ শতবৰ্ষ উদযাপন কৰিবলৈ পোৱাৰ নিচিনা সৌভাগ্যও আমি লাভ কৰিছোঁ। তেখেতসকল আমাৰ চিৰনমস্য, তেখেতসকলৰ অশৰীৰী আত্মাই আমাক চিৰকাল আনন্দ আৰু প্ৰেৰণা দি থাকক।

**মিউজিয়োল'জী আৰু অসম**

মিউজিয়োল'জীৰ ভাল অসমীয়া প্ৰতিশব্দ এটি বিচাৰি পোৱা হোৱা নাই। 'মিউজিয়ম'ৰ প্ৰতিশব্দ আছিল যাদুঘৰ; আগৰজনা প্ৰধান মন্ত্ৰী জৱহৰলাল নেহৰুৱে 'মিউজিয়ম'ক 'সংগ্ৰহালয়' বুলিলে ভাল হয় যেন লাগে বোলোতেই ভাৰতৰ 'মিউজিয়ম'বোৰ সংগ্ৰহালয় হৈ পৰিল আৰু অসমতো 'যাদুঘৰ' গুচি সংগ্ৰহালয় হ'ল। প্ৰকৃতপক্ষে বহল অৰ্থত 'মিউজিয়ম' মানে যাক বুজায় 'সংগ্ৰহালয়' শব্দই সেই অৰ্থ প্ৰকাশ কৰা নাই। সকলো-বিধ শিক্ষা আৰু বিদ্যাৰ অধিষ্ঠাত্ৰী ( Muse ) সকলৰ সঙ্গমস্থান বুজোৱা গ্ৰীক শব্দৰ পৰা গ্ৰহণ কৰা 'মিউজিয়ম' শব্দটোৱে প্ৰকৃতপক্ষে যি অৰ্থ কৰে ভাৰতীয় শব্দ যাদুঘৰ, আজবঘৰ আদিয়ে একেবাৰে কাষে কাষে যাব নোৱাৰিলেও কিছু অৰ্থ বহন কৰিছিল। 'সংগ্ৰহালয়' শব্দয়ো যে নোৱাৰিলে এই কথা স্বীকাৰ নকৰি উপায় নাই। যি ভাষাত যি সুন্দৰ অৰ্থবাহক শব্দৰ প্ৰতিশব্দ পাবলৈ নাই তেনে শব্দ উদ্ভাৱন ( coin ) কৰাও হৈ উঠা নাই। তেনে ক্ষেত্ৰত মূলতো যি ভাষাৰে শব্দ নহওক কিয় সকলোৱে গ্ৰহণ কৰাত বাধা হব নালাগে। 'মিউজিয়ম' শব্দটোও তেনেকৈয়ে থকাত নিশ্চয় একো অসুবিধা নহ'লহেঁতেন। 'মিউজিয়োল'জী'ৰ প্ৰতিশব্দ বিচাৰিবলৈ গৈ আমি আগৰ কথাখিনি প্ৰসঙ্গলৈ আনিব লগা হৈছে।

পৃথিৱীৰ অন্যান্য দেশৰ লগতে ভাৰততো মিউজিয়ম আন্দোলনে ভালদৰে গা কৰি উঠিছে। সুখৰ কথা যে অসমৰ ভিতৰুৱা অঞ্চলৰ মানুহেও মিউজিয়ম বুলিলে এটা সাধাৰণ ধাৰণা কৰিব পৰা হৈছে আৰু ঠায়ে ঠায়ে মিউজিয়ম স্থাপিত হৈছে। উপযুক্ত ধনৰ সাহায্য আৰু প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱৰ ফলত ভালদৰে গা-কৰি উঠাৰ সম্ভাৱনা থকা ঠাইৰ মিউজিয়মসমূহে যে আৱশ্যকীয় সেৱা আগবঢ়াব পৰা নাই সেইকথা কবই লাগিব। ব্যক্তিগতভাবে বা গ্ৰাম্যাঞ্চল বা সৰু চহৰাঞ্চলত স্থাপিত সৰু সৰু মিউজিয়মবোৰৰ কথা বাদেই, চৰকাৰী বা বেচৰকাৰীভাবে স্থাপিত বহুকেইটা মিউজিয়মতো



প্ৰশিক্ষণপ্ৰাপ্ত লোকৰ অভাৱ হৈ আছে বুলি অভিযোগ শুনা যায়।

সংগৃহীত সামগ্ৰীসমূহক গুদামঘৰত জপা দি জাপি থলেই যেনেকৈ মিউজিয়মৰ কাম কৰা নহয়, তেনেকৈ মিউজিয়মৰ সামগ্ৰীসমূহৰ ৰক্ষণাবেক্ষণ, পৰিচালনা আৰু ইয়াৰ শিক্ষামূলক দিশটোৰ ওপৰত কাম কৰিব নোৱাৰিলে সেই মিউজিয়মৰ পৰা সেৱা আশা কৰিবও নোৱাৰি। এই ক্ষেত্ৰত প্ৰশিক্ষণ ব্যৱস্থা অসমৰ বিদ্যালয়ত নহলেও বিশ্ববিদ্যালয় এখনমানত হলেও অন্ততঃ কামৰ ক্ষেত্ৰত কিছু অগ্ৰগতি লাভ কৰিব পৰা গ'লহেঁতেন। ভাৰতৰ কেবাখনো বিশ্ববিদ্যালয়ে ডাঙৰ সেৱা দান কৰি অহাটো উল্লেখযোগ্য।

অসমৰ বিশ্ববিদ্যালয়ে প্ৰশিক্ষণৰ দিশত কাম হাতত ল'ব লাগে এইকাৰণেই যে, প্ৰাকৃতিক অৱস্থিতিৰ কাৰণে জলবায়ুৰ বিভিন্নতাই আমাক বৃহৎ ভাৰতৰ লগত কিছু অমিল আৰু কিছু সমস্যা জৰ্জৰিত কৰি ৰাখিছে। জলবায়ুৰ দিশটো মিউজিউম-সামগ্ৰী সংৰক্ষণৰ এটা প্ৰধান দিশ। এই দিশ চৰ্চা কৰি উপযুক্ত ব্যৱস্থাৰ পৰীক্ষাগৃহ বা বিশ্লেষণগৃহ স্থানীয়ভাবে গঢ়ি তুলি ছাত্ৰ-ছাত্ৰীক স্থানীয় বিশ্ববিদ্যালয়েহে সুবিধা কৰি দিব পাৰে। দ্বিতীয়তে ঐতিহ্যৰ জ্ঞান আৰু শ্ৰদ্ধাৰে যদি ভৱিষ্যত মহীয়ান ভাৰতৰ কথা চিন্তা কৰিব খোজো তেন্তে মিউজিয়ম-শিক্ষা (Museum education)ৰ প্ৰসাৰৰ কাৰণে বিশ্ব-বিশ্ববিদ্যালয়সমূহে নিয়মীয়া পাঠ্যক্ৰম প্ৰচলন কৰাৰ উপৰিও সামাজিক বাতাবৰণ সৃষ্টিৰে সাধাৰণ লোককো মিউজিয়মৰ প্ৰতি আগ্ৰহী (museum minded) কৰাত সহায় কৰা উচিত। 'মিউজিয়োল'জী পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীক আত্মনিৰ্ভৰশীল কৰি কৰ্মসংস্থানতো সহায় কৰিব পাৰে।

**পত্ৰিকাৰ দুটি বছৰ : কৃতজ্ঞতা**

অসম সাহিত্য সভাৰ তিতাবৰ অধিবেশনে ( ১৯৭৫ ) আমাক ত্ৰয়োত্ৰিংশ বছৰ 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদক নিৰ্বাচন কৰে। সেই বছৰটিৰ আটাইকেইটা সংখ্যা নিয়মীয়াকৈ যথাযথভাৱে সম্পাদনা কৰি উলিয়াই দিয়াত সেই বছৰৰ সম্পাদনা সমিতি আৰু সেই বছৰৰ প্ৰকাশক সাধাৰণ সম্পাদকে আমাৰ লগত সৰ্বতোপ্ৰকাৰে সহযোগ আগবঢ়ায়। অসম সাহিত্য সভাৰ টিহু অধিবেশনত পত্ৰিকা সম্পাদনাৰ ভাৰ আমাৰ ওপৰত পুনৰ্বাৰ ন্যস্ত হয়। চতুশ্চত্বাৰিংশ বছৰৰ সম্পাদনা সমিতিৰ মাননীয় সদস্যবৰ্গ আৰু পত্ৰিকা প্ৰকাশক ড° হেমন্তকুমাৰ শৰ্মাকে মুখ্য কৰি বহুজনে পত্ৰিকাখনক এক বিশিষ্ট মানদণ্ডত তোলাত আমাক সহায় কৰে। এখেতসকলৰ আটাইকে আমাৰ

কৃতজ্ঞতা অৰ্পণ কৰিছোঁ। ১৯৭১ চনৰ ঢিং অধিবেশনত আমি যেতিয়া পোন প্ৰথম প্ৰথমবাৰৰ বাবে 'অসম সাহিত্য সভা পত্ৰিকা'ৰ সম্পাদক নিযুক্ত হওঁ তেতিয়া অসম সাহিত্য সভাৰ আৰ্থিক অৱস্থা আছিল একেবাৰে দুখলগা; পত্ৰিকাখনিৰ সেই বছৰৰ সংখ্যা কেইটি কোনোমতে ধন সংগ্ৰহ কৰিহে উলিৱা হৈছিল। এতিয়া ধনৰ ক্ষেত্ৰত বহুখিনি স্বচ্ছল অসম সাহিত্য সভা। পত্ৰিকা সম্পাদনাৰ ক্ষেত্ৰত ধনৰ স্বচ্ছল-অসচ্ছলতাই কাম নকৰে; কিন্তু পাঠকৰ বজাৰখনত খটুৱা ধনে যথেষ্ট সহায় কৰে। তুলনামূলকভাবে পত্ৰিকাৰ মানদণ্ড আৰু পঢ়ুৱৈৰ সংখ্যা কিমান উঠিছে বা পৰিছে সেই কথাৰ বিচাৰহে হোৱা উচিত। পঢ়ুৱৈৰ সংখ্যা যদি তুলনামূলকভাবে বঢ়া নাই কিয় বঢ়া নাই, তাৰ কাৰণে অনুষ্ঠানটোৱে কি কি উপায় উদ্ভাৱন কৰিব লাগে তাৰ প্ৰতিও মনোযোগ দিব লাগে।

পৰৱৰ্তী বছৰৰ বাবে সম্পাদক হিচাপে বন্ধুবৰ শ্ৰীযোগেন ভূঞা নিৰ্বাচিত হৈছে। তেখেতৰ সুযোগ্য সম্পাদনাত পৰৱৰ্তী বছৰৰ পত্ৰিকা জাকত জিলিকা হৈ ওলাব বুলি আশা কৰিছোঁ। ●

# দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰতিভাৰ পৰ্যালোচনা

—আব্দুছ ছাত্তাৰ

তৰুণৰাম ফুকন নামটোৱেই যথ্ কৰে দুটা ...ৰ্বালৈ গৌৰৱাই দিয়ে—অসমৰ এসময়ৰ এজন প্ৰখ্যাত ...ৰ্গী আৰু এজন প্ৰসিদ্ধ চিকাৰী। তদুপৰি গান্ধী-...জীৰ নেতৃত্বত যি আন্দোলন হৈছিল তাত তেখেতেই ...ৰিৰৰ ত্যাগ স্বীকাৰ কৰি অসমক নেতৃত্ব দি ...সামাজিক নানা কামত লিপ্ত হৈছিল। গতিকে ফুকন ...আছিল যথাৰ্থতে দেশনেতা। ফুকনৰ নানা প্ৰতিভাৰ ...ভিতৰত সাহিত্য-প্ৰতিভা বিশেষ মন কৰিবলগীয়া। ...'চিকাৰ সাহিত্য' ফুকনৰ আমাৰ সাহিত্যলৈ দিয়া ...ৰাপূৰণীয়া অৱদান। এই ক্ষেত্ৰত তেখেতক আমি ...অগ্ৰণী বুলি স্বীকাৰ কৰিবই লাগিব। এই চিকাৰ ...কাহিনীৰ ওপৰত এটা সামান্য মন্তব্য তলত দিবলৈ ...চেষ্টা কৰিম। আনহাতেদি, ফুকনৰ কবিতা পুথি ...'স্মৃতিমালা' আৰু যৌন বিষয়ক পুথি 'যৌনতত্ত্ব' বিশেষ ...অৱদান। যি সময়ত অসমীয়াত কোনেও যৌন বিষয়ত ...পুথি লিখা নাছিল সেই সময়ত ফুকনে এই বিষয়ৰ ...পুথিখনি লিখি বিশেষ অভাৱ পূৰণ কৰিছিল বুলি ...ক'ব লাগিব। আকৌ তেখেতৰ 'নিংনি ভাৰতীয়াৰ ...ৰীতি' ৰামকপী ভাষাত লিখা এখন ধেমেলীয়া পুথি। ...ৰামকপী ভাষাত পুথিখন প্ৰকাশ কৰি উজনি আৰু ...নামনিৰ ঐক্য সাধনৰ চেষ্টা কৰাটোৱে তেওঁৰ প্ৰশস্ত হৃদয়ৰ পৰিচয় দিয়ে। ফুকনে বিশ্বাস কৰিছিল যে অসমীয়া ভাষাৰ সমৃদ্ধিৰ কাৰণে এনে কাৰ্য অতি আৱশ্যক।

ফুকন ডাঙৰীয়াই এখন সংহতিপূৰ্ণ সমাজৰ কথা সদায়ে ভাবিছিল। ধৰ্মনিৰপেক্ষতা ফুকনৰ জীৱনৰে বৈশিষ্ট্য। ফুকনৰ ধৰ্মীয় গোড়ামি নাছিল কাৰণে ইছলামৰ পবিত্ৰ গ্ৰন্থ কোৰাণৰ প্ৰথম চুৰাটো অসমীয়ালৈ পদ্যত অনুবাদ কৰিছিল। কোৰাণ মহা গ্ৰন্থৰ প্ৰথম চুৰাটো হ'ল—ফাতিহা। "আল হামদু-লিল্লাহি ৰাব্বিল আলামিন .........." বুলি এই চুৰাটো আৰম্ভ হৈছে। এই চুৰাটোত মাত্ৰ সাতটা আয়াত ( বাক্য ) আছে। এই চুৰাটো সৰু হ'লেও কিন্তু ইয়াকে কোৰাণৰ সাৰমৰ্ম বুলি কোৱা হয়। "ফাতিহা"ৰ অৰ্থ হ'ল আৰম্ভণিৰ প্ৰাৰ্থনা। প্ৰাৰ্থনা হিচাপে ই অতি আকৰ্ষণীয়। কোৰাণৰ এই 'আল-হামদু চুৰা'ৰ অসমীয়া অনুবাদ কৰি 'ঈশস্তুতি' নাম দিলে। 'ঈশ-স্তুতি' তলত দিয়া হ'ল—

"মহান মহিম পৰম ঈশ্বৰ
বিশ্বৰ পালক তুমি;
অতি কাৰুণিক পৰম দয়ালু
ধৰ্ম বিচাৰৰ স্বামী।

তোমাক প্ৰণমোঁ কৃপা ভিক্ষা কৰোঁ।
পোন বাটে নিয়া মোক ;
যি পোন বাটত চলিছে সদায়
তয়ু কৃপা পোৱা লোক।
কোপত পতিত যি পথত চলে
সি পথে নিনিবা মোক ;
নাইবা চলিছে যি পথত প্ৰভু
পথভ্ৰষ্ট য'ত লোক।"

ইয়াত তুলনামূলক অধ্যয়নৰ কাৰণে জোনাব চাদেৰ আলি চাহেবৰ চুৰা ফাতিহাৰ কথা ভাগ তেখেতৰ অনূদিত 'পবিত্ৰ কোৰাণ'ৰ পৰা তুলি দিয়া হ'ল :—

(১) সকলোবোৰ প্ৰশংসা আল্লাহ্-তা-আলাৰ প্ৰতি।
(২) যিজন আটাইকেইখন জগতৰ প্ৰভু।
(৩) পৰম করুণাময় পৰম দয়ালু
(৪) (তেওঁ) শেষ বিচাৰৰ দিনৰ গৰাকী
(৫) আমি তোমাৰেই আৰাধনা কৰোঁ আৰু তোমাৰেই সহায় বিচাৰোঁ।
(৬) তুমি আমাক সেই পোন বাটটি দেখুওৱা
(৭) সেইসকলৰ বাট যিসকলৰ ওপৰত তুমি তোমাৰ অনুগ্ৰহ দান কৰিছা ; (আৰু) যিসকলৰ ওপৰত অভিশাপ পৰা নাই আৰু যিসকলে বিপথে যোৱা নাই।

ফুকনৰ 'ঈশ-স্তুতি'ক ঠিক ভাঙনি নুবুলি মূল ৰক্ষা কৰি পদ্যত লিখিলে বুলি ক'ব লাগিব। কিন্তু এজন অমুছলমানে অৰ্থাৎ এজন হিন্দুৱে এই কাৰ্য্য কৰিলে। গতিকে আমাৰ মতে জাতিগত সংহতি আৰু সম্প্ৰীতিৰ কাৰণে ইয়াতকৈ আৰু মহৎ কাম হ'ব নোৱাৰে।

চিকাৰ কাহিনী সম্পৰ্কীয় ফুকনৰ চিকাৰ সাহিত্যৰ ওপৰত এটি চমু মন্তব্য দিবলৈ প্ৰয়াস কৰিছোঁ।

অসমীয়াত দুঃসাহসিক (Adventure) বাস্তৱ ঘটনা বৰ্ণিত সাহিত্য নাই বুলি ক'লে বঢ়াই কোৱা নহয়। আমাৰ কোনো লোমহৰ্ষক বাস্তৱ ঘটনা মহাকাব্য থ্যাত ভীম অৰ্জুনৰ কাহিনী পুৰণি অসমীয়া সাহিত্যৰ বাহিৰে আনত পাবলৈ নাই। ফুকনৰ চিকাৰ কাহিনী আধুনিক সাহিত্যৰ এডভেঞ্চাৰ আৰু সেয়ে সেই শ্ৰেণীৰ উত্তেজনাপূৰ্ণ সাহিত্য সৃষ্টি কৰিছে। এই ক্ষেত্ৰত ফুকন অগ্ৰণী বুলি স্বীকাৰ কৰিব লাগিব। ফুকনৰ চিকাৰ-কাহিনী বৰ্ণনা কৰা ঠাঁচক এটা স্বকীয় আৰু উপাদেয় বিশেষ ঠাঁচ বুলি ক'বই লাগিব। বৰ্ণনা পঢ়ি যাওঁতে চিত্ৰৰূপে প্ৰকট কৰিব পৰা ফুকনৰ সক্ষমতা আছে বুলি মানি ল'বলৈ বাধ্য। শব্দৰ অভিব্যঞ্জনাই গহীন-গম্ভীৰ হাবিতলীয়া পৰিবেশৰ সৃষ্টি কৰিব পৰা কম কথা নহয়। ভাষাৰ গতি সাৱলীল। চিকাৰীয়ে চিকাৰত কিমান নিকাৰ ভুগে তাক পঢ়াৰ লগে লগে পাঠকৰ বুজিবলৈ বাকী নাথাকে। এঠাইত ফুকনে বৰ কম কথাত কৈছে—"ৰাতি টোপনি নাই, দুখে-ভাগৰে উভতি আহি এমুঠি ভাতকৈ খাম তাৰো আগন্তুক নাই, ইয়াকে বোলে চিকাৰ। ইয়াৰে নাম নিকাৰ।" ফুকন আছিল—দক্ষ বাঘ চিকাৰী, হাতী চিকাৰী আৰু পহু চিকাৰী। চিকাৰ কাহিনীতে ফুকনৰ সাহস, ধৈৰ্য আৰু উপস্থিত বুদ্ধিৰ সন্ধান পোৱা যায়।

ফুকনৰ দুঃসাহসিক চিকাৰ কাহিনী পঢ়ি স্বাভাৱিকতে জিম কৰবেটলৈ মনত পৰে আৰু ফুকনৰ এইজন চিকাৰীৰ লগত তুলনা কৰিবলৈ মন যায়। কিন্তু দুয়োজনৰে বহুতো কথা মিলা সত্বেও দুয়োজন চিকাৰীকে দুটা সুকীয়া দৃষ্টিভঙ্গীৰে বিচাৰ কৰিব পাৰি। দুয়োৰো বৰ্ণনাৰ ভাষা উত্তেজনাপূৰ্ণ আৰু আনন্দদায়ক। ইকালে, জন্তু-জগতৰ সম্বন্ধে জ্ঞান থকা দুয়োজন ব্যক্তি। দুয়োৰো চিকাৰ বৰ্ণনা অভিজ্ঞতাভিত্তিক আৰু কল্পনাবৰ্জিত। লক্ষ্যভেদত দুয়োজন আছিল সিদ্ধহস্ত। দুয়োৰো ধৈৰ্য আছিল অপৰিসীম। তথাপি দুয়োজনৰ মাজত বিৰাট ব্যৱধান এটা লক্ষ্য কৰা যায়। জিম কৰবেটৰ সমুদায় চিকাৰী কাহিনীলৈ লক্ষ্য কৰিলে দেখা যায়—



তেওঁৰ চিকাৰ উদ্দেশ্যধৰ্মী আৰু বিশেষকৈ উত্তৰ প্ৰদেশৰ অধিবাসীসকলক বাঘৰ কবলৰ পৰা ৰক্ষা কৰাই তেওঁৰ চিকাৰৰ উদ্দেশ্য আছিল। ৰুদ্ৰ প্ৰয়াগৰ এটা নাহৰ ফুটুকি বাঘে ১২০টাকৈ মানুহ খাই যি ত্ৰাসৰ ৰাজত্ব সৃষ্টি কৰিছিল আৰু সেই বাঘটোক কি বুদ্ধিৰে কৰবেটে গুলিয়াই মাৰিছিল যি প্ৰকৃততে মন কৰিবলগীয়া বিশেষ ঘটনা। ইয়াৰ এই ভয়ঙ্কৰ বাঘটো মাৰি কৰবেটে প্ৰকৃততে সেই অঞ্চলৰ বাইজৰ বিশেষ উপকাৰ সাধিলে। হিমালয়ৰ নামনিৰ ও উত্তৰ প্ৰদেশৰ কামায়ুঁ অঞ্চলৰ অধিবাসীকো মানুহখোৱা বাঘ গুলীয়াই মাৰি জিমে সিহঁতক ৰক্ষা কৰিছিল। কিন্তু আমাৰ ফুকন ডাঙৰীয়াৰ চিকাৰ আছিল—অৱকাশ ৰঞ্জনৰ আৰু আমোদৰ কাৰণে। বহুত সময়ত বিলাসিতাপূৰ্ণ যেন লাগে। "কোচবিহাৰৰ মহাৰাজ স্বৰ্গীয় নৃপেন্দ্ৰ নাৰায়ণ ভূপ-বাহাদুৰৰ লগত চিকাৰ" বোলা প্ৰবন্ধটো এই 'বিলাসিতা'ৰে নমুনা। কিন্তু এইটো ঠিক যে, কৰবেটে কেৱল বাঘ চিকাৰ কৰিছিল আৰু ফুকনে কৰিছিল—বাঘ, হাতী আৰু পহুৰ। তাৰ বাহিৰে তেওঁ হাঁহ আৰু বহুতো বনৰীয়া চৰাইৰো চিকাৰ কৰিছিল। কিন্তু ফুকনৰ হাতী চিকাৰ কৰা কথা অপূৰ্ব। সেয়েহে হাতী চিকাৰ ফুকনৰ চিকাৰী জীৱনৰে বৈশিষ্ট্য।

সেয়েহে হাতী চিকাৰী ফুকনক হাতী দাঁত দুটাৰে দেখা ছবিখন চাই মই বৰ ভাল পাওঁ আৰু হাতী যে অসমৰ মূল্যবান বনজ সম্পদ সেই কথাৰো সম্ভেদ পাওঁ।

---

# তৰুণ ফুকনৰ কবিতা

শ্ৰীদুৰ্গেশ্বৰ শৰ্মা

ফুকন আছিল স্বাধীনতা সংগ্ৰামৰ অক্লান্ত যুঁজাৰু। বিস্ময়ৰ কথা, এই জনা ফুকনেই আকৌ অলপমান সময় পালেই অসমীয়া সাহিত্যৰ উন্নতিৰ কাৰণে চিন্তা চৰ্চা কৰিছিল। এই চৰ্চাৰ মূলত আছিল অসমীয়া সাহিত্যৰ প্ৰতি অগাধ ভাল পোৱা ভাৱৰ প্ৰভাৱ। তেওঁৰ বিশ্বাস আছিল মাতৃ ভাষা আৰু সাহিত্য জাতীয় জীৱনৰ সকলো শক্তিৰ মূল আধাৰ। মাতৃ ভাষাই আমাক জীৱনৰ অভাৱ-অনাটন সম্পৰ্কে সচেতন কৰি ৰখাৰ উপৰিও ভাবিবলৈ শক্তি আৰু আত্ম-নিৰ্ভৰশীল হ'বলৈ অনুপ্ৰেৰণা আৰু সৰ্ব প্ৰকাৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বন্ধনৰ পৰা মুক্ত হ'বলৈ অনুপ্ৰাণিত কৰে। যি জাতিৰ মাতৃ ভাষা আৰু কৰ্ম-প্ৰেৰণা নিস্তেজ। এই কথা বুজিয়েই আৰু সাহিত্য দুৰ্বল তেওঁলোকৰ চিন্তাশক্তি দুৰ্বল আৰু তৰুণৰাম ফুকনে স্বাধীনতা আন্দোলন আৰু সাহিত্যৰ আন্দোলনক একেটি সুঁতিৰে বোৱাই দিয়াৰ যত্ন কৰিছিল। সৰ্বভাৰতীয় পৰ্যায়ত গান্ধীজীয়েও স্বাধীনতা আন্দোলনৰ লগত হিন্দীক ভাৰতৰ ৰাষ্ট্ৰভাষা কৰাৰ প্ৰশ্নটো জড়িত কৰি দিছিল। গান্ধীজীয়ে বিশ্বাস কৰিছিল ভাৰতীয় জন-গণৰ কাৰণে এটি উমৈহতীয়া ভাষা আৱিষ্কাৰ কৰিব নোৱাৰিলে ভাৰতৰ উন্নতিৰ কাৰণে অতীৱ প্ৰয়োজনীয় ঐক্যবোধৰ ধাৰণা শক্তিশালী হোৱাৰ আশা সুদূৰপৰাহত।

স্বাধীনতাৰ সংগ্ৰামত গা ঢালি দিয়াৰ কাৰণে সাহিত্য জগতত ফুকনদেৱে যুগজয়ী কৃতিত্বৰ স্বাক্ষৰ ৰাখিব নোৱাৰিলে। প্ৰত্নতাত্ত্বিক সৰ্বেশ্বৰ কটকী ডাঙৰীয়াই ফুকনৰ সাহিত্য কৰ্মৰ বিষয়ে আলোচনা কৰি এঠাইত মন্তব্য কৰিছে: "সৰহ কিতাপ ৰচনা কৰি মাতৃ ভাষাৰ যোগান ধৰিব পৰা নাই যদি কিন্তু বিশেষ বিষয়ৰ অভাৱ থকা ভাগত অসমীয়া সাহিত্যলৈ তেওঁ বিশিষ্ট দান দি গৈছে। দেশভক্ত ফুকনৰ হাতী-চিকাৰ আদি বিষয়ক প্ৰবন্ধ কেইটিয়ে অসমীয়া সাহিত্যৰ সেই অংগত বিশেষ পৰিপুষ্টি সাধন কৰিছে। সেই প্ৰবন্ধ কেইটিতে তেওঁৰ সাহিত্যৰ পাৰ্গতালি প্ৰকাশ পাইছে। জেইলত বা ফাটেকত মানুহৰ অকণো সুখ শান্তি নাথাকে; কিন্তু তেনেকুৱা নিৰ্যাতনৰ অৱস্থাতো 'স্তুতিমালা' নামেৰে কবিতা গ্ৰন্থ ৰচনা কৰি দেশভক্ত ফুকনে মাতৃ ভাষাৰ সেৱা কৰিছিল; আৰু সেই শ্ৰেণীৰ কিতাবোৰৰ ভিতৰত 'স্তুতিমালা' সৰ্বশ্ৰেষ্ঠ। যৌনতত্ত্ব নামৰ উচ্চতম গ্ৰন্থ মাতৃভাষালৈ তেওঁৰ আন এটি দান।" ইয়াৰ বাহিৰে তেওঁ ৰচিত কেতবোৰ গীত, কবিতা, প্ৰবন্ধ সমসাময়িক বিভিন্ন আলোচনীত প্ৰকাশ হৈছিল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ





সভাপতিৰূপে তেওঁ দিয়া ভাষণখনিও এটি মূল্যবান সম্পদ। অসম সাহিত্য সভাৰ গোৱালপাৰা অধিৱেশনত দিয়া অভিভাষণ, অসম ছাত্ৰ সন্মিলনৰ তেজপুৰ অধিৱেশনত পাঠ কৰা অভিভাষণ, দিল্লীৰ ব্যৱস্থাপক সভাত দিয়া ভাষণসমূহ বিশেষভাৱে তথ্যপূৰ্ণ আৰু সাহিত্যি বিচাৰত অমূল্য সম্পদ। স্কুলত পঢ়া দিনৰে পৰা তৰুণৰাম ফুকনে সাহিত্য সেৱাত আত্ম-নিয়োগ কৰিছিল। কলিকতাৰ কলেজত পঢ়ি থাকোঁতে তেওঁ বঙলা ভাষাত এটি কবিতা ৰচনা কৰি এখনি সভাত পাঠ কৰি শ্ৰোতাসকলক বৰকৈ বিমুগ্ধ কৰিছিল। সভাৰ অন্তত সভাপতি গুৰুদাস বেনাৰ্জীয়ে ডেকা ফুকনক কাষলৈ মাতি আনি পৰিচয় লৈ কবিতাটো অতি প্ৰশংসা কৰি সাহিত্য চৰ্চা কৰি থাকিবলৈ যথেষ্ট উদ্‌গনি দিয়ে।[1] কিন্তু কবিতাৰ ক্ষেত্ৰত ছাত্ৰ জীৱনতে সম্ভাৱনাৰ ইঙ্গিত দিয়া ফুকনে জীৱনৰ পিছৰ চোৱাত বিশেষ কৃতিত্ব দেখুৱাব নোৱাৰিলে। তাৰ ঘাই কাৰণ ফুকনে পিছলৈ কবিতাৰ চিন্তা চৰ্চা এৰি মহাত্মা গান্ধীৰ মুক্তি আন্দোলনত একনিষ্ঠভাৱে আত্মনিয়োগ কৰিলে। কিন্তু তেওঁৰ এই অভাৱৰ ক্ষতি পূৰণ হৈছিল চিকাৰ কাহিনীসমূহ ৰচনাৰ যোগেদি।

ভ্ৰমণ বৃত্তান্ত, চিকাৰ কাহিনী, আদি বিনোদাত্মক ৰচনাই চতুৰ্থ দশকৰ শেষ পৰ্যন্ত বৰ বিশেষ আগবঢ়া দেখা নাযায়। যি সামান্য ৰচনা দেখা যায়, সিয়ো আলোচনীৰ পিঠিতে আবদ্ধ; পুথি আকাৰত প্ৰকাশ হোৱা নাই। এই প্ৰসঙ্গত দেশভক্ত ফুকনৰ চিকাৰৰ কাহিনীসমূহ ৰচনা ভঙ্গীৰ মনোৰমনীয়তা, সংযত হাস্যৰস আৰু কৌতুকপূৰ্ণ বিষয়ৰ বাবে ৰসাল। তেওঁৰ যৌনতত্ত্বও এই বিষয়ৰ অকলশৰীয়া গ্ৰন্থ।[2]

আমাৰ আলোচ্য গ্ৰন্থ 'স্তুতিমালা' ১৯২৬ চনত ডিচেম্বৰ মাহত প্ৰকাশিত হয়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য এই বছৰৰ ডিচেম্বৰ মাহতে পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিৱেশনো অনুষ্ঠিত হৈছিল। সেই সময়তে যোৰহাটৰ বৰকটকী কোম্পানীয়ে কবিতা গ্ৰন্থখনি প্ৰকাশ কৰি উলিয়াই ফুকনদেৱৰ কাব্য চৰ্চাত বিশেষ ধৰণৰ উৎসাহ দান কৰে। গতিকে এই গ্ৰন্থখনিৰ প্ৰকাশৰ এটি বিশেষ ধৰণৰ তাৎপৰ্য আছে।

মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনত যোগদান কৰাৰ অপৰাধত তেওঁ এবছৰকাল চিলচৰ জেইলত কাৰাবাস খাটিবলগীয়াত পৰিছিল। কাৰাবাসৰ সময়-ছোৱা অথলে যাবলৈ নিদি কাৰাগাৰৰ ভিতৰতে ভালেমান স্তোত্ৰ, স্তুতি গীত, বন্দনা গীত আৰু মহিমা-সূচক স্তৱ ৰচনা কৰে। এইবোৰ ৰচনা কৰোঁতে তেওঁ ঘাইকৈ সংস্কৃত শ্লোক গ্ৰন্থসমূহৰ পৰা অনুপ্ৰেৰণা লাভ কৰিছিল। মুঠ চৌৱন্নটা কবিতা সন্নিবিষ্ট কৰি 'স্তুতিমালা' কবিতাৰ গ্ৰন্থখনি যুগুত কৰি উলিয়ায়। গ্ৰন্থত সংযোজন কৰা কবিতাসমূহ কবিতাৰ কোনো এটি শ্ৰেণীত খাপে খাপে খাই পৰাকৈ পেলাই লৈ আলোচনা কৰিব নোৱাৰি। কবিতাৰ প্ৰকৃত সংজ্ঞাৰে চালি জাৰি চালে ইবোৰক কবিতা নুবুলি প্ৰশস্তি-মূলক পদ্য বুলি কোৱাহে যুগুত। কবিতা আৰু পদ্যৰ ভিতৰত পাৰ্থক্য আছে। যথা দৃষ্টং তথা লিখিতং কৰিলেই কবিতা হ'ব নোৱাৰে। অভিব্যঞ্জনা হৈছে কবিতাৰ মূল কথা। ইয়াৰ উপৰিও ছন্দ, অলংকাৰ, চিত্ৰকল্প, প্ৰতীক আদি কবিতাৰ প্ৰয়োজনীয় অংগ। কোনো এটা ভাৱক ছন্দৰ মাধ্যমত বৰ্ণনা কৰিলেই পদ্য ৰূপ লয়। পদ্যৰ কাৰণে ছন্দ অপৰিহাৰ্য, কিন্তু প্ৰতীক, চিত্ৰকল্প, অভিব্যঞ্জনা আদি অপ্ৰয়োজনীয় সম্পদ।

'স্তুতিমালা'ত সন্নিবিষ্ট কবিতাসমূহক মোটামুটিভাৱে

(১) দেশভক্ত তৰুণৰাম ফুকন: শ্ৰীজিতেন্দ্ৰ নাথ বুজৰবৰুৱা, পৃঃ ১৮৯

(২) অসমীয়া সাহিত্যৰ ইতিবৃত্ত, ১ম ভাঙৰণ, পৃঃ ২৫৪; ড° সত্যেন্দ্ৰ নাথ শৰ্মা

চিন্তামূলক বা ভক্তিমূলক কবিতাৰ শাৰীত স্থান দিব পাৰি। কবিতাবিনিক আলোচনাৰ সুবিধাৰ কাৰণে দুটা প্ৰধান ভাগত বিভক্ত কৰিব পাৰি—স্তুতিমূলক আৰু স্তোত্ৰমূলক, কবিতা। প্ৰকৃত অৰ্থত এই দুয়োবিধ কবিতাৰ বিষয়বস্তু, উদ্দেশ্য আৰু ৰচনা শৈলী একে। প্ৰাৰ্থক্য মাথোন ইমানেই যে স্তুতিসূচক কবিতাত ইষ্টদেৱতাক ভাৱস্তিৰে প্ৰাৰ্থনা কৰা হৈছে আৰু স্তোত্ৰমূলক কবিতাত কোনোবা দেৱ-দেৱীৰ গুণ বৰ্ণনা হৈছে মাত্ৰ। স্তুতিমূলক কবিতাৰ ভিতৰত ইষ্টদেৱ স্তুতি, গুৰু স্তুতি, মাতৃ স্তুতি, কৃষ্ণনাম স্তুতি, ব্ৰহ্মা স্তুতি, লক্ষ্মী স্তুতি, দুৰ্গা স্তুতি, পৰম ব্ৰহ্মা স্তুতি, পৰমেশ স্তুতি, আশুতোষ স্তুতি, গংগা স্তুতি, কামাখ্যা স্তুতি, অভাজনৰ স্তুতি, সৰস্বতী স্তুতি, ভক্ত স্তুতি, দুৰ্গা নাম স্তুতি, জগদ্ধাত্ৰী স্তুতি, মহাদেৱ স্তুতি উল্লেখযোগ্য কবিতা। এই কবিতাবিলাকত ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, লক্ষ্মী, দুৰ্গা সৰস্বতী আৰু শনি দেৱতাক ভক্তিভাৱে বন্দনা কৰা হৈছে।

মাতৃ স্তুতি কবিতাত জন্মদাত্ৰী মাতৃক ঈশ্বৰীৰূপে বন্দনা কৰা হৈছে আৰু মাতৃসেৱাৰ যোগেৰে সন্তানে মোক্ষ লাভ কৰিব বুলিও বিশ্বাস স্থাপন কৰা হৈছে :

"ঈশ্বৰী স্বৰূপা তুমি তুৰা পাৱ সেৱি
জীৱন্তে মোক্ষ পদ পায়।"

ব্ৰহ্মা স্তুতি কবিতাটিত ব্ৰহ্মক জগতৰ আশ্ৰয়, সৃষ্টি, স্থিতি, প্ৰলয়ৰ মূল আধাৰ বুলি গুণানুকীৰ্তন কৰা হৈছে। কিন্তু সেই ব্ৰহ্ম নিৰ্বিকাৰ, নিৰঞ্জন :

"সৃষ্টি স্থিতি প্ৰলয়ৰ তুমি কৰ্তা জগতৰ
নিৰ্বিকাৰ তুমি পৰাৎপৰ ;
স্ৰজন পালন কৰি তুমি মাত্ৰ আছা হৰি
তোমাকেই কৰো নমস্কাৰ।"

কবিতাটিৰ শেষৰ স্তৱকত মাধৱদেৱ ৰচিত নাম ঘোষাৰ পদৰ প্ৰভাৱ লক্ষ্য কৰা যায়। মাধৱদেৱে লিখিছে :

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিবা তাঙ্ক
ব্যাপকত কিবা বিসৰ্জন।"

এই পদৰ অনুকৰণত ফুকনে লেখিছে—

"অব্যক্ত ঈশ্বৰ স্বামী কিমতে ভজিবো আমি
ভক্তিহীন মই দুৰাচাৰ।"

মহাদেৱ স্তুতি কবিতাত মহাদেৱ চৰিত্ৰৰ শাৰীৰিক বৈশিষ্ট্য আৰু চৰিত্ৰৰ মহত্ব বৰ্ণনা কৰা হৈছে। সকলো দুৰ্গতিৰ পৰা জীৱক মহাদেৱে ৰক্ষা কৰি আছে বুলি মহাদেৱক ভক্তিভাৱে প্ৰাৰ্থনা কৰিছে। স্তুতিমূলক আন আন কবিতাসমূহতো ভক্ত-হৃদয়ৰ আকুল-আৱেগ-অনুভূতি হিল্দল ভাঙি বাগৰি পৰিছে।

স্তোত্ৰমূলক কবিতাবিলাকৰ ভিতৰত শ্ৰীমধুসূধন স্তোত্ৰ, গোপাল স্তোত্ৰ, পিতৃ স্তোত্ৰ, কাশী স্তোত্ৰ, গীতাসাৰ স্তোত্ৰ, অন্নপূৰ্ণা স্তোত্ৰ, মহেশ্বৰ স্তোত্ৰ, বিশ্বেশ্বৰ স্তোত্ৰ গোপাল স্তোত্ৰ, নাৰায়ণ স্তোত্ৰ, কৃষ্ণ স্তোত্ৰ, নৱগ্ৰহ স্তোত্ৰ, মুৰলীধৰ স্তোত্ৰ, মহালক্ষ্মী স্তোত্ৰ, ভক্তিযোগী স্তোত্ৰ, জ্ঞানযোগী স্তোত্ৰ, কৰ্মযোগী স্তোত্ৰ, সূৰ্য স্তোত্ৰ, পৰমাত্মা স্তোত্ৰ, গীতাসাৰ স্তোত্ৰ, অক্ষৰ ব্ৰহ্ম স্তোত্ৰ, দশাৱতাৰ স্তোত্ৰ, গণেশ স্তোত্ৰ, পৰম ব্ৰহ্ম স্তোত্ৰ, চন্দ্ৰমৌলি স্তোত্ৰ আদি উল্লেখযোগ্য কবিতা। এই কবিতাবিলাকতো বিভিন্ন দেৱ-দেৱীৰ গুণ-বৰ্ণনা কৰি সিবিলাকৰ চৰণত ভক্ত হৃদয়ৰ পুষ্পাঞ্জলি ভাৱস্তিৰে অৰ্পণ কৰিছে।

পিতৃস্তোত্ৰ কবিতাটিত পিতৃক সন্তানৰ জন্মৰ কাৰণ বুলি অভিহিত কৰিছে। সন্তানৰ মানত পিতাই স্বৰ্গ, পিতাই ধৰ্ম আৰু পিতৃ সেৱাৰ যোগেৰে সন্তানৰ মুক্তি লাভ হ'ব পাৰে। পিতৃদেৱ তুষ্ট হলে সৰ্বদেৱতাৰ সন্তুষ্টি লাভ হয়। কৰিয়ে কৈছে—

"পিতা স্বৰ্গ পিতা ধৰ্ম     পিতায়ে সে তপ
পিতৃ ভক্তি মুক্তিৰ কাৰণ ;
পিতৃদেৱ তুষ্ট হলে     তুষ্ট সৰ্ব্ব দেৱ
জানিপদে পশিলো শৰণ।"





তেনেদৰে সূৰ্যস্তোত্ৰ কবিতাত সূৰ্য দেৱতাক সকলো জীৱৰ শক্তি বুলি উপাসনা কৰা হৈছে। শ্ৰীমধুসূদন স্তোত্ৰত কৰিয়ে কৈছে যে জন্মৰ লগে লগে জীৱই মায়াৰ কৱলত পৰি জীৱনৰ মূল আশ্ৰয় পৰম জনক পাহৰি যায়। তাৰ ফলত জীৱৰ সুকৰ্মত মতি নোহোৱা হয় আৰু জীৱই দুখৰ উপৰিও দুখ ভোগ কৰিব লগাত পৰে। এই সকলোৰে পৰা নিস্কৃতি লাভৰ একমাত্ৰ উপায় হৈছে শ্ৰীমধুসূদনৰ পদ প্ৰান্তত আশ্ৰয় গ্ৰহণ কৰা। কৰিয়ে প্ৰাণৰ আকুতিৰে সেয়েহে তেওঁক ৰক্ষা কৰিবৰ কাৰণে শ্ৰীমধুসূদনৰ চৰণত প্ৰাৰ্থনা জনাইছে :

সুকৰ্মত নাহি মতি     কুকৰ্মত সদা ৰতি
সংসাৰত মজি আছে মন ;
মোহ মায়া দূৰ কৰি     চৰণে চপাই ধৰি
ৰক্ষা কৰা শ্ৰীমধুসূদন।

ইয়াৰ বাহিৰেও কবিতা গ্ৰন্থখনিত গুৰু মহিমা স্তৱ, বিশ্বৰূপ বন্দন, কাকুতি, ঈশস্তুতি আদি কেইটিমান কবিতা সংযোজন কৰা হৈছে। ইবোৰতো গুৰু, ঈশ্বৰ আদিৰ মহিমা কীৰ্তন কৰা হৈছে মাত্ৰ।

গ্ৰন্থখনি সূক্ষ্মভাৱে অধ্যয়ন কৰি এই কথা বিন্দুমাত্ৰ সন্দেহ নকৰাকৈ কব পাৰি যে দেশভক্ত ফুকন ডাঙৰীয়াই অতি নিষ্ঠাৰে সংস্কৃত শ্লোক, স্তোত্ৰ, স্তৱ আদি অধ্যয়ন কৰিছিল। এই অধ্যয়নৰ ফলত অসমীয়াতো তেনে ধৰণৰ কেতবোৰ শ্লোক ৰচনাৰ স্বপ্ন দেখিছিল। তেওঁৰ কৰ্ম বহুল জীৱনৰ বিভিন্ন সময়ত সুকণ্ঠা উলিয়াই তেওঁ সংস্কৃত শ্লোক, স্তোত্ৰ, স্তৱৰ আৰ্হিত কেতবোৰ পদ ৰচনা কৰিছিল। দেৱ-দেৱীৰ চৰিত্ৰ আৰু কাৰ্যাৱলীয়ে এই পদবোৰৰ সৰহভাগ ঠাই দখল কৰি আছে। তেওঁ পৰম শ্ৰদ্ধাৰে মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱে লিখা পদ-পুথিও চাইছিল। তাৰ ফলত তেওঁৰ স্তুতি মালাৰ সৰহখিনি কবিতাতে দশম, কীৰ্তন, ঘোষা, ৰত্নাৱলীৰ পদৰ প্ৰভাৱ পৰিছে। গ্ৰন্থখনিৰ আৰু এটা মন কৰিবলগা কথা হৈছে এয়ে যে বিভিন্ন পন্থৰ দেৱ-দেৱীক তেওঁ ভক্তি সহকাৰে শ্ৰদ্ধা নিবেদন কৰিছে। ই অসমৰ বিভিন্ন পন্থৰ লোকৰ মাজত থকা অ'হিয়াঅ'হিৰ ভাৱ আঁতৰ কৰি ধৰ্ম ক্ষেত্ৰত এটা সমন্বয় আৰু সংহতিৰ আদৰ্শ দাঙি ধৰিছে। কবি ফুকনে যি নিষ্ঠাৰে বৈষ্ণৱ দেৱতা নাৰায়ণৰ বন্দনা কৰিছে, সেই সমপৰ্যায়ৰ নিষ্ঠাৰে শক্তিৰ দেৱী দুৰ্গা, শৈৱ পন্থৰ দেৱতা শিৱৰো আৰাধনা কৰিছে। ইয়াৰ মাজেৰে তেওঁৰ মানসিক উদাৰতা আৰু সহনশীলতা প্ৰকাশ পাইছে। মহাত্মা গান্ধীয়ে ধৰ্মৰ ক্ষেত্ৰত সদাই এনে উদাৰতা আৰু সহনশীলতাৰ সমৰ্থক আছিল। বিশ্বাস কৰিব পাৰি যে গান্ধীজীৰ প্ৰিয় শিষ্য হিচাপে তেওঁ গান্ধীজীৰ বাণীসমূহ অকল বক্তৃতা মঞ্চৰে বিষয় হিচাপে নাৰাখি নিজৰ ব্যক্তিগত জীৱনতো তাক কাৰ্য্যান্বিত কৰিবলৈ যত্ন কৰিছিল। তেওঁ ভাবিছিল যে সকলো মানুহ যেনেদৰে একে সকলো দেৱতা আৰু সকলো ধৰ্মও মূলতঃ একে। ধৰ্মৰ উদ্দেশ্য মানুহক শৃংখলা আৰু নীতি-নিয়মৰ শিক্ষা দি জীৱনক মহিমামণ্ডিত কৰা। মানুহে যদি এই কথা পাহৰি ধৰ্মৰ বাহ্যিক আচাৰ-অনুষ্ঠানৰ বিভিন্নতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ধৰ্মৰ নামত মানৱসমাজত বৈষম্যৰ জাল পেলাবলৈ যত্ন কৰে, তাৰ দ্বাৰা তেওঁলোকৰ ব্যক্তিগত জীৱনত একো লাভ নহব ; বৰং তেওঁলোক ধৰ্মৰ মূল লক্ষ্যৰ পৰা বহু যোজন আঁতৰি পৰিব। এই আদৰ্শৰ ভেটিত স্তুতিমালাৰ কবিতাবোৰ বিচাৰ কৰিলে এটি বিশেষ তাৎপৰ্য ওলাই পৰিব আৰু গ্ৰন্থখনিৰ প্ৰকৃত মহত্বও এই সত্যৰ লগতে নিহিত হৈ আছে।

কবি ফুকনৰ মানত মানুহেই সত্য। মানুহৰ মনত আঘাত দিয়াটো পাপকাৰ্য। নৰ-ৰূপী নাৰায়ণৰ সন্তুষ্টিৰ কাৰণে প্ৰয়োজন হ'লে ব্যক্তিগত স্বাৰ্থ-সুখ-স্বাচ্ছন্দ্য ত্যাগ কৰিবলৈ সাজু থাকিব লাগে। ত্যাগী লোকেই প্ৰকৃত অৰ্থত পৰম জনৰ প্ৰকৃত সন্তান। এই কথা উপলব্ধি কৰি ফুকনদেৱে আনকি তেওঁৰ শত্ৰুৰ প্ৰতিও সৎ ব্যৱহাৰ কৰিছিল। এবাৰ তেওঁ

ইংৰাজসকলক বিনীতভাৱে কৈছিল—"আপোনাসকল সাত-সাগৰ তেৰ নৈৰ সিপাৰৰ পৰা আহি ভাৰতবৰ্ষত আছেহি। আপোনাসকল আমাৰ মানী আলহী। আমাৰ ঘৰবোৰ ধুলিয়ে-মাকতিয়ে, জাবৰ-জোঠৰে দ'ম খাই আছে। আমি ঘৰবোৰ চাফ কৰি লওঁইকচোন; আপোনাসকল বাহিৰতে অলপ খিয় দি থাওক। আমাৰ ঘৰুৱা আবৰ্জনাবোৰ গুচাই লৈ আপোনালোকক আদৰ জনামহঁক। তাকে কৰিবলৈ আমি অসহযোগ আন্দোলন চলাইছোঁ।" (অৰ্ঘ্যাৱলী, ২য় তাওবণ, পৃ ১৩২ শ্ৰীবেণুধৰ শৰ্মা) এই উক্তিৰ মাজেৰে তেওঁৰ সহৃদয় অন্তৰৰ নিভৃত কোণৰ লগত চিনাকি হোৱা যায়। তেওঁৰ প্ৰাৰম্ভিক কবিতাতে মানৱতাবোধ, ধৰ্মীয় আবেগ অনুভূতি, বৰিষ্ঠ জনাৰ প্ৰতি শ্ৰদ্ধাৰ ভাব, আৰু জাতীয় ঐতিহ্যৰ ওপৰত গভীৰ নিষ্ঠাৰ চাবযোহৰ উজলি আছে।

# দেশভক্ত ফুকনৰ গদ্য-শৈলী

শ্ৰীডিম্বেশ্বৰ শৰ্মা

আধুনিক অসমীয়া গদ্য সাহিত্যক যিসকল গদ্যকাৰে প্ৰাণৱন্ত আৰু মহিমামণ্ডিত ৰূপ দিছে সেইসকলৰ ভিতৰত অসম সাহিত্য সভাৰ দশম অধিবেশনৰ (গোৱালপাৰা, ১৯২৭) সভাপতি দেশভক্ত তৰুণৰাম ফুকনো অন্যতম। সাহিত্যিক হ'বলৈ ওলোৱাসকলে যে প্ৰথমতে ভাষাটো ভালকৈ আয়ত্ত কৰি ল'ব লাগে আৰু মনটোও অধ্যয়নপুষ্ট কৰি ল'ব লাগে সেই বিষয়ে ফুকনে নিজেই অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণত এটি উদাহৰণ দি এইদৰে লিখিছে-"ইংৰাজ কবি ব্ৰাউনিঙৰ চৰিতত আছে যে তেওঁ যেতিয়া তৰুণ বয়সতেই কবিতা লিখিব বুলি মন থিৰ কৰিলে, তেতিয়াই তেওঁ ড° জন্সনে লিখা ইংৰাজী ভাষাৰ অভিধানখন কণ্ঠস্থ কৰি ল'লে। প্ৰত্যেক সাহিত্যিকেই নিজে নিজে কেতবোৰ বিশ্ব-বৰেণ্য কবি বা গ্ৰন্থকাৰৰ পুস্তকাৱলী ভালকৈ পঢ়ি নিজৰ মন উদাৰ কৰি ল'ব লাগে। তেওঁলোকৰ ভাব আৰু ভাষাৰ প্ৰণালী পৰ্যবেক্ষণ কৰি নিজ নিজ মন গঢ়ি ল'ব লাগে। লগে লগে ভ্ৰমণ, চিন্তা, পাৰিপাৰ্শ্বিক অৱস্থা আদিৰ বিশ্লেষণ কৰি মানৱ চৰিত্ৰৰ জটিল ৰহস্যবোৰ হৃদয়ঙ্গম কৰি ল'ব লাগে। এইখিনি সমল গোটাই লৈ সাহিত্য ক্ষেত্ৰত অৱতীৰ্ণ হ'লে ভাষাৰ সাৱলীল গতি আৰু ভাবৰ অফুৰন্ত প্ৰবাহৰ পৰিচয় ভালভাৱে ফুটি ওলাব।"

ওপৰৰ উক্তিটিত ফুকনে যি 'ভাষাৰ সাৱলীল গতি' আৰু ভাবৰ অফুৰন্ত প্ৰবাহৰ' কথা কৈছে এই দুইটি গুণ আমি ফুকনৰ গদ্যৰচনাতে দেখা পাওঁ। ফুকনৰ আছিল অধ্যয়নপুষ্ট মন, তেওঁ নিজেই আছিল অভিজ্ঞতাৰ অফুৰন্ত ভাণ্ডাৰ। ইংৰাজী, অসমীয়া, বঙালী, হিন্দী, উৰ্দু আদি ভাষাত ফুকনৰ অধিকাৰ আছিল। তেওঁ ইংৰাজৰ দৰে ইংৰাজী, বঙালীৰ দৰে বঙালী আৰু এজন খাতি অসমীয়া ভদ্ৰলোকৰ নিভাঁজ, জতুৱা ঠাঁচযুক্ত অসমীয়া (Idiomatic Assamese) ক'ব পাৰিছিল আৰু প্ৰাণৰ আবেগ ঢালি সেইদৰে সুন্দৰকৈ লিখিবও পাৰিছিল। অসমীয়া ভাষাত বিজ-তৰীয়া ঠাঁচ সুস্পষ্টতাকৈ সম্পূৰ্ণ অসমীয়া ঘৰুৱাঠাঁচত তেওঁ লিখিব পাৰিছিল আৰু সেইদৰেই লিখিছিল। ফুকনৰ ৰচনাসমূহত অনেক সংস্কৃত নীতিবাক্যৰ উল্লেখ পোৱা যায়—সেইবুলি ফুকনে অসমীয়া ঘৰুৱা শব্দৰ পৰিবৰ্তে সংস্কৃত শব্দ পাৰিতপক্ষে ব্যৱহাৰ নকৰিছিল।

মানৱপ্ৰেমী ফুকনে এফালে যেনেকৈ বৰেণ্য দেশ

নেতাসকল আৰু সমাজৰ ৰথমূৰীয়াসকলৰ লগত ঘনিষ্ঠ সম্বন্ধত আছিল আনহাতে তেওঁ অতি সাধাৰণ মানুহৰ লগতো অতি ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিছিল। এই দুই শ্ৰেণী লোকৰ লগত সমান ঘনিষ্ঠতা থকাৰ বাবে ফুকনে ভাষাৰ সকলো প্ৰকাৰৰ কথন-ভংগী আৰু শব্দাৱলীৰ লগত ঘনিষ্ঠ পৰিচয়ত আহিছিল। ফুকনৰ চৰিত্ৰত বুদ্ধি প্ৰবৃত্তি আৰু হৃদয় প্ৰবৃত্তিৰ অপূৰ্ব সমন্বয় ঘটিছিল আৰু তেওঁ ব্যৱহাৰ কৰা ভাষাও এই দুই প্ৰবৃত্তিৰ সুন্দৰ মিলনৰ পৰিচায়ক। যি কোনো সৰু-বৰ ঘটনা বা চৰিত্ৰৰ বৰ্ণনাত ফুকনে ভাবৰ লগত সুন্দৰ সমন্বয় ৰাখি হৃদয়গ্ৰাহী ভাষা ব্যৱহাৰ কৰিব পাৰিছিল। অসমীয়া ভাষাৰ ওপৰত সম্পূৰ্ণ দখল থকাত ভাৱৰ অনুৰূপ ভাষা অতি স্বাভাৱিক ভাৱেই তেওঁৰ কাপৰ পৰা নিগৰি ওলাইছিল। ফুকন আছিল সততে ৰসমোদী লোক। সূক্ষ্ম হাস্যৰস-বোধে আৰু এটি সহানুভূতিশীল উদাৰ মনে তেওঁৰ ৰচনাক সুখপাঠ্য আৰু হৃদয়গ্ৰাহী কৰি তুলিছিল। সকলো ক্ষেত্ৰতে ফুকনৰ সূক্ষ্ম দৃষ্টি, অপূৰ্ব বিশ্লেষণ ক্ষমতা আৰু নিজস্ব জীৱন দৰ্শনে তেওঁৰ ৰচনাক প্ৰাণৱন্ত ৰূপ দিছিল।

ফুকনৰ হৃদয়গ্ৰাহী গদ্য ৰীতিৰ মাজতে ফুকন মানুহজনো সোমাই আছে। এই কথনভঙ্গিমা দেখিয়েই বিচক্ষণ মনস্তাত্বিকে হয়তো ফুকন মানুহজননো কেনেকুৱা আছিল তাকো বিচাৰি পাব। ফুকনৰ ৰসমোদী আৰু জতুৱা ঠাঁচযুক্ত গদ্যৰ আৰ্হি স্বৰূপে তলত ফুকনৰ চিকাৰ কাহিনীৰ পৰা এটা ছেদ তুলি দিয়া হ'ল।

"চুটি ঘুটমুটীয়া মানুহজন। জাতিত নমঃশূদ্ৰ, বয়স ৪০।৪৫ ৰ ভিতৰত হ'ব। চকু দুটি সৰু, গাৰ বৰণ ঘোৰ কৃষ্ণবৰ্ণ নহলেও উজ্জ্বল শ্যামবৰ্ণ নহয়, অৰ্থাৎ ক'লা। চুলি দীঘলকৈ ৰাখিছে, প্ৰায় মেলি থয়; কিন্তু সময়ত কেতিয়াবা পিছ্হি উৰি ওলোৱাত বলেৰে টানি অতি কষ্টেৰে ডাঙৰ তামোল এটাৰ সমান খোপা এটা বান্ধে। অঙ্গবস্ত্ৰ আঠুৰ তললৈ নাযায়। অন্য অঙ্গবস্ত্ৰ পাঁচ ঋতুতে নাথাকে, অতি শীতত চুটি কাপোৰ এডুখৰি গাত লয়। মুঠতে পৰিচ্ছদৰ পৰিমাণ আৰু প্ৰকাৰ ভেদত মহাত্মা গান্ধীক ছেৰ পেলাই মহাদেৱৰ সমকক্ষ হয়। সদায় প্ৰসন্ন মুখ, নাই কোনো দুখ, অতি অকাতৰ চিত্ত। দ্বীপৰ মহাসমুদ্ৰৰ একমাত্ৰ কাণ্ডাৰী এৱেঁই। এওঁৰেই নাম ডাঠিভকত ওৰফে ডাঠিকালা। এওঁ জগত প্ৰখ্যাত নহ'লেও আজাৰা চকৰদ প্ৰখ্যাত। 'ভকত' আৰু 'কালা' এই দুয়ো নামৰ সাৰ্থকতাৰে চালে আমাৰ দীপৰ কাণ্ডাৰী ডাঠিয়ে। কাৰণ শ্ৰৱণত তেওঁ বধিৰ, কীৰ্তনত তেহঁ পৰম বৈষ্ণৱ। শীতকালৰ মাজনিশা পাৰ কৰিবলৈ মাতিলে গিৰিসাই উঠি শিতানতে সজোৱা বঠাপাত লৈ আমাৰ মুখলৈ চাই ভাৱত দুখ পোৱাৰ বাবে আমাকহে পুতৌ কৰে। বনকৰ বিভাগৰ অনুগ্ৰহত বিনা কেৰেয়াতে নাও এখন পায়, কিন্তু তাৰ প্ৰতি-দানত খাটি দিব লাগে বিনা পইচাতে বাৰমাহ। আনে পাৰৰ কড়ি দিলেও দিয়ক, নিদিলেও তাত অসন্তোষ নাই। ডাঠি নৰীয়াত পৰা কেতিয়াও শুনা নাই। পৰিলে যে আমাৰ গতি কি হ'ব তাৰ নভবাই ভাল। আৰু শুনা নাই, ডাঠি ভকতৰ মুখে তাৰ নিজৰ দুখৰ কথা আৰু পৰৰ নিন্দা। শিক্ষাৰ অভিমান দলিয়াই পেলাই এই বিষয়ত ডাঠি ভকতৰ দীক্ষা ল'বৰ মন যায়।"

ৰচনা ৰসগ্ৰাহী কৰি তুলিবৰ কাৰণে ফুকনে অৱশ্যে মাজে মাজে দুই এটি ইংৰাজী শব্দ ব্যৱহাৰ কৰিছিল—ঠিক ৰূপাৱৰ ৰবৰকৰাৰ ৰীতিৰে। এঠাইত চিকাৰ জীৱনৰ অসহনীয় কষ্টৰ বৰ্ণনা প্ৰসঙ্গত ফুকনে লিখিছে—"ইয়াৰ নাম ইংৰাজীত 'হবি' (hobby) চাহেৰ ইয়াৰ নাম sport বা মৃগয়া আৰু ইয়াৰ বাবে; sheer madness বা শুদ্ধ বাতুলতা" ৰচনাৰ মাজে মাজে ফুকনে ব্যৱহাৰ কৰা অসমীয়া প্ৰৱচন, যোজনা ফকৰা আৰু নীতিবাক্যসমূহে অসমীয়া ভাষাৰ ওপৰত



ফুকনৰ একচেতীয়া দখলৰ সাক্ষ্য দাঙি ধৰে। তেনে কেইটিমান হ'ল—'সাত সমুদ্ৰ তেৰ নদী পাৰ হোৱা', গাতাই দিলেও বিধাতাই নিদিয়া, কোনো মৰে হাড়ে হাড়ে কোনো মৰে মঙহ ভাৰে, ঠাইতে নৰ্ক, ঠাইতে স্বৰ্গ, হাততে স্বৰ্গ ঢুকি পোৱা আদি অনেক।

ফুকন ডাঙৰীয়াই প্ৰসঙ্গ বিশেষে সংস্কৃতৰ শ্লোকৰ সংজ্ঞা বিশেষে—বিশেষকৈ শ্ৰীমদ্ভাগৱদগীতা আৰু মহাকবি কালিদাসৰ শকুন্তলা নাটকৰ শ্লোক আৰু অন্যান্য নীতিশিক্ষামূলক শ্লোকৰ উদ্ধৃতি নিজ ৰচনাত ব্যৱহাৰ কৰি ৰচনাসমূহ তথ্য সমৃদ্ধ আৰু ৰসমোদী কৰি তুলিছে। বঙালী ভাষাৰ উদ্ধৃতিও ঠায়ে ঠায়ে আছে। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱে কীৰ্তনৰ পদ আৰু অনেক লোকগীতৰ ৰজিতা খোৱা উদ্ধৃতি ফুকনৰ ৰচনাত পোৱা যায়। ৰচনা সততে সুখপাঠ্য কৰি তুলিবলৈ ফুকনৰ প্ৰয়াস প্ৰশংসনীয়। ফুকনৰ আধ্যাত্মিক স্পৃহাৰ আত্মপ্ৰকাশে ফুকনৰ জীৱন দৰ্শনৰ এটি দিশ চিকাৰ কাহিনীৰ ৰচনাসমূহে দাঙি ধৰিছে। এনে ধৰণৰ উন্নত আধ্যাত্মিক চিন্তা কেনেকৈ সাধাৰণ বৰ্ণনাৰ মাজেদিও ফুকনে অতি নিপুণ খনিকৰৰ দৰে দাঙি ধৰিছে তাৰ নিদৰ্শন চাওক—

"গাৰো পৰ্বতত হাতী বিচাৰি" প্ৰবন্ধৰ পৰা—

"যদিও বৰ্তমান সভ্যতাৰ চিন গাৰো পৰ্বতত বিশেষ একো পোৱা নগল, পৰ্বত বাসীৰ মুখলৈ চাই সন্তোষৰ পৰিমাণ শিক্ষিত জগতত্তকৈ বহুতো সৰহ যেন লাগিল। সিহঁতৰ বাসস্থান পৰ্বতমালা পৰিবেষ্টিত। গগণস্পৰ্শী পৰ্বত শৃঙ্গত সিহঁতৰ বাসভৱন। কিন্তু আবাস ভূমি খণ্ড আৱৰ্জনা ৰহিত। দিগন্তব্যাপী অৰণ্যানী পৰিবেষ্টিত ক্ষেত্ৰভূমি শস্যমণ্ডিত; কিন্তু অনাৱশ্যকীয় উদ্ভিদশূন্য। বাসস্থান বেগৱতী নিৰ্ঝৰিণী পৰিবেষ্টিত অথচ পঙ্ক-বিহীন। প্ৰখৰ সূৰ্য্য কিৰণোদ্দীপ্ত পৰ্বত শ্ৰেণীক মলয়াৰ বাই সততে শীতল কৰি ৰাখে। দেহ বলিষ্ঠ, স্বাস্থ্যপূৰ্ণ অসন্তোষ লেশশূন্য। প্ৰশান্ত আননত উদ্বেগৰ চিনমাত্ৰ নাই। মৃত্যু বিধিৰ বিধান বুলি ধৰিব পৰা হ'লেই যদি দাৰ্শনিক তত্ত্বজ্ঞ পণ্ডিত বুলিব পাৰি, তেন্তে শৈলশৃঙ্গবাসী জ্ঞানগৰ্ব ৰহিত গাৰো আচলতে তত্ত্ববিদ দাৰ্শনিক পণ্ডিত। "বিনাজ্ঞানং বিৰাগতা" বাদ দি যদি "বৈৰাগ্যমেৱাভয়ম্" ইয়াকে সনাতন সত্য বুলি ধৰা হয় তেন্তে গাৰো বিৰাগী 'সনাতনিষ্ট' বুলি ক'বই লাগিব। কাৰণ পাৰ্থিৱ সম্পদত গাৰো সৰ্বতোভাৱে উদাসীন, জন্ম-মৃত্যুত আনন্দ বিষাদ ৰহিত সিহঁত কামক্ৰোধ লোভ মোহ বৰ্জিত নহবও পাৰে, কিন্তু সভ্যতাভিমানী নগৰবাসীৰ তুলনাত সিহঁতৰ স্থান বহুতো ওপৰত।"

এয়া ফুকনৰ ওজস্বী, প্ৰাণৱন্ত, উদ্দীপনাময়ী ৰচনা শৈলীৰ দুই এটি উদাহৰণহে মাথোন। অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ, অসম ছাত্ৰ সন্মিলনৰ সভাপতিৰ ভাষণ আদি বহু সংখ্যক সভাপতিৰ ভাষণ দিয়াৰ উপৰিও ফুকনে অগণন দেশৰ আৰু সমাজৰ কাম, ওকালতি ব্যৱসায়, চিকাৰৰ চখ আদিৰ মাজতো বহু সংখ্যক প্ৰাণৱন্ত ৰচনাৰে অসমীয়া গদ্য সাহিত্যক মহিমামণ্ডিত কৰি থৈ গৈছে।

# স্তুতিমালা

## শ্ৰীঅতুলচন্দ্ৰ বৰুৱা

ভগৱান অব্যক্ত, অনন্ত, অচিন্ত্য, অমূৰ্ত। তেওঁ সৰ্বব্যাপী, সৰ্বদৰ্শী, সৰ্বশক্তিমান। তথাপি ভক্তই এটা নহয় এটা ৰূপত তেওঁক কল্পনা কৰে, নাম দিয়ে আৰু স্তুতি-নতি কৰে। অকল সিমানেই নহয়, নানা কষ্ট সহ্য কৰি নানা তীৰ্থ ভ্ৰমণৰ দ্বাৰা তেওঁৰে অন্বেষণ কৰে। মানুহে তেনেহ'লে জানিশুনিও এইবোৰ ভুল কৰে কিয় আৰু আচলতে এইবোৰ ভুল নেকি? এটা বিশেষ নামত মাতিলে বা তেওঁক স্তুতি কৰিলেওতো একপ্ৰকাৰ এটা ৰূপৰেই ধ্যান কৰা হ'ল? ৰাম বা হৰি বুলিলে যেনে সকলো মানুহকে নুবুজায়—বিশেষ নামৰ সেই মানুহজনকহে বুজায় তেনেকৈ ৰাম বা কৃষ্ণ বুলি স্তুতি কৰিলেও দাশৰথি ৰাম বা দৈৱকী-নন্দন কৃষ্ণৰ কথা মনত চিন্তা কৰা হয়। অব্যক্ত, অনন্ত, সৰ্বব্যাপী, সৰ্বশক্তিমান ভগৱানক বিশেষাৰ্থক কৰি লৈ মনোনিবেশ কৰাৰ সুবিধাৰ্থে ভক্তই তেনে ব্যৱস্থা কৰে। ঘোষাত মহাপুৰুষ মাধৱদেৱে সেয়েহে মূৰ্তিমন্ত ঈশ্বৰ এজনাৰ কল্পনা এৰি তেওঁৰ নামমাত্ৰ লৰলৈ কৈছে—

অব্যক্ত ঈশ্বৰ হৰি    কেনমতে চিন্তিবাহা
ব্যাপকত কিবা বিসৰ্জন ;
এতাৱন্ত মূৰ্তিশূন্য    কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন।

ৰূপ নোহোৱা অৰূপজনক ৰূপ দিয়া, বাক্যৰ অতীত জনক নাম ধৰি স্তুতি কৰা আৰু সৰ্বব্যাপী জনাক তীৰ্থাদিত অন্বেষণ কৰা—এই সকলোবোৰ মৰ জগতৰ মানুহৰ কাৰণে এক প্ৰকাৰ স্বজ্ঞানে কৰা পাতক। তথাপি দুৰ্বল মানৱে অন্তৰত অনুভৱ কৰা এটা দুৰ্জ্জেয় শক্তিলৈ এক প্ৰকাৰে নহয় এক প্ৰকাৰে প্ৰণতি নজনাই নোৱাৰে। যিমানেই নাস্তিক নহওক তেওঁৰ মনত কোনো এক সময়ত তেনে এটা শক্তিৰ প্ৰতি ভক্তি ওপজে। তেতিয়া তেওঁ সেই অব্যক্ত, অনন্ত শক্তিৰ প্ৰতি স্তুতিনতি জনায়। 'স্তুতিমালা' দেশভক্ত তৰুণৰাম ফুকনদেৱৰ তেনেকুৱা ৫৪টা স্তুতিৰ সমষ্টি। আৰম্ভণিৰ ইষ্টদেৱ স্তুতিকে ধৰি চন্দ্ৰমৌলী স্তোত্ৰলৈ এই স্তুতি বা স্তোত্ৰবোৰত ৫৩ গৰাকী দেৱদেৱীক নানা ৰূপত, নানা ছন্দত স্তুতি কৰি উঠি শেষৰ স্তুতিটোত দেশভক্তই উপৰোক্ত জ্ঞানকৃত দোষ তিনিওটাকে ক্ষমা কৰিবলৈ অব্যক্ত, নিৰাকাৰ, সৰ্বব্যাপী, সৰ্বশক্তিমান ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছে—

ৰূপ নাই প্ৰভু    তথাপি তোমাৰ    অন্তৰত ৰূপধ্যান ;
বাক্যৰ অতীত    জানিও তোমাক    স্তুতি কৰো বহুমান।
সৰ্বব্যাপী তুমি    জানিও নিশ্চয়    তীৰ্থাদিক যাওঁ ধনে।
জ্ঞানকৃত মোৰ    ই তিনি পাতক    ক্ষমা প্ৰভু নিজ গুণে।

আৰম্ভণিৰ ইষ্টদেৱৰ স্তুতিত ভক্তকবি দেশভক্তই নিজৰ অন্তৰৰ কামনা-বাসনা সকলো ভগৱানত অৰ্পণ কৰি—'ফল আশা কৰ্মৰ বন্ধন' বুলি স্বীকাৰ কৰিছে





আৰু মোহমুক্ত হৈ যাতে কৰ্তব্য কৰি যাব পাৰে তাৰ কাৰণে ভগৱৎ কৰুণা ভিক্ষা কৰিছে।

পুথিখন ৰচনা কৰা হৈছিল শিলচৰ কাৰাগাৰত, সম্ভৱ ১৯২১ চনত। ভাৰতৰ মুক্তি-যুদ্ধত আত্মোৎসৰ্গ কৰি মহাত্মা গান্ধীৰ 'অসহযোগিতা' আন্দোলনত জপিয়াই পৰা হেতুকে তেতিয়াৰ চৰকাৰে দেশভক্ত ফুকনক গ্ৰেপ্তাৰ কৰি নি শিলচৰ জেইলত আটক কৰি ৰাখিছিল। সেইবাবে 'স্তুতিমালা' পুথি এক প্ৰকাৰ বৃটিশ শাসনৰ কাৰাগাৰৰ দান। এইটো জনা কথা যে পৃথিৱীৰ শ্ৰেষ্ঠ গ্ৰন্থৰাজিৰ এক বুজন অংশ এইদৰেই কাৰাগাৰত ৰচনা কৰা হৈছিল। পণ্ডিত জৱাহৰলাল নেহৰু, মহাত্মা গান্ধী, মৌলানা আজাদ আদি জ্ঞানী লোকসকলে কাৰাবৰণ নকৰা হ'লে তেওঁলোকে দি যোৱা অফুৰন্ত জ্ঞানৰ ভঁৰাল গ্ৰন্থৰাজিৰ পৰা আমি বঞ্চিত হলোঁহেঁতেন : মুক্ত কৰ্ম জীৱনত তেওঁলোকৰ পক্ষে সেইবোৰ ৰচনা কেতিয়াও সম্ভৱ নহ'লহেঁতেন। অকল ভাৰততে নহয় দেশে দেশে, যুগে যুগে তেনে ৰচনাৰ উদাহৰণ অনেক পোৱা যায়। ইয়াকো এক ভগৱানৰে লীলা বুলিব পাৰি।

'স্তুতিমালা'ৰ প্ৰায়বোৰ স্তুতিয়ে মূল সংস্কৃত স্তোত্ৰ, স্তুতি, স্বস্তিবচন আদিৰ কাব্যময় অসমীয়া ভাঙনি। সেই ভাঙনি বহুত ঠাইত মূলৰ হুবহু তৰ্জমা আৰু বহুত ঠাইত সংস্কৃতৰ ভাবাশ্ৰয়ী ৰচনা। প্ৰথমৰ ইষ্টদেৱ স্তুতি আৰু সৰ্বশেষৰ 'স্তুতি' বোলা প্ৰাৰ্থনাটো দেখ-দেখকৈ কোনো স্তোত্ৰৰ হুবহু ভাঙনি নহয় ; কিন্তু দুয়োটাতে দেশভক্তৰ কবি অন্তৰৰ কাব্যময় স্বৰূপটো প্ৰকট হৈ পৰিছে।

বিষয়তো থাকি যেন    তোমাত নুগুচে ৰতি
সত্য বস্তু পাওঁ দৰিশন ;
সত্যৰ কাৰণে যেন    সুখ ভোগ পৰিহৰি
লব পাৰো সাৱটি মৰণ।
মৰণৰ ভয়ে প্ৰভু    মনক ব্যাকুল কৰে
মায়াই আকুল কৰে প্ৰাণ ;
ইটো দেহা যদি যায়    আত্মাৰ মৰণ নাই
দিয়া প্ৰভু এই সজ্ঞ জ্ঞান।

—এনে ধৰণৰ অন্তৰ নিগাৰি ওলোৱা ভক্তি ভাবধাৰাৰ স্বচ্ছ প্ৰতিবিম্ব স্তুতিমালাৰ অনেক ঠাইত পোৱা যায়। স্তুতিমালাত বহুত দেৱ-দেৱীৰ স্তুতি সন্নিবিষ্ট হৈ আছে যদিও ইয়াৰ মূল-ভাৱ শ্ৰীমদ্‌ভগৱদ্গীতা আৰু বিবিধ উপনিষদৰ ভগৱদ্ভক্তিৰ ধাৰাত বুৰ গৈ আছে। আন নালাগে—গীতাসাৰ স্তোত্ৰয়ে 'স্তুতিমালা'ত এটা নহয়, দুটা নহয়, পাঁচটা আছে আৰু বৈষ্ণৱী ভাবৰ ইষ্টদেৱ স্তুতি, শ্ৰীমধুসূদন স্তোত্ৰ, গোপাল স্তোত্ৰ, কৃষ্ণনাম স্তুতি, পৰমেশ স্তুতি পৰম ব্ৰহ্ম স্তুতি, বিশ্বেশ্বৰ স্তোত্ৰ, বিশ্বৰূপ বন্দন, নাৰায়ণ স্তোত্ৰ, কৃষ্ণ স্তোত্ৰ, মুৰলীধৰ স্তোত্ৰ, পৰমাত্মা স্তোত্ৰ ইত্যাদি স্তুতিৰে স্তুতিমালা ভৰপুৰ।

নামঘোষাখন আছিল একশৰণীয়া ভক্ত কবি মহাপুৰুষ মাধৱদেৱৰ অন্তৰ বিগলিত হৈ ওলোৱা সংস্কৃত স্তৱ-স্তোত্ৰসমূহৰ স্বচ্ছ অসমীয়া নিজৰা। বহুতে দেশভক্ত ফুকনক বহু দেৱ-দেৱীৰ স্তুতি ৰচনা কৰা বাবে মহাপুৰুষীয়া ভাবৰ পৰা আঁতৰত থকা বুলি ক'ব খোজে। তেওঁৰ মানত কিন্তু একেজনা দেৱতাৰে এইবোৰ ডাল-পাত ; আৰু যিয়ে যিবুলি স্তুতি কৰি ভাল পায় তেওঁ সেইবুলি স্তুতি কৰক বুলিয়ে তেওঁ এই 'স্তুতিমালা' পুথি স্তৱ-কৱচ মালাৰ দৰে ৰচনা কৰিছিল। ইও এক প্ৰকাৰ ভাৰতীয় ভাব-বৈচিত্ৰ্যই ; কাৰণ, ঐক্যৰ মাজতো বৈচিত্ৰ্যৰ স্বীকৃতি আৰু বৈচিত্ৰ্যৰ সমন্বয়ত ঐক্য স্থাপনেই ভাৰতীয় জীৱনৰ মূলমন্ত্ৰ।

'স্তুতিমালা'ৰ স্তৱ-স্তুতি ৰচনাৰ নানা ঠাইত 'নাম-ঘোষা'ৰ পদ-লালিত্যৰ ধ্বনিও প্ৰতিধ্বনিত হোৱা শুনা যায়। সিমানেই নহয়—'স্তুতিমালা'ৰ কবিয়ে ৰচনাত মহাপুৰুষ শঙ্কৰদেৱৰ দাস্য-ভক্তিৰ ভণিতাও অ'ত-ত'ত দি মহাপুৰুষৰ পদানুসৰণ কৰিছে। 'নামঘোষা'ৰ 'মোৰ সম পাপী লোক, নাহিকে ই তিনি

লোক, তুমি সম নাই পাপহাৰী' এনে ধৰণৰ ভাবকে আশ্ৰয় কৰি সেই ৰচনাৰ আহিতে ফুকনদেৱেও শ্ৰীমধুসূদন স্তুতিত নিবেদন কৰিছে—'মোৰ সম অল্পমতি, নাই আৰু জগপতি, ৰক্ষা কৰা শ্ৰীমধুসূদন।' তেনেকৈয়ে মুক্তিলৈও স্পৃহা এৰি ৰসময় ভকতিকে জীৱনৰ কাম্য সাধনা হিচাপে লোৱা মহাপুৰুষ মাধৱদেৱৰ 'মুক্তিত নিস্পৃহ যিটো'ৰ ভাৱতেই দেশভক্তই নাৰায়ণ স্তোত্ৰত প্ৰাৰ্থনা কৰিছে—

মুক্তিৰ উপায়    আৰু মোৰ নাই
নিশ্চয় জানিলোঁ স্বামী ;
মুক্তি পৰিহৰি    ভক্তি আশা কৰি
শৰণ পশিলোঁ আমি।
দিয়া ভক্তিদান    নামাগোহো আন
তুমি ভকতৰ প্ৰাণ ;
তোমাৰ চৰণে    শৰণ পশিলোঁ
ৰক্ষা কৰা নাৰায়ণ।

ই পুৰা বৈষ্ণৱী ভাবৰ কথা। তেনেকৈ আকৌ মহাপুৰুষ শঙ্কৰদেৱৰ 'কৃষ্ণৰ কিঙ্কৰ শঙ্কৰে ভণে'ৰ আহিতে কবি ফুকনেও ভণিতা দি কৈছে—

গুৰুদেৱে ৰচা ইটো, শ্ৰীমধুসূদন স্তুতি, ভণো মই
কিঙ্কৰ তৰুণ।
প্ৰভু তুমি আশুতোষ, বঢ়া টুটা শতদোষ, ক্ষমিঙক
শ্ৰীমধুসূদন ॥

নতুবা

শঙ্কৰৰ ( শঙ্কৰাচাৰ্য্যৰ ) মূল চাই, তৰুণ কিঙ্কৰে গায়,
লোৱা সদা গোবিন্দৰ নাম।' [ ইত্যাদি ]

আকৌ ঘোষাৰ 'মাধৱ মুকুথে গায়'ৰ দৰে বৈষ্ণৱী বিনয় প্ৰকাশ কৰি 'স্তুতিমালা'ৰ কবিয়েও কৈছে—'শঙ্কৰৰ পদ চাই, তৰুণ মুকুথে গায়'—ইত্যাদি। গতিকে বৈষ্ণৱী ভাবৰ পৰা কবি ফুকন আঁতৰি যোৱা নাই। বৈষ্ণৱ হৈয়ে আছে।

দুই একোটা স্তোত্ৰ বা তাৰ স্তৱক সংস্কৃতৰ পৰা অসমীয়ালৈ ৰূপান্তৰ কৰাত সি এনে ৰূপ লৈছে যে তাক মূল সংস্কৃত স্তুতিটো নপঢ়া পাঠকে একোপধ্যে অনুবাদ বুলি কব নোৱাৰে। উদাহৰণ অলেখ, তাৰে দুটা-এটা যেনে—

সংস্কৃত 'গুৰুস্তোত্ৰম্' :—

অখণ্ডমণ্ডলাকাৰং ব্যাপ্তং যেন চৰাচৰম্
তৎপদং দৰ্শিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ।
অজ্ঞানতিমিৰান্ধস্য জ্ঞানাঞ্জন শলাকয়া।
চক্ষুৰুন্মীলিতং যেন তস্মৈ শ্ৰীগুৰৱে নমঃ ॥

স্তুতিমালা— অখণ্ড মণ্ডলাকাৰ    ব্যাপি আছে চৰাচৰ
আদি অন্ত মাজ নাই যাৰ ;
অব্যক্ত ঈশ্বৰ ৰূপ    সাক্ষাৎ কৰায় যেয়ে
সেই গুৰু-পদে নমস্কাৰ।
অজ্ঞান আন্ধাৰে যেৱে    দৃষ্টি ৰোধ কৰি ৰাখে
নাই শক্তি তত্ত্ব দেখিবাৰ ;
জ্ঞানৰ পোহৰ দিয়া    স্বৰূপ দেখায় যেয়ে
সেই গুৰু পদে নমস্কাৰ।

সংস্কৃত—পিতা ধৰ্মঃ পিতা স্বৰ্গঃ পিতাহি পৰমং তপঃ।
পিতৰি প্ৰীতিমাপন্নে প্ৰিয়ন্তে সৰ্বদেৱতাঃ ॥

স্তুতিমালা—পিতা ধৰ্ম পিতা স্বৰ্গ, পিতায়েসে তপ,
পিতৃভক্তি মুক্তিৰ কাৰণ;
পিতৃদেৱ তুষ্টহলে, তুষ্ট সৰ্ব দেৱ, জানি
পদে পশিলোঁ শৰণ।

শঙ্কৰাচাৰ্য্যৰ চৰ্পটপঞ্জৰিকা স্তোত্ৰম্—

অঙ্গং গলিতং পলিতং মুণ্ডং, দশনবিহিনং জাতং তুণ্ডম্।
বৃদ্ধো জাতি গৃহীত্বা দণ্ডং, তদপি ন মুঞ্চত্যাশাপিণ্ডম্ ॥
বালস্তাবৎ ক্ৰীড়াসক্ত-স্তৰুণস্তাবৎ তৰুণীৰক্তঃ।
বৃদ্ধস্তাবৎ চিন্তামগ্নঃ, পৰমে ব্ৰহ্মণি কোহপি ন লগ্নঃ ॥

স্তুতিমালা বিবেক মঞ্জৰী—

শিথিল সকলো অঙ্গ শুভ্ৰ কেশজাল ;
দাঁত নাই সোলা আৰু কেৱল কঙ্কাল।
লাখুটিত ভিৰ দিহে চলিছে ককাই,
তথাপি আশাৰ কিন্তু ওৰ পৰা নাই ॥



সৰু সৰু ল'ৰা ফুৰে ৰঙতেই মতি,
ডেকা মানে দেখা যায় গাভৰুতে ৰতি।
বুঢ়া হলে বহি বহি চিন্তোতেই যায়
পৰম ব্ৰহ্মত মন কাৰোৱেই নাই ॥

চৰ্পটপঞ্জৰিকা—

ভজ গোবিন্দং ভজ গোবিন্দং ভজ গোবিন্দং মূঢ়মতে।
প্ৰাপ্তে সন্নিহিতে মৰণে ন হি ন হি ৰক্ষতি ডুকৃঞ্ কৰণে ॥

স্তুতিমালা—হেন জানি গোবিন্দ পদে কৰা ৰতি,
গোবিন্দ গোবিন্দ ভজা মূঢ়মতি।
অন্তকে লগ পালে জানিবা মনাই,
গোবিন্দত বিনে আৰু আন গতি নাই ॥

সংস্কৃত গীতা— বাসাংসি জীৰ্ণানি যথা বিহায় নবানি
গৃহ্লাতি নৰোঽপৰাণি।
তথা শৰীৰাণি বিহায় জীৰ্ণান্যন্যানি
সংযাতি নবানি দেহী ॥

স্তুতিমালা— পুৰণি বসন লোকে পৰিত্যাগ কৰি,
পিন্ধে যেনে নতুন বসন ;
জীৰ্ণ দেহা পৰিহৰি আত্মায়ো সিদৰে,
কৰে দেহা নতুন গ্ৰহণ। ইত্যাদি

ইচলাম ধৰ্মত ভগৱানৰ ৰূপ কল্পনা কৰা বা নামকৰণ কৰা নিষেধ। কিন্তু তাতো এজনা সৰ্বশক্তিমান ভগৱান আছে আৰু তেওঁক প্ৰাৰ্থনা কৰিলে তেওঁ ভক্তৰ মনোবাঞ্ছা পূৰ্ণ কৰে—এনে ধাৰণা কৰা হয়। ইমানেই নহয়, প্ৰাৰ্থনাৰ স্থান তাত আৰু ওপৰত। সেই প্ৰাৰ্থনাত আনকি প্ৰাৰ্থীয়ে নিজত বাহিৰে আনৰ মঙ্গলৰ কাৰণেও খাটিব পাৰে। ভগৱানে তেনে প্ৰাৰ্থনাও গ্ৰহণ কৰে। দেশভক্তয়ো অন্নপূৰ্ণা দেৱীক স্তুতি কৰোঁতে 'দিয়া সজ জ্ঞান, কৰা পৰিত্ৰাণ, দাসত্ব কৰা মোচন ; দোষ পৰিহৰি, অন্নপূৰ্ণেশ্বৰী, স্বৰাজ কৰাহে দান'—এই ঘোষা বাৰে বাৰে গাই দেশৰ স্বাধীনতা পাবলৈ বিচাৰিছে। ইও সেই এক ধৰণৰে সকাম প্ৰাৰ্থনা। ই কেতিয়াও সংস্কৃতৰ অনুবাদ হ'ব নোৱাৰে।

ফুকন ডাঙৰীয়াৰ ভাষা অকল নিভাঁজ অসমীয়ায়ে নহয়, অতীৱ ৰসালো। তেওঁৰ 'ভৰু মানি ( স্তুৰু মানি নহয় ), 'গোপ শিশু সমে মিলি' ( সঙ্গে মিলি নহয় ), ৰাজা-মহাৰাজা ( ৰজা-মহাৰজা নহয় ), 'বহুমান লোক, প্ৰপন্ন-তাৰণ—এনেবোৰ শব্দ-যোজনা বিশেষ লক্ষ্য কৰিবলগীয়া। শব্দৰ আপোনা-আপুনি বান্ধ খাই পৰাৰ দৰে হোৱা অনুপ্ৰাসো কেতিয়াবা তেওঁৰ ৰচনাৰ বৈশিষ্ট্যৰূপে পৰিগণিত হয় : উদাহৰণ, যেনে—

দুৰ্দ্দান্ত অসুৰ, অখণ্ড প্ৰতাপ, চণ্ডৰ প্ৰকোপ পাই ;
শিৱানী ভৱানী, ত্ৰিতাপ তাৰিণী, তুমি বিনে গতি নাই ॥

*    *    *

জটা জুট ধাৰী, দেৱ ত্ৰিপুৰাৰী, শিৱ সত্য সনাতন।

*    *    *

নাৰায়ণ নৰবীৰ নিৰঞ্জন হৰি।
নৰসিংহ নাগনাথ নৰকান্তকাৰী ॥
পীতাম্বৰ পদ্মনাভ পতিত পাবন।
পৰম পৱিত্ৰ শিৱ সত্য সনাতন ॥ ( কৃষ্ণনাম স্তুতি )
ইত্যাদি

'স্তুতিমালা'ত কেৱল সংস্কৃত স্তোত্ৰৰে অনুবাদ নাই, তাত ইচলামৰ বিখ্যাত আদি স্তুতি 'আলহাম্ দুলিল্লা'ৰ সৰল ভাঙনিও আছে, নাম ঈশস্তুতি—

তোমাৰ মহিমা পৰম ঈশ্বৰ
বিশ্বৰ পালক তুমি
অতি কাৰুণিক পৰম দয়ালু
ধৰ্ম্মবিচাৰৰ স্বামী।
তোমাকে প্ৰণামো কৃপা ভিক্ষা কৰো
সোন বাটে নিয়া মোক ;
যি সোন বাটত চলিছে সদায়
তযু কৃপাপাত্ৰ লোক। ইত্যাদি

আমাৰ মুছলমান বন্ধু এজনৰ মতে এই স্তুতি 'আলহাম্ দুলিল্লা'ৰ হুবহু অনুবাদ। ইয়ে দেশভক্ত ফুকনৰ ধৰ্ম সম্বন্ধীয় ব্যাপক জ্ঞান আৰু মনৰ উদাৰতাৰ পৰিচয় দিয়ে।

'স্তুতিমালা'ৰ ৰচনাৰ প্ৰাঞ্জলতা আৰু ঠায়ে ঠায়ে, অতি অলপ কথাৰে বহু ভাব প্ৰকাশক ৰচনাশৈলীলৈ লক্ষ্য কৰিলে পাঠক স্তব্ধ নহৈ নোৱাৰে : উদাহৰণ, যেনে—

ঋষি যজ্ঞে যপে মুনি মৌন তপে
সন্ন্যাসি কৰ্ম্মক ন্যাসি ;
গৃহী গৃহবাসে সবে মুক্তি আশে
আছন্ত যাক উপাসি ; ইত্যাদি
( পৰমেশ স্তুতি )

* * *

সত্ব ৰজ তম, গুণৰ বিকাৰ, ব্ৰহ্মা বিষ্ণু শিৱ ৰূপ,
অব্যক্ত ভাৰত, নিৰ্গুণ সততে, নিৰাকাৰ নাই ৰূপ।
ইত্যাদি ( অভাজনৰ স্তুতি )

* * *

কৰ্ম্মক নকৰি, ফল লাভ কৰা, জানিবা অতি কঠিন ;
সন্ন্যাসী মাত্ৰেই, সিদ্ধিক নাপায়, কৰ্ম্মেসে ধৰ্ম্মৰ চিন।
ইত্যাদি

মুঠতে 'স্তুতি-মালা'ৰ স্তুতিবোৰৰ ঘাই উদ্দেশ্য দেশভক্তৰ স্তুতিৰ ভাষাতে এইদৰে কোৱা যায়—

'জগতৰ স্ৰষ্টা আছে কিনো মতে, ক'ত বা তেওঁৰ স্থান ;
কিবা অভিপ্ৰায়ে জগত সৃজিলে, তৰ্ক কৰে বহুমান।
ঋষিয়ে ঋষিয়ে বাদ-প্ৰতিবাদ, শাস্ত্ৰৰো নাহিকে অন্ত ;
বিশ্বাসত বিনে তৰ্কত নাপাও, জানি নমো ভগৱন্ত।

অৰ্থাৎ 'বিশ্বাসে মিলায় হৰি, তৰ্কে বহুদূৰ' বাবে অন্তৰত বিশ্বাস ৰাখি

'মই জ্ঞানহীন অতি মূঢ়মতি, তৰ্কযুদ্ধ পৰিহৰি ;
নিজ সাধ্যমতে তোমাৰ চৰণে, স্তুতি কৰো পৰি পৰি।'

এই অভাজনৰ স্তুতি বোলা স্তুতিয়েই 'স্তুতিমালা'ৰ বক্তব্য বিষয়। এই স্তুতিবোৰৰ ভালেমান স্তুতি অনুবাদ, ভালেমান ভাবানুবাদ আৰু বহুমান ছায়ানুবাদ বা মূলৰ ছাঁ মাত্ৰ। এই সকলো প্ৰকাৰ স্তুতিয়ে থূল পাতি, জুম বান্ধি থুপিতৰাৰ দৰে হৈ 'স্তুতিমালা'ক নামে-কামে থূপাই ৰখা এডালি সুগন্ধি পুষ্পৰ মালাত পৰিণত কৰিছে।

স্বীকাৰ কৰিব লাগিব যে সাহিত্য-চৰ্চা ফুকন ডাঙৰীয়াৰ ৰাজনৈতিক জীৱনৰ বিপুল ব্যস্ততাৰ মাজত কৰা অৱসৰ বিনোদনৰ ক্ষণিক কাম আছিল যদিও কেইবাটাও বিষয়ত তেওঁ অসমীয়া সাহিত্যৰ প্ৰথম বাটকটীয়া। 'স্তুতি-মালা'ৰ পৰ্য্যায়ৰ বিবিধ স্তুতি-নতিৰ পুথি তেতিয়ালৈ—তেতিয়া কিয়—আজিকোপতি অসমীয়া সাহিত্যত দ্বিতীয় এখন ওলোৱা নাই। স্বৰ্গীয় মহিচন্দ্ৰ বৰাৰ 'শান্তিশতক' সংস্কৃতৰ ভাঙনি হ'লেও 'স্তুতিমালা'ৰ স্তৱ-স্তুতিৰ লেখীয়া বস্তু তাত নাই। 'স্তুতিমালা'ই ফুকন ডাঙৰীয়াৰ অসাধাৰণ কবি-প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। ঠিক একেদৰে ফুকন ডাঙৰীয়াৰ 'যৌনতত্ত্ব' আৰু আৱাহনত প্ৰকাশিত হাতী চিকাৰৰ কাহিনীবোৰো ( পিছত 'চিকাৰ কাহিনী' নামত প্ৰকাশ হৈ ওলোৱা পুথি ) অসমীয়াত সেই সেই বিষয়ৰ প্ৰথম ৰসাল সাহিত্য।

দেশভক্ত ফুকনে 'স্তুতিমালা' কি পৰিস্থিতিত, কিহৰ প্ৰেৰণাত বা বেদনাত পৰি ৰচনা কৰিছিল—সেইটো স্পষ্টকৈ জনা নাযায়। মহাকবি কালিদাসৰ মেঘদূত, কুমাৰ সম্ভৱ আদি কাব্য তেওঁৰ প্ৰায় কণ্ঠস্থ আছিল ; তথাপি সেইবোৰৰ ভাঙনি হাতত নলৈ 'স্তুতি-মালা' ৰচিবলৈ লোৱাৰ কিবা হয়তো তাৎপৰ্য নোহোৱা নহয়। 'ধৰ্ম্মস্য তত্ত্বং নিহিতং গুহায়াং' বোলাৰ দৰে কাৰাগাৰৰূপী নিৰ্জন গুহাত অকলে অকলে বন্দী হৈ থাকিবলগীয়া হোৱাত হয়তো তেওঁৰ মনটোৱে ঈশ্বৰ-চিন্তা কৰি দেৱ-দেৱীৰ স্তুতি-ৰচনাৰ মাজেদিয়ে ধৰ্মমুখী হৈ শান্তি ল'বলৈ বিচাৰিছিল ; হয়তো বা সংসাৰৰ ঘাত-প্ৰতিঘাতে তেওঁৰ মনত তেতিয়া কিবা প্ৰকাৰে নিৰ্মম পীড়া দিছিল আৰু সেইবোৰৰ পৰা শান্তি লভিবলৈয়ে তেওঁ 'স্তুতি-মালা'ৰ ৰচনা হাতত লৈছিল। সি যিয়েই নহওক, উপৰোক্ত তিনিওখন পুথিয়ে অসমীয়া সাহিত্য-ভঁৰাললৈ দেশভক্ত ফুকনৰ অমূল্য দান, তাক কোনেও নুই কৰিব নোৱাৰে। ●

# প্ৰাচ্যতত্ত্ববিদ ডঃ যোগীৰাজ বসুৰ জীৱন দৰ্শন আৰু সাহিত্য প্ৰতিভা

.................................... ........... ..........................

শ্ৰীৰাজু বৰুৱা

সাংসাৰিক মোহৰ আকুল বন্ধন ছিঙি, জীৱনৰ সকলো ভোগবিলাস এৰি আজীৱন জ্ঞানান্বেষণত ব্ৰতী থকা লোকৰ সংখ্যা জগতৰ ইতিহাসত বৰ বেছি নহয়। জনসমাজৰ কোলাহলৰ পৰা সম্পূৰ্ণ আঁতৰি আশ্ৰমৰ নিবিড় নীৰৱ কোলাত, প্ৰাচ্যৰ সভ্যতা আৰু সংস্কৃতিৰ অপূৰ্ব জ্যোতি দেশে-বিদেশে আলোকপাত কৰিবলৈ অহোপুৰুষাৰ্থ কৰা প্ৰখ্যাত ভাৰততত্ত্ববিদ, বিদগ্ধ পণ্ডিত ডঃ যোগীৰাজ বসু আমাৰ চিৰ নমস্য।

সেই সিদিনা ইহধাম ত্যাগ কৰি যোৱা ভাৰত তথা অসম মাতৃৰ একান্ত জ্ঞানৰ সাধক ডঃ বসুদেৱ এক উজ্জ্বল প্ৰতিভাৰ চিৰস্মৰণীয় স্বাক্ষৰ। ১৯১১ চনৰ ২৯ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড়ত ডাঃ কালীপ্ৰসন্ন বসু আৰু সৰোজিনী বসুৰ সুযোগ্য পুত্ৰ যোগীৰাজ বসুৰ জন্ম হয়। ডঃ বসুৰ স্কুলীয়া শিক্ষা আৰম্ভ হয় ডিব্ৰুগড় ৰাজহুৱা বিদ্যালয়ত আৰু ইয়াৰে জৰ্জ ইনষ্টিটিউচনত কৃতিত্বৰে স্কুলীয়া শিক্ষা সমাপ্ত কৰে। বিভিন্ন জাতিৰ পবিত্ৰ শিক্ষা মিলন মন্দিৰ উক্ত ইনষ্টিটিউচনতে ১৯২৮ চনত ডঃ বসুৱে কৃতিত্বৰে তিনিটা বিষয়ত লেটাৰ আৰু ষ্টাৰ'সহ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ডঃ বসুৰ কলেজীয়া শিক্ষা জীৱন আৰম্ভ হয় গুৱাহাটীৰ কটন কলেজত। কলেজীয়া শিক্ষা-জীৱনৰ কৃতিত্বৰ স্বাক্ষৰ হিচাপে ডঃ বসুৱে পুনৰ আই-এ পৰীক্ষাত 'লেটাৰ'সহ উত্তীৰ্ণ হয় ১৯৩০ চনত। তাৰ পিছত ১৯৩২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সংস্কৃতত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ স্বৰ্ণপদক সহ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছত ক্ৰমে ১৯৩৪, ১৯৩৬ আৰু ১৯৩৯ চনত সংস্কৃতৰ বেদান্ত, বেদ আৰু ইংৰাজী বিষয়ত কৃতিত্বৰে স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি কেইবাটাও স্বৰ্ণপদক আৰু নগদ পুৰস্কাৰৰ বঁটা লাভ কৰে।

পুনৰ ১৯৬৬ চনত ডঃ বসুৱে যাদৱপুৰ বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে। তেখেতৰ গৱেষণাৰ বিষয়বস্তু আছিল 'ব্ৰাহ্মণৰ যুগত ভাৰত' (India in the Age of the Brahmanas) ইংৰাজ পণ্ডিত ডঃ বাচহাম, জাৰ্মান পণ্ডিত ডঃ হায়বাৰ আৰু ভাৰতীয় পণ্ডিত ডঃ সত্যকুমাৰ মুখাৰ্জীৰ দ্বাৰা তেখেতৰ গৱেষণা উচ্চ প্ৰশংসিত হৈছিল।

ডঃ বসুৱে কিছুকাল কটন কলেজত সংস্কৃতৰ অধ্যাপক হিচাপে কাম কৰাৰ পিছত অসমৰ সংস্কৃত শিক্ষা আৰু বেদান্ত দৰ্শন চৰ্চাৰ মুখ্য কেন্দ্ৰ বিৰাজ আশ্ৰমত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। ডঃ বসুৱেই আছিল ডিব্ৰুগড় কানৈ কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ। ১৯৪৫ চনৰ পৰা ১৯৬৭ চনলৈকে তেখেতে এই দায়িত্ব

বহন কৰাৰ পাছত ১৯৬৭ চনত ডঃ বসুৱে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃতৰ মুৰব্বী অধ্যাপক হিচাপে দায়িত্ব গ্ৰহণ কৰে। পশ্চিম জাৰ্মানীৰ গোৱাটিনজেন বিশ্ববিদ্যালয়ত ডঃ বসুৱে ভিজিটিং প্ৰফেচৰ হিচাপে শিক্ষাদান কৰিছিল। ইয়াৰ বাহিৰেও ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয়ত যেনে—শান্তিনিকেতন, যাদৱপুৰ, কলিকতা সংস্কৃত মহাবিদ্যালয় আৰু অক্সফৰ্ড, পেৰিচ বিশ্ববিদ্যালয়ত ডঃ বসুৱে বহুত বহুমূলীয়া বক্তৃতা দিছিল।

'ছাত্ৰানাং অধ্যয়নং তপঃ' এইষাৰি শাস্ত্ৰবাক্য সাৰোগত কৰি ডঃ বসুৱে ওৰেটো জীৱন ছাত্ৰ জীৱন হিচাপে লৈ অধ্যয়নতে নিয়োগ কৰিলে। সাংসাৰিক ভোগ-বিলাস, ঐশ্বৰ্য-সম্পত্তিৰ প্ৰতি তেখেতৰ লোভ নাছিল। আজীৱন ব্ৰহ্মচাৰী ব্ৰত লৈ, সংসাৰ বন্ধনৰ পৰা সম্পূৰ্ণ আঁতৰি তেখেতে যোগী জীৱনৰ সাধনাত ৰত আছিল। সন্যাসী-ত্যাগী পিতৃ-মাতৃ দুজনাৰ মহানাদৰ্শত অনুপ্ৰাণিত হৈ এইজনা মনীষীয়ে জগতৰ জ্ঞানপিপাসুসকলক উজ্জ্বল বাটৰ সন্ধান দি গৈছে।

'Simple living and high thinking'—এইয়া আছিল ডঃ বসুৰ জীৱনৰ মূলমন্ত্ৰ। সম্পূৰ্ণ আড়ম্বৰ হীন, সহজ-সৰল জীৱনৰ জ্ঞান সাধনাত কৃতিত্বৰে উত্তীৰ্ণ হৈও কোনোদিনে অহংভাৱে তেখেতৰ কাষ চপা নাছিল। তেখেতে সদায় সুদা ভৰিৰে খোজ কাঢ়ি ফুৰিছিল। আনকি বিদেশত অধ্যয়নৰ কালছোৱাতো তেখেতে জোতা পিন্ধা নাছিল।

ডঃ বসু আছিল প্ৰকৃতাৰ্থত এজন সমাজসেৱক, ত্যাগী। ডিব্ৰুগড় শিক্ষাজগতলৈ ডঃ বসুৱে অমৰ অৱদান দি থৈ গৈছে। তেখেতৰ প্ৰতিষ্ঠামূলক দৃষ্টিভংগীয়ে ভৱিষ্যতলৈ শিক্ষা জীৱনক বাট দেখুৱাব। ত্যাগীপ্ৰবৰ ডঃ বসুৱে তেখেতৰ সমস্ত ভৱিষ্যনিধিৰ ধন গুৱাহাটী বিশ্ববিদ্যালয়ক দান কৰি থৈ গৈছে; তাৰোপৰি তেখেতৰ সমস্ত উপাৰ্জন বিবাজ আশ্ৰমক দান কৰে। এইজনা ত্যাগবীৰ মনীষী অসম তথা ভাৰতৰ প্ৰতিভাৰ শিৰমস্তক মণিস্বৰূপ।

'শ্ৰদ্ধাবান লভতে জ্ঞানম্'—এইষাৰি শাস্ত্ৰবাক্য তেখেতে সদায় মানি চলিছিল। পূজনীয় জ্যেষ্ঠজনৰ, শিক্ষাগুৰুসকলক তেখেতে বৰ ভক্তি কৰিছিল। শিক্ষকসকলৰ প্ৰতি অপৰিসীম শ্ৰদ্ধা ভক্তিয়ে তেখেতৰ শ্ৰেষ্ঠত্ব জুয়ে পোৰা সোণৰ দৰে চিকুমিকাইছিল। সহজ, সৰল, বিনয়ী পণ্ডিত ডঃ বসুৰ আদৰ্শ আমাৰ অনুকৰণীয়।

এক কথাত কবলৈ গলে ডঃ বসু নিয়ম-শৃংখলাৰ প্ৰতিমূৰ্তি। কটন কলেজত ইংৰাজী আৰু সংস্কৃত বিষয়ৰ অধ্যাপক হিচাপে কাৰ্য্যভাৰ চলাই থকা অৱস্থাতে তেখেতৰ শৃংখলাবোধ অতুলনীয়। পৰাপক্ষত তেখেতে কেতিয়াও ক্লাচ ক্ষতি নকৰিছিল। ছাত্ৰক তেওঁ পুত্ৰবৎ পালন কৰিছিল। তেখেতে দৃঢ়ভাৱে বুজিছিল ছাত্ৰ-শিক্ষকৰ মধুৰ সম্পৰ্কৰ দ্বাৰাহে প্ৰকৃত শিক্ষা সম্ভৱ। ছাত্ৰৰ মাজত শিক্ষাদান কৰোতে তেখেতে প্ৰায়ে নিজকে হেৰুৱাই পেলাইছিল। ডঃ বসু প্ৰকৃত শিক্ষাৰ প্ৰতিভূ। ছাত্ৰক কেতিয়াও তেওঁ কটু ব্যৱহাৰ নকৰিছিল। নিষ্ঠাবান ছাত্ৰক সকলো প্ৰকাৰ উৎসাহ উদ্দীপনা দি জয়ী হোৱাত তেখেতে সহায় কৰিছিল।

ডঃ বসুৰ স্মৃতিশক্তি অতি প্ৰখৰ আছিল। তেখেতৰ উজ্জ্বল কৃতিত্বপূৰ্ণ ছাত্ৰজীৱনৰ সফলতাই আছিল তাৰ স্বাক্ষৰ। তেখেতৰ বক্তৃতা, বুজোৱাৰ পদ্ধতি অতি সাৰগৰ্ভ আছিল। তেখেতৰ দীঘলীয়া বক্তৃতা শুনি কোনো বিৰক্ত নহৈছিল বৰং শুনাৰ প্ৰতি আগ্ৰহীহে আছিল।

চিৰজীৱন জ্ঞান সাধনাত ব্ৰতী হৈ ডঃ বসু অবিবাহিত হৈ ৰ'ল। তেখেতৰ জীৱনদৰ্শনে প্ৰাচীন ঋষিসকলৰ জীৱনযাত্ৰা প্ৰণালীলৈ মনত পেলায়। অৰণ্যৰ কোলাত জ্ঞানান্বেষণকাৰী ডঃ বসুও বৰ্তমান সমাজৰ ঋষি, বৰেণ্য পুৰুষ।

অসমীয়া ভাষা সাহিত্যৰ ভঁৰাললৈ ডঃ বসুৱে যি অমূল্য অৱদান দি থৈ গৈছে, সি সদায় যুগমীয়া হৈ থাকিব। ডঃ বসুৱে আজীৱন ভাৰতীয় সংস্কৃতি, ভাৰতীয় বিদ্যা চৰ্চা নতুবা প্ৰসাৰতাৰ বাবে অহোপুৰুষাৰ্থ কৰি গৈছে। সংস্কৃত, অসমীয়া, বঙালী, ইংৰাজী আদি বিভিন্ন ভাষাত অনুপম অৱিহণাৰে তেখেতে ভাষা সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰি থৈ গৈছে। তেখেতৰ বিভিন্ন গ্ৰন্থৰাজি হ'ল, অসমীয়া—(১) জৰ থুশ্‌ত্ৰ (১৯৬০), (২) বেদৰ পৰিচয় (১৯৭০) (৩) বেদান্ত দৰ্শন (১৯৭৫); বঙালী—(৪ জৰ থুশ্‌ত্ৰ ধৰ্ম, (৫) বেদেৰ পৰিচয়, (৬) উপনিষদেৰ ভাবাদৰ্শ ও সাধনা; ইংৰাজী—(৭) India in the Age of the Brahmanas (Middle Vedic Age) Ph. D. Thesis, 1969. (৮) Studies in Vedic culture.

বেদৰ পৰিচয় আৰু জৰ থুশ্‌ত্ৰ ডঃ বসুৰ অসমীয়া ভাষালৈ অমূল্য অৱদান। এই দুখন গ্ৰন্থ আৰু ব্ৰাহ্মণৰ যুগত ভাৰতবৰ্ষ নামৰ গৱেষণা গ্ৰন্থখনি ডঃ বসুৰ আগৰ সদৃশ সুবিস্তৃত অধ্যয়ন আৰু পাণ্ডিত্যৰ সুপৰিচয়। বেদ-বেদান্ত দৰ্শনৰ দৰে আধ্যাত্মিক চিন্তাধাৰাৰে ভৰপূৰ উক্ত আপুকগীয়া গ্ৰন্থকেইখনিয়ে ডঃ বসুক চিৰস্মৰণীয় কৰি ৰাখিব।

সংস্কৃত পণ্ডিত স্বৰ্গীয় আনন্দৰাম বৰুৱাৰ দৰে চিৰকুমাৰ হৈ থাকি ডঃ বসুৱে আজীৱন জ্ঞানান্বেষণ আৰু ভাৰতীয় বিদ্যাৰ প্ৰসাৰতা কিংবা উন্নতিৰ বাবে অহোপুৰুষাৰ্থ কৰি গ'ল। আনন্দৰাম বৰুৱাৰ দৰে ডঃ বসুও অসম তথা ভাৰতৰ প্ৰকৃত বন্ধু।

বিশ্বজনীন দৃষ্টি, মানৱপ্ৰেম, অতিথি সেৱা, ধৰ্মগ্ৰন্থ ইতিহাস অধ্যয়ন, সৰ্বধৰ্ম শ্ৰদ্ধা, ডঃ বসুৰ জীৱনৰ মহৎ উদ্দেশ্য আছিল। বিৰাজ আশ্ৰমৰ পৰম আৰাধ্য শ্ৰীশ্ৰী ওঁ বাবাৰ চৰণত অৰ্পিত হৈ তেখেতে বাবাৰ পৰিচালনাত আৰু উপদেশমতে গোটেই জীৱন অতিক্ৰম কৰিলে। নীতি-নিয়ম-শৃঙ্খলা, সকলো প্ৰকাৰ সাধনা, আধ্যাত্মিক চিন্তাৰ অনুশীলন ইত্যাদি সকলো ডঃ বসুৱে শৈশৱৰ পৰাই লাভ কৰিছিল। নিজৰ লাগতীয়াল কাম নিজে কৰি, খেতি-পথাৰত ভূঁই ৰোৱা, ধান দোৱা আদি বিভিন্ন ৰকমৰ শাক-পাচলিৰ খেতিও ডঃ বসুৱে নিজে কৰিছিল। ডঃ বসুৰ দৃষ্টান্ত আমি প্ৰতিজন অসমীয়াই গ্ৰহণ কৰা উচিত আৰু কৰ্তব্যও।

To be a teacher you should possess the wisdom of a scholar, personality of a teacher and the affectionate heart of a father'—ডঃ বসুৰ গোটেই জীৱনতে বাবাৰ উক্ত বাণীৰ ৰূপায়ন সৰ্বব্যাপ্ত। প্ৰাচীন ভাৰতৰ শিক্ষা-পদ্ধতি আৰু বিদ্যাসংস্কৃতিৰ একান্ত সাধক ডঃ বসুৰ জীৱনাদৰ্শ আমাৰ অনুকৰণীয়।

ওঁ বাবাৰ চৰণত নিজক অৰ্পণ কৰি, ধ্যান সাধনাত সমস্ত জীৱন উচৰ্গা কৰা ত্যাগী, আজীৱন জ্ঞানান্বেষী, ঋষি তপস্বী ডঃ বসু অনুপ্ৰেৰণা আৰু আদৰ্শৰ উৎস।

'বিশ্বৰ উৎস আৰু প্ৰাণকেন্দ্ৰ অনন্ত শক্তিমান পৰমাত্মাৰ ওচৰত যেতিয়া মানুহে আত্মসমৰ্পণ কৰে তেতিয়া সি পায় অসীম শক্তি। পৰমপুৰুষৰ কৃপাশক্তিয়ে সেই শৰণাগত ভক্তজনক দিয়ে অচিন্তীয় দেৱশক্তি...... বিন্দুত সিন্ধুৰ শক্তি সঞ্চাৰিত হয়......অনুভূতিৰ উৰ্ধস্তৰৰ তত্ত্বভূমিলৈ উঠিব পাৰিলেহে এই সত্যৰ উপলব্ধি হয়........তেতিয়া পৰম শৰণাগতিয়েই পৰম শক্তিৰূপে দেখা দিয়ে'—('উপনিষদৰ শৰণাগতি' 'অসম সাহিত্য সভা পত্ৰিকা')

# উজনি অসমত কেৱল ধৰ্ম

**শ্ৰীমোহন চন্দ্ৰ মহন্ত**

অসম সাহিত্য সভা পত্ৰিকাৰ যোৱা ৩১শ বছৰৰ ৪ৰ্থ সংখ্যাত শ্ৰীকমলাধৰ গোহাঞিৰ "উজনি অসমত কেৱল ধৰ্ম" নামৰ প্ৰবন্ধত লিখকে সত্যৰ অপলাপ কৰি, আলোচ্য বিষয়ৰ লগত সঙ্গতি নথকা আৰু ভুল তথ্য দাঙি ধৰা দেখি আচৰিত হৈছোঁ।

শ্ৰীগোহাঞিৰ নাতিদীৰ্ঘ প্ৰবন্ধটিত প্ৰতিবাদ কৰিবলগীয়া দফা এটিও নাই। সেই প্ৰবন্ধৰ সকলো কথা বিৱৰি ভাঙি-পাতি ক'বলৈকো আমি এই প্ৰসঙ্গত আৱশ্যক বোধ কৰা নাই। সেই প্ৰবন্ধত লিখা কেৱল কেইটিমান অসঙ্গত, অনৈতিহাসিক আৰু অবাঞ্ছনীয় কথাৰ প্ৰতি পাঠকসকলৰ দৃষ্টি-গোচৰলৈ অনাটো আমাৰ কৰ্তব্য বুলি বোধ কৰিছোঁ।

তথাকথিত কেৱল ধৰ্মৰ কথা ক'বলৈ গৈ ব্ৰহ্ম-সংহতিৰ গড়মুৰ, আউনীআটী আৰু দক্ষিণপাট সত্ৰ আৰু কাল সংহতিৰো অতি সৰহভাগ সত্ৰক (যাৰ এই অবীতীয়া পন্থৰ লগত একো সম্বন্ধই নাই) অযথা সমালোচনাৰে জপটিয়াই লোৱাটো লিখকৰ পক্ষে সমুলি সমীচীন কাৰ্য্য হোৱা নাই। "মাধৱদেৱ চলাৰ পাছত ব্ৰাহ্মণ আৰু শূদ্ৰ-সমাজৰ মাজত মতানৈক্য হোৱাৰ ফলত গড়মুৰ আৰু কুৰুৱাবাহী সত্ৰ উদ্ভৱ হয়। ফলত আউনীআটী আৰু দক্ষিণপাট সত্ৰসহ আৰু চাৰিখন 'বামুণীয়া সত্ৰ' উজনিত হয়" (পৃষ্ঠা ৩৭) বুলি লিখা কথাষাৰ ৰজাঘৰীয়া বা সত্ৰীয়া কোনো বুৰঞ্জীয়েই সমৰ্থন নকৰে। "এই চাৰিখন কালসংহতি সত্ৰই 'কালক সেৱা' কৰে। এওঁলোকে শঙ্কৰ-মাধৱৰ ধৰ্মতকৈ এওঁলোকৰ প্ৰচাৰিত ধৰ্মক শ্ৰেষ্ঠ বুলি ভাবে" (পৃষ্ঠা ৩৮) এই বুলি লিখি এই সংহতিৰ প্ৰধান ব্ৰাহ্মণ আৰু কায়স্থ ১২ জন ধৰ্মাচাৰ্য্য স্থাপন কৰা সত্ৰসমূহ আৰু তেওঁলোকে প্ৰচাৰ কৰা ধৰ্মৰ বিষয়ে লিখকে ঘোৰ অজ্ঞতা মাথোন প্ৰকাশ কৰিছে। কালসংহতিৰ পক্ষে তেওঁৰ প্ৰবন্ধ সকলোতকৈ বেছি আপত্তিজনক কথা হৈছে—তেওঁ সেই সংখ্যা পত্ৰিকাৰ ৪১ পৃষ্ঠাত "গোপাল আতা আজ্ঞাপৰ সত্ৰসমূহে মূল শাঙ্কৰিক মতৰ পৰা আঁতৰি আহিলেই" বুলি আৰম্ভ কৰি "জাত পাত প্ৰশ্ন লোপ পালে" বোলালৈকে লিখা কথাখিনি এইখিনি কথা সপ্ৰমাণ কৰিবলৈ লিখকে এটা নিৰ্ভৰযোগ্য তথ্য বা তত্ত্বকে উদ্ধৃত বা উল্লেখ কৰিব পৰা নাই আৰু তেওঁৰ তেনে কৰিব পৰাৰ সামৰ্থ্য নাই বুলি আমি ডাঠি ক'ব পাৰোঁ। লিখকে তেওঁৰ প্ৰবন্ধটিৰ পাছৰ ফালে গ্ৰন্থপঞ্জী এটি লগাই দি থনদিয়েক কিতাপৰ নাম লিখি তেওঁৰ তথাকথিত





"কেৱল ধৰ্ম"ৰ গৱেষণাটো গজগজীয়া কৰিছে বুলি প্ৰত্যয় জন্মাবলৈ গৈছে। কিন্তু সেইবিলাক কিতাপৰ কোন খিনিৰ পৰা কি কথা বুটলি লৈছে সেইটো স্পষ্টকৈ উল্লেখ নকৰি তেওঁ তেওঁৰ নিজৰ মতকেই সেই কিতাপবোৰতো লিখা হৈছে বুলি কানিমুনি দিছে। তেওঁ পঞ্জীভূত কৰা "ৰাজসত্ৰ দিহিং সত্ৰৰ বুৰঞ্জী"খন সেইখন সত্ৰয়ে গ্ৰহণ কৰা নাই। সেই কিতাপ প্ৰকাশ হোৱাৰ সময়ত তাৰ বিৰোধী সমালোচনা "তিনিদিনীয়া অসমীয়া" কাকতত প্ৰকাশ হৈছিল। সেই কিতাপত লিখকে আৰু উল্লেখ কৰা "ভক্তিতত্ত্ব দৰ্পণ" বোলা কিতাপত তথাকথিত কেৱল ধৰ্মৰ বিষয়ে একো কথাই নাই। 'তুংখুঙীয়া বুৰ'ঞ্জীৰ যিটো অংশ শ্ৰীনাথ বৰবৰুৱাই লিখা বুৰঞ্জীৰ বাহিৰৰ পৰা বোটলা হৈছে তাত অবাস্তৱ আৰু অসত্য কথা অনেক আছে। উদাহৰণ স্বৰূপে "বাঁহ-বৰীয়া যদু'মণি"দেৱক এই বুৰঞ্জীত লিখামতে তেৰাৰ পুতেক লেংদীৰ ৰতিকান্ত, নাতিয়েক জগবন্দন আৰু বিনন্দশ্যাম আৰু পৰিনাতিয়েক জয়গোপাল, শত্ৰুঘ্ন, কণ্ঠভূষণ আদিৰ লগত '১৬১৪ শকত' 'সংহাৰ কৰি'বলৈ তেখেত ইমান দীৰ্ঘকাল ইহ জগতত জীৱিত হৈ থকাই নাছিল। তেখেতে ১৫৫৩ শকৰ ফাগুন মাহৰ শুক্লা চতুৰ্দশী তিথিত বৰ্তমান লক্ষীমপুৰ জিলাৰ কন্দলীপুখুৰী নামে ঠাইত পৰলোকগামী হৈছিল বুলি তেখেতৰ একাধিক চৰিত্ৰ পুথিত লিখা আছে। প্ৰবন্ধলিখকে উল্লেখ কৰা গদাধৰসিংহৰ দিনৰ উক্ত হত্যাকাণ্ড হৈছিল ভাদ মাহৰ পূৰ্ণিমা তিথিৰ দিনা আৰু তাৰ পিছদিনা। তদুপৰি এই ঘটনাৰ লগত তথাকথিত 'কেৱল ধৰ্ম'ৰ একো সম্বন্ধকেই কোনো বুৰঞ্জীয়ে ঘুণাক্ষৰেও প্ৰকাশ পোৱা নাযায়। তুংখুঙীয়া বুৰঞ্জীত উল্লেখ কৰা শূদ্ৰমহন্তই ব্ৰাহ্মণক শৰণ দিব পাৰেনে নোৱাৰে সেই বিষয়ে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত ঘটা নিৰ্যাতনৰ কাহিনীৰ লগতো প্ৰবন্ধ লিখকে তেওঁৰ আলোচ্য বিষয়ে 'কেৱল ধৰ্ম'ৰ একো সম্পৰ্ক থকাটো দেখুৱাব পৰা নাই। অথচ তেওঁ তুংখুঙীয়া বুৰঞ্জীৰ পৰা এই ঘটনা দুটাৰ কথা উল্লেখ কৰি তেওঁৰ প্ৰবন্ধৰ কলেবৰ অযথা বৃদ্ধি কৰি অভিযুক্ত সম্প্ৰদায়ৰ অসন্তোষৰ মাত্ৰা মাথোন বঢ়ালে।

শ্ৰীগোহাঞিয়ে দিহিংখুলৰ সত্ৰবিলাকৰ বিৱৰণ-টিকো তেওঁৰ প্ৰবন্ধত উল্লেখ কৰিবলৈ একো প্ৰাসঙ্গিকতা নাছিল। তদুপৰি তেওঁ সেই সত্ৰবিলাকৰ যি বিৱৰণ দিছে সেইটো মূলতেই ভুল হৈছে। আমি সেই বংশৰে এজন হিচাপে জনাওঁ যে, বৰ যদুমণিদেৱৰ তিনিজন পুত্ৰ আছিল; জ্যেষ্ঠ সনাতনদেৱ (বৰ্তমান বৰভাগ নামেৰে জনাজাত দিহিংসত্ৰৰ মূল পুৰুষ) মধ্যম ৰতিকান্ত দেৱ (লেংদী, বাঁহবাৰী, তেলপানী, ধল, শৰমৰা,—বৰ্তমান মাজুভাগ নামেৰে পৰিচিত এই পাঁচখন সত্ৰৰ আদি পুৰুষ) আৰু তৃতীয় শ্ৰীকান্তদেৱ ('সৰুভাগ নামেৰে প্ৰখ্যাত নমাটিসত্ৰৰ আদি পুৰুষ) আছিল। এই বংশ সম্পৰ্কে থনদিয়েক কিতাপ-পত্ৰ ইতিপূৰ্বে প্ৰকাশ হৈ যোৱাতো লিখকে সেই বিষয়ে একো খা-খবৰ নকৰি, ৰতিকান্ত বৰ যদুমণিদেৱৰ তৃতীয় পুত্ৰ' আৰু তেৰাই 'আদি বাঁহবাৰী' সত্ৰৰ 'অধিকাৰ' আছিল বুলি ভুলকৈ প্ৰকাশ কৰিছে। জ্যেষ্ঠ সনাতনদেৱৰ বৈকুণ্ঠ প্ৰয়াণলৈকে তেৰাই তেৰাৰ জ্যেষ্ঠজনেৰে সৈতে একে লগেই আছিল আৰু কোনো বেলেগ সত্ৰ প্ৰতিষ্ঠা কৰা নাছিল। ৰাজ-নিগ্ৰহত তেৰাৰ জ্যেষ্ঠ আৰু কণিষ্ঠ ভ্ৰাতৃদ্বয়ে একে দিনাই (আঘোণৰ কৃষ্ণা সপ্তমীৰ দিনা) বৈকুণ্ঠ প্ৰয়াণ কৰিবলগীয়া হৈছিল আৰু সেই ঘটনাৰ পিছত সনাতনদেৱৰ পুত্ৰ জগবন্দন-দেৱক (যাক গদাধৰসিংহ ৰজাই নামকাতত হত্যা কৰাইছিল) বৰ্তমান দিহিং নামে সুবিখ্যাত হোৱা সত্ৰৰ লোক ৰাজ আৰ্হীমতে সনাতনদেৱৰ উত্তৰাধিকাৰী বুলি থুৱাক ৰতিকান্তদেৱৰ বৰ্তমানেই সত্ৰাধিকাৰ পদত অভিষিক্ত কৰিছিল কাৰণেহে ৰতিকান্তদেৱে বৰ্তমান লক্ষীমপুৰ জিলাৰ অন্তৰ্গত লেংদী নামে ঠাইত পৃথকে সত্ৰ

কৰিবলগীয়া হৈছিল। ৰতিকান্তদেৱৰ পুত্ৰ উদিত ৰামদেৱো সেই লেংদী সত্ৰৰহে অধিকাৰী হৈছিল। উদিতৰামদেৱৰ মধ্যম পুত্ৰ কামদেৱেহে প্ৰাচীন বাঁহবাৰী থানত সত্ৰ পাতি সত্ৰাধিকাৰ হৈছিল। উদিতৰামদেৱৰ জ্যেষ্ঠপুত্ৰ মুখ্যদেৱহে আছিল আৰু তেৰাহে লেংদী সত্ৰৰ অধিকাৰ হৈছিল। শ্ৰীগোহাঞিয়ে লিখামতে 'প্ৰথমজন গিৰিধৰ' নাছিল আৰু আমাৰ তেলপানী সত্ৰৰ প্ৰতিষ্ঠাতাজনৰ নামো 'নৱদেৱ' নহৈ 'নৱৰবদেৱ'হে হ'ব লাগিছিল। 'শ্ৰীশ্ৰীনৱৰবদেৱৰ চৰিত্ৰ আৰু গীত-ঘোষা' নামৰ ছপা পুথিৰ বিষয়ে ৩০শ বছৰৰ অসম সাহিত্য সভা পত্ৰিকাত সম্পাদকীয় সমালোচনা প্ৰকাশিত হৈ গৈছিল। গৱেষণামূলক প্ৰবন্ধলিখক শ্ৰীগোহাঞিৰ দৃষ্টিত সেই পুথি নপৰিল কিয় বুজিব পৰা নহ'ল। 'মৈৰামৰা, কাটনি, কুৰদৈগুৰি সত্ৰ ৰমাইৰ আজ্ঞাপৰ আৰু মূলসত্ৰ জকাই' বুলি লিখোঁতেও লিখকে এটা সাংঘাতিক ভুল কৰিছে। জকাইসত্ৰ এই কেইখনি সত্ৰৰ ভিতৰত কেতিয়াও 'মূলসত্ৰ' নহয়। কাটনি, পাৰ সত্ৰৰ উদাসীন অধিকাৰ সুনন্দদেৱৰ প্ৰয়াণৰ পিছত তেৰাৰ শিষ্য ৰামকানাইৰ 'নিজ শকতি' ৰুদি-ৰূপেহে এই সত্ৰ স্থাপন কৰিছিল বুলি জকাই সত্ৰৰ এইজনা প্ৰতিষ্ঠাতাৰ পুত্ৰ বিভুনাথে ৰচনা কৰা 'সন্তাখ্যান' নামৰ প্ৰকাশিত ছপা পুথিৰ পৰাই নিশ্চয়কৈ জানিবলৈ পোৱা যায়। 'ৰমাই' বা ৰাম-দেৱৰ পৰা হোৱা যি কেইখনি সত্ৰৰ নাম প্ৰবন্ধ-লিখকে উল্লেখ কৰিছে তাৰ ভিতৰত মুৰাজিলিকা সত্ৰ চলিহা-বাৰেঘৰ সত্ৰক লিখকে এই প্ৰসংগত কিয় লেখত নল'লে বুজিব পৰা নহ'ল।

'ৰাতিখোৱা' ব 'কেৱল ধৰ্ম' নামৰ অবৈতীয়া গুপুত ধৰ্মীয় প্ৰথাৰ বিষয়ে অনুসন্ধিৎসুসকলে গৱেষণাত প্ৰবৃত্ত হোৱাটো অযুগুত বুলি আমি ক'ব নোৱাৰোঁ। কিন্তু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰনীতিৰ আমোলত অসত্য আৰু ভিত্তিহীন তথ্য আৰু উপকথাৰ প্ৰচাৰ কৰি সাম্প্ৰদায়িকতাক সজীৱ কৰি তোলাত সহায়কাৰী প্ৰবন্ধাদিৰ প্ৰকাশ বৰ্তমান চলিত ৰাষ্ট্ৰনীতি আৰু সাহিত্য সভাৰ ৰীতিমতে কেতিয়াও প্ৰশংসনীয় কাৰ্য হ'ব নোৱাৰে। আপত্তিজনক প্ৰবন্ধটোত এনে গৰ্হিত কথা বহুতো আছে যাক আমি সমালোচনাৰ অৰ্থেও পুনৰুক্ত কৰিব নোৱাৰা হৈছোঁ।*

* আমি এই প্ৰবন্ধ অসম সাহিত্য সভা পত্ৰিকালৈ পঠোৱাৰ পিছত শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতিয়ে প্ৰকাশ কৰা অমাৰ "মাধৱ বৈকুণ্ঠ গৈলা, গোপাল উদয় ভৈলা" নামৰ পুস্তিকাত, কালসংহতি আৰু এই সংহতিৰ নামত চলোৱা অবৈতীয়া ধৰ্মৰ বিৰুদ্ধে লিখা কথা এই প্ৰবন্ধৰ সম্পৰ্কত দ্ৰষ্টব্য। এই পুস্তিকাৰ সুবিজ্ঞ সমালোচনা যোৱা ৩৩শ বছৰ ৩য় সংখ্যাৰ অসম সাহিত্য সভা পত্ৰিকাত প্ৰকাশ হৈ গৈছে।

# নাৰী বনাম পুৰুষ

শ্ৰী হৰেন শৰ্মা

নাৰয়তি বৃদ্ধিং প্ৰাপয়তি ইতি নাৰী। পূৰয়তি যঃ সঃ পুৰুষঃ। নাৰীয়ে কৰে বংশবৃদ্ধি আৰু নাৰীৰ সেই কামনা পূৰণ কৰে পুৰুষে।

"পতিঃ ভাৰ্য্যাং সংপ্ৰবিশ্য গৰ্ভো ভূত্বেহ জায়তে।
জায়ায়াস্তদ্ধি জায়াত্বং যদস্যাং জায়তে পুনঃ॥" মনু ৯।৮

পতিয়ে গৰ্ভৰূপে ভাৰ্য্যাত প্ৰৱেশ কৰি জন্মগ্ৰহণ কৰে। তিৰোতাৰ পৰা জন্মে কাৰণে তিৰোতাক জায়া বোলে।

"যাৱন্ন বিন্দেত জায়াং তাৱদৰ্দ্ধোভৱেৎ পুমান্।
— ব্যাস সংহিতা ২য় অধ্যায়

ভাৰ্য্যা নাপায় মানে পুৰুষৰ অস্তিত্ব আধাহে। ঋগ্বেদত নাৰীক পুৰুষতকৈ বেছি মৰ্য্যাদা দিয়া হৈছে। "হে বধু, তুমি কল্যাণময়ী হৈ পতিগৃহত অধিষ্ঠান কৰা। আমাৰ দাস-দাসী আৰু পশুবিলাকৰ মঙ্গল বিধান কৰা। তোমাৰ চকু যেন দোষশূন্য হয়। তুমি পতিৰ কল্যাণ কামনা কৰা, পশুৰ মঙ্গলকাৰিণী হোৱা। তোমাৰ মন প্ৰফুল্ল হওক, লাৱণ্য উজ্জ্বল হওক। তুমি বীৰপুত্ৰ প্ৰসৱিনী আৰু দেৱতাৰ ভক্তা হোৱা। তুমি শহুৰৰ ওপৰত প্ৰভুত্ব কৰা, শাহুক বশ কৰা, ননদ আৰু দেৱৰসকলৰ ওপৰত সম্ৰাজ্ঞীৰ নিচিনা হোৱা।—ঋক্ ১০।৮৫।৪৩,৪৪।

অথৰ্ব বেদৰ ১৪।২।৭১ অত পতিয়ে পত্নীক কৈছে— মই প্ৰাণ তুমি বাক্, মই সাম তুমি ঋক্, মই দ্যৌ তুমি পৃথিৱী। এই ধৰণীত আমি দুয়ো একেলগে চিৰকাল থাকিম। আমি সন্তানৰ জনক-জননী হম।"—ইয়াত পুৰুষে স্ত্ৰীক সমান মৰ্য্যাদা দিছে।

ঋগ্বেদৰ যম-যমী সংবাদত (১০ ১০ সূক্ত) যমীয় ভায়েক যমক সঙ্গমৰ কাৰণে আহ্বান কৰিছে। যমে কৰিছে আপত্তি। পুৰুৰবা-উৰ্বশী সংবাদত (১০।৯৫ সূক্ত) পুৰুৰৱাই উৰ্বশীক আহ্বান কৰিছে সঙ্গমৰ কাৰণে। উৰ্বশীয়ে আপত্তি কৰিছে। প্ৰথমটোত স্ত্ৰীৰ আৰু দ্বিতীয়টোত পুৰুষৰ উগ্ৰ কামনা ব্যঞ্জিত হৈছে।

পৰিয়ালৰ মুৰব্বীগিৰি প্ৰথম তিৰোতাৰ পৰা যেতিয়াই পুৰুষৰ হাতলৈ আহে তেতিয়াৰ পৰাই বোধহয় পুৰুষে তিৰোতাৰ চৰিত্ৰৰ ওপৰত বেয়া মন্তব্য কৰিবলৈ আৰম্ভ কৰে।" স্ত্ৰিয়াশ্চৰিত্ৰং পুৰুষস্য ভাগ্যং। দেৱা ন জানন্তি কুতো মনুষ্যাঃ॥"—তিৰোতাৰ চৰিত্ৰ আৰু পুৰুষৰ ভাগ্য দেৱতায়ো নাজানে, মানুহৰতো কথাই নাই।

বিয়াৰ ক্ষেত্ৰত তিৰোতাৰ মতামত লৈ কোনো প্ৰশ্ন নুঠে বুলি মনুৱে কয়। "তিৰোতাই ৰূপ নাইবা বয়সৰ কথা নাভাবে। তেওঁলোকে সুন্দৰ হওক কুৎসিৎ হওক—যি কোনো পুৰুষকেই অঙ্গদান কৰে, কেৱল পুৰুষত্ব

থাকিলেই হ'ল। তিৰোতাৰ সতীত্বৰ কাৰণ এয়েই যে তেওঁ উপযুক্ত পুৰুষ, স্থান নাইবা সুবিধা পোৱা নাই। তেওঁ কেৱল যে অজ্ঞ লোককহে পাগল কৰে এনে নহয়, বিদ্বান মানুহকো পাগল কৰিব পাৰে।"—মনু ৯।১৪; ২।২১৩, ২১৪; ৫।১৮৪, ১৮৭।

"স্বামী যদি চৰিত্ৰহীন হয়, পৰস্ত্ৰীত আসক্ত হয় নাইবা সজ্জণ নাথাকে, তথাপি সাধ্বী তিৰোতাই স্বামীক দেৱতাৰ নিচিনা পূজা কৰিব লাগে।"—মনু ৫।১৫০, ১৫৪—১৫৬।

এইবোৰ অন্ধসংস্কাৰ আজিও নাইকিয়া হোৱা নাই। পুৰুষ-প্ৰধান সমাজত প্ৰায়বোৰ নীতি-নিয়ম তিৰোতাৰ ওপৰত জাপি দিয়া হয়। ভাগ্য পৰীক্ষা কৰা হয় তিৰোতাৰ, গিৰীয়েক ভাল-বেয়া হোৱাৰ পৰীক্ষাও দিব লাগে তিৰোতাইহে। এই নিয়মবোৰ একপক্ষীয় হোৱা বাবেই বোধহয় পুৰুষেও অন্নপ্ৰাশনৰ সময়ত ভাগ্য-পৰীক্ষাত বহিব লগা নিয়ম কৰে। পুথিৰ পাত এখিল, টকা, মাটি, দোৱাত-কলম, আৰু খেলাবস্তু এটাৰ ভিতৰত যিটো বস্তুত প্ৰথমে লৰাটোৱে হাত দিয়ে সেয়ে তাৰ ভাগ্য বুলি ধৰা হয়।

ভাৰতীয় আদিম সমাজত স্ত্ৰীৰ যৌন স্বাধীনতাৰ বহুতো নিদৰ্শন পোৱা যায়। ওঘৱতীয়ে গিৰীয়ক সুদৰ্শনৰ অনুপস্থিতিত ব্ৰাহ্মণ আলহীক পৰিচৰ্যা আৰু অঙ্গদান কৰিছিল। সুদৰ্শনে কথাটো জানিব পাৰিও ওঘৱতীক নিন্দা কৰা নাছিল। কাৰণ অতিথি সাক্ষাৎ নাৰায়ণ, সেয়ে তেওঁৰ সকলো ইচ্ছা পূৰণ কৰাটো গৃহকৰ্ত্ৰীৰ কৰ্তব্য।—পৌৰাণিক অভিধান (বঙালী) পৃঃ ৭৯। জবালা বহুপতিগামিনী হলেও তেওঁৰ পুতেক সত্যকামে (যাৰ পিতৃ-পৰিচয় নাই) গৌতমৰ ওচৰত দীক্ষা লবলৈ সক্ষম হৈছিল।—পৌৰাণিক অভিধান পৃঃ ১৮৪।

তিৰোতাৰ এই স্বাধীনতাৰ ওপৰত পুৰুষে লাহে লাহে বাধা আৰোপ কৰিবলৈ ধৰে। "প্ৰজা বিশুদ্ধ্যৰ্থং স্ত্ৰিয়ং ৰক্ষ্যে প্ৰযত্নতঃ।"—মনু। সেয়ে গন্ধৰ্বৰাজ চিত্ৰৰথক বেয়া চকুৰে চোৱাৰ কাৰণে ৰেণুকাৰ শিৰচ্ছেদ কৰিবলৈ পুতেকহঁতক জমদগ্নিয়ে আদেশ দিছিল। গৌতমে অহল্যাক ইন্দ্ৰৰ লগত ব্যভিচাৰ কৰাৰ কাৰণে শাপি শিলাখণ্ডত পৰিণত কৰিছিল। কিন্তু হিন্দু পুৰাণবোৰত এনে ঘটনাও আছে য'ত পিতৃয়ে কন্যাক ব্যভিচাৰ কৰিবলৈ বাধ্য কৰিছে। গালবে গুৰু বিশ্বামিত্ৰক আঠশ শ্যামবৰ্ণীয়া ঘোঁৰা দিবলৈ অপাৰগ হৈ ৰজা যযাতিৰ সহায় প্ৰাৰ্থনা কৰে। যযাতিয়ে গালবৰ প্ৰাৰ্থনা পূৰণ কৰিবলৈ অসমৰ্থ হৈ নিজ কন্যা মাধৱীক দান কৰি কয় "অন্য ৰজাই এই কন্যাৰ ভাড়া হিচাপে আঠশ ঘোঁৰা দিব।" মাধৱীক লৈ গালবে অযোধ্যাৰ ৰজা হৰ্যশ্বৰ ওচৰলৈ যোৱাত হৰ্যশ্বই মাধৱীৰ গৰ্ভত বসুমনা নামে এটা পুত্ৰ জন্ম দি গালৱক দুশ ঘোঁৰা দিলে। কোনো এক ব্ৰহ্মতে ঋষিৰ বৰত মাধৱী পুনৰ কুমাৰী হ'ল। এনেকৈ গালবে কাশীৰাজ দিবোদাসৰ ওচৰলৈ মাধৱীক নিলে। দিবোদাসে মাধৱীৰ গৰ্ভত প্ৰতৰ্দন নামে পুত্ৰ এটা জন্ম দি দুশ ঘোঁৰা দিলে। তাৰ পিছত ভোজৰাজ উশীনৰৰ ওচৰলৈ মাধৱীক নিয়াত তেৱোঁ মাধৱীৰ গৰ্ভত শিৱি নামে পুত্ৰ এটা জন্ম দি দুশ ঘোঁৰা দিলে। এনেকৈ গালবৰ ৮শ ঘোঁৰা যোগাৰ হ'ল। বাকী দুশৰ কাৰণে গালবে মাধৱীকেই বিশ্বামিত্ৰক দান কৰিলে। বিশ্বামিত্ৰই মাধৱীৰ গৰ্ভত অষ্টক নামে পুত্ৰ এটা জন্ম দি মাধৱীক পুনৰ গালবক ওভতাই দি বনলৈ গুচি গ'ল। গালবে মাধৱীক যযাতিৰ ওচৰত প্ৰত্যাৰ্পণ কৰিলে। যযাতিয়ে ইয়াৰ পিছতো আকৌ মাধৱীৰ স্বয়ম্বৰ পতাত মাধৱীয়ে বিদ্ৰোহ কৰি নিমন্ত্ৰিত ৰজাসকলক প্ৰত্যাখ্যান কৰি বনলৈ গুচি গ'ল।—পৌৰাণিক অভিধান পৃঃ ৪৩৩, ৪৩৪। কোনো এটি সন্তানৰো ওপৰত মাধৱীৰ অধিকাৰ নাথাকিল। পুৰুষৰ ইচ্ছানুযায়ী বংশ ৰক্ষাৰ যন্ত্ৰ হিচাপে ইয়াত মাধৱীক ব্যৱহাৰ কৰা হৈছে।

অৰ্জুন আৰু ভীমৰ ঔৰযজাত সন্তান বভ্ৰুবাহন আৰু ঘটোৎকচৰ ওপৰত চিত্ৰাঙ্গদা আৰু হিড়িম্বাৰহে অধিকাৰ আছিল।

( ৮৩ পৃষ্ঠাত চাওক )

# দেশভক্ত তৰুণৰাম ফুকনৰ সাহিত্যিক অৱদান

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

দেশভক্ত ফুকন বুলিলেই এনে এজন পুৰুষৰ কথা মনৈ আহে যিজনে দেশৰ স্বাধীনতাৰ হকে পণ কৰি একালত দেশবাসীক মহাত্মাৰ বাণীৰে উদ্বুদ্ধ কৰিছিল, নিজৰ বাগ্মিতাৰ দ্বাৰা সকলোকে মুগ্ধ কৰিব পাৰিছিল আৰু ৰাজনৈতিক নেতা হৈয়ো অসমীয়া ভাষা সাহিত্যৰ উন্নতিৰ হকে সততে যত্নপৰ আছিল। তেওঁ স্বাধীনতা আন্দোলনত জপিয়াই পৰিলেও সুবিধা বুজি মাতৃভাষাৰ বেদীলৈ অৰ্ঘ্য নিবেদন কৰিছিল। কবিতা আৰু গল্প ৰচনাৰে তেওঁ আমাৰ সাহিত্য সমৃদ্ধ কৰি গৈছে।

দেশভক্ত ফুকন অসম সাহিত্য সভা আৰু অসম ছাত্ৰ সন্মিলনৰ একালৰ সভাপতি আছিল। এই দুখনি সভাৰ সভাপতিৰ অভিভাষণ দুখনিৰ গধুৰ ভাবৰ হেন্দোলনি, ভাষাৰ লালিত্য আৰু শব্দৰ মধুৰ সমাবেশে প্ৰমাণ কৰে যে ফুকন আছিল আমাৰ চিন্তাৰ নায়ক। ফুকন আগশাৰীৰ সাহিত্যিক নহলেও সাহিত্য সভাৰ সভাপতিৰূপে তেওঁ অনেক চিন্তামূলক, জ্ঞানগৰ্ভ আৰু সাৰুৱা কথা কৈ গৈছে। কেইটামান উদ্ধৃতি তলত দিয়া হ'ল,—(১) জাতীয় সম্পদৰ ভিতৰত সাহিত্য-সম্পদেই শ্ৰেষ্ঠ সম্পদ। এই বিষয়ত ঋষি-মুনি আদিৰো মতভেদ নাই। সৰ্বসাধাৰণৰ মতৰ সম্পূৰ্ণ মিল। ধন-জন ধন-মান, ঐশ্বৰ্য্য-বিভূতি, জ্ঞান-গৰিমা আদি যুক্ত মানে সম্পদ আছে সকলোৰে প্ৰকাশ সাহিত্যত। এই সবাৰো সাধনা আৰু সিদ্ধিৰ হেতু সাহিত্য। (২) মৃতপ্ৰায় পতিত জাতিৰ একমাত্ৰ সঞ্জীৱনী-সুধা হৈছে সেই জাতিৰ অতীত বুৰঞ্জীৰ উদ্ধাৰ আৰু অধ্যয়ন। দেশাত্ম-বোধ জগাবৰ আটাইতকৈ ভাল উপায় হৈছে বুৰঞ্জী জনা। (৩) আধ্যাত্মিক ক্ষেত্ৰত যেনেকৈ একোজন মহাপুৰুষৰ সংসৰ্গত বা তেওঁৰ শিক্ষাৰ প্ৰভাৱত একোজন নগণ্য মানুহ হঠাৎ অনুপ্ৰাণিত হৈ আধ্যাত্মিকতাৰ মণিৰ নোৱাৰা ওখ খাপলৈ উঠে; তেনেকৈ চিন্তাশীল বা ভাবুক কবি বা গ্ৰন্থকাৰ ওলাই পৰে। জাতীয় জীৱনত অনুকূল চিন্তাৰ প্ৰবাহ ববলৈ ধৰিলে বিশুদ্ধ বায়ু পানীৰ সংযোগত শ্যামল শস্য হোৱাৰ দৰে সুচিন্তা আৰু মহভাবৰ স্ফূৰণ হয়। ইত্যাদি। ছাত্ৰ সন্মিলনৰ অভি-ভাষণতো অনেক জ্ঞানগৰ্ভ কথা আছে। যেনে :—(১) অলঙ্কাৰ গঢ়াবৰ কাৰণে সোণ যেনেকৈ গলাই, পিটি, পৰিষ্কাৰ আৰু কোমল কৰি ল'ব লাগে, জীৱন অলঙ্কৃত কৰিবলৈ হলে সেইদৰে বিধি-নিষেধাদি পূৰ্ণ কঠোৰ শাসনেৰে ছাত্ৰ-জীৱন পবিত্ৰ আৰু নম্ৰ কৰি ল'ব লাগিব। শৰীৰ আৰু মনৰ বল সঞ্চয় কৰি জীৱন যুদ্ধৰ কাৰণে সাজু হব লাগিব ছাত্ৰ জীৱনতেই। (২) যি শিক্ষাৰ মূলত জাতীয়তা নাই, সেই শিক্ষা

মনুষ্যত্বৰ পূৰ্ণ বিকাশৰ উপযোগী কেতিয়াও হ'ব নোৱাৰে। গতিকেই জাতীয়তা-শূন্য শিক্ষা পৰিহাৰ কৰি উপযোগী শিক্ষাৰ প্ৰৱৰ্তন আৰু প্ৰচলন কৰিব লাগিব। ছাত্ৰাৱস্থাত জাতীয়তাৰ দ্বাৰাই অনুপ্ৰাণিত হ'ব নোৱাৰিলে জীৱন ব্যৰ্থ, ইত্যাদি। কেনে জ্ঞানগৰ্ভ কথা! শব্দৰ কেনে মধুৰ সমাৱেশ! ফুকন এজন বিখ্যাত চিকাৰী আছিল। তেওঁ সুৰলা আৰু প্ৰাঞ্জল ভাষাত চিকাৰৰ মনোৰম কাহিনী লিখিছে—যি কাহিনী-সমূহ জিম কৰবেটৰ কাহিনীতকৈ কোনো গুণে কম উপাদেয় নহয়। সংস্কৃত সাহিত্যৰ উদ্ধৃতিয়ে চিকাৰৰ কাহিনীবোৰ আকৰ্ষণীয় কৰিছে। আৱাহনত প্ৰকাশিত 'মোৰ চিকাৰ আৰম্ভ', 'চিকাৰ-কাহিনী' আদি চিকাৰ কাহিনীসমূহ পঢ়ি সকলোৱে আনন্দ পায়। ফুকনৰ উপাদেয় ভাষা, সৰস বৰ্ণনা আৰু প্ৰাঞ্জল ভাষাই চিকাৰ-কাহিনী আকৰ্ষণীয় কৰিছে। চিকাৰ-কাহিনীৰ চানেকিস্বৰূপে তলৰ উদ্ধৃতিটি দিয়া হ'ল—

"বিপদৰ উপৰি বিপদ। হাতী হ'ল বাওঁ হাতে, বাঘ ৰ'ল সোঁ হাতে। মনত পৰিল গ্ৰাহ-গ্ৰস্ত গজেন্দ্ৰৰ উক্তি, "জানিলোঁহা বন্দা হৈলো বিধাতাৰ পাশে"। মাউতৰ আকুল মিনতি উপেক্ষা কৰি, মৃত্যুক উপেক্ষা কৰি, বাওঁ হাতে বন্দুক লৈ সোঁ হাতে লিপ্‌লিপিত আঙুলি দি যমোপমা বাঘিনীৰ আক্ৰমণ প্ৰতীক্ষা কৰি ৰলোঁ। অনুমান হয়, সন্তানৰ অনিষ্ট আশঙ্কাত ক্ৰোধান্বিতা, ক্ষতোন্মত্তা ব্যাঘ্ৰ-জননীৰ আৰু আত্মাভিমানী শস্ত্ৰ-পাণি চিকাৰীৰ মৃত্যু-বাহিনী যুদ্ধৰ ফলাফল চাবৰ কাৰণে গজৰাজ হস্তী নিশ্চল হৈ ৰৈ আছে" (মোৰ চিকাৰ-আৰম্ভ)।

দেশভক্ত ফুকনে দেশৰ নানা কামত ব্যস্ত থাকিলেও "বহুদৰ্শী আৰু ভুক্তভোগী কেজনমান বন্ধুৰ অনুৰোধত আৰু নিজৰ কৰ্ত্তব্য বোধত" প্ৰাপ্তবয়স্কসকলৰ কাৰণে "যৌন-তত্ত্ব" পুথি ৰচনা কৰি তেওঁ আমাৰ সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰণ কৰিলে। তেওঁ উক্ত পুথিৰ পাতনিত কৈছে, "আদৰ্শ বিবাহিত জীৱন কি দৰৰ আৰু কি দৰে পাব পাৰি এই পুথিত তাৰেই আভাস দিবৰ চেষ্টা কৰা হৈছে। পুষ্পে পত্ৰে সুশোভিত বিবাহিত জীৱন যাতে অমৃত ফল প্ৰদায়ী হয় তাৰেই আলোচনা কৰা এই পুথিৰ উদ্দেশ্য।" সহজ-সৰল ভাষাত লিখা এই কাম-বিজ্ঞানৰ পুথিত স্ত্ৰী-সঙ্গ-লিপ্সা, বিবাহ, সহবাস, ন-ধৈণী, ডেকা-ধৈণী, অনঙ্গ প্ৰসঙ্গত স্ত্ৰীৰ কৰ্তব্য, বনিতা বিলাস, ৰবৰাদি আচ্ছাদন ব্যৱহাৰ, জীৱ-সৃষ্টি, জন্ম-নিৰোধ, জীৱন-সঙ্গিনীৰ কথা আদি বিবিধ কথা আলোচনা কৰিছে। দেশভক্ত ফুকনে প্ৰায় ছকুৰি বছৰ আগতে 'যৌন-তত্ত্ব' পুথিত জন্ম-নিৰোধৰ আৱশ্যকতাৰ কথা উল্লেখ কৰিছিল। উক্ত পুথিত আছে, "প্ৰজাসৃষ্টি যেনেকৈ প্ৰকৃতিৰ নিয়ম, স্বাস্থ্য ৰক্ষা আৰু সমাজ-ৰক্ষাও সেইদৰে প্ৰকৃতিৰ অভিপ্ৰায়। দম্পতিৰ শাৰীৰিক আৰু আৰ্থিক অৱস্থা সম্পূৰ্ণৰূপে সন্তোষজনক হ'লে সন্তানৰ সংখ্যা কমোৱাৰ বিশেষ আৱশ্যকতা নাথাকিবও পাৰে। কিন্তু সাধাৰণতে আজিকালিৰ ভিৰোতাৰ স্বাস্থ্যলৈ চাই আৰু জনসাধাৰণৰ ভয়ঙ্কৰ আৰ্থিক দুৰৱস্থালৈ চাই সৰহ ল'ৰা-ছোৱালী জন্ম দিয়া মহাপাপ বুলি কব পাৰি।"

"……অনা-বুজা শিক্ষিত লোকেও পুহিব নোৱাৰা পৰিয়ালৰ সৃষ্টি কৰি অসুখ অশান্তি চপাই লোৱা দেখিলে বেয়া লাগে; কিন্তু অজলা, অজ্ঞান নিচেই ছোজা গাৱঁলীয়া মানুহৰ তেনে দুৰ্গতি দেখিলে শিক্ষিত সমাজক দায়ী নকৰি নোৱাৰি। নিৰক্ষৰ, নিঃসহায় শ্ৰমজীৱীসকলক জন্ম-নিৰোধ বিষয়ক শিক্ষা দিবই লাগিব। ইচ্ছামতে জন্ম-নিৰোধ কৰিব পাৰিলে বহুতো মধ্যবিত্ত লোকে দুটি এটি ল'ৰা-ছোৱালী লৈ সুখে-সন্তোষে সংসাৰ নিয়াব পাৰিলেহেঁতেন।……" ফুকনে এই পুথি লিখিছিল ১৯৩৩ চনত। কিন্তু ফুকনৰ চিন্তাধাৰাৰ প্ৰতি বিদেশী চৰকাৰে মনোনিবেশ নকৰিলে। দেশভক্ত ফুকনে যৌন-তত্ত্ববিষয়ক প্ৰাচ্য আৰু ইংৰাজী পুথি পঢ়ি সংস্কৃত কাব্য আৰু শাস্ত্ৰৰ উদ্ধৃতৰে পুথিখন মনোগ্ৰাহীকৈ ৰচনা কৰিছে।



দেশভক্ত ফুকনৰ গদ্য ৰচনাৰ মাজেদিও তেওঁৰ কবিত্ব শক্তিৰ পৰিচয় পোৱা যায়। তেওঁ প্ৰসঙ্গ অনুসৰি কোৰাণ, বাইবেল, গ্ৰন্থ-চাহেব, গীতা আদিৰ উদ্ধৃতিৰে বক্তৃতা সৰস কৰে। তেওঁ ১৯২১ চনত শিলচৰ জেলত থাকোতে "স্তুতিমালা"ৰ (প্ৰকাশ,১৯২৬) অন্তৰ্গত কবিতাসমূহ লিখে; 'স্তুতিমালা' প্ৰকৃততে স্তুতিগ্ৰন্থ। তেওঁ সংস্কৃত স্তোত্ৰৰ সৰস ভাঙনি কৰাৰ উপৰি মুছলমানৰ আদি স্তুতি (আলহাম ডুলিল্লা)ৰ ভাঙনি কৰিছে। ইয়াৰ ৫৪টা কবিতাৰ ভিতৰত আছে ইষ্টদেৱ স্তুতি, শ্ৰীমধুসূদন স্তোত্ৰ, গোপাল স্তোত্ৰ, পিতৃ স্তোত্ৰ, মাতৃ স্তোত্ৰ, কৃষ্ণনাম স্তোত্ৰ, কাশী স্তোত্ৰ, অন্নপূৰ্ণা স্তোত্ৰ, বিশ্বেশ্বৰ স্তোত্ৰ, বিশ্বৰূপ বন্দন, নৱগ্ৰহস্তোত্ৰ মহালক্ষ্মী স্তোত্ৰ, ভক্তযোগী স্তোত্ৰ, গঙ্গাস্তোত্ৰ, জগদ্ধাত্ৰী স্তুতি, দশাৱতাৰ স্তোত্ৰ, চন্দ্ৰমৌলি স্তোত্ৰ ইত্যাদি। তেওঁ অনুবাদৰ চানেকি তলত দিয়া হ'ল —

(১) দুৰ্ঘোৰ সংসাৰ মায়া কিমতে গুছাম প্ৰভু
দিয়া মোক এই সত্য জ্ঞান;
কালমায়া টোপনিত অচেতন আছোঁ পৰি
ৰক্ষা কৰা শ্ৰীমধুসূদন।
তুমি বিনে গতি নাই তুমিসে শৰণ মোৰ
পাপপঙ্ক পৰি যায় প্ৰাণ;
কৃপা কৰা হে হৰি চৰণে শৰণ মাগোঁ
ৰক্ষা কৰা শ্ৰীমধুসূদন। (শ্ৰীমধুসূদন স্তোত্ৰ)

"ওমিত্যুচ্চাৰণান্মোহনিদ্ৰা দূৰং পলায়তে।
তথা প্ৰভুং জগন্নাথ ত্ৰাহি মাং মধুসূদন ॥
ন গতিৰ্বিদ্যতে নাথ! ত্বমেৱ শৰণং মম।
পাপপঙ্কে নিমগ্নোঽস্মি ত্ৰাহি মাং মধুসূদন ॥"

(২) জবাপুষ্প সম যাৰ লোহিত বৰণ
মহাতেজে নাশা অন্ধকাৰ;
কশ্যপৰ পুত্ৰ সূৰ্য্য পাপ বিনাশন
তুৱা পাৱে কৰোঁ নমস্কাৰ।
দিব্য শঙ্খ সম বৰ্ণ তুষাৰ ধবল
ক্ষীৰোদসাগৰে জন্ম যাৰ;
শম্ভুশিৰত শোভা তুমি শশধৰ
তুৱা পাৱে কৰোঁ নমস্কাৰ।

"জবাকুসুমসঙ্কাশং কাশ্যপেয় মহাদ্যুতিম্।
ধ্বান্তাৰিং সৰ্বপাপঘ্নং প্ৰণতোঽস্মি দিবাকৰম ॥
দধিশঙ্খতুষাৰাভং ক্ষীৰোদাৰ্ণবসম্ভৱম্।
নমামি শশিনং ভক্ত্যা শম্ভোৰ্মুকুটভূষণম্ ॥"

মুছলমানৰ আদি-স্তুতিৰ ভাঙনি "ঈশ্ব স্তুতি" মূল নে অনুবাদ নকলে ধৰা টান।

"তোমাৰ মহিমা পৰম ঈশ্বৰ
বিশ্বৰ পালক তুমি;
অতি কাৰুণিক পৰম দয়ালু
ধৰ্ম্ম বিচাৰৰ স্বামী।
তোমাক প্ৰণামো কৃপা ভিক্ষা কৰোঁ
পোন বাটে নিয়া মোক;
যি পোন বাটত চলিছে সদায়
তযু কৃপাপ্ৰাপ্ত লোক।
কোপত পতিত যি পথত চলে
সিপথে নিনিবা মোক;
নাইবা চলিছে যি পথত প্ৰভু
পথভ্ৰষ্ট যত লোক।" (ঈশ্ব-স্তুতি)

স্তুতিমালাৰ সামৰণিৰ কবিতাটো একে আধ্যাত্মিক ভাব ফুটি ওলাইছে।

"ৰূপ নাই প্ৰভু তথাপি তোমাৰ
অন্তৰত ৰূপধ্যান;
বাক্যৰ অতীত জানিও তোমাৰ
স্তুতি কৰো বহুমান।
সৰ্ব্বব্যাপী তুমি জানিও নিশ্চয়
তীৰ্থাদিক যাওঁ ঘনে;
জ্ঞানকৃত মোৰ ই তিনি পাতক
ক্ষমা প্ৰভু নিজ গুণে" (স্তুতি)।

'এপাহি ফুল' 'জীৱনৰ গতি' আদি আৱাহনত প্ৰকাশিত কবিতাসমূহে তেওঁৰ কবিত্ব শক্তিৰ পৰিচয় দিয়ে। 'জীৱনৰ গতি' কবিতাত সাৰুৱা কথা আছে।

"নিজকে চিনাটো বৰ টান কাম ;
তাতো কৰি টান চিনাকি দিয়া।
সান্তোষে থকাটো আৰু টান কাম ;
তাতো কৰি টান সন্তোষ দিয়া।
সজ উপায়েৰে ধন ঘটা টান ;
তাতো কৰি টান সিধন থোৱা।
আৰু বৰ টান সাঁচা ধন মানে ;
দান কৰি নিজে দৰিদ্ৰ হোৱা।
সাধনাৰ কাম দীৰ্ঘজীৱী হোৱা ;
ৰোগ শোক মানে ঔতৰ কৰি।
আৰু সাধনাৰ পৰম কাৰণে
দিয়াটো জীৱন উচৰ্গা কৰি।"

প্ৰবীণ দেশনেতা দেশভক্ত তৰুণৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লৈ দেশবাসীৰ জাতীয় চৈতন্য উদ্বুদ্ধ কৰাৰ উপৰি মাতৃভাষাৰ উন্নতিৰ কাৰণে সাধ্যানুসৰি বৰঙণি আগবঢ়ালে। ইয়াৰ উপৰি জাতীয় উৎসৱৰ গুৰুত্ব আৰোপ কৰি ফুকনে কৈছিল, "জাতীয় উৎসৱেই জাতীয়তাৰ প্ৰাণ, জাতীয়তা ৰক্ষাৰ হেতু। অসমীয়াৰ বিহু গলে অসম আৰু অসম হৈ নাথাকিব। অনাহাৰ আৰু অত্যাচাৰত আজি ভাৰত মৰাৰ দৰে। অসমৰ অৱস্থা কিন্তু সবাতকৈ বেয়া। কিন্তু মৰা বুলি পেলাই দিলেই নহব ; আনন্দৰ সঞ্জীৱনী পানী ছটিয়াই মৃতকল্প জননীক জীয়াব লাগিব" ( আৱাহন, ৩য় বছৰ, ৬ষ্ঠ সংখ্যা )। দেশভক্ত ফুকনে অসমীয়া সাহিত্যৰ উন্নতিৰ হকে নিজৰ অৰিহণা যোগোৱাৰ উপৰিও দেশৰ উন্নতিৰো ইঙ্গিত দি গৈছে।

জয়তু দেশভক্ত তৰুণৰাম ফুকন।

# তৰুণৰাম ফুকনৰ 'স্তুতি-মালা'

শ্ৰীতীৰ্থলোচন তামুলী।

স্তুতি বা স্তোত্ৰ হৈছে ভক্ত কবিসকলৰ ভগৱান বা কোনো দেৱ-দেৱীৰ উদ্দেশ্যে ভক্তিপূৰ্ণ অন্তৰেৰে নিবেদন কৰা ভক্তিৰ বিনম্ৰ অথবা বিনয়ী ভাৱ বা অনুভূতিৰ গভীৰ প্ৰকাশ। স্তোত্ৰ প্ৰাচীন ভাৰতীয় সাহিত্যৰ এটি বিশেষ অঙ্গস্বৰূপ। আমাৰ বৈষ্ণৱ যুগৰ সাহিত্যতো বৈষ্ণৱ কবিসকলৰ ৰচনাত এই স্তুতি-সাহিত্যই বিকাশ লাভ কৰে। ধৰ্মীয় অনুভূতিৰ প্ৰভাৱ যেতিয়ালৈকে মানুহৰ মনত গভীৰভাৱে পৰিছিল, তেতিয়ালৈকে মানুহে ভগৱানৰ ওচৰত আত্মনিবেদনাত্মক বৰ্ণনাৰে নিজকে তেওঁৰ লগত মিলাই দি আত্মবিমোহিত হৈ পৰিছিল। আৰু সেই বৰ্ণনাতে জন্ম হৈছিল 'স্তুতি'ৰ।

তৰুণৰাম ফুকন অসমত গান্ধী-আন্দোলন তথা স্বৰাজ আন্দোলনৰ নেতৃত্ব দিয়া সিংহপুৰুষ হ'লেও, তেওঁৰ ওপৰত প্ৰাচীন ভাৰতীয় আৰু অসমীয়া সাহিত্যৰ প্ৰভাৱৰ কথা তেওঁৰ 'স্তুতি-মালা'ৰ লিখনিয়ে প্ৰকাশ কৰে। আৰু সেইবাবেই হয়তো তেওঁ অসহযোগ আন্দোলনত যোগ দিয়াৰ বাবে তেওঁক এবছৰকাল শিলচৰ জেইলত বাস কৰিব লগা হোৱাত তাতেই তেওঁৰ 'স্তুতি-মালা'ৰ জন্ম-হোৱা বুলি ১৯২৩ চনৰ ১৮ ডিচেম্বৰৰ প্ৰকাশকৰ নিবেদনত শ্ৰীদুৰ্গাধৰ বৰকটকীয়ে উল্লেখ কৰে। ফুকনদেৱে 'স্তুতি-মালা'ত ছকুৰি চৈধ্যটি স্তুতি প্ৰকাশ কৰে।

সংসাৰ যাত্ৰী জীৱন-যাত্ৰাৰ কঠোৰতাত বুৰ গৈ উৰাদিহ নাপাই কৰুৰকাই মৰি নিৰাশ্ৰয় পৰিস্থিতিত পৰি যেতিয়া ভাৱাক্ৰান্ত হৈ পৰে, তেতিয়া মানুহৰ মনত পিতৃ-মাতৃৰ আশীৰ্বাদ, দেৱ-দেৱী, তীৰ্থস্থান আদিৰ শক্তিৰ প্ৰভাৱ আৰু ভগৱানৰ নাইবা তেওঁৰ অৱতাৰ কল্পবিলাকৰ অৱস্থিতিৰ এক গভীৰ প্ৰত্যয় ওপজে। এই প্ৰত্যয়ৰ বাবেই জীৱৰ পৰিত্ৰাণৰ হেতু দৈৱ শক্তি তথা ভগৱানৰ ওচৰত মানুহে স্তুতি নিবেদন কৰে। জীৱন বৃত্তৰ কঠোৰ পৰিস্থিতিয়ে মানুহক কেনেকৈ ঈশ্বৰৰ ওচৰলৈ আগবঢ়াই নিয়ে তাক ফুকনদেৱৰ 'স্তুতি-মালা'ৰ 'বিবেক মঞ্জৰী'ৰ তলৰ স্তৱকটোৰ পৰাই বুজিব পাৰি।

টকা কড়ি ধন সোণ দিব পাৰামানে,
মৰম কৰিব সবে আপোনাৰ জনে।
অশক্ত শৰীৰ মন পৰি থাকা যেৱে,
বাৰ্ত্তাও তোমাৰ জানা সুধিব কেৱে।
কেন জানি গোবিন্দ পদে কৰা ৰতি ॥ ১০।১৪

পিতৃ-মাতৃ আমাৰ আদি গুৰু। তেওঁলোক আমাৰ জন্মৰ অন্যতম এটি প্ৰধান কাৰণ। তেওঁলোক আমাৰ

নিৰ্মল জ্ঞানদাতা আৰু সকলো সুখৰ সমল। তেওঁলোক প্ৰেম আৰু দয়াৰ জীৱন্ত মূৰ্তি স্বৰূপ। পিতৃ-মাতৃসকল ভগৱানৰ স্তুতিৰ পৰিবেশ সৃষ্টিত প্ৰথম আৰাধ্য দেৱতা। তেওঁলোকক পূজা-সেৱা বা আৰাধনা কৰাৰ মাজেৰে আমি আগ বাঢ়ি বাঢ়ি পৰম পুৰুষ ভগৱানৰ ৰাতুল চৰণত স্তুতি নিবেদন কৰিব পাৰোঁহক। এনেকুৱা ভাবতে উদ্বুদ্ধ হৈ স্তুতিকাৰ তৰুণৰাম ফুকনদেৱে পিতৃদেৱৰ নামত এনেদৰে স্তুতি নিবেদন কৰিছে :

পিতা ধৰ্ম পিতা স্বৰ্গ পিতায়েসে তপ
পিতৃ ভক্তি মুক্তিৰ কাৰণ ;
পিতৃদেৱ তুষ্টহলে তুষ্ট সৰ্বদেৱ
জানি পদে পশিলোঁ শৰণ। ৫।৯

কবিয়ে পিতৃদেৱক ধৰ্ম, স্বৰ্গ, তপ আৰু মুক্তিৰ লগত তুলনা কৰিলেও মাতৃদেৱীকো তেনেকৈ একে সমান উপস্থানত কৰাই ঈশ্বৰী স্বৰূপা জ্ঞান কৰি স্তুতি নিবেদন কৰি পিতৃ-মাতৃ ভক্তিৰ অমূল্য নিদৰ্শন এইদৰে দাঙি ধৰিছে :

দয়াৰ জীৱন্ত মূৰ্তি ত্যাগৰ প্ৰতিমা
পুত্ৰৰ আৰাধ্যা তুমি আই ;
ঈশ্বৰী স্বৰূপা তুমি তুৱা পাৱ সেৱি
জীৱন্ততে মোক্ষ পদ পাই। ৬।৯

কবি তৰুণৰাম ফুকনৰ ওপৰত হিন্দু দেৱ-দেৱীসকলৰ প্ৰভাৱ যথেষ্ট পৰিলক্ষিত হৈছে। দেৱ-দেৱীসকলৰ গুণৰাশিৰ ধৰ্মীয় অনুশাসনে ফুকনদেৱক এনেভাৱে আকৃষ্ট কৰিছে যে দেৱ-দেৱীসকলৰ বিভিন্ন নামত তেওঁ স্তুতি নিবেদন কৰিছে। তেওঁ লক্ষ্মী, দুৰ্গা, কামাখ্যা, সৰস্বতী, জগদ্ধাত্ৰী, মহামায়া আদি স্তুতিত একে নামৰ দেৱীসকলৰ গুণ-গান ধৰ্মীয় অনুভূতিৰে প্ৰকাশ কৰি স্তুতি নিবেদনকৰিছে। এই দিনৰ পৰা ফুকনদেৱক ধৰ্মভীৰু পৰম নিষ্ঠাশীল এজন ভকত বুলি আখ্যা দিলেও অত্যুক্তি কৰা নহয়। কিন্তু ইয়াৰ মাজতো তেওঁৰ 'অন্নপূৰ্ণা স্তোত্ৰত তেওঁৰ চিন্তাধাৰাৰ ব্যতিক্ৰম দেখা গৈছে। অন্নপূৰ্ণাক মানুহে স্তুতি কৰে অন্নৰ কাৰণে—ভাত মুঠিৰ কাৰণে, ধনে-ধানে পৰিপূৰ্ণ হোৱাৰ আকাংক্ষাৰে ; কিন্তু ফুকনদেৱে অন্নপূৰ্ণাক স্তুতি কৰি ধনে-ধানে জয় জয় ময় ময় হৈ আচাৰন্ত হ'বলৈ বিচৰা নাই। তেওঁ অন্নপূৰ্ণা দেৱীৰ ওচৰত স্তুতি জনাইছে 'স্বৰাজ'ৰ বাবে দাসত্ব মোচনৰ বাবে—জন্মভূমিৰ উদ্ধাৰৰ বাবে। এইখিনিতেই তেওঁৰ চিন্তাৰ ব্যতিক্ৰম লক্ষ্য কৰা যায়। তেওঁ প্ৰাৰ্থনা জনাইছে,—

দিয়া সজ জ্ঞান কৰা পৰিত্ৰাণ
দাসত্ব কৰা মোচন ;
দোষ পৰিহৰি অন্নপূৰ্ণেশ্বৰী
স্বৰাজ কৰাহে দান। ১৮।৩০

ফুকনদেৱে দেশৰ স্বাধীনতা আন্দোলনত লিপ্ত হৈ বিদেশী চৰকাৰৰ দ্বাৰা ধৃত হৈ জেল খাটিব লগা হোৱাত তাত হয়তো যথেষ্ট দুখ-কষ্ট জ্বালা-যন্ত্ৰণা সহিব লগা হৈছিল ; আনকি কেতিয়াবা হয়তো ভাত মুঠিৰে টনা-টানি হৈছিল। সেইবাবেই হয়তো তেওঁ অন্নপূৰ্ণাদেৱীৰ ওচৰত স্বৰাজ লাভৰ বাবে স্তুতি নিবেদন কৰিছিল। অন্নপূৰ্ণা স্তোত্ৰ তৰুণৰাম ফুকনদেৱৰ ৰাজনৈতিক জীৱনৰ তথা স্বৰাজ আন্দোলনৰ এটি অন্যতম স্বাক্ষৰ।

দেৱীস্তুতিৰ নিচিনা কৰি ফুকনদেৱে দুখ-কষ্ট, ৰোগ-শোক, অপায়-অমঙ্গল আদি বিনাশক দেৱতাসকলৰ আশুতোষ, মহেশ্বৰ, মহাদেৱ, গণেশ, সূৰ্য, শনি আদি নামত অকৃত কৰ্মৰ দোষৰ ক্ষমা খুজি, ৰোগ-শোকৰ বিনাশ কামনা কৰি, সিদ্ধিকামনা কামনাৰে স্তুতি নিবেদন কৰিছে।

"দুৰ্বোধ্য সংসাৰ গতি পাপতেই সদা মতি
নাই ধৰ্ম্ম-কৰ্ম্মৰ বিচাৰ ;
ই-সবকো জানি মই শংকৰক ভজা নাই
ক্ষমা দোষ দেৱ মহেশ্বৰ।" ১৯।৩৪

ফুকনদেৱে ওপৰোক্ত বিভিন্ন দেৱ-দেৱীৰ শক্তিৰ মাহাত্ম্যত অভিভূত হৈ তেওঁলোকৰ নামত স্তুতি নিবেদন কৰিলেও ভগৱান মুৰলীধৰ শ্ৰীকৃষ্ণ শ্ৰীমধুসূদনহে





আচলতে তেওঁৰ আছিল ইষ্টদেৱ। সেই কাৰণে ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন নাম গোপাল, বিশ্বেশ্বৰ, নাৰায়ণ, মুৰলীধৰ, শ্ৰীমধুসূদন, পৰমেশ আদি নামৰ লগতে ব্ৰহ্মা আৰু ভগৱানবেই দশাৱতাৰৰ দশৰূপত স্তোত্ৰ নিবেদন কৰি সান্ত্বনা লভিছে। তেওঁৰ 'কৃষ্ণনাম স্তুতি' ভগৱান শ্ৰীকৃষ্ণৰ বিভিন্ন নামৰ এখন সুন্দৰ তালিকাৰ নিচিনা। ইয়াত ভগৱান শ্ৰীকৃষ্ণৰ প্ৰায় সত্তৰটিমান নাম সন্নিবিষ্ট হৈছে। ফুকনদেৱে শ্ৰীকৃষ্ণ নামত এই দৰে স্তুতি নিবেদন কৰিছে :—

গোকুলৰ প্ৰাণহৰি গোপীৰ বল্লভ।
গোতমীৰ প্ৰিয় প্ৰভু যোগীৰ সুলভ ॥
নাৰায়ণ নৰবীৰ নিৰঞ্জন হৰি।
নৰসিংহ নাগনাথ নৰকান্তকাৰী ॥ ৭।৯
পীতাম্বৰ পদ্মনাভ পতিত পাৱন।
পৰম পৱিত্ৰ শিৱ সত্য সনাতন ॥
ৰঘুৰ নন্দন তুমি ৰাৱণৰ অৰি।
নমস্কাৰ কৰোঁ প্ৰভু চৰণত পৰি ॥

ভগৱান শ্ৰীকৃষ্ণৰ নামত মুগ্ধ হৈয়ো তৰুণৰাম ফুকনদেৱে যি অনাবেগিকভাৱে সাৱলীল ভাষাৰে লিখনিৰ গভীৰতা ৰক্ষা কৰিও ভগৱানৰ অশেষ নামৰ মাহাত্ম্য বৰ্ণনা কৰিছে ; সেই ফালৰ পৰা সঁচাকৈ তেওঁৰ অন্তৰত পাৰমাৰ্থিক ভক্তি নিজৰাৰ অনন্ত স্ৰোতটি স্বাভাৱিক গতিৰে বৈ থকা যেন লাগে। আধুনিক অসমীয়া সাহিত্যৰ বুৰঞ্জীত তৰুণৰাম ফুকন দেৱৰ অৱস্থান ভক্ত কবি হিচাপে থাকিলেও একো ব্যতিক্ৰম নহ'ব। তেওঁৰ 'স্তুতি মালা'ই তেওঁক ভক্ত কবি হিচাপে অধিষ্ঠিত কৰাত নিশ্চয় সহায় কৰিব।

'গীতা' শাস্ত্ৰৰ প্ৰভাৱ ভাৰতীয় হিন্দুৰ ওপৰত যুগ যুগ ধৰি স্বাভাৱিকভাৱে চলি আহিছে। ভাৰতীয় হিন্দুসকলৰ মনত ৰামায়ণ, মহাভাৰত, ভাগৱত গীতা প্ৰভৃতি শাস্ত্ৰৰ কথাবোৰ যেন ভগৱানৰ শ্ৰীমুখৰ পৰা নিসৃত অমৰ বাণীহে। এনে আস্থাৰেই তেওঁলোকে এই শাস্ত্ৰবোৰ অধ্যয়ন কৰি আহিছে আৰু সেই বাবেই অন্ততঃ জীৱনৰ শেষ কালত হ'লেও এই শাস্ত্ৰবোৰ তেওঁলোকৰ জীৱনৰ পৰম আশ্ৰয়স্থলী হিচাপে পৰিগণিত হয়। ফুকনদেৱৰ ওপৰতো গীতা আদি শাস্ত্ৰৰ প্ৰভাৱ পৰা দেখা যায়। তেওঁ'স্তুতি-মালা'ত গীতা শাস্ত্ৰৰ ওপৰত 'গীতাসাৰ স্তোত্ৰ' নামৰ পাঁচটি তত্ত্বমূলক স্তোত্ৰ ৰচনা কৰিছে।

ফুকনদেৱে 'গীতাসাৰ' প্ৰথম স্তোত্ৰটোত গীতাৰ অসীম মাহাত্ম্যৰ কথা বৰ্ণনা কৰিছে। গীতা যেন সৰ্বত্ৰ ব্যাপ্ত, আদি-অন্ত-মধ্যহীন বিষ্ণুৰূপহে। গীতাৰ শক্তি সকলো শক্তিৰ ওপৰত। শ্ৰেষ্ঠৰ ভিতৰত শ্ৰেষ্ঠতৰ। ই চৈতন্য শক্তি স্বৰূপ। কবিয়ে সেইবাবে কৈছে :

আদি অন্ত মধ্য নাই ব্যাপ্ত আছা তুমি,
দ্বাদশ আদিত্য মধ্যে বিষ্ণুৰূপে তুমি।
জ্যোতিৰ মধ্যত তুমি ৰবি অংশুমান,
বায়ুৰ মধ্যত তুমি মৰীচি প্ৰমাণ।
নক্ষত্ৰৰ মধ্যে দেৱ শশী প্ৰভাকৰ,
শ্ৰেষ্ঠৰ ভিতৰে আছা হৈ শ্ৰেষ্ঠতৰ।
বেদৰ ভিতৰে সাম বাসৱ দেৱৰ,
ইন্দ্ৰিয়ৰ মধ্যে মন চেতনা ভূতৰ। ১৭।৭

দ্বিতীয়টো স্তোত্ৰত কবিয়ে প্ৰকাশ কৰিছে যে অনাচাৰী, অধাৰ্মিক, প্ৰৱঞ্চক, মদগৰ্বী, অত্যাচাৰী প্ৰভৃতি শ্ৰেণীৰ মানুহবোৰ পশুতুল্য। ভগৱানৰ কৃপা দৃষ্টিৰ পৰা তেওঁলোক বহু আঁতৰত। মুক্তিৰ পথ তেওঁলোকৰ বাবে ৰুদ্ধ। গীতাসাৰ স্তোত্ৰ-২ত কবিয়ে গীতাৰ বচন বুলি উল্লেখ কৰিছে যে—কাম-ক্ৰোধ-লোভ এই তিনিয়ে মানুহক নৰক পথলৈ আগুৱাই নিয়ে। সেই কাৰণে তেওঁ তৃতীয় স্তোত্ৰটোত গীতাৰ অতি জনপ্ৰিয় শ্লোকটোৰ কৰ্ম-যোগৰ আদৰ্শেৰে মানৱ সমাজক উদ্বুদ্ধ কৰি মোক্ষ সাধনত প্ৰবৃত্ত হ'বৰ অনুপ্ৰেৰণা যোগাইছে। কিন্তু এই কাৰ্যত এনেদৰে অগ্ৰসৰ হ'ব লাগিব যে—

ফলত নকৰি আশ কৰ্ত্তব্যক মানি
কৰ্ম কৰে সেয়ে মহাজন ;

আচল সন্ন্যাসী তেওঁ যোগীৰ প্ৰধান
জানা ইটো গীতাৰ বচন। ৪৩।৭০

কৃতকৰ্মৰ ফলৰ কামনা নকৰি মোক্ষ বা ব্ৰহ্মজ্ঞান লাভৰ হেতু অগ্ৰসৰ হোৱা লোকসকল হ'ব লাগিব কামনা-বাসনাবিহীন নিৰ্বিকাৰ স্থিত প্ৰজ্ঞ পুৰুষ। তেওঁ ইন্দ্ৰিয়ৰ দাস নহৈ ভক্তিৰে সৈতে ঈশ্বৰত হিয়া-মন অৰ্পণ কৰি নিষ্কাম কৰ্মত প্ৰবৃত্ত হ'লে ব্ৰহ্মজ্ঞান লাভ কৰিব পাৰিব ব্ৰহ্মজ্ঞান লাভ কৰিব পৰাটোৱেই মানুহৰ শ্ৰেষ্ঠ পাৰমাৰ্থিক কৰ্ম আৰু এয়েই গীতা শাস্ত্ৰৰ উত্তম শিক্ষা। ফুকনৰ স্তোত্ৰত আছে—

পাৰ্থিৱ যতেক মানে মনৰ বাসনা
একেবাৰে যি কৰে বিনাশ ;
আত্মাতে আত্মাৰ তুষ্টি নিৰ্বিকাৰ মন
মুক্তি মোক্ষ তাতো নাই আশ।
দুখত উদ্বেগ নাই সুখত বিৰাগ
ভয়ক্ৰোধশূন্য যাৰ মন ;
শুভাশুভ লাভালাভ প্ৰমাণ যাহাৰ
স্থিত প্ৰজ্ঞ পুৰুষ প্ৰধান। ৪৪।৭১, ৭২

* * *

ইন্দ্ৰিয়ৰ সংগ এৰি ভক্তিৰ সহিত
ঈশ্বৰত অৰ্পি হিয়া মন ;
কৰ্ত্তব্যজ্ঞানত কৰা নিষ্কাম কৰ্মক
সিদ্ধি হব পাবা ব্ৰহ্মজ্ঞান। ৪৪।৭২

'গীতাসাৰ' পঞ্চম স্তোত্ৰটোত ফুকনদেৱে গীতাৰ পৰম পুৰুষ ভগৱান শ্ৰীবিষ্ণু হৃষীকেশৰ মহিমা বৰ্ণনা কৰি তেওঁৰ শ্ৰীচৰণত সশ্ৰদ্ধ ভক্তিপূৰ্ণ কাকুতি নিবেদন কৰিছে। তেওঁ যেন সৰ্বব্যাপী, বেদৰ ওঁকাৰ, শশী-সূৰ্য-বিজুলীৰ প্ৰভা, আকাশৰ শব্দ, অগ্নিৰ তেজ, তেজস্বীৰ বল-বুদ্ধি, বিদ্বানৰ বিদ্যা, অনাদি-অনন্ত, অক্ষয়-অব্যয় আৰু সৃষ্টি-স্থিতি-প্ৰলয়ৰ কাৰণ। তেৱেঁই মৰণৰ ভয় বিনাশ কৰোঁতা আৰু মুক্তিৰ উপায় দিওঁতা। তেৱেঁই ব্ৰহ্ম আৰু মোক্ষৰো কাৰণ তেৱেঁই। ফুকনদেৱৰ ভাষাত তেৱেঁই—

ত্ৰিকালজ্ঞ তুমি দেৱ তুমি সৃষ্টি কৰা
ভবিষ্য অতীত বৰ্তমান ;
সকলোকে জানা তুমি জ্ঞানৰ অতীত
মায়াৰূপী জগতৰ প্ৰাণ। ৪৫।৭৩

ফুকনদেৱৰ স্তুতিৰ পৰিৱেশ বিস্তৃত। তেওঁ 'স্তুতি-মালা'ত আলোচ্য স্তুতিবোৰৰ উপৰি আৰু বহুত স্তুতিৰ সংযোজনা কৰিছে। আলোচনা দীঘল হোৱাৰ ভয়ত সেইবোৰৰ আলোচনা নকৰাটোৱেই উচিত হ'ব বুলি ভাবি এৰিলোঁ। তথাপি তেনে স্তোত্ৰবোৰৰ ভিতৰতো কাশী-স্তোত্ৰ'টো এটি উপাদেয় আৰু আৱশ্যকীয় স্তোত্ৰ। 'স্তুতি-মালা'ৰ স্তুতিবোৰে ফুকনদেৱৰ জীৱনৰ অভিজ্ঞতাৰ লগে লগে কাব্য প্ৰতিভাৰো পৰিচয় দিয়ে। তেওঁ দাৰ্শনিক তত্ত্ব বা আধ্যাত্মিক বিষয়বস্তুৰ আধাৰত যি সুন্দৰ,-সহজ-সৰল আৰু নিমজ ভাষাত স্তোত্ৰবোৰ ৰচনা কৰিছে, তাতেই তেওঁৰ কবি প্ৰতিভাৰ পৰিচয় পোৱা যায়। তেওঁৰ 'স্তুতি-মালা'ৰ 'বিবেক মঞ্জৰী' এটি অভিজ্ঞতা প্ৰসূত সুন্দৰ মৌলিক কবিতা সদৃশ স্তোত্ৰ।

ফুকনদেৱৰ কবিতাৰ ভাষাৰেই নহয় গদ্যৰ ভাষাৰো এটা স্বকীয়া ঠাঁচ আছে। তেওঁৰ চিকাৰ কাহিনীৰ বৰ্ণনাই ইয়াৰ সুন্দৰ নিদৰ্শন। তেওঁৰ চিকাৰ কাহিনীৰ ৰসাল বৰ্ণনাই অসমীয়া পাঠকক গদ্য সাহিত্যৰ বিশেষ সোৱাদ দিব পাৰিছে। চিকাৰ কাহিনীৰ যি একোটি জটিল অথচ ভয়াবহ পৰিস্থিতি যি সুন্দৰ অথচ সহজ-সৰল আৰু ভাব-ব্যঞ্জক ভাষাৰে বৰ্ণনা কৰি মানুহৰ মনত সেই দৃশ্যৰ হুবহু প্ৰতিচ্ছবি দাঙি ধৰিব পাৰিছে; তাতেই তেওঁৰ উন্নত ৰচনা শৈলীৰ পৰিচয় পোৱা যায়। তেওঁৰ 'যৌন-তত্ত্ব' ও এখন উপাদেয় গ্ৰন্থ।

'স্তুতি-মালা'খন প্ৰাচীন ভাবাদৰ্শৰ আধুনিক অসমীয়া ভাষাৰ এখন সুন্দৰ গ্ৰন্থ। অসমীয়া বৈষ্ণৱ কবিসকলৰ আদৰ্শেৰে ৰচিত অসমীয়া জাতিলৈ ফুকনদেৱৰ ই এখন অমূল্য অৱদান। এই ক্ষেত্ৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ তেওঁৰ আদৰ্শৰ পুৰুষ। স্তোত্ৰ কিছুমানৰ ভণিতাত





তেওঁ "শঙ্কৰৰ মূল চাই—তৰুণ কিঙ্কৰে গায়, লোৱা সদা গোবিন্দৰ নাম" (১০/১৮) আৰু শংকৰৰ পদ চাই 'তৰুণ দুকথে গায়' ইত্যাদি বুলি মহাপুৰুষজনাৰ প্ৰভাৱ স্বীকাৰ কৰিছে।

ফুকনদেৱৰ সকলোবোৰ ৰচনা প্ৰকাশ, প্ৰচাৰ আৰু আলোচনা হ'লে অসমীয়া সাহিত্যৰ বুৰঞ্জীত তেওঁ এখন বিশিষ্ট আসন লাভ কৰিব। ই নিশ্চিত। এই বছৰতেই ত্ৰৈগৰাকী স্বৰাজ আন্দোলনৰ নেতা পটু চিকাৰী, সুবক্তা কবি-সাহিত্যিকৰ জন্ম-শতবাৰ্ষিকী উৎসৱ অসমীয়া জাতীয়ে উদ্‌যাপিত কৰিব।

আমিও এই সুযোগতে তেওঁৰ 'স্তুতি-মালাৰ' শেষ স্তুতিৰেই শতবৰ্ষৰ শ্ৰদ্ধা নিবেদন কৰোঁ :

"ৰূপ নাই প্ৰভু তথাপি তোমাৰ
অন্তৰত ৰূপ ধ্যান ;
বাক্যৰ অতীত জানিও তোমাক
স্তুতি কৰোঁ বৰ্তমান।
সৰ্বব্যাপী তুমি জানিও নিশ্চয়
তীৰ্থদিক যাওঁ ধনে ;
জ্ঞানকৃত মোৰ ই তিনি পাতক
ক্ষমা প্ৰভু নিজ গুণে"।

জয়তু দেশভক্ত তৰুণৰাম ফুকনদেৱ !

শ্ৰী তীৰ্থলোচন তামুলী
সৰ্থেবাৰী
১২।৯।৭৬ ইং

# ৰাভাজাতিৰ জীৱন-কলা

শ্ৰীধীৰেন্দ্ৰকুমাৰ ৰাভা

কলা সম্পৰ্কে দুটি সূত্ৰ আছে—'কলা কৈৱল্যবাদ' (Art for Art's sake) আৰু 'কলা জীৱনৰ বাবেই' (Art for life sake)। কলা দুই প্ৰকাৰে চমৎকৃত। এবিধ হ'ল সুকুমাৰ কলা আৰু আনবিধ হ'ল নিম্ন কলা। ৬৪ বিধ কলাৰ ভিতৰত এই দুটাই অধ্যয়ন আৰু বিচাৰৰ উপযোগী। সুকুমাৰ কলাৰ ভিতৰত সাহিত্য (কবিতা), চিত্ৰ আৰু সংগীত উল্লেখযোগ্য। নিম্ন কলাৰ ভিতৰত কমাৰ-কুমাৰৰ তৈয়াৰী বস্তু যেনে—দা-কুঠাৰ, মাটিৰ পাত্ৰ অথবা বাচন-বৰ্তন ইত্যাদি। এই আটাইবোৰেই সৌন্দৰ্য প্ৰকাশক, মানসিক প্ৰক্ৰিয়াৰ ফল।

সুকুমাৰ কলা অন্তৰ্মুখী সূক্ষ্মকলা। নিম্নকলা বহিৰ্মুখী আৰু বাস্তৱ। সুকুমাৰ কলাত মনন আৰু সৃজনশীলতাৰ পৰিপক্কতা স্বীকৃত হয়। নিম্ন কলাত কেৱল সৃষ্টি আৰু প্ৰয়োজনীয়তাৰ মাপকাঠি পৰিদৃষ্ট হয়। দুয়োটাৰ মাজত ভিন্নতা পৰিলক্ষিত হ'লেও বৈপৰীত্যপূৰ্ণ নহয়। অনুমাত্ৰ সাদৃশ্য হ'লেও বিচিত্ৰতা দুয়োটাৰে মাজত নিহিত হৈ আছে। 'কলা কলাৰ বাবেই হওক কিম্বা কলা জীৱনৰ কাৰণেই হওক' আৰ্ট জীৱনৰ আত্মপ্ৰকাশ আৰু আত্মপ্ৰচেষ্টাৰ বিচিত্ৰ ৰূপৰেখাহে। সত্য, শিৱ-সুন্দৰৰ অন্যতম ৰূপেই হ'ল কলা। কলাবিহীন জীৱন যেনে নিৰৰ্থক, জীৱনবিহীন কলাৰ সাৰ্থকতাও অৰ্থশূন্য। এতেকে, কব পাৰি জীৱন আৰু কলা দুয়োটাই ইটোৱে সিটো পৰিপূৰকহে। সেইকাৰণে আলোচ্য বিষয় সূচীত 'কলা কৈৱল্যবাদ' সূত্ৰ পৰিহাৰ কৰি 'কলা জীৱনমুখী' সূত্ৰৰ প্ৰয়োজনীয়তাকহে অন্তৰ্ভুক্ত কৰা হৈছে। জীৱনৰ আলোকপাতত্তেই কলাৰ সাৰ্থকতা প্ৰস্ফুটিত হয়। সেয়ে কলা মানৱ জীৱনৰ আভূষণ আৰু প্ৰাণবস্তু। Verrier Elwinয়ে 'Tribal Art' শীৰ্ষক প্ৰবন্ধত লেখিছে—"Our tribal art here is not to be dismissed as negligible." জনজাতীয় কলা যথাৰ্থতে নিকৃষ্টতৰ নহয়। সেইদৰে জনজাতীয় লোক-কলাৰ প্ৰভাৱ উলাই কৰিব পৰা বিধৰো নহয়। কিয়নো, জনজাতীয় লোক-কলাৰ একোটাইত বৈশিষ্ট্য আছে। Leonard Adamয়ে কৈছে—'for the full appreciation of a work of art it should be seen as far as possible in the setting for which it was created." লোক-কলাৰ সৃষ্টিৰ ক্ষেত্ৰত এটি পটভূমিৰ প্ৰয়োজন আৰু এই পটভূমি প্ৰয়োজন সাপেক্ষ। প্ৰয়োজনীয়তাৰ খাতিৰত এই মহান লোক-কলাসমূহৰ আবিষ্কাৰ হৈছিল, হৈছে আৰু ভৱিষ্যতেও হৈ থাকিব। এই নিশ্চিত সত্যক কোনেও অস্বীকাৰ নকৰে আৰু কৰিব নোৱাৰেও। কিয়নো, অসমৰ জনজাতীয় লোক-কলা হ'ল functional





অৰ্থাৎ সামাজিক বৈশিষ্ট্যপূৰ্ণ। সেইকাৰণে হয়তো লিওনাৰ্ড আদামে কৈছে—' there is very little art for art's sake in a tribal art or village. Much of the art has a religious or magical purpose , much again has social importance, there is very little that is simply decorative or that aims at the creation of beauty and nothing else."

নন্দনতাত্ত্বিক পণ্ডিত লিওনাৰ্ড আদামৰ ওপৰত উদ্ধৃতিওৰা সূত্ৰটোৰে অসমৰ বিভিন্ন জনগোষ্ঠীৰ লোক-কলা বিষয়টো অনুধাৱন কৰিব পাৰি। অসমৰ সভ্যতা-সংস্কৃতি লুইতপৰীয়া সভ্যতা-সংস্কৃতি। মূলাধাৰ গ্ৰাম্য কৃষ্টি সভ্যতা। গ্ৰাম্য কৃষ্টি সভ্যতাত ইন্ধন যোগাইছে অসমৰ আদিম অধিবাসী বড়ো-কছাৰী জনগোষ্ঠীৰ লোক-কলা, লোক-সাহিত্য আৰু কৃষ্টিয়ে। আৰ্য্য-অনাৰ্য্য, দ্ৰাবিড় সকলোৰে সমাহাৰত অসমীয়া কলা-সংস্কৃতি বিকশি উঠিছে। এই সত্য অনস্বীকাৰ্য্য। বিন্দু বিন্দু জলবিন্দুৰ দ্বাৰা সাগৰৰ সৃষ্টি, মুঠি মুঠি বিভিন্ন জনগোষ্ঠীৰ কৃষ্টিৰ ছিটিকনিৰে অসমীয়া সংস্কৃতিৰ সৌধ নিৰ্মিত হৈছে। সেই কাৰণে ই বিচিত্ৰ ৰমণীয় আৰু যুগমীয়া। এই জনগোষ্ঠীসমূহৰ ভিতৰত ক্ষুদ্ৰমতি ৰাভাসকলো অন্যতম। তেওঁলোকেও তেওঁলোকৰ সাধ্য অনুসৰি অসমীয়া কলা-সংস্কৃতিত অৰিহণা যোগাইছে। ৰাভাসকল আৰ্য্য ভিন্ন জনজাতীয় কলা-শিল্পৰে অভিনৱ স্বতন্ত্ৰ জাতি।

ৰাভাসকল কিৰাত বংশজ সন্তান। ইয়াত দ্বিমত কাৰো নাই। কিন্তু ৰাভাসকল স্বকীয় কলা-সংস্কৃতিৰে সমুজ্জল আৰু স্বতন্ত্ৰ। তেওঁলোকৰ স্বকীয় ভাষা আছে, নৃত্য-গীত আছে, লোক-কলা আছে, সামাজিক ৰীতি-নীতি আছে, ঐতিহ্য আছে, আচাৰ-ব্যৱহাৰ, পূজা-পাতল, উৎসৱ আদি আছে। এই জাতিৰ লোক প্ৰধানতঃ ৰাজনৈতিক, অৰ্থনৈতিক কাৰণত অসমৰ বিভিন্ন প্ৰান্তত সিচঁৰিত হৈ আছে। জীৱন-যাপনৰ সুচলতাৰ অনুসন্ধানত ব্ৰতী হৈ এই ৰাভা জাতিৰ লোকে অসমৰ দৰং, নগাওঁ, কামৰূপ আৰু গোৱালপাৰা জিলাত খিতাপি লৈছে। সেইকাৰণে ৰাভাজাতিৰ অনেকে বিক্ষিপ্ত কলা সংস্কৃতিৰে বিক্ষিপ্ত হৈ পৰিছে। সেয়ে হ'লেও ৰাভাসকলৰ অধিক সংখ্যক লোকে গোৱালপাৰাৰ দক্ষিণ অঞ্চলত আৰু গাৰো পাহাৰ জিলাৰ নামনি অঞ্চলত বসতি কৰি আছে। এই সকল লোকে আজিও নিজস্ব কলা-কৃষ্টি, ভাষা-মাত-কথা, সামাজিক ৰীতি-নীতি নিষ্ঠাৰে অটুট ৰাখি আছে।

ৰাভা সম্প্ৰদায়টো সংখ্যালঘিষ্ঠ জাতি হ'লেও কেবাটোও ভাগত তেওঁলোক বিভক্ত। যেনে—ৰংদানী, মাইটৰী, দাহুৰী, পাতি, বিতলীয়া, হানা, টোটলা ইত্যাদি।

উত্তৰ গোৱালপৰাত কোছ৷ ৰাভাসকল বিস্তীৰ্ণ হৈ আছে। ৰংদানী, মাইটৰী, দাহৰী আৰু কোছাৰাভা-সকলৰ নিজা নিজা মাতৃ ভাষা আছে। সেইদৰে তেওঁলোকৰ স্বকীয়া স্বকীয়া গীত-মাত, নৃত্য-কলা, পূজা-পাতল আৰু সামাজিক পৰম্পৰা, লোক-বিশ্বাস, সাধু-কিম্বদন্তী আদিও আছে। সেইবোৰে তেওঁলোকৰ ঐতিহাসিক জাতীয় মূল্যবোধৰ কথাটো মূল্যায়ণ কৰি দেখুৱায়। পাছে, পাতৰাভা, হানাৰাভা, বিতলীয় ৰাভা টোটলা ৰাভা এই সকলৰো স্বকীয় ঐতিহ্য আছে যদিও তেওঁলোকে তেওঁলোকৰ ঐতিহাসিক সত্যপথৰ পৰা বিক্ষিপ্ত হৈ পৰিছে। তাৰ ফলত নিজা মাত-কথা, গীত-মাত, নৃত্য-কলা-সৃষ্টি সকলোবোৰ হেৰুৱাই পেলাইছে। বিনিময়ত তেওঁলোকৰ সকলোবোৰ সম্পদৰাজি বিজতৰীয়া হৈছে। তাৰ মূলকাৰণ ভৈয়ামৰ বিভিন্ন জনগোষ্ঠিৰ লগত হোৱা তেওঁলোকৰ সংস্পৰ্শ আৰু মিলা-প্ৰীতি। সামাজিক, অৰ্থনৈতিক কাৰণত তেওঁলোকে তেওঁলোকৰ নিজস্ব ঐতিহ্যৰাজিক ভৈয়ামবাসী ৰাইজৰ উমৈহতীয়া সম্পত্তি হিচাপে গণ্য কৰিছে। তেওঁলোকৰ লোক-কলা, শিল্প, কৃষ্টি সকলো অসমীয়া সংস্কৃতিৰ

আধাৰস্বৰূপ হৈ পৰিছে। এনেকি তেওঁলোকৰ সামাজিক গাঁথনিৰো পট-পৰিবৰ্ত্তন হোৱাৰ উপক্ৰম হৈছে। তাৰ বাবে তেওঁলোক দায়ী নহয়, দায়ী সামাজিক প্ৰথা আৰু জাতীয় সংহতি আৰু সংস্কৃতি। সংস্কৃতি আকাৰবিহীন মহাসমুদ্ৰ। মনৰ কৰ্ষণ কৰি কৃষি ভিত্তিক সংস্কৃতিৰ সাকোঁ অসমত সজা হৈছে। গ্ৰাম্য-জীৱনৰ উৎফুল্লতাক কেন্দ্ৰ কৰিয়েই অসমীয়া সংস্কৃতিৰ বিকাশ আৰু গতি সাবলীল হৈছে। সেয়ে হ'লেও ৰাভাসকলৰ লোক-কলা, জীৱনৰ ঐতিহাসিক পৰম্পৰাৰ প্ৰথাগত প্ৰভাৱ অসমীয়া সংস্কৃতিত নপৰাকৈ থকা নাই।

'কলা কৈৱল্যবাদ' নীতিৰে ৰাভা জাতিৰ জীৱন-কলা বিকাশ লাভ কৰা নাই যদিও সামাজিক গুৰুত্ব, ধৰ্মীয় উদ্দেশ্য আৰু সহজ-সৰল মানৱ জীৱনৰ পূৰ্ণ বিকাশৰ বিষয়ৰ ওপৰত নিৰ্ভৰ কৰিয়ে ৰাভাজাতিৰ উন্মেষ ঘটিছে। পৌৰাণিক লোক-সাহিত্য যেনে—সাধুকথা, জনশ্ৰুতি, কিম্বদন্তী আৰু লোক-বিশ্বাস, লোক উৎসৱ, পূজা-পাতল, ডাইনী-ভূতুনীৰ তান্ত্ৰিকতাবাদ আদিয়ে ৰাভাজাতিৰ জীৱন সম্পৰ্কীয় বিশেষ ঐতিহ্য প্ৰকাশ কৰি দেখুৱায়।

সামাজিক পটভূমিত ৰাভাসকল কৃষিজীৱী। কৃষি-ভিন্ন অন্য ব্যৱসায় ৰাভাসকলৰ নাই। অৰ্থনৈতিক উন্নতি নিৰ্ভৰ কৰে কৃষিৰ উন্নতিৰ ওপৰত। জীৱন নিৰ্বাহৰ চৰম উপায় এই কৃষি কৰ্মই। লজ্জা নিবাৰণ কৰে স্বকীয় কলা-নৈপুণ্যৰে সৃষ্টি কৰা অথবা তৈয়াৰী কৰা কাপোৰেৰে। দৈনন্দিন জীৱনত প্ৰয়োজনীয় সামগ্ৰীথিনি ৰাভাসকলে নিজেই সংগ্ৰহ কৰি লোৱাৰ দস্তুৰ আছে। প্ৰয়োজনতকৈ বেছি কেতিয়াও নিবিচাৰে। এয়া, তেওঁলোকৰ জাতীয় বৈশিষ্ট্য।

জীৱন সুন্দৰ আৰু সৰ্ব্বোৎকৃষ্ট কৰি তোলাৰ বাবে যি প্ৰয়োজন সেয়ে জীৱনকলা। অৰ্থাৎ প্ৰয়োজনীয় সম্বলৰ সমাহাৰেই জীৱনকলা। এই ক্ষেত্ৰত স্বাৱলম্বিতা স্পষ্ট। স্বাৱলম্বী হ'বৰ বাবেই দক্ষতাৰ প্ৰয়োজন। ৰাভাসকলৰ দক্ষতা আছে। নিজৰ ওপৰত আত্মনিৰ্ভৰশীল হৈ চলাৰ ক্ষমতা আছে। তেওঁলোকে কৰ্ম কৰে আৰু অভাৱ পূৰণ কৰে। কৰ্মৰ মাজেদিয়ে জীৱনকলাৰ প্ৰতিভা প্ৰকাশ পায়। ৰাভাসকলে কৰ্মৰ মাজেৰে জীৱনৰ পৰিপূৰ্ণতা আশা কৰে আৰু কৃতকাৰ্যতাও লভিছে। ৰাভা পুৰুষসকলে কঠিন কাম কৰি অন্ন চিন্তা দূৰ কৰে। ৰমণীসকলে নিজ হাতে সূতা কাটি কাপোৰ বুই লৈ বস্ত্ৰৰ চিন্তা আঁতৰ কৰে। তেওঁলোকে থেৰ বন কাটি আনি জুপুৰি ঘৰ সাজি লৈ বাসস্থানৰ চিন্তা নাইকিয়া কৰে। সেইবোৰ কৰ্মৰ মাজেদি তেওঁলোকৰ জীৱনকলাৰ নিদৰ্শন পোৱা যায়। ফুলবছা কামত ৰাভা ৰমণী বা শিপিনী সকল পাৰ্গত। বাঁহ-বেতৰ কাম-বনত পুৰুষসকল নিপুণ। বাদ্যযন্ত্ৰ তৈয়াৰ কৰাতো তেওঁলোক সিদ্ধহস্ত।

আনন্দৰ দিনত আনন্দ কৰাৰ বাবে তেওঁলোকৰ আছে বহুৰঙী গীত, বাৰমাহীৰ গীত আৰু বিভিন্ন নৃত্য-গীত। গগনা, বাঁহী, মাদল, বুৰেৰেঙা, বাহুংডুঙ্গা ৰাভাসকলৰ সংগীতকলা সাধনাৰ উপসৰ্গ বস্তু। পূজা-পাতলৰ ভিতৰত থোকৃছী পূজা, দদানৰজাৰ পূজা, ৰৰমানী, ঠাকুৰাণী অৰ্থাৎ দেউল উৎসৱ, মাৰৈ পূজা উল্লেখযোগ্য। বড়োসকলৰ যি বাথৌ পূজা (শিৱক কেন্দ্ৰ কৰি) ৰাভাসকলেও (লাঙ্গা) লাঙা পূজা কৰে (শিৱক কেন্দ্ৰ কৰি)। লাঙা দেৱতাই শিৱকে সূচায়। গোহালি দেও পূজা অন্যতম। এইবোৰ লোক-উৎসৱ তথা লোক-কলাৰে নমনীয়তা মাথোন।

ৰাভাসকলৰ বিবাহ পৰম্পৰাত এভুমুকি মাৰিলেও জীৱন-কলাৰ সবিশেষ জানিব পৰা যায়হঁক। Verrier Elwin যে কোৱা এবাৰ কথা এই সন্দৰ্ভত উল্লেখ কৰিব পাৰি। তেওঁ কৈছে—"Marriage has inspired less art than we might have expected. To primitive folk a wedding is a time when those engaged in it are subject to peculiar dangers; they are vulnerable to the attacks of ghostly enemies who may render the bridal pair strelie or even compass their death." এনেধৰণৰ অত্যাচাৰ-উৎপীড়িত বিবাহ পৰম্পৰাৰ ঐতিহ্য জনজাতীয় লোকৰ মাজত নিহিত হৈ পূৰ্বতে আছিল। কিন্তু সভ্যতাৰ পোহৰ পোৱাৰ লগে লগে সেইবোৰ কুসংস্কাৰ তেওঁলোকৰ (জনজাতীয়) মনোজগতৰ পৰা আঁতৰি গৈছে। ৰাভসকলেও জীৱনক আনন্দময় কৰি তোলাৰ বাবে পূৰ্বৰ কুসংস্কৃত প্ৰথাগত বিবাহ পৰম্পৰা ত্যাগ কৰিছে। আনহাতে, চিত্ৰশিল্পবোৰত ধৰ্মীয় প্ৰভাৱ যথেষ্ট পৰাৰ ফলত জীৱনৰ সৌন্দৰ্য উপলব্ধিৰ ক্ষেত্ৰত ৰাভাসকল পাছপৰি থাকিলেও প্ৰাকৃতিক সৌন্দৰ্যৰাজিয়ে জীৱনৰ ওপৰত ৰেখাপাত নকৰাকৈ থকা নাই। কাপোৰত ফুলবছা, সূতাৰ ৰং কৰা কামেৰে তেওঁলোকৰ সৌন্দৰ্য স্পৃহাৰ ৰুচি-অভিৰুচিৰ বিষয়ে আমাক অৱগত কৰায়। বাঁহৰ পাচি, খৰাহি, জাকৈ আদি তৈয়াৰ কৰা পদ্ধতিয়েও ৰাভা জাতিৰ লোক-কলা নৈপুণ্যৰ উমান দিয়ে। এই কলা নৈপুণ্যসমূহ অত্যাধুনিক নহয়, পৌৰাণিক ঐতিহ্যৰ পৰম্পৰাৰ স্বাক্ষৰহে। বাঁহ-বেতৰ সা-সঁজুলি প্ৰয়োজনীয়তাৰ তাগিদাতেই সামাজিক কাৰণত তৈয়াৰ কৰিবলগীয়া হৈছিল। ৰাভাজাতিৰ মাজতো লোক-নৃত্য, গীত আদি প্ৰচলিত হৈ আছে। আমোদ-প্ৰমোদৰ কাৰণেই সেইবোৰ প্ৰচলিত হৈছিল। পৌৰাণিক নাট্যানুষ্ঠান হিচাপে ৰাভা সমাজত মুখাৰ ব্যৱহাৰ সম্ভৱতঃ এক প্ৰকাৰ নাট্যানুষ্ঠান আছিল। ভাৰী গান, দধিমথন, কুশান গান আদি লোক নাট্যানুষ্ঠান ৰাভাজাতিৰ (নাট্য সম্পৰ্কীয়) সম্পদ। ৰাভাজাতিৰ জীৱন কলা প্ৰকাশত এইবোৰেও প্ৰক্ৰিয়া কৰিছে। গান গোৱা, নাচ-বাগ কৰাৰ প্ৰাণ উচ্ছলতাৰ চানেকি এইবোৰে দাঙি ধৰে। ৰাভাসকলৰ ৰণ নৃত্য, মাছলৈ যোৱা নৃত্য, ভুঁই ৰোৱা নৃত্য, ধান কটা নৃত্য বিশেষ জাতীয় বৈশিষ্ট্যৰে অতুজ্জ্বল। এইবোৰ জন সংস্কৃতিৰ বহুমূলীয়া সম্পদ।

ৰাভাজাতিৰ জীৱনকলাত প্ৰতিভাত হৈছে বন্ধুত্ব, সমভাৱ আৰু ঐক্য-সংহতি আৰু শান্তিপ্ৰিয়তাৰ অভিনৱ দৰ্শন। ৰাভাজাতিৰ একক সংস্কৃতি, লোককলা, জীৱন জিজ্ঞাসা নাথাকিলেও ধাৰ্মিক, সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ একনিষ্ঠতা আৰু সহজ বিশ্বাসে জাতীয় জীৱনৰ কলা-সংস্কৃতিৰ সেৱক বুলি নিজকে প্ৰতিফলিত কৰি দেখুৱাব পাৰিছে যে তাত কোনো সন্দেহ নাই।

# ফুকনক মই কেনেকৈ জানো

শ্ৰীপদ্মেশ্বৰ কাকতি

ওকালতি, বাগ্মিতা, চিকাৰ, নানাভাষাৰ জ্ঞান, সাহিত্য, ৰাজনীতি, ৰসিকতা আৰু খেল ধেমালিৰ মাজত প্ৰতিভা প্ৰকাশ পোৱা তৰুণৰাম ফুকন ১৯২০ চনৰ স্বাধীনতাৰ আন্দোলনৰ পৰাই ৰাজনৈতিক নেতাৰূপে অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে জনাজাত হয়। ১৯২১ চনত আমাৰ বয়স প্ৰায় ৫ বছৰ; শিৱসাগৰৰ গাৱত তৰুণ ফুকনৰ জয়ধ্বনি কৰি আমিও উমলিছিলো। ফুকনৰ প্ৰধান উল্লেখযোগ্য গুণৰ ভিতৰত বিপদত ধৈৰ্য আৰু সভাত শ্ৰোতাসকলক প্ৰভাৱান্বিত কৰিব পৰাকৈ বাগ্মিতা। ১৯২৪ চনত মই গুৱাহাটীলৈ আহোঁ। সেই তেতিয়াৰ পৰা ফুকনক ভালকৈ পাওঁ। সুশ্ৰীসম্পন্ন ফুকনক সকলোৱে শ্ৰদ্ধা আৰু আগ্ৰহেৰে পাবলৈ বাঞ্ছা কৰিছিল।

১৯৩০ চনত ২৬ জানুৱাৰীৰ দিনা। গণ-দিৱস পালন কৰি ৰাতি পুৱা গুৱাহাটীৰ জুবিলী উদ্যানত জাতীয় পতাকা উত্তোলন কৰি শপত গ্ৰহণ কৰোঁতে আমিও উপস্থিত আছিলোঁ। জুবিলী উদ্যানৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰৰ আলিয়েদি ভৰলুমুখলৈকে সমদল যাত্ৰা আৰম্ভ হয়। ফুকনে "two two" বুলি অৰ্থাৎ দুজন দুজনকৈ শাৰীপাতি আলিৰ বাওঁফালেদি যাবলৈ নিৰ্দেশ দি আছিল। আমাৰ গাত খদ্দৰৰ পোছাক নাছিল, কিন্তু মনৰ আবেগত কাষে কাষে যাত্ৰা কৰিছিলো। ফুকনে আমাকো হাতত ধৰি নি আন এজন কিছু চাপৰ মানুহৰ লগত যোৰা লগাই দিছিল। আমাৰ কাষে কাষে পুলিচো গৈছিল। ফুকনে সুধিছিল "তুমি পুলিচ দেখি ভয় কৰিছা নেকি ?"

তাৰ আগতে ১৯২৬ চনৰ পাণ্ডুত বহা কংগ্ৰেছলৈ আহোঁতে মহাত্মা গান্ধীক চাবলৈ গৈ আমিনগাওঁৰ ৰেল ৰখা ঠাইৰ একাষে ৰলোঁগৈ। স্বেচ্ছাসেৱকসকলে শাৰী পাতি থিয়দি আছিল। মই শ্ৰীবিষ্ণুৰাম মেধিৰ পাছফালে আছিলো, তেখেতৰ আগত থিয় হৈ আছিল ফুকন। মহাত্মা গান্ধী অহা গাড়ীখন আমাৰ ঠিক আগতেই ৰ'ল। মহাত্মা গান্ধীক প্ৰথমবাৰ ভালকৈ দেখিলোঁ। ফুকনে গাড়ীৰ ভিতৰলৈ গৈ অভিবাদন জনালে, কোনোবা এজনে গান্ধীজীৰ কানি-কাপোৰৰ টোপোলাটো তুলি ল'বলৈ ধৰোঁতে বাধা দি গান্ধীজীয়ে নিজৰ কাষলতিত এহাতে লৈ গাড়ীৰ পৰা নামি ফুকনৰ লগে লগে জাহাজৰ ফালে খোজ ল'লে।

১৯৩০ চনৰ গণ-আন্দোলনত, তেতিয়াৰ শিক্ষা বিভাগৰ সঞ্চালক কানিংহাম চাহাবৰ নিৰ্দেশৰ প্ৰতিবাদ



কৰি অনেক ছাত্ৰই আন্দোলনত যোগ দিয়ে। আমিও ১৯৩০-৩১ অৰ আন্দোলনত যোগ দিছিলোঁ। ৺গোলোক গাঠক আৰু ৺লীলাধৰ বৰুৱাই মোক একপ্ৰকাৰ টানি অনা বুলিয়ে ক'ব পাৰি। ৩.৪ জন স্বেচ্ছাসেৱকৰ দলত আমাক মুখীয়াল কৰি উত্তৰ কামৰূপৰ গাওঁ অঞ্চলত যোগাযোগ আৰু প্ৰচাৰ কৰিবলৈ পঠাইছিল! কাষত টোপোলা লৈ লঘোনে ভোকে খোজ কাঢ়ি কাঢ়ি বহুত গাওঁত ফুৰিছিলোঁ।

এবাৰ লোহাৰ ঘাটত আয়োজন কৰা এখন সভালৈ ফুকনৰ লগত দল বান্ধি গৈছিলোঁ। ৺লীলাধৰ বৰুৱা আৰু মোৰ লগত সদায় টাকুৰি আৰু কপাহৰ পাঁজী থাকে। সভাত নাৰীসকলেও যতৰ লৈ সূতা কাটিছিল। তাৰ মহিলাসকলে ফুকনৰ নামত গীত গাইছিল। সভাত পুলিচ উপস্থিত আছিল আৰু ৺ফণী শৰ্মাই ফুকনৰ বক্তৃতা লিপিবদ্ধ কৰি গৈছিল। ফুকনৰ বক্তৃতাৰ মাজে মাজে ধুলিছে সৈতে সকলোকে হহুৱাইছিল, মাজে মাজে সেই কথাবোৰো কৈ গৈছিল। ফুকনৰ শেষৰ বক্তৃতা শুনি সকলোৱে উত্তলা হৈছিল।

মই গুৱাহাটীত পঢ়ি থাকোঁতে কেইটামান আদৰ্শবাদী সঙ্গত সংযোগ হৈ আছিলোঁ, আসন প্ৰাণায়াম নিৰামিষীয়া আহাৰত অভ্যস্ত হৈছিলো। মহাত্মা গান্ধীৰ স্বাৱলম্বনৰ আদৰ্শত আকৃষ্ট হৈছিলোঁ, সেই মতে অশ্বক্লান্তৰ কাষত "আসাম সেৱক আশ্ৰম" প্ৰতিষ্ঠা কৰোঁ। তাত কেবাজনেও স্বাৱলম্বীৰূপে থাকিবলৈ লৈছিল। এবছৰৰ পিছত আন্দোলন শাম কটাত এদিন মোৰ শ্ৰদ্ধেয় বন্ধু শ্ৰীতীৰ্থ নাথ শৰ্মাই মোৰ তেনে ধৰণৰ আচৰণ লক্ষ্য কৰি, তেতিয়াৰ লাহোৰ চহৰৰ এখন আদৰ্শ শিক্ষানুষ্ঠানত পঢ়িবলৈ যাবলৈ পৰামৰ্শ দি, এদিন স্বেচ্ছাসেৱকৰ শিবিৰৰ কাষতে থকা স্বামী সদানন্দ নামৰ এজন সন্ন্যাসীৰ লগত পৰিচয় কৰি দিয়ে। বহুত দেশ ভ্ৰমণকাৰী সন্ন্যাসীজনে মোৰ লগত নানা কথা পাতি বৰ ভাল পালে। মোক লাহোৰলৈ গৈ পঢ়িবৰ কাৰণে সদায় বুজাই বঢ়াই উপদেশ দিবলৈ ধৰিলে। সেই সময়তে নানা দেশ পৰ্যটক আৰু বিখ্যাত লেখক দেবেন্দ্ৰ নাথ সত্যাৰ্থী অসমলৈ আহি গুৱাহাটীত আছিল। সত্যাৰ্থী পঞ্জাবৰ পাটিয়ালাৰ। স্বামী সদানন্দই সত্যাৰ্থীৰ লগতো মোৰ পৰিচয় দি প্ৰশংসা কৰে। তেওঁলোক দুয়ো মোক লগত লৈ তৰুণৰাম ফুকন, কামাখ্যা ৰাম বৰুৱা, প্ৰিন্সিপাল জ্ঞানদাভিৰাম বৰুৱা, নবীন চন্দ্ৰ বৰদলৈ, কমলা কান্ত ভট্টাচাৰ্য্য আদি নেতৃস্থানীয় লোকক দেখা কৰি মোক লাহোৰলৈ যাবলৈ পৰামৰ্শ দিবৰ কাৰণে আলোচনা কৰিবলৈ ধৰিলে। সেই দিনাৰ পৰাই মই ফুকনৰ ওচৰলৈ যাবলৈ সাহস পালো। মোৰ লাহোৰলৈ যোৱাৰ কাৰণে চিঠি পত্ৰৰ যোগাযোগ হ'বলৈ ধৰিলে। এই বিষয়ে বিশেষকৈ মোৰ পিতৃস্বৰূপ স্বৰ্গীয় কামাখ্যাৰাম বৰুৱা দেৱৰ উপদেশ আৰু সকলো সহায় মই আজীৱন পাহৰিব নোৱাৰো। মই লাহোৰলৈ যাত্ৰা কৰাৰ দিনলৈকে প্ৰায় ডেৰমাহমান তেখেতৰ ঘৰতেই মোক ৰাখে আৰু প্ৰায় প্ৰতিদিনেই মোক নানা উপদেশ দিছিল। এই প্ৰসঙ্গতেই স্বৰ্গীয় জনপ্ৰিয় নেতা তৰুণৰাম ফুকনৰ দুটামান কথা উল্লেখ কৰিব পাৰো। পৰিস্থিতিৰ লঘু-গুৰু অনুসৰি ধেমেলীয়া আৰু ৰসাল কথাৰে সকলোৰে মন জয় আৰু গুৰু সমস্যাও লাঘৱ কৰিব পৰা অসাধাৰণ প্ৰতিভা আছিল ফুকনৰ। অথচ সৰ্বসাধাৰণে কোনো বিষয়ত ফুকনৰ কাষলৈ যাবলৈও সাহস কৰিব নোৱাৰিছিল। ধুলস্তৰ দেহৰ ফুকনক দেখিলে চাহাব যেন লাগে। ঘৰটোও তেনে চাহাবৰ ঘৰযেনেই লাগে। ঘৰত পিন্ধা সাজ আছিল বগা খদ্দৰৰ জাঙ্গিয়া, গেঞ্জী আৰু জোতা।

এদিন আগবেলা কামাখ্যাৰাম বৰুৱাৰ চ'ৰা ঘৰত তেখেতৰ পুত্ৰ অৰু আন কেইজনমানেৰে কথা পাতি থাকোঁতেই ফুকনক জপনা খুলি সোমাই অহা দেখিয়েই পুতেক দৌৰি ভিতৰলৈ গল, বাকীকেইটা আঁতৰি গল। মই সেমেনা-সেমেনি কৰি থিয় হৈ

ভাত খলোঁ। "বাপী আছানে?" বুলি মাত লগাই ফুকন একেবাৰেই সোমাই গৈ ভিতৰ চোতাল পালেগৈ। বকৰাই "দাদা" বুলি ওলাই আহি আগত থিয় হ'ল। ল'ৰা-ছোৱালীবোৰে আঁৰৰ পৰা জুমি চাবলৈ ধৰিলে। কেইআষাৰমান কথা পাতি বহিল। এনেতে ৰজনী কান্ত গোস্বামী আৰু উস্তৰ গুৱাহাটীৰ লিখনেশ্বৰ গোস্বামী উপস্থিত হ'ল। অলপ পৰ কথা-বতৰা হোৱাৰ পিছত বকৰাদেৱে ৰাজনৈতিক কথা আৰম্ভ কৰিলে; ৰাজনৈতিক পটভূমিত চাদুল্লা চাহাব। তাৰ পিছত কথা গৈ ক্ৰমে হাঁহিত পৰিণত হ'ল। মই একো বুজিব নোৱাৰিলোঁ—প্ৰসঙ্গই ইতিমধ্যে অন্য ৰূপ লৈছিল। আটাই কেইজনে ইমানকৈ হাঁহিছিল যে, হাঁহি বন্ধ নহয়হে নহয় যেন লাগিছিল। ইয়াৰ ৰহস্যৰ ভেদ অলপ পিছতহে ভাগিল। সেই সময়ত কামাখ্যা ৰাম বৰুৱাই গোফবোৰ চুটিকৈ কাটি দাড়িবোৰ দীঘলকৈ ৰাখিছিল। সেই সময়ত ছাৰ ছাদুল্লা গভৰ্ণৰৰ প্ৰধান মন্ত্ৰী আছিল। ফুকনে ৰাজনীতিৰ কথা নি হাঁহিৰ খলকনিত শেষ কৰিলে। আৰু পিছত বৰুৱাৰ ল'ৰা-ছোৱালীবোৰৰ খবৰ সুধি এটা এটাকৈ মাতি কথা সুধিলে। মই চোতালতেই থিয় দি আছিলো। থালি চকি আছিল যদিও ফুকনৰ আগত চকিত বহিবলৈ সাহস নহ'ল। এবাৰ মোৰ ফালে চাই ফুকনে ক'লে—"বাপী শুনিছা, এওঁ বোলে সাতুৰিব পাৰে, মই হ'লে বিশ্বাস কৰিব পৰা নাই, কাইলৈ পুৱা এওঁৰ পৰীক্ষা লব লাগিব। কাইলৈ, পুৱা ৭টা বজাত তোমালোক সকলো ল'ৰা-বুঢ়া মোৰ ঘৰলৈকে যাবা। আমি একেলগে ব্ৰহ্মপুত্ৰলৈ যাম।"

ফুকন উঠিল, সকলোৱে জপনা মুখলৈকে পাছে পাছে গ'ল। সেইদিনা বৰুৱাদেৱে তেখেতৰ আৰু ওচৰৰ কেইবাটাও ল'ৰাক মাতি সেইমতে পিছদিনা পুৱা ওলাবলৈ উৎসাহ দিলে। মই সাতুৰিব জনাৰ প্ৰশংসা নিতৌ কৰি বাকী বোৰকো উৎসাহ দিলে। মই গুৱাহাটীত পুৱা-গধূলি ছুবাৰকৈ ব্ৰহ্মপুত্ৰত গা ধোওঁতে সাতোৰাৰ অভ্যাস কৰিছিলো আৰু তাৰ এবছৰ মানৰ আগত সাতুৰি ব্ৰহ্মপুত্ৰ পাৰো হৈছিলোঁ। তেতিয়াৰ সাতদিনীয়া অসমীয়াত বাতৰিটো প্ৰকাশো হৈছিল। এই কথা ফুকনক কোনে ক'লে নাজানো।

পিছদিনা যথা সময়ত বৰুৱাদেৱে আমাক ফুকনৰ ঘৰলৈ লৈ গল। ফুকনৰ সেই একেই পোছাক, হাতত হাতঘড়ী, আৰু কাগজ পেন্সিল লৈ ওলাল। এডাল দীঘল বাঁহ লগত ল'বলৈ কলে।

তেতিয়া অলপ অলপ জাৰ আছিল। প্ৰথমতে বালিত ল'ৰা-বুঢ়া ছুটাকৈ দৌৰাৰ প্ৰতিযোগিতা হ'ল। ফুকনেও দৌৰিছিল। তাৰ পাছত ফুকনে জোতাৰে সৈতে এডিডি পানীলৈকে নামি সেই বাঁহডাল কিছুপৰ লৰাই লৰাই পুতিলে। তাৰ পিছত এটা এটাকৈ সকলোকে বুৰ মাৰি সেই বাঁহডালত ধৰি কিমান পাৰে থাকিবলৈ কলে। তেখেতে ঘড়ী চায় আৰু কোনে কিমান চেকেণ্ড পাৰে পানীৰ তলত থাকিব পাৰে কৈ গল; বৰুৱাই কাগজত লিখিলে। শেষত ফুকনে গৈ নিজেও বুৰ মাৰিলে। মোৰ সময় সকলোতকৈ বেছি হ'ল। তাৰ পিছত সাতোৰা হ'ল। কেইজনমানে এককালমান পানীতেই সাতুৰিলে, ফুকনেৰে সৈতে আমি কেইজনমান কিছু দূৰলৈকে সাতুৰিলো। মই সকলোৰে আগত ওপণ্ডি ওপণ্ডি সাতুৰি আছিলো। ফুকনে তেনেকুৱা খেল-ধেমালিও কৰিছিল। মই সময় বুজি ফুকনৰ ওচৰলৈ যাবলৈ আসৈ পাইছিলো।

এদিন আগবেলা স্বামী সদানন্দ আৰু দেবেন্দ্ৰনাথ সত্যাৰ্থীয়ে মোকো লগত লৈ ফুকনৰ লগত দীঘলীয়া আলোচনাত বহে। অলপ আঁতৰত ফুকনৰ জোঁৱায়েক লক্ষীধৰ শৰ্মাও ওলাই আহি বহিছিল। শৰ্মা ডেকা আৰু দেখাত ক্ষীণ আছিল। তেওঁলোক ছুজনে কিবা বিষয়ৰ কেইআষাৰমান ক'লে, ফুকনে উত্তৰত বহুত পৰ কয় আৰু মাজে মাজে ৰবকে হাহেঁ। একোবাৰ ইংৰাজীত, একোবাৰ উৰ্দু হিন্দীত



আৰু মাজে মাজে সংস্কৃত শ্লোক গোৱাও শুনিছিলোঁ। ...ই মনোযোগ দিয়েই শব্দবোৰ শুনিছিলোঁ কিন্তু অৰ্থ ...'লে একোকে বুজা নাছিলোঁ। আঁতৰৰ পৰাহে ...জে মাজে শৰ্মায়ো ভাগ লৈছিল। মোৰ ধাৰণা ...হৈছিল যে শৰ্মাও কম জনা মানুহ নাছিল।

...শুনোঁ তাৰ পৰা শুনা কথা। এবাৰ বোলে ধুবুৰীৰ ...জমিদাৰে ডাকি লোৱা এখন বিলত মাছ ধৰা অপৰাধত ...জমিদাৰে গোচৰ তৰি ভালেমান গাওঁৰ মানুহক গ্ৰেপ্তাৰ ...কৰায়। গাওঁৰ বাইজে এজন উকীলৰ সহায়ত কমিছনাৰ ...ওচৰত মুক্তি প্ৰাৰ্থনা কৰে। আইনমতে মুক্তি ...পোৱাৰ সম্ভাৱনা নেদেখি, সেই স্থানীয় উকীল আৰু ...বাইজক মুখীয়ালকেইজনে ফুকনৰ ওচৰলৈ আহে। ...ফুকনে শুনি মাননী পাঁচশ টকা লাগিব বুলি ক'লে। ...ত বাইজক মাস্তি হোৱাত গোচৰৰ আগদিনা ...পোৱাকৈ গাড়ীৰে নিবলৈ আহিবলৈ ক'লে। সেই ...উকীলে গোচৰৰ কাগজ পত্ৰবোৰ ফুকনৰ আগত থৈ ...যাবলৈ ক'লে। ফুকনে কলে, "সেইদিনা মই ধুবুৰী ...ৰ পালে চাম। এতিয়া লৈ যোৱা।" সেই মতে ...ধুবুৰীৰ ডাক বঙলাত ফুকন গৈ থকাৰ বন্দৱস্ত কৰি ...গোচৰৰ আগদিনা নিয়া হ'ল। আগতীয়া সেই ...খবৰ শুনি তাক জমিদাৰবোৰেও ডাক-বঙলাতেই ...খাদ্য সামগ্ৰীৰে ফুকনক অভ্যৰ্থনা কৰিবলৈ সাজু হ'ল। ...ফুকন গৈ ডাক-বাঙলা পোৱাত উকীলে গোচৰৰ ...কাগজ-পত্ৰ উলিয়াই ক'লে—"ছাৰ এইবোৰ।" ফুকনে ...টেবুলতে থৈ যাবলৈ ক'লে। পিছদিনা গোচৰৰ ...সময়ত উকীল আহি দেখে ফুকনে জমিদাৰসকলৰ ...লগত বিচাৰৰ আলোচনাত লাগি আছে। সোমাই ...ওচৰলৈ যাবলৈও ভয়, নগলেও সময় অতীত হয়। ...দুৱাৰ মুখৰ পৰাই ক'লে, "ছাৰ গোচৰ শুনাৰ সময় হৈছে। সেই গোচৰৰ কাগজ-পত্ৰবোৰ উকীলে যত যেনেকৈ লৈ গৈছিল সেইদৰেই আছে। ফুকনে কোট-পটলুন পিন্ধি ওলাল। উকীলে ক'লে, "ছাৰ, মোক কিবা সুধিব লগা নাই জানো?" ফুকনে ক'লে, "তাতেই সুধিম বলা।" ফুকনে গৈ কমিছনাৰক ক'লে, "মই যিটো গোচৰৰ ওকালতি কৰিম মোৰ সহকাৰী উকীলে তাকে দাঙি ধৰিব।" উকীলে বিবুদ্ধি হৈ ক'লে, "ছাৰ, আমাৰ প্ৰতিবাদৰ যুক্তি কি হ'ব সেইটো-চোন আলোচনা নহল?" ফুকনে ক'লে, "নালাগেহে হ'ব, তুমি কৈ যোৱা।" উকীলে সেহাই সেহাই আৰম্ভ কৰিলে। যেতিয়া উকীলে ক'লে, "বিলত মাছ মৰাৰ অভিযোগত অমুক তমুকক গ্ৰেপ্তাৰ কৰা হৈছে" তেতিয়া ফুকনে ক'লে—"ইমানেই হ'ব আৰু তুমি কব নালাগে।" তেতিয়া তেখেত নিজে উঠিল আৰু ক'লে—"এতিয়া কমিছনাৰে বিবেচনা কৰক, যদি সেইখন বিলত মাছ মৰাৰ বাবে এই দুখীয়া মানুহবোৰ অপৰাধী হয়, তেনেহলে মিঃ হাম্‌ফ্ৰে আৰু ময়ো অপৰাধী হৈ আছোঁ। আমাকো আগতেই গ্ৰেপ্তাৰ কৰিব লাগিছিল। আমিও সেই বিলত জমিদাৰৰ আগতে বিনা বাধাই বৰশীৰে মাছ মাৰিছোঁ।"

কমিছনাৰে সুধিলে, "সেই মিঃ হামফ্ৰী কোন? ফুকনে ক'লে—"His Excellency the Governor of Assam. আৰু মই এই বিষয়ে আজি এখন চিঠি লিখিম।" ফুকনৰ এই যুক্তিত কমিছনাৰে আচামীবোৰক এৰি দিবলৈ হুকুম দিলে। গোচৰ সিমানতে শেষ হ'ল।

জনপ্ৰিয় নেতা ফুকনৰ এনেকুৱা বহুত বৃত্তান্ত মুখে মুখে শুনা যায়। সেইবোৰ কোনোৱে সংগ্ৰহ কৰিব পাৰিলে এখন মনোৰঞ্জক আৰু জ্ঞানৰ গ্ৰন্থ হ'ব পাৰে।

# সিংহস্কন্ধ সমাৰূঢ়া*

শ্ৰীঅমল ৰাজখোৱা

( এটি প্ৰত্নতাত্ত্বিক সমীক্ষা )

০·১ মাৰ্কেণ্ডেয় শ্ৰীশ্ৰীচণ্ডীত দেৱীক এই বুলি আৰাধনা কৰা হৈছে,—

"জয়েতি দেৱাশ্চমুদা তামূচং সিংহ বাহিনীম্।
তুষ্টু বুৰ্মূলয়শ্চৈনাং ভক্তি নম্ৰাত্মমূৰ্ত্তয় ॥"

দেৱী মহামায়া দুৰ্গা বা জগদ্ধাত্ৰী সিংহ বাহিনী। দেৱী ভাগৱতৰ ৪৫ অধ্যায়ত আছে,

"সিংহ মাৰুহ্য কল্পান্তে নিহতো মহিষো যতঃ।
মহিষঘ্নী ততো দেৱী কথ্যতে সিংহ বাহিনী ॥"

ভাৰতবৰ্ষীয় হিন্দু আৰ্যসকলৰ মাজত দেৱী পূজা কেতিয়াৰ পৰা হ'ল বা এই পূজাৰ উৎপত্তি স্থল ক'ত এই বিষয়ে অনুসন্ধান কৰিলে আমি প্ৰাক্‌বৈদিক বা বৈদিক যুগলৈ যাব লাগিব। দেৱী পূজা যে আৰ্য-আৰ্যেতৰ সংমিশ্ৰণৰ ফল আৰু কেইবাটিও সভ্যতাৰ প্ৰভাৱজাত এই বিষয়ে সকলো পণ্ডিতে স্বীকাৰ কৰে। ছাৰ জন মাৰ্শ্বালে ১৯১৫ চনত কলিকতাত দিয়া "Huxley Memorial lecture" ত এই বুলি কৈছিল : আৰ্যসকলে অনাৰ্যসকলৰ পৰা ধৰ্ম বিশ্বাস, দেৱ-দেৱীৰ প্ৰভৃতিৰ উপাসনা ধাৰ কৰি নিজৰ সভ্যতাৰ ভিতৰুৱা কৰি লৈছিল। ভাৰতবৰ্ষীয় দ্ৰাবিড় জাতিৰ সভ্যতা অতি প্ৰাচীন। সম্ভৱতঃ দ্ৰাবিড়সকলে ভূমধ্য সাগৰীয় গোষ্ঠীৰ পৰা দেৱী পূজা শিকে। পম বিচাৰি গ'লে আমি এনে এটা স্তৰত উপনীত হব লাগিছে যে এই দেৱী পূজাৰ উৎপত্তি থল নিশ্চয় মাতৃপ্ৰধান সমাজত হৈছিল। ভাৰতবৰ্ষত আৰ্য সভ্যতা স্থাপন হোৱাৰ পিছত আৰ্য দ্ৰাবিড়ীয় সংমিশ্ৰণৰ ( তেজৰ নহ'লেও সংস্কৃতিৰ) ফলত দেৱী পূজাৰ চলিত হয় বুলি ধৰিব পাৰি।[1] এই সম্পৰ্কে মাৰ্শ্বালেও এনে ভাব ব্যক্ত কৰিছে :

"As a fact, there is no example of the ancient Aryans, whether in India or elsewhere of having elevated—a female deity to the supreme position occupied by the Mother Goddess.[2]

হৰপ্পা আৰু মোহেঞ্জোদাৰো অঞ্চলত খনন কাৰ্য কৰি যি বিশাল আৰু মহৎ সিন্ধু উপত্যকাৰ সভ্যতাৰ[3] নিদৰ্শন পোৱা গ'ল, তাত থকা কিছুমান মৃন্ময় ভাস্কৰ্য আৱিষ্কৃত হৈছে। এই মূৰ্তিবোৰৰ ভিতৰত স্ত্ৰী-মূৰ্তিও অসংখ্য আছে। ইবিলাক পৰীক্ষা কৰি ছাৰ জন মাৰ্শ্বাল, ছাৰ অ'ৰেল ষ্টাইন প্ৰভৃতি পণ্ডিতসকলে ইবিলাক দেৱী মূৰ্তি বা দেৱী প্ৰতিমাৰে অংশ বিশেষ বুলি মত প্ৰকাশ কৰি কৰিছে। যদি সঁচাই ইবিলাক দেৱী প্ৰতিমা বুলি প্ৰমাণিত (evidence of analogy) তেন্তে ভাৰতবৰ্ষত দেৱী পূজাৰ (বা উপাসনাৰ ) চলতিৰ সময় সিন্ধু উপত্যকাৰ সভ্যতাৰ সময়লৈ নিব পৰা যাব।

০·২ সিন্ধু সভ্যতাৰ লগত প্ৰাচীন মেচোপটেমিয়া সভ্যতাৰ সংযোগ আছিল। গতিকে পূব ভূমধ্য সাগৰীয় সমগ্ৰ অঞ্চলৰ লগত সংযোগ থকাত এই গোটেই অঞ্চলত যে এক প্ৰকাৰ দেৱী পূজাৰ প্ৰচলন আছিল এই সম্পৰ্কেও কেইবা গৰাকী পণ্ডিতে আলোচনা কৰিছে।[4] সিন্ধু সভ্যতাত আৱিষ্কৃত দেৱী মূৰ্তিবোৰৰ ভিতৰত শ্ৰেষ্ঠ মূৰ্তিবোৰৰ ( Mother Goddess ) এটি কথা মন কৰিব লাগিব যে, এই মূৰ্তিবোৰৰ প্ৰায় ভাগেই সিংহৰ ওপৰত বহি থকা বা দণ্ডায়মান। ঠিক তেনে ধৰণৰ মূৰ্তি মেছোপটেমিয়া, মিছৰ, চিৰিয়া, পেলেষ্টাইন, ইজিয়ান অঞ্চল, এছিয়া-মাইনৰৰ বহু ঠাইতে পোৱা গৈছে।[5] ইবিলাক হয় মহাদেৱী (Mother Goddess) নতুবা ধৰিত্ৰী দেৱী (Nature Goddess)।[6] আমি আগতে উল্লেখ কৰা মতে, যেতিয়া সমাজৰ ব্যৱস্থা ( তাম্ৰ যুগৰ সময়ত ) মাতৃ প্ৰধান আছিল ; পিতাতকৈ মাতৃৰ প্ৰাধান্য বেছি আছিল[7] ঠিক সেই সময়তেই ভাৰতবৰ্ষতো মাতৃ প্ৰধান সমাজৰ প্ৰাধান্য ঘটিছিল ( বিশেষকৈ উত্তৰ ভাৰতত )। প্ৰত্নতাত্ত্বিকসকলে মত প্ৰকাশ কৰে যে, 'নৰ্ডিক' বা প্ৰোটো নৰ্ডিকসকলে যেতিয়া ভূমধ্য সাগৰীয় দ্ৰাবিড়ীয়সকলক আক্ৰমণ কৰে, তেতিয়া তেওঁলোক দক্ষিণ ভাৰতলৈ গতি কৰে আৰু দক্ষিণ ভাৰতত স্থায়ীভাৱে বাস কৰিবলৈ লয়। গতিকে পূজা-উপাসনাৰ পদ্ধতি দক্ষিণ ভাৰতত উত্তৰ ভাৰততকৈ আগতে হয়। বহু পুৰণি প্ৰথা ( যিবিলাক এতিয়াও উত্তৰ ভাৰতত দেখিবলৈ পোৱা নাযায় ) এতিয়াও দাক্ষিণাত্যত প্ৰচলিত হৈ আছে। কোনো কোনো পণ্ডিতে ভাৰত বুৰঞ্জীত উল্লিখিত আৰ্য-অনাৰ্য ৰণখনকে প্ৰোটো নৰ্ডিক বা নৰ্ডিক আৰু দ্ৰাবিড়ীয়সকলৰ মাজত হোৱা ৰণখনেই বুলি কব খোজে। সেইসকলৰ মতে, নৰ্ডিক জাতিটোৱেই হ'ল আৰ্য জাতি। প্ৰবন্ধৰ আৰম্ভণতে আমি উল্লেখ

* শ্ৰীনবীন চন্দ্ৰ শৰ্মাৰ প্ৰবন্ধ 'শক্তিবাদৰ পৰম্পৰা" ( ৩০ বছৰ, ৩য় সংখ্যা, অসম সাহিত্য সভা পত্ৰিকা ) আৰু বেদত শক্তিতত্ত্ব ( ৩৩ বছৰ, ২য় সংখ্যা ) শ্ৰীবিশ্বেশ্বৰ হাজৰিকাৰ বেদ ( বেদ ) আৰু শক্তিবাদ ( ৩২ বছৰ, ৪ৰ্থ সংখ্যা ) প্ৰবন্ধৰ সহায়ক হিচাপে এই প্ৰবন্ধ আগবঢ়োৱা হ'ল—অঃ ৰাঃ

( ১ ) "*Mother Goddess Worship in the Vedic Literature*" Nani Madhav Choudhuri.



( ২ ) উক্ত প্ৰামাণিক গ্ৰন্থ : *Mohenjo-Daro and Indus civilization* : Vol 1 and II.

( ৩ ) বেলুচিস্থানৰ বিভিন্ন অঞ্চলত বৰ্তমান ব্যাপক খনন্ কাৰ্য চলোৱা হৈছে আৰু প্ৰাচীন কিছুমান সম্পদ আৱিষ্কৃত হৈছে।

( ৪ ) Sir Hutton : *Census Report of India 1931.* হাটনে মত প্ৰকাশ কৰিছে : The religious history of Pre-vedic India was probably similar and paralled to that of Eastern Mediterranean and of Asia Minor."

( ৫ ) *Mother Goddess Worship in the Vedic Literature* : N. M. Choudhuri আৰু C. H. A. Bierreguard : *The Great Mother* ত এই নাম আছে দ্ৰষ্টব্য।

( ৬ ) 'ধৰিত্ৰী দেৱী' নামাংশ গ্ৰহণ কৰা হৈছে স্বামী প্ৰজ্ঞানন্দৰ 'শ্ৰীদুৰ্গাৰ' পৰা।

( ৭ ) বোলগাচে গংগা : ৰাহুল সংস্কৃত্যায়নৰ প্ৰথম খণ্ড চাওক।

কৰিছোঁ যে আৰ্যসকলে দ্ৰাবিড়সকলৰ পৰা কেইবাটিও সংস্কৃতি ধাৰ বা গ্ৰহণ কৰিছে।[৮]

০·৩ দেৱী প্ৰতিমা ( স্ত্ৰী মূৰ্তি ; Mother Goddess বা Nature Goddess) ৰ সম্বন্ধে আলোচনা কৰিলেই সিন্ধু উপত্যকাৰ স্ত্ৰী মূৰ্তিবোৰৰ বিষয়ে জন মাৰ্শ্বালৰ মতটি চাব লাগিব। মাৰ্শ্বালে এনে মত প্ৰকাশ কৰিছিল,

"From their resemblance to one another and the frequeney with which they occur, there is no doubt that these females figurines with their elaborate head dress and jewellery are sacred images.......what particular deity these female figurines represent, we donot as yet know; but it is probable that she was a gooddess with attributes very similar to those of the great mother goddess.[৯]

জন মাৰ্শ্বালৰ মতে, ঠিক তেনে ধৰণৰ মৃন্ময় মূৰ্তি প্ৰাচীন এলমা, মেছোপটেমিয়া, ইজিপ্ত আৰু অন্যান্য পূব ভূমধ্য সাগৰীয় নগৰবোৰতো প্ৰচুৰ পৰিমাণে পোৱা গৈছে। পোৰা মাটিৰ এই নাৰী মূৰ্তিবোৰৰ গাৰ গঠন আৰু আ-অলংকাৰৰ পৰা সিবিলাক যে দেৱী মূৰ্তি, এই তথ্য গৱেষকসকলে সিদ্ধান্তত উপনীত হৈছে। অৱশ্যে দেৱীসকলৰ নাম কি আছিল বা শাস্ত্ৰীয় নামকৰণ বা কি কৰা হৈছিল এই বিষয়ে জানিবৰ উপায় নাই। ইবিলাক হয়তো কোনো গ্ৰাম্য দেৱী বা কুল দেৱী হিচাবে পূজা কৰা হৈছিল। বৰ্তমানলৈকে প্ৰাপ্ত এই মূৰ্তিবোৰৰ আকাৰ, প্ৰকাৰ পৰীক্ষা কৰি চাই তিনিটা শ্ৰেণীত ভাগ কৰিব পাৰি বুলি মাৰ্শ্বাল, ষ্টেইন আদি পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। প্ৰথম ভাগৰ মূৰ্তিবোৰ ভীষণাকাৰৰ, মুখ চেপেটা, কঁপাল উঠঙা, চকু সোমাৰা, দাঁত দীঘল। এনে মূৰ্তিবোৰৰ মূৰত প্ৰকাণ্ড মুকুত আৰু বহু ধৰণৰ হাৰ ( নৰমুণ্ড, নৰহস্ত ) গলত পৰিধান কৰা। দ্বিতীয় বিধ মূৰ্তিৰ মুখ প্ৰায় চৰাইৰ ঠোঁটৰ দৰে জোঙা। গলত বিভিন্ন ধৰণৰ হাৰ ( নৰমুণ্ডৰ হাৰ নহয় )। কিছুমান মূৰ্তি ঠিক গৰ্ভৱতী তিৰোতাৰ দৰে। কোলা বা বাহুত শিশু লৈ থকা ভংগী মাত পোৱা যায়। মূৰত ভীষণাকৃতিৰ মুকুট পৰিধান কৰা।[১০] মোহেঞ্জোদাৰো আৰু বেলুচিস্থানত আৱিষ্কৃত এই মূৰ্তিসমূহ[১১] প্ৰায় ভাগেই দণ্ডায়মান আৰু নগ্ন। কিছুমান দেৱীৰ হস্ত বিশাল স্তনদ্বয়ৰ ওপৰত ৰখা ( শৰীৰৰ অৱয়বৰ তুলনাত বিশাল স্তন দ্বয় মন কৰিব লগা )[১২] অ'ৰেল ষ্টেইনৰ মতে কিছুমান যেন মূৰ্তি ৰহি থকাৰ দৰে আৰু কিছুমান যেন মাটিৰ পৰা ওলাই আহিছে এনে ভাবৰ। বোধকৰোঁ এনে মূৰ্তিকে Nature Goddess ৰ

(৮) ০·১ চাওক ; আৰ্যসকলৰ নগৰ ব্যৱস্থা পূজা-পাতলৰ ব্যৱস্থা, পূজা অৰ্থে ফুল ব্যৱহাৰ, মূৰ্দ্ধণ্যধ্বনি দ্ৰাবিড়ীয় প্ৰভাৱ জাত।

(৯) *Mother Goddess Worship in the Vedic Literature*—N. M. Choudhuri ৰ পৰা গ্ৰহণ কৰা হৈছে। বহল ব্যাখ্যাৰ বাবে C. H. A. Bjerreguard ৰ *The Great Mother* চাব পাৰে।

(১০) Huxly Memorial Lecture—1912 J. R. A. I-XLII— Sir John Marshall. প্ৰামাণিক গ্ৰন্থ : *Mohenjo-Daro and Indus Civilization*—Vol. I and II.

(১১) ননী মাধৱ চৌধুৰীয়ে ইয়াৰ প্ৰত্নতত্ত্বৰ ফালৰ পৰা অনুমান কৰিছে যে বেলুচিস্থান আৰু সিন্ধুৰ মূৰ্তিবোৰৰ এটি পৃথক শ্ৰেণীভুক্ত কৰিব পাৰি : *Indian Culture*—Vol. VIII No 1 and 2 ( 1941-42 )

(১২) "With a high and exggertedly large niose and female breasts"— A. Stein.



ধৰিত্ৰী দেৱী বুলি কোৱা হৈছিল। আকৌ আগতে উল্লেখ কৰা প্ৰথম শ্ৰেণীৰ মূৰ্তিবোৰৰ ওপৰত অ'ৰেল ষ্টেইনৰ মত হ'ল যে, এই মূৰ্তিবোৰৰ ভাৰতবৰ্ষীয় হিন্দুসকলে পূজা কৰা কালী মূৰ্তিহে। অ'ৰেলে যেনেভাৱে এই মূৰ্তিবোৰৰ বিৱৰণ দিছে, তাৰ লগত কালী দেৱীৰ বিৱৰণ প্ৰায় মিলে,—

"ভ্ৰূকুটী কুটিলাত্তস্যা ললাট ফল কাদ্ৰুত্তমাঃ"
কালী কৰাল বদনা বিনিষ্ক্ৰান্তা সিপাশিনী ॥
বিচিত্ৰ খট্বাংগ ধৰা নৰ মালা বিভূষণা।
দ্বীপি চৰ্ম পৰীধানা শুষ্কমাংসা তি ভৈৰৱা ॥
অতি বিস্তাৰ বদনা জিহ্বাললন-ভীষণা।
নিমগ্নাৰক্ত নয়না নাদা পুৰিত দিঙ মুখা ॥"

( শ্ৰীশ্ৰীচণ্ডী : ৭ অধ্যায় )

মাৰ্শ্বালৰ মতৰ লগত সুৰ মিলাই ষ্টেইনে গৰ্ভিনী বা শিশু কোলাত লোৱা মূৰ্তিবোৰৰ সম্পৰ্কে কৈছিল যে, ইবিলাক নিশ্চয় "মাতৃৰূপা দেৱী বা উৎপাদিকা শক্তিৰ ( Fertility ) গৰাকী, শ্ৰীশ্ৰীচণ্ডীত এই দেৱীকে আকৌ শাকম্ভৰী দেৱীৰূপে বৰ্ণনা কৰিছে।

০·৪ আৱিষ্কৃত মূৰ্তিবোৰ গঠনত অপৈণত শিল্পীৰ হাতৰ পৰশ পৰিছে ( আমাৰ যুগৰ দৃষ্টিৰে )। শিল্প-কলাৰ অভাৱ হ'লেও এই মূৰ্তিবোৰে যে এটি নতুন দিশৰ বতৰা দিছে এই কথা স্বীকাৰ্য। ইবিলাক যে "A symbol of Sanctity অথবা 'Symbol of divinity'- এই বিষয়ে সন্দেহ থাকিব নোৱাৰে। প্ৰাচীন কালত পৃথিৱীৰ বিভিন্ন স্থানত মাতৃ-পূজা কৰা সম্পৰ্কে সেই স্থানসমূহৰ ধৰ্ম-ইতিহাসবোৰৰ ([১৩]) পৰা জানিব পাৰি।

ভাৰতবৰ্ষীয় দেৱী পূজাৰ দৰে পৃথিৱীৰ বিভিন্ন স্থানত পূজিতা দেৱী মূৰ্তিবোৰৰ মুখ্য গৰাকীৰ বাহন হ'ল সিংহ। ([১৪])

প্ৰাচীন মিছৰ দেশত দেৱ-দেৱীৰ পূজাৰ ব্যৱস্থা আছিল। প্ৰাচীন মিছৰীয় কেৎ নানাইটসকলে আষ্টাৰ্ট ( Ashturt ) দেৱীক পূজা কৰিছিল। আষ্টাৰ্ট দেৱী ৰণোন্মত্ত দেৱী চণ্ডীকাৰ দৰে। তেওঁৰ বাহন হ'ল পশুৰাজ সিংহ। দেৱীৰ এটা হাতত পদ্ম ফুল, আন হাতত সৰ্প। কোনো কোনো মন্দিৰত দেৱীৰ অৰ্দ্ধনগ্না, বাঘৰ ছাল বা বাকলি পৰিধান কৰা মূৰ্তিক পূজা কৰা হৈছিল। কিন্তু সাধাৰণতে অষ্টাৰ্ট দেৱী নগ্না। আন এটি মিছৰীয় দেৱী প্ৰতিমাৰ উল্লেখ পোৱা যায়—দেৱীৰ নাম হাথোৰ। হাথোৰ দেৱীৰ মূৰত গৰুৰ শিং আছে। সেই দেৱীও সিংহৰ ওপৰত দণ্ডায়মান। ([১৫]) আন এগৰাকী দেৱী 'নিথ'ৰ আকৃতিও গাই গৰুৰ দৰে।

০·৫ মিছৰৰ পাছতে আন এখন আফ্ৰিকীয় দেশ চিৰিয়াৰ প্ৰাচীন ধৰ্ম বিশ্বাসতো দুগৰাকীমান দেৱীৰ নাম পোৱা যায়। ([১৬]) এগৰাকী দেৱীৰ নাম অ'নাথ (Anath)। অ'নাথদেৱী সিংহৰে বেষ্টিত সিংহাসনত উপৱিষ্টা। দেৱীৰ দক্ষিণ হস্তত ঢাল-বৰ্শা আৰু বাওঁহাতত পৰশু কুঠাৰ বিৰাজমান। বাঘৰ ছালেৰে দেৱীৰ কটি দেশ আবৃত। কাদেশ দেৱী ([১৭]) সিংহৰ ওপৰত দণ্ডায়মান। দেৱীৰ বাওঁহাতত সহস্ৰফণাবিশিষ্ট সৰ্প। চুলি জটা বন্ধা। জটাৰ মাজত চক্ৰ আছে। মূৰত জন্তুৰ শিং আছে। দেৱী 'আতৰ গাতিছ' ( ব্ৰঞ্জৰ মূৰ্তি সৰ্বত্ৰ বৰ্তমানো পোৱা যায় ) সিংহ বাহিনী। দেৱীক নানাভাৱে পূজা কৰা হয়। অঞ্চলভেদে

(১৩) শ্ৰীদুৰ্গা : স্বামী প্ৰজ্ঞানন্দ, *Encyelcpaedia Britannica*, পৌৰাণিক অভিধান আদি দ্ৰষ্টব্য।

(১৪) ০·১ পৰিচ্ছেদ দ্ৰষ্টব্য।

(১৫) *African Mythology* ( 1969 ), : Geoffrey Parrinder.

(১৬) উক্ত ( ibid )

(১৭) 'quaddes'—উচ্চাৰণ অসমীয়াত লিখা কঠিন বাবে কাদেশ কৰা হৈছে। ibid.

দেৱী শান্তা-ললিতা-কান্তাৰূপিনী আকৌ কেতিয়াবা ভীষণা মহাভৈৰৱী স্বৰূপে পূজা কৰিছিল। দেৱীৰ এনে ৰূপত নৰবলী আৰু অনান্য পশু-পক্ষী বলি দিয়াৰ নিয়ম আছিল।(১৮) কোনো কোনো মৎস্যজীৱী অঞ্চলত দেৱীক মৎস্যদেৱীৰূপে পূজা কৰা হৈছিল আৰু জীৱিত মাছ বলি দিয়া হৈছিল।

০·৬ প্ৰাচীন মেচোপটেমিয়াত দেৱী পূজা ব্যাপক হৈছিল। এৰিজ, এলমা, কিছা আদি প্ৰাচীন চহৰবোৰত দেৱী পূজাৰ প্ৰচলন ব্যাপক আছিল। প্ৰাচীন দেৱী নৃহৰ স্মৃতিচিহ্ন বৰ্তমানো দেখিবলৈ পোৱা যায়। আকৌ মেচোপটেমিয়াৰ কোনো কোনো অঞ্চলত বৰ্তমানো প্ৰাচীন ৰীতিৰে পূজা পাতলৰ সংস্কৃতি ৰক্ষা কৰা হৈছে। মেচোপটেমিয়াৰ বিভিন্ন স্থানত পূজিতা দেৱীৰ ভিতৰত 'ইষ্টাৰ'দেৱী সৰ্বপ্ৰধান। দেৱী বিশাল বদনা আৰু সংহাৰকাৰিনী। সিংহৰ ওপৰত (কেতিয়াবা বাঘৰ ওপৰত) দণ্ডায়মান। ইষ্টাৰ দেৱীৰ হাতত গদা আৰু তৰোৱাল আছে। কোনো কোনো খোদিত ছবিত ত্ৰিশূলৰ দৰে যাঠী লোৱাও দেখা যায়। প্ৰাচীন কিছা প্ৰদেশত আৱিষ্কৃত এটি মূৰ্তিত[১৯] দেৱী যুদ্ধৰতা আৰু বাওঁভৰি সিংহৰ ওপৰত দিয়া দেখা যায় (ভাৰতীয় দুৰ্গা, জগদ্ধাত্ৰী আদি দেৱী সাদৃশ্য)। দেৱীয়ে পশু বলি গ্ৰহণ কৰে। এবৈকা অঞ্চলত ইষ্টাৰ দেৱীক "ইম্নান্না দেৱী"[২০] ৰূপে পূজা কৰা হয়। আন এগৰাকী 'নিনা দেৱীও সিংহ বাহিনী। এই দেৱীৰ সিংহ বাহনৰ তলত মাছৰ প্ৰতীক আছে।

কোনো কোনো অঞ্চলত আকৌ দেৱীক মাতৃৰূপে পূজা কৰা হয়। দেৱীৰ কোলাত স্তন্যপান কৰা শিশু আছে।

০·৭ প্ৰাচীন ইজিয়ান অঞ্চলতো দেৱী মূৰ্তিৰ প্ৰচলনৰ সন্ধেদ পোৱা গৈছে। প্ৰায়বোৰ দেৱী মূৰ্তি হয় শিলত খোদিত বা আঁকা। এটা মূৰ্তিৰ চিত্ৰত দেখিবলৈ পোৱা যায়, দেৱী এটি পৰ্বতৰ শৃংগত থিয় হৈ থকা আৰু দেৱীৰ দুই ফালে দুটা সিংহ থিয় হৈ আছে। কোনো চিত্ৰত আকৌ দেৱীয়ে সিংহৰ পিঠিত হাত দি আছে।[২১] ফিনিছিয়, ইজিয়ান আৰু চাইপ্ৰাছ দ্বীপমালাৰ বিভিন্ন মঠত এনে মূৰ্তি আছে। দেৱীৰ মূৰত, গলত, হাতত, কটি দেশত বিভিন্ন সাপৰ অলংকাৰ বিৰাজমান। প্ৰায়বোৰ দেৱীৰ বাহন হ'ল পশুৰাজ সিংহ। অ'বেল ষ্টেইনৰ মতে, ইজিয়ান অঞ্চলত প্ৰতিমা পূজাৰ আগতে দেৱী বিগ্ৰহৰূপে (baetyls)[২২] পূজা কৰা হৈছিল। প্যালেষ্টাইনতো ঠিক তেনেকৈ প্ৰস্তৰ খণ্ডক দেৱী 'মাছে বোথ'[২৩] নামে পূজা কৰা হৈছিল। আগতে উল্লেখ কৰা মিছৰীয় দেৱী আষ্টাটকো প্যালেষ্টাইনত পূজা কৰা হৈছিল।

০·৮ বৰ্তমান তুৰ্কী বা এছিয়া মাইনৰৰ ধৰ্মীয় ইতিহাসৰ[২৪] পৰা জানিব পৰা যায় যে, খ্ৰীষ্ট-জন্মৰ সহস্ৰ বছৰৰ আগতে ফ্ৰিজিয়ানসকলে এছিয়া মাইনৰৰ কিছু অংশ দখল কৰে আৰু সেই অধিকৃত স্থানত নিজা সংস্কৃতি স্থাপন কৰে।

ফ্ৰিজিয়ানসকলে নিজৰ ধৰ্মমত (পৌত্তলিক) বিস্তাৰ কৰাৰ লগে লগে আনাতোলিয়া আদি অঞ্চলত দেৱী উপাসনাৰ কাম আৰম্ভ হয়। ফ্ৰিজিয়ানসকলৰ প্ৰধান দেৱী হ'ল মাগ্নামাতাৰ[২৫]। প্ৰথমতে মাগ্নামাতাৰৰ কোনো মূৰ্তি নাছিল। পিছলৈ দেৱীৰ মূৰ্তি ৰূপ দিয়া হ'ল—দেৱী সিংহাসনত বহি থকা অৱস্থা, কাষত কেইবাটিও সিংহ (দুই চাৰিখন চিল প্লেটৰ পৰা বুজা যায় প্ৰায়বোৰতে সিংহৰ সংখ্যা তিনিৰ অধিক) বিৰাজমান। ইয়াৰ পৰা সহজেই অনুমেয় যে, মগ্না-মাতাৰৰ বাহন হ'ল সিংহ। আনাতোলিয়াত ফ্ৰিজিয়ানসকলে ৰাজ্যদখল কৰাৰ আগতে (খ্ৰীঃ পূঃ ২,০০০—আনুমানিক) তাত হিট্টী সাম্ৰাজ্য (হিট্টাইট) আছিল। এই ৰাজ্যৰ ৰাজধানী আছিল কাপ্পাদোকিয়া। প্ৰত্ন-হিট্টীয়যুগৰ এগৰাকী দেৱীৰ সন্ধান পোৱা যায়, দেৱীৰ নাম মা[২৬]। এই দেৱীও সিংহ বাহনা। জন মাৰ্শালৰ মতে, 'মা' নামটোও এটি আনুমানিক সিদ্ধান্তহে; কাৰণ চিত্ৰ লিপিৰ বাহিৰে এই মূৰ্তিবোৰৰ বিষয়ে গৱেষণা কৰিবলৈ অন্য কোনো তথ্য নাই। ইৰাণৰ পূজিতা দেৱী হ'ল আনাহিতা[২৭]। আনাহিতা বনৰ দেৱী। চাৰিটা ঘোঁৰাই টনা ৰথত তেওঁ উপবিষ্টা। দেৱীৰ চৰণত সিংহ আৰু হাতত অস্ত্ৰ আছে। আৰ্মেনিয়াত দেৱীৰ সোণৰ মূৰ্তি আছে।

০·৯ জাপানত বৌদ্ধধৰ্ম প্ৰচাৰৰ পাছতেই ৰাণী চিনকোৰ ৰাজত্ব কালত (৪খ্ৰী, ৪৯৩—৬২৮), মহাযানী বৌদ্ধ ধৰ্মৰ অবলোকিশ্বৰ কোৱাইনৰ মাজত এটি দেৱী মূৰ্তি আছে। পূজা নিয়মিত হয়। দেৱীৰ নাম চনষ্টী। চনষ্টী ∠ চণ্ডীৰ অনুৰূপ বুলি ধৰিব পাৰি। দেৱী চনষ্টী সপ্তকোটি বুদ্ধমাতৃকা বুলি পূজা পাই আহিছে।[২৮] ইয়াৰ বাহিৰেও, প্ৰাচীন স্ব্যাক্সনৰ (জাৰ্মেনীয়) মাজত প্ৰচলিত ইষ্টাৰা দেৱী (Eastera)ৰ বাহনো সিংহ। এই দেৱীৰ ৰূপ দুটা—এফালে তেওঁ মধুদেৱী (Wine goddess) আনফালে ৰণ দেৱী (war goddess)। দেৱীৰ দুফালে দুটা সিংহ বিৰাজমান।[২৯] চাৰ জে, জি, ফ্ৰেজাৰে তেখেতৰ Adonis গ্ৰন্থত আন এগৰাকী সিংহ বাহিনীৰ কথা উল্লেখ কৰিছে—

"The Father God at Baghazkeni melting the Mother Goddess on her lioness, is attended by an animal which according to the usual interpretation in a bull[৩০]

০·১০ ভাৰতবৰ্ষৰ মূৰ্তিবোৰতো ঠিক তেনেকৈ প্ৰাগ-ঐতিহাসিক শিল্পীৰ চাপ আছে। সিন্ধুৰ পৰা গাঙ্গেয় উপত্যকালৈকে আৰ্যসকলে সাম্ৰাজ্য বিস্তাৰ কৰাৰ লগে লগে দেৱ-দেৱীৰ মূৰ্তি গঠন-সাধন আৰু পূজাৰ আৰম্ভ হয়। এই খিনিতে সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এই মতটি প্ৰণিধান যোগ্য—

(১৮) তুলনীয়—ভাৰতীয় শাক্ত ধৰ্মৰ দেৱীৰ ত্ৰিমূৰ্তিদেৱীৰ কুমাৰী ত্ৰিপুৰা সুন্দৰী, মাতৃ কামাখ্যা আৰু সংহাৰ কৰ্তৃ দেৱী কেঁচাই খাতী (কামৰূপীয় শাক্ত মত)।

(২০) Ibid.

(২১) *Near Eastern Mythology* : John Gray.

(২২) ননী মাধৱ চৌধুৰীৰ আগতে উল্লেখ কৰা পুথিৰ সহায় লোৱা হৈছে।

(২৩) Masse both : উচ্চাৰণ মাছে বোথ (ss/ছ) কৰা হৈছে।

(২৪) Ibid, আৰু '*Indian culture*' vol.—viii, No 1 and 2 (1941—42)



(২৫) Magna Matter>মগ্নামত্তৰ>মহামাতৃ>*মহাদেৱী।

(২৬) মূল Mah>বেবিলোনীয় Min-Mah>*Emah-তুলনীয়।

(২৭) ইৰাণীয় ধৰ্মগ্ৰন্থ আবেষ্টাত আনাহিতা দেৱীৰ উল্লেখ কেইবা স্থানতো আছে।

(২৮) স্বামী অভেদানন্দৰ প্ৰবন্ধ : স্বামী প্ৰজ্ঞানন্দৰ তথ্যপূৰ্ণ পুথি শ্ৰীদুৰ্গাৰ অৱতৰণিকা দ্ৰষ্টব্য।

(২৯) C. H. A. Bjerreguadৰ *The Great Mother*

(৩০) উদ্ধৃতি সংগৃহীত পুথি : শ্ৰীদুৰ্গা : স্বামী অভেদানন্দ।

"The Vedic Aryans possessed no temples and used no images. The Dravidian culture promoted images-worship and insisted on Puja in place of Yajana".[৩১]

প্ৰকৃততে এই সকলো মূৰ্তিয়েই যে শিল্পীৰ ৰোমাণ্টিক কল্পনাৰ জীৱন্ত প্ৰকাশ আৰু জনসাধাৰণৰ শিল্পৰ প্ৰতি অগাধ-ভক্তি অনুৰাগৰ চানেকি তাক বহলাই নক'লেও হ'ব। কেনো জাতিৰ সংস্কৃতিত এই শিল্প-কৰ্মই ভক্তিত পৰিণত কৰি এটি ধৰ্মীয় শাখালৈ পৰিণত কৰিলে আৰু সেই ধৰ্মীয় শাখাই ফলত অনুষ্ঠানলৈ কেনেকৈ ৰূপান্তৰিত হ'ল এই বিষয়ে নতুন আলোচনাৰ আৱশ্যক। আশাকৰোঁ শ্ৰীনবীনচন্দ্ৰ শৰ্মা আৰু শ্ৰীবিশ্বেশ্বৰ হাজৰিকাৰ দুটি প্ৰবন্ধৰ পাছত আমাৰ এই প্ৰবন্ধই আন এটি নতুন আলোচনাৰ বাট মুকলি কৰিব।

(৩১) ৰাধাকৃষ্ণণৰ "*Religion and Society* (1974) গ্ৰন্থৰ পৰা। আমাৰ প্ৰবন্ধৰ ০·১ পৰিচ্ছেদ দ্ৰষ্টব্য।

# গুৱালপৰীয়া মৈষালী গীত

শ্ৰীসমৰ সিং ৰাভা

গুৱালপাৰা জিলা লোক-সংস্কৃতিৰ বাবে ধনী। ইয়াৰ হাতীধৰাৰ গীত, ভাওৱাইয়া গীত, পল্লী গীত, কৃষাণ গীত, বেনাৰ গান, ভাৰী গান আদিয়ে গুৱালপৰীয়া লোক সংস্কৃতিৰ এক বিশেষ স্থান অধিকাৰ কৰি আছে। মৈষালী গীত গুৱালপৰীয়া লোক সংস্কৃতিৰ এক অমূল্য সম্পদ। গুৱালপাৰা জিলা জনগোষ্ঠীৰে ভৰপূৰ অসমৰ এখন জিলা। হিন্দু, মুচলমান, কোচ ৰাজবংশী, কছাৰী, ৰাভা আৰু অন্যান্য সম্প্ৰদায়ৰ লোকে বসবাস কৰাৰ ফলত তেওঁলোকৰ নিজা নিজা সংস্কৃতিত গঢ় লৈছে ইয়াৰ সংস্কৃতিয়ে।

মৈষালী গীত মইষ্ বা ম'হ পালকসকলৰ জীৱনৰ প্ৰতিচ্ছবি। এসময়ত গুৱালপাৰা জিলা আছিল ম'হ পালকসকলৰ থাই কেন্দ্ৰ। ৰজা-জমিদাৰসকলৰ কথাই নাই—আনকি ধনী-জোতদাৰ মহাজনসকলেও অধিক পৰিমাণে ম'হ পালন কৰি জীৱিকা নিৰ্বাহ কৰিছিল। তেওঁলোকে ম'হ পালন কৰি দৈ গাখীৰ আৰু ঘিউ মাখনৰ ব্যৱসায় কৰিছিল। তেতিয়াৰ দিনত গুৱালপাৰাৰ দৈ-গাখীৰ সমগ্ৰ অসমতে বিখ্যাত আছিল যে জিলাখনৰ নামেই তাৰ চিনাকি। গুৱালসকলৰ পাৰা বা চুবুৰী। অসমৰ মানুহে ইয়াৰ দৈ গাখীৰ খাই গৌৰৱ অনুভৱ কৰিছিল। সেই কাৰণে উৎসৱে পাৰ্বণে—

চিন মাৰীৰ চিকুণ চিৰা
গুৱালপাৰাৰ দৈ
খাইবাৰ সময় মনে হইল
বন্ধু আসিবাৰ কই।

এইবুলি নিমন্ত্ৰিত অতিথিৰ অনুপস্থিতিত আক্ষেপ প্ৰকাশ কৰিছিল। তেতিয়া আৰু এতিয়া বহুত দিনৰ ব্যৱধান। গুৱালপাৰাৰ বুকুত কত ইতিহাসে বাগৰ সলালে। যুদ্ধ, মহামাৰী প্ৰাকৃতিক দুৰ্যোগ, আৰু কত বিপ্লৱ পাৰ হৈ গল এইখন জিলাৰ বুকুৰেদি। সময়ৰ লগে লগে কত নতুন ইতিহাস ৰচিত হ'ল। অক্ষৰ হিচাপেৰে লেখিব নোৱাৰা কত পৰিৱৰ্তন ঘটিল। দিন আহিল আৰু গ'ল, লগে লগে একোটা যুগৰ সৃষ্টি হ'ল। নতুন যুগে পুৰণিৰ কথা ভাবিবহে পাৰে, তাক আৰু চুকি পাব নোৱাৰি। আজিকালি আগৰ দিনীয়া ৰজা-জমিদাৰসকল নাই আৰু তেওঁলোকৰ ম'হৰ বাথানো নোহোৱা হ'ল। কিন্তু অ'ত ত'ত দুই এঘৰৰ বংশানুক্ৰমে চলাই অহা ম'হপালকসকলৰ ম'হৰ বাথানক[১] দেখিবলৈ নোপোৱা নহয়। বাথানত কামৰ বেলেগ বেলেগ ব্যৱস্থা আছে। কিছু

১ বাথান—খুটি

মানক বথা হয় ম'হৰ পাল চৰাবলৈ, কিছুমানক গাখীৰ খীৰাবলৈ আৰু কিছুমানক ঘিউ-মাখন উলিয়াবলৈ। কাম অনুযায়ী তেওঁলোকৰ নাম ৰখা হয় মৈষাল, গুৱাল, মৈষাল দফাদাৰ ইত্যাদি।

যিসকল মানুহে ম'হৰ পাল চৰায় তেওঁলোককে মৈষাল বোলা হয়। ম'হৰ পাল চৰোৱা সহজ কাম নহয়। ই বৰ কষ্টকৰ। ৰ'দে-বৰষুণে, হাবিয়ে-বননিয়ে বহুত বিপদ-বিঘিনি নেওচি মৈষালে ম'হ চৰাব লাগে। কেতিয়াবা ম'হ চৰাওঁতে বাঘ, বনৰীয়া হাতীৰ সৈতে মুখামুখি হব লাগে। মহিষাসুৰ সদৃশ ম'হৰ ওপৰতে সকলো ভৰসা কৰি বাঘ বা গজপালৰ আক্ৰমণৰ পৰা হাত সাৰি কথমপি দুখে ভাগৰে ঘৰ পাব লাগে। অকল ম'হৰ ওপৰতেই সকলো ভৰষা কৰিব নোৱাৰি। কেতিয়াবা কেতিয়াবা নিজে ৰখা ম'হৰ আক্ৰমণত মৈষালৰ জীৱন নাশৰ আকাঙ্ক্ষাও একেবাৰে নোহোৱা নহয়। মহিষাসুৰ সদৃশ ম'হৰ পালক মৈষালৰ আয়ত্তলৈ অনা সহজ কথা নহয়। সিবোৰক নিজৰ আয়ত্তলৈ আনোতে আনোতে মৈষাল সকলৰ শৰীৰ একেবাৰে শিলকটীয়া হৈ যায়। দুখে ভাগৰে হাবিয়ে বননিয়ে ম'হৰ লগত ঘূৰি ফুৰা মৈষালসকলৰ ঘৰত অকলে জীৱন কটোৱা তিৰোতাসকলৰ প্ৰাণ তেতিয়া নানা আশঙ্কাত আতঙ্কিত হৈ থাকে। নানা দুশ্চিন্তাত তেওঁলোকে তেতিয়া দিনবোৰ কটাব লাগে। তেতিয়াই নানা দুখত অন্তৰ দগ্ধ হৈ অকলশৰে ঘৰত সেই তিৰোতাসকলে বিননিৰ সুৰ তোলে। মৈষালী গীত-বোৰ মৈষাল তিৰোতাসকলৰ বিননিৰ প্ৰতিফলন। এই গীতবোৰত কামনাসিক্ত নাৰীৰ অন্তৰৰ গুপুত বিৰহ বেদনা প্ৰকাশ পোৱা দেখা যায়। মৈষাল তিৰোতাসকলৰ বিননিৰ পৰাই এই গীতবোৰ জন্ম হৈছে বাবে ইয়াক মৈষালী গীত বোলা হৈছে।

আগতেই কোৱা হৈছে, মৈষাল জীৱন অতি কষ্টকৰ। তাৰ কষ্ট দেখি মৈষালীৰো দুখৰ সীমা নাই। ম'হ চৰাওঁতে হাবিয়ে বননিয়ে ক'ত কিমান গাত আচোৰ খাইছে তাৰ সীমা সংখ্যা নাই। নিচেই ৰাতি পুৱাতে ম'হৰ পাল লৈ ওলাই গৈ গধূলি বেলিকা ঘৰলৈ আহি কিবা খাবলৈ পাইছে, সেই কথা মৈষালী অনুভৱ নকৰাকৈ নাথাকে। সেইবোৰ কথা ভাবি ভাবি তাইৰ প্ৰাণে হাহাকাৰ কৰি উঠে। দুখত কাতৰা মৈষালীৰ অন্তৰৰ বেদনা আপোনা-আপুনি নিগৰি পৰে করুণ সুৰে। সেই সুৰ নিসঙ্গ জীৱনৰ হাহাকাৰ ধ্বনি।

আজি প্ৰাণ কান্দে মৈষাল বন্ধুৰে।
আগতে না কৈছিলংৰে মৈষাল
চাকৰি নাহয় ভাল।
নলেৰ গুটায় খাগৰাৰ গুটায়
গায়েৰ যাইবে ছালৰে।
থাকবি ধানেৰ আউলিয়া ভাত
কইয়া নদীৰ পানী;
জ্বলিয়া জ্বলিয়া উঠেৰে
মনেৰ আগুন খানিৰে।

ম'হ যিহে কদাকাৰ আৰু উগ্ৰ জন্তু। ইয়াৰ স্বভাৱ দানৱীয়ভাবে উগ্ৰ। তেনে উগ্ৰ জন্তুক বশ কৰাটো জানো সহজ কথা। ম'হবোৰৰ লগতে থাকি থাকি মৈষালৰ স্বাস্থ্যও কদাকাৰ পশুৰ দৰে হৈ পৰে। ইফালে মৈষালী মৈষালবিহীনভাবে দুখত দিন কটাওঁতে গৈছে। তাইৰ অন্তৰত বেদনাৰ আৰু মিলন লাভৰ একুৰা জলন্ত জুই। কামনাৰ জুইতে যেন তাই পুৰি মৰিব। পৰদেশত থকা মৈষালৰ সঙ্গ লাভৰ আগ্ৰহত তাই ছাটিফুটি কৰে।

এই হেনা যৌবন কালে
স্বোয়ামী ঘৰত নাইৰে—,
আৰে হাটত বেচায় কচু বেচু
মৈষাল হৈল বনেৰ পশুৰে।
মৈষাল যাইবেন পৰদেশ
নাৰীৰ মন মোৰ পুৰিয়া থাকেৰে।





দানৱীয় ভাবে উগ্ৰ ম'হৰ পাল আৰু হাতৰ এচাৰি ডালেই মৈষালৰ চিৰ লগৰীয়া। এইবোৰকে লৈ মৈষাল হাবিয়ে-বননিয়ে, পাহাৰে-কন্দৰে যিকোনো মুহূৰ্তত সম্ভাব্য বিপদৰ আশঙ্কা কৰি অকলে অকলে ঘূৰি ফুৰিবলগীয়া হয়। এয়ে মৈষাল জীৱন। এনেকুৱা নিসঙ্গ জীৱন ভোগ কৰি মৈষালৰ প্ৰাণতো ঘৰত এৰি অহা মৰমৰ মৈষালীৰ কথা মনত নপৰাকৈ নাথাকে; নাইবা ম'হ চৰাবলৈ বুলি বাথানলৈ ঘৰৰ পৰা আহোঁতে শেঁতা পৰি শুকান মুৰাকৈ মৈষালীয়ে দিয়া মাতষাৰৰ কথা কেচেম কেচেমকৈ মনত পৰি যায়। মনত পৰিলেও কি হব? যেনেকুৱা ঠাইলৈ সি আহিছে, এতিয়া আৰু তাৰ পৰা উভতি যোৱা সহজ নহয়। এটা বছৰটো কম হলেও থাকিবই লাগিব। এইবোৰ চিন্তাৰ পৰা নিজকে পাহৰি থাকিবলৈ বুলি মৈষালে হাতত হয় বাঁহীটি নাইবা বীণা এটাকে লৈ মৈষাল জীৱনৰ দুখৰ সুৰ বজাই অন্তৰৰ বেদনা হাবিয়ে-বননিয়ে, পাহাৰে-কন্দৰে বজন-জনাই বোৱাকৈ অন্তৰ উজাৰি বজাই ফুৰে। সেই সুৰ, সেই গীত মৈষালীৰ চিৰ পৰিচিত। সেই সুৰ যেন তাই দূৰৰ পৰা বিৰি বিৰি শুনিবলৈ পায়। তাই কাকুতি কৰি তেনেকুৱা সুৰকে বজাই মৈষাল ক'ত আছে তাৰ বতৰা দিবলৈ অনুৰোধ জনায়। এনেকুৱা অনুভূতিতেই কালিদাসৰ 'মেঘদূত'ৰ জন্ম। মৈষালীয়ে বিনায়—

মৈষ চড়ান মোৰ মৈষাল বন্ধুৰে
বৰ গাংগেৰ * পাৰে।……
কুনবা চ'ৰে নিলে বাথান
কায় জানাইবা খবৰ ৰে
যেই বাৰীতে উচ্ছা কলাৰ গাছ
ঐ বাৰী আমাৰ ৰে
বসতে দিমু পীৰা,
খাইতে দিমু লং চুণাৰী
বাজাইও তোৰ সঙ্গেৰ দোতৰা ৰে।

এয়া নিসঙ্গ মৈষালীৰ অন্তৰৰ বিমল প্ৰেমৰ আকূতি।

কেতিয়াবা কেতিয়াবা মাহেকত বা ছমাহৰ মূৰকত মৈষাল তাৰ আপোন ঘৰলৈ এপাক মাৰিবলৈ বুলি যায়। তেতিয়া তাৰ তিৰোতা বা প্ৰেয়সীৰ আগত তাৰ নিৰ্মম যাতনাৰ কথা বিবৰি কয়। মৈষালীয়ে তেতিয়া ডাঙৰকৈ চকু দুটা মেলি তাৰ চাঞ্চল্যকৰ কাহিনীবোৰ বৰ মনোযোগেৰে শুনে। সেইবোৰ কথা শুনি তাই আতঙ্কিত হৈ উঠে। এইবোৰ জানি শুনি মৈষালক নিশ্চিত নিৰ্যাতন ভোগ কৰিবলৈ পুনৰ পঠাবলৈ মৈষালীৰ আৰু ইচ্ছা নহয়। ঘৰৰ পুৰুষ ঘৰতে থাকি দুখে কষ্টে দিন কটাবলৈ মৈষালক খাটনি ধৰে। চাকৰি এৰো বুলিলে সহজে এৰিব পাৰি। কিন্তু চাকৰি এৰি পুনৰ চাকৰি পোৱা টান। মৈষাল থাকিব নোৱাৰে। কষ্টনো কি? মনৰ কথাহে। কষ্ট বুলিলে কষ্ট, সহজ বুলিলে সহজ। জীৱনত আৰু কিমান কষ্টৰ সন্মুখীন হব লাগিব। সি যাবগৈ পুনৰ বাথানলৈ। মৈষালীক বুজাই কয়। তেতিয়া মৈষালীৰ চকুৰ পৰা চল বাগৰি পৰে। তাই কৰযোৰে মিনতি জনায়—

বাথান ছাৰো বাথান ছাৰোৰে
ও মৈষাল ঘূৰিয়া আইস বাড়ী,
গলাৰ হাড় বেচেয়া দিম মই
ঐ চাকৰি কৰি মৈষাল ৰে।

(চাকৰি কৰি—চাকৰিতকৈ)

মৈষালীৰো মাজে মাজে বাথানলৈ গৈ এপাক মাৰি আহিবৰ সৌভাগ্য ঘটে। বাথানৰ দৈ গাখীৰ খাই তাই বৰ তৃপ্তি পায়। বাথানত ওখকৈ সজা টঙী ঘৰটো (বাথানৰ ভাষাত চাপ'ৰ) দেখি তাইৰ বৰ ভাল লাগে। ওখ টঙী ঘৰত বহি মৈষালে প্ৰাণ ঢালি বজোৱা দোতাৰৰ সুৰ শুনি তাই নিজকে

* গাংগেৰ—গঙ্গাৰ (বৰ নৈ)

পাহৰি যাব খোজে। ঘৰলৈ উভতি আহি মৈষালটো মনত পৰি মৈষালী নিজে নিজে বাথানৰ স্মৃতি ৰোমন্থন কৰে—

উচ্চা কৰিয়া বান্ধছেনৰে চাং'ৰ
সদায় দেখিয়া থাকং
মাচায় * বসিয়া দোতৰা বাজান
সকাল বিকাল শুনং।
দৈ খুৱাইলেন, দুধ খুৱাইলেন
না খুৱাইলেন মাথা
বকনা মৈষেৰ দুধ খুৱাইলেন
জলে ভাসে সোনা ৰে!

কেৱল মৈষালীয়েহে যে বিৰহত কাতৰ হৈ ঘৰত অকলে থাকিব লগা হয় এনে নহয়। মৈষালৰ প্ৰাণতো কম বিৰহত অন্তৰ দগ্ধ হোৱা নাই। মহ'ৰ পাল চ'ৰাবলৈ নিওঁতে ম'হৰ ডিঙিত আৰি দিয়া ঘন্টিৰ শব্দৰ লগে লগে মৈষালৰ মনত পৰি যায়—ঘৰত এৰি অহা তাৰ মৰমৰ মৈৰালীলৈ। মনত পৰাৰ লগে লগে মৈষাল আন মনা হৈ নিজৰ কৰ্তব্য পাহৰি যাব খোজে।

ঘন্টুং ঘন্টুং বাজেৰে
মৈষেৰ গলাৰ ঘন্টা
মোৰ নাৰীৰ প্ৰাণ কান্দেৰে
ঘৰত নাৰয় মনটা।
মৈষেৰ গলৰ ঘন্টাৰ সাথে
বন্ধুৰ দোতৰা বাজে
মোৰ নাৰীৰ পৰাণ কান্দে
মন নালাগে কাজে।

মৈষালৰ ইচ্ছা হয়,—

পাখী হইলাম হই উৰাণ দিয়া
নাৰীৰ সঙ্গে যাইতাম আমিৰে।

মৈষাল যিবোৰ ঠাইত ম'হ চৰায় সেই ঠাইৰ সকলো মানুহ তাৰ চিনাকি হৈ যায়। কিছুমান গাভৰুৰে প্ৰাণ মৈষালৰ বাঁহী দোতৰাৰ সুৰত মতলীয়া হৈ প্ৰেমত পৰাৰ অৱস্থা! বৃন্দাবনত কৃষ্ণকানাইৰ বাঁহীৰ মাত শুনি গোপিনীসকল তেওঁৰ প্ৰতি আকৃষ্ট হোৱাৰ দৰে মৈষালৰ ওচৰতো তেওঁলোকৰ প্ৰাণে কিবা কিবি পাবলৈ বিচাৰে। দেখা দেখিকৈ অন্তৰৰ ভাল পোৱাতো কাকো জনাব নোৱাৰি। গুপুতে মৈষাল শুনাকৈ তেওঁলোকৰ অন্তৰৰ বিৰহ বেদনা প্ৰকাশ কৰিবলৈ গাভৰু সকলৰমন উচপিচাই থাকে। নৈৰ ঘাটে, পাহাৰৰ দাতিয়ে, শাক বুটলিবলৈ যাওঁতে অকলশৰে পাই মৈষালীক মনৰ কথা জনাবলৈ চল বিচাৰে। চল কৰি মৈষালক তেওঁলোকৰ ঘৰলৈ লৈ যাব পাৰিলে গাভৰুৰে যে তাক কি সুখুৱাব! তাইৰ হেপাহ, মৈষাল যদি কেনেবাকৈ তেওঁলোকৰ ঘৰলৈ যায় তেন্তে শালি ধানৰ চিৰা বা বৰা ধান আখৈৰ লগত খাবলৈ বুলি গাৰোপাহাৰৰ পৰা আনি থোৱা প্ৰকাণ্ড প্ৰকাণ্ড সু-স্বাদু মালভোগ কল খাবলৈ দি তাক সন্তুষ্ট কৰিহে পঠিয়াব। অৰ্থাৎ তাইত লগত থকা ভালৰো ভাল বস্তুখিনি তেওঁৰ বাবে আগবঢ়াব।

আমাৰ বাৰী যাওৰে মৈষালৰে
আৰে ও মৈষাল
বসতে দিমু পীৰা,
জলপান কৰিবাৰ দিমু
শালি ধানেৰ চিৰা মৈষাল ৰে।
শালি ধানেৰ চিৰা মৈষাল
বৰানি ধানেৰ খৈ,
গাৰোপাহাৰেৰ মালভোগ কলা
গামচা বান্ধা দৈ মৈষাল ৰে।

* মাচায়— বিচনাত।

# শৈৱধৰ্ম কুসুমচয়ন

শ্ৰীগোলোকেশ্বৰ বৰুৱা

অসম সাহিত্য সভা পত্ৰিকা ১৯৭৬ জুন প্ৰথম সংখ্যাত প্ৰকাশিত শৈৱধৰ্ম নামৰ প্ৰবন্ধত শৈৱ-ধৰ্মৰ বিষয়ে সাধাৰণভাৱে আলোচনা কৰা হৈছে। শৈৱধৰ্মৰ শাখাৰূপী কুসুম বহুত।

শৈৱ দৰ্শনৰ বেদান্ত দৰ্শন আৰু সাংখ্য দৰ্শনৰ লগত সাদৃশ্য থাকিলেও ভালেখিনি পাৰ্থক্য আছে। শৈৱ-দৰ্শনৰ মূল কথা এইটো : পৰম সত্য অদ্বয় স্বৰূপ। কিন্তু এই অদ্বয়ত্ব কেৱল দ্বয়ৰ অভাৱ নহয়—এইটো দ্বয়ৰ মিথুনতত্ত্ব, দ্বয়ৰ নিঃশেষ সমৰসতা। যি দ্বয়ৰ সমৰসতাত অদ্বয় সিদ্ধ হৈছে, হিন্দু তন্ত্ৰমতে সেই দ্বয়তত্ত্বই হল শিৱতত্ত্ব আৰু শক্তিতত্ত্ব—একোটা উৎসৰ দুটা ধাৰা; এটা জ্ঞানমাত্ৰ তনু নিবৃত্তিমূলক—আনটো ত্ৰিগুণাত্মিকা প্ৰকাশাত্মিকা প্ৰকৃতিমূলা। দাৰ্শনিক ভাষাত শিৱতত্ত্বই জ্ঞাতৃত্ব—শক্তিতত্ত্বই জ্ঞেয়ত্ব; শিৱই পৰম সঙ্কুচিত বিন্দু—শক্তিই পৰম প্ৰসাৰিত নাদৰূপিণী।[1]

সাধাৰণতে শক্তি আৰু প্ৰকৃতি একে বুলি কোৱা হয়, কিন্তু শৈৱদৰ্শনৰ শক্তি আৰু সাংখ্য দৰ্শনৰ শক্তিৰ মাজত বহুত প্ৰভেদ আছে। সাংখ্যৰ প্ৰকৃতি অচেতন, পুৰুষৰ লগত অবিদ্যাবশতঃ প্ৰকৃতিৰ অনাদি সম্বন্ধ ঘটিছে। অ'ত ত'ত ব্যতিক্ৰম থাকিলেও শৈৱদৰ্শনৰ শক্তি চিন্ময়ী; শক্তি আৰু শিৱৰ মাজত পাৰ্থক্য নাই; শক্তিয়েই শিৱ, শিৱই শক্তি; শক্তি আৰু শিৱ অভিন্ন। সূৰ্যকিৰণক যেনেকৈ সূৰ্যৰ পৰা বেলেগ কৰিব নোৱাৰি, তেনেকৈ শক্তিক শিৱৰ পৰা বেলেগ কৰিব নোৱাৰি। শিৱ যেনেকৈ সচ্চিদানন্দময়, শক্তি তেনেকৈ সচ্চিদানন্দময়ী।

আচলতে শৈৱদৰ্শনৰ দ্বয়ৰ অদ্বয়তই গভীৰভাৱে প্ৰকাশ পাইছে। জিমাৰে কয় : On the one hand he is Total Tranquility—inward calm absorbed in itself, absorbed in the void of the abosolute, where all distinctions merge and dissolve, and all tensions are at rest. But on the other hand he is Total Activity—life's energy, frantic, aimless and playful. These aspects are the dual manifestations of an Absolutely ultimate Reality.[2]

## তামিল শৈৱধৰ্ম

তামিল দেশত ৬০০ শতিকাৰ পৰা শৈৱধৰ্ম শক্তি-শালী হয়। এই ধৰ্মৰ আচাৰ্যসকল নয়নমৰ নামে জনাজাত। ঐতিহ্যমতে তামিল দেশত তিনিকুৰি

১ শশিভূষণ দাশগুপ্ত : ভাৰতেৰ শক্তিসাধনা ও শক্তি সাহিত্য

2 Zimmer, H : *Myths and Symbols in Indian Art and Civilization* পৃ ১৬৯

তিনিজন নয়নমৰ আছিল। এইসকলৰ ভিতৰত অপ্পৰ(৭ম শতিকা), জ্ঞানসম্বন্দৰ (৭ম শতিকা), সুন্দৰমূৰ্তি (৮ম শতিকা) আৰু মাণিক্য ৱাচগৰ (সংস্কৃত মাণিক্য ৱচকৰ) আটাইতকৈ বিখ্যাত। মাণিক্য ৱাচকৰৰ কাল ৯ম শতিকা বুলি অনুমান কৰা হয়। এই-সকলৰ মূৰ্তি দক্ষিণ ভাৰতৰ শিৱমন্দিৰবিলাকত আছে। ১০ম শতিকাৰ নাথমুনিৰ সমসাময়িক নম্বি-আণ্ডাৰ নম্বিয়ে আটাইবিলাক শৈৱ আচাৰ্যৰ স্তোত্ৰ তিৰুমৰই (পবিত্ৰ গ্ৰন্থ) নাম দি এধাৰ খণ্ডত সম্পাদন কৰে। অপ্পৰ, জ্ঞানসম্বন্দৰ আৰু সুন্দৰমূৰ্তি লিখিত তেৱৰম্ আৰু মাণিক্য ৱাচকৰৰ তিৰুৱাচকম্ নামৰ গ্ৰন্থও তিৰুমৰইৰ অন্তৰ্ভুক্ত হৈছে। ১১শ শতিকাত আটাই-বিলাক শিৱস্তোত্ৰ সংকলন কৰা হয়। সংকলনখনৰ নাম দেৱাৰম্ ৰখা হয়। দেৱাৰম্, মাণিক্য ৱাচকৰৰ তিৰুৱাচকম্ (পবিত্ৰ বাণীসমূহ) নামৰ গ্ৰন্থ আৰু অন্যান্য শৈৱ সাহিত্যসমষ্টিক তামিল বেদ বুলি কোৱা হয়।

মাণিক্য, ৱাচকৰ, অপ্পৰ, সম্বন্দৰ আৰু সৌন্দৰৰ (সময়াচাৰ্য) এই ধৰ্মৰ প্ৰধান আচাৰ্য। মেকণ্ডদেৱ, অৰুলনন্দি শিৱাচাৰ্য, সৰৈজ্ঞান আৰু উমাপতি শিৱাচাৰ্য আদি আচাৰ্যসকলে শিৱতত্ত্ব শিক্ষা দিয়ে।

তামিলসকলৰ শৈৱ ধৰ্মৰ দৰ্শন শৈৱসিদ্ধান্ত নামে জনাজাত। ১১শ শতিকাত এই দৰ্শন প্ৰতিপাদন কৰা হয়। ১৩শ শতিকাৰ মেকণ্ডৰ শিৱজ্ঞানবোধম্ আৰু তৎশিষ্য অৰুলনন্দি শিৱাচাৰ্যৰ শিৱজ্ঞানসিদ্ধিয়ৰ এই দৰ্শনৰ প্ৰামাণিক গ্ৰন্থ।

শৈৱস্তোত্ৰবিলাকে শিৱক প্ৰভু, পিতৃ আৰু মানৱা-আৰ প্ৰেমিকস্বৰূপে বন্দনা কৰে। মাণিক্য ৱাচকৰে ঈশ্বৰপ্ৰেমৰ যিবিলাক বন্দনাগীত গায়, সেই বন্দনা গীতবিলাক হৃদয়স্পৰ্শী আৰু অপূৰ্ব। অপ্পৰে নিজে ঈশ্বৰপ্ৰেমৰ সুৰেৰে সকলোৰে হৃদয় দ্ৰৱীভূত কৰিছিল। তামিল বন্দনা গীতবিলাকে মানুহৰ অন্তৰৰ প্ৰেম শিৱৰ চৰণত উবুৰিয়াই ঢালি দিয়ে। এই গীতবিলাকৰ মূল বাণী : শিৱই প্ৰেম, শিৱৰ চৰণত সম্পূৰ্ণভাৱে আত্মসমৰ্পণ কৰা, মুক্তিলাভ কৰিবা। এই গীতবিলাকৰ স্থান পৃথিৱীৰ ভক্তিসাহিত্যত অতি ওখ।

বন্দনাগীতবিলাকৰ মাধ্যমেৰে ভক্তই শিৱৰ মহতী পবিত্ৰতাৰ আগত নিজৰ অযোগ্যতা স্বীকাৰ কৰে, কয়, 'মই পাপীৰো সীমা'; কিন্তু শিৱই মহাপাপীকো অকাতৰে নিজ অনুগ্ৰহ ঢালি দিয়ে। অপ্পৰে শিক্ষা দিয়ে : তুমি শিৱ প্ৰভুৰ চৰণত নিবেদন কৰা 'মই তোমাৰ দাসৰো দাস', শিৱই তোমাৰ সকলো পাপ মৰ্ষণ কৰিব। ভক্তই শিৱৰ আগত ব্যক্তিগত পাপ স্বীকাৰ কৰে আৰু শিৱই সকলো পাপ খণ্ডন কৰে; এইটো তামিল শৈৱ ধৰ্মৰ এটা ডাঙৰ বৈশিষ্ট্য।

তামিল শৈৱই প্ৰকৃতিৰ বুকুত ঈশ্বৰৰ মহিমা প্ৰতি-বিম্বিত দেখে। শিৱ উন্মত্ত হলেও ভক্তই তেওঁৰ বুকুত প্ৰেম আৰু প্ৰসাদ দেখিবলৈ পায়। ভক্তই মূৰ্তিমন্ত সংহাৰ নটৰাজৰ পূজা কৰোঁতে মুক্তিৰ কথা পাহৰি যায়। তলত শৈৱসিদ্ধান্তদৰ্শনৰ এটি আভাস দাঙি ধৰা হ'ল।

শিৱই নিজ শক্তিৰে জগৎপ্ৰপঞ্চ সৃষ্টি কৰে। এই সৃষ্টি পতি, পশু আৰু পাশ, এই তিনি ভাগত বিভক্ত। শিৱ নিজে পতি, জীৱ পশু আৰু জীৱক পাশেৰে বন্ধা হয়। পাশ তিনিবিধ, মায়া, কৰ্ম আৰু আনৱ।

পতি শিৱ পৰম ব্ৰহ্ম, পৰম সত্য। তেওঁ ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰতকৈ ডাঙৰ। শিৱ সৎ-চিৎ-আনন্দ; বিশ্বৰূপ কিন্তু বিশ্বাধিক। শিৱ সত্য সংকল্প, আপ্তকাম। শিৱই প্ৰেম; শিৱই সকলো কাম নিজৰ সৃষ্টজীৱৰ মৰমৰ বশৱৰ্তী হৈ কৰে। শিৱ সৰ্বাতিৰিক্ত স্বতন্ত্ৰ।

শিৱৰ কৃত্য পাঁচোটা, যথা, তিৰোধান, সৃষ্টি, স্থিতি, সংহাৰ আৰু অনুগ্ৰহ। শিৱ অসীম কিন্তু সীমাবদ্ধ নহলে সৃষ্টি হব নোৱাৰে; সৃষ্টিৰ কাৰণে শিৱ সংকুচিত হয়, সীমিত হয়; ইয়াকে শিৱৰ তিৰোধান বুলি কোৱা হয়।





জীৱাত্মাৰ স্বভাৱ অসীম, সৰ্বগামী আৰু সৰ্বজ্ঞানী কিন্তু পাশবদ্ধ হোৱা কাৰণে আত্মাই নিজকে সসীম, ক্ষুদ্ৰ আৰু অজ্ঞ বুলি ভাবে। আত্মা শিৱৰ পৰা বেলেগ কিন্তু শিৱস্বৰূপ। আত্মা অগণন। প্ৰত্যেকৰে নিজ দেহা, মন আদি আছে। সকলো একেলগে নোপজে, একেলগে নমৰেও। পূৰ্বজন্মৰ কৰ্মফলে বৰ্তমান জন্ম নিৰাকৰণ কৰে।

মায়া : এই মায়া অদ্বৈত বেদান্তৰ মায়াৰ দৰে অলীক, মিছা নহয়। এই মায়া সেইটো শক্তি যিটো শক্তিৰ জৰিয়তে শিৱই বাস্তৱ জগৎপ্ৰপঞ্চ সৃষ্টি কৰে, যি জগৎপ্ৰপঞ্চৰ মাজত শিৱৰ নিজ শক্তিৰ স্ফুৰণ আৰু সাৰ্থকতা প্ৰকাশ পায়। মায়াই (সাংখ্যৰ) প্ৰধান; মায়াৰে জগৎৰচনা কৰা হয়। মায়াই জীৱক তনু, কৰণ, ভুৱন আৰু ভোগ্য বস্তু দিয়ে। মায়াৰ বোধ শক্তি নাই। শিৱই নিজ চিৎশক্তিৰ জৰিয়তে মায়াক চলায়। শিৱৰ দ্বাৰা পৰিচালিত হৈ মায়াই জগতৰ তত্ত্ববিলাকৰ জন্ম দিয়ে।

কুমাৰে মাটি, চকা আৰু দণ্ডেৰে ঘট সাজে। তেনেকৈ শিৱই মায়াৰূপ মাটিৰে চকা আৰু দণ্ডৰূপ নিজ শক্তিৰে এই জগৎপ্ৰপঞ্চ সৃষ্টি কৰে :

কৰ্ম : গাইগুটীয়া আত্মাৰ সৎ-অসৎ কৰ্ম আৰু কৰ্মফল হল কৰ্ম কৰ্মফল অনাদি। আগৰ কৰ্মফল ভোগ কৰোঁতে নতুন কৰ্মফল সঞ্চিত হয়। একমাত্ৰ শিৱৰ কৃপাত কৰ্মফল ক্ষয় হয়।

আণৱ : গাইগুটীয়া ভাৱ যাৰ পৰা উৎপন্ন হয়, সেইটোক আণৱ পাশ বুলি কোৱা হয়। আণৱ পাশে আত্মাক নিজৰ ভিতৰত বন্দী কৰি থয় আৰু আত্মাক শিৱৰ পৰা পৃথক কৰি ৰাখে। আণৱেই অবিদ্যা; আণৱে আত্মাক বিমোহিত কৰে আৰু পুনৰ্জন্ম গ্ৰহণ কৰায়।

মায়া, কৰ্ম আৰু আণৱ, এই তিনিবিধ পাশৰ পৰা মুক্ত হব নোৱাৰিলে আত্মাই মুক্তি লাভ কৰিব নোৱাৰে। মুক্তি বা মোক্ষলাভৰ উপায় তিনিটা যথা, চৰ্যা, ক্ৰিয়া আৰু যোগ।

চৰ্যা : আত্মাই নিজকে ঈশ্বৰৰ দাস বা সেৱক বুলি ভাবে, মন্দিৰ চাফা কৰে, শিৱমূৰ্তিক মালা পিন্ধায়, স্তুতিগান গায়, শিৱভক্তক সেৱা কৰে। চৰ্যাই সালোক্য অৰ্থাৎ শিৱৰ সৈতে একে লোকত থাকিবলৈ দিয়ে।

ক্ৰিয়া : শিৱক আনুষ্ঠানিকভাৱে সেৱা কৰাই ক্ৰিয়া। ভক্তই অনুক্ষণ শিৱৰ উপস্থিতি অনুভৱ কৰে, শিৱৰ আৰু ওচৰ চাপে আৰু নিজকে শিৱৰ পুত্ৰজ্ঞান কৰে। ক্ৰিয়াই ভক্তক সামীপ্য দান কৰে অৰ্থাৎ শিৱৰ কাষলৈ আনে।

যোগ : যোগস্থ হলে ভক্তই নিজকে শিৱৰ বন্ধু বুলি ভাবে। এই অৱস্থাত আত্মাই সম্পূৰ্ণ-ভাৱে বাহ্য জগতৰ পৰা নিজকে সংবৰণ কৰি একেবাৰে শিৱতে সমাধিস্থ হয়। যোগে ভক্তক সাৰূপ্য অৰ্থাৎ শিৱৰ ৰূপ লাভ কৰাত সক্ষম কৰে।

কিন্তু পৰম লক্ষ্য হৈছে সাযুজ্য অৰ্থাৎ শিৱৰ সৈতে মিলন। জ্ঞানৰ জৰিয়তেহে সাযুজ্য লাভ কৰিব পাৰি। জ্ঞানে অবিদ্যাক জয় কৰে। ভক্ত তেতিয়া শিৱৰ সৈতে মিলিত হয়।

অনুগ্ৰহ : জ্ঞানে শিৱৰ সৈতে মিলন আনিলেও আত্মাই শিৱৰ অনুগ্ৰহবিনা একো কৰিব নোৱাৰে। শিৱক ভালপোৱাই মানৱজীৱনৰ শ্ৰেষ্ঠ কাম। শিৱ-প্ৰেমেই শিৱৰ আইন। এজন মানুহৰ বহুতো ভাল গুণ থাকিব পাৰে কিন্তু তেওঁ যদি শিৱপ্ৰেমহীন হয়, তেওঁৰ সকলো গুণ কলুষ মাত্ৰ। শিৱৰ এটা মাথো কামনা আৰু সেইটো হৈছে মানৱৰ কল্যাণ সাধন।

শিৱই আত্মাক চিৰকাল পাছে পাছে খেদিছে, যাতে আত্মাক তেওঁৰ অনুগ্ৰহ দিব পাৰে আৰু যাতে আত্মাই শিৱৰ চৰণত সম্পূৰ্ণভাৱে আত্মসমৰ্পণ কৰিব পাৰে। শিৱই আত্মাৰ পিতৃ। আত্মা যেতিয়া শিৱ-পদাৰ্থলৈ ৰূপান্তৰিত হয়, তেতিয়া আত্মাই কব পাৰে 'সোহম্' (তেৱেঁই মই), কিন্তু সোহমৰ অৰ্থ অভিন্নতা নহয়, কিয়নো মোক্ষতো আত্মা শিৱৰ দাস হৈ থাকে,

শিৱৰ সৈতে মিলিত হয়, কিন্তু শিৱৰ দাস হৈ থাকে।

আত্মাই শিৱৰ সৈতে মিলনত নিজৰ অস্তিত্ব নেহেকৱায়। আত্মা আৰু শিৱৰ মাজত ভেদ সদায় থাকিব। শিৱমিলনত আত্মাই পৰম শান্তি আৰু আনন্দ ভোগ কৰে। শিৱ আৰু আত্মা দুজনা নহয়; কিন্তু একজনাতে দুজনা হৈ থাকে।

জেহ্নাৰে (Zaehner) কয়: The Saiva Siddhanta presents perhaps the highest form of theism that India was ever to develop, for Śiva even as a mythological figure, gives an overwhelming impression of 'otherness' and transcendence which the milder and more suprficially attractive figure of Vishnu rarely does (*Hiduism* p 119, 1962, Oxford).

## বীৰ শৈৱ ধৰ্ম

ৰেণুক, দাৰুক, ঘণ্টাকৰ্ণ, ধেনুকৰ্ণ আৰু বিশ্বকৰ্ণ, এই পাঁচগৰাকী ধৰ্মগুৰুৱে বীৰশৈৱ বা লিঙ্গায়ৎ ধৰ্ম প্ৰৱৰ্তন কৰে। এই পাঁচগৰাকী ঐতিহ্যমতে সদ্যোজাত, বামদেৱ, অঘোৰ, তৎপুৰুষ আৰু ঈশানৰ অৱতাৰ। এই পাঁচগৰাকী ধৰ্মপুৰুষে কলিযুগত ৰেৱণসিদ্ধ (ৰেৱণাৰাধ্য) মৰুলসিদ্ধ (মৰুলাৰাধ্য), একোৰামাৰাধ্য পণ্ডিতাৰাধ্য আৰু বিশ্বাৰাধ্যৰূপে জন্মগ্ৰহণ কৰি লিঙ্গায়ৎ ধৰ্মটো নকৈ প্ৰচাৰ কৰে। এওঁলোক পঞ্চাচাৰ্য নামে জনাজাত। এওঁলোকে কেদাৰ, উজ্জয়িনী, মাদ্ৰাজৰ শ্ৰীশৈল, মহীশূৰৰ বলেহল্লী (ৰম্ভাপুৰী) আৰু কাশীত একোটা মঠ স্থাপন কৰে।

একাদশ শতিকাৰ পৰা শৈৱধৰ্মৰ পতন হয়। বীৰশৈৱ ধৰ্মটো ব্ৰাহ্মণ বসৱে কন্নড় দেশত জনপ্ৰিয় আৰু শক্তিশালী কৰি তোলে। তেওঁ ১১৬০ চনমানত শিৱানুভৱমণ্ডপ (relizious house of experience) স্থাপন কৰে। বসৱৰ পিতৃ আছিল মাদিৰাজ আৰু মাতৃ মাদলাম্বিকে। বসৱ ৰজা বিজ্জল (১১৫৬—১১৬৮)ৰ প্ৰধান মন্ত্ৰী হয়। ৰজাই বসৱৰ ভনীয়েক পদ্মাৱতীক বিয়া কৰে। তেতিয়া বসৱৰ ক্ষমতা বাঢ়ে। বীৰশৈৱ ধৰ্মৰ পুৰোহিতক জঙ্গম বুলি কোৱা হয়। বসৱে জঙ্গমক বীৰশৈৱ ধৰ্ম খুব জোৰে প্ৰচাৰ কৰাত লগায়। এই কামত তেওঁক তেওঁৰ অন্য এগৰাকী ভনীয়েকৰ পুত্ৰ চেন্নবসৱে সহায় কৰে। ৰজাৰ কিছুমান কৰ্মচাৰীয়ে বসৱে ৰাজভঁৰালৰ টকা আত্মসাৎ কৰে বুলি ৰজাক লগায়। বসৱে ভয় খাই পলাই যায় আৰু নিজৰ অনুচৰবৰ্গৰ সহায়েৰে ৰজাক পৰাস্ত কৰে। ৰজাই নিৰুপায় হৈ পুনৰ বসৱক প্ৰধান মন্ত্ৰী পাতে। সৰ্বশেষত কি হয় সেই বিষয়ে মতভেদ আছে। লিঙ্গায়তে কয়: ৰজাই দুজন লিঙ্গায়তৰ চকু কাঢ়িবলৈ হুকুম দিছিল। বসৱে গম পাই এজন শিষ্যক ৰজাক বধ কৰিবলৈ কয় আৰু নিজে সঙ্গমেশ্বৰলৈ পলাই গৈ লিঙ্গত লীন হৈ যায়। জৈন বিৱৰণ মতে, ৰজাই সামৰিক অভিযান চলাই ভীপা নদীৰ পাৰত আছিল; বসৱে এটা বিহ দিয়া ফল ৰজালৈ পঠিয়ায় আৰু পশ্চিম ঘাটৰ উলৱীলৈ পলাই যায়; ৰজাৰ ল'ৰাই ধৰিবলৈ খেদি যায়, বসৱে কুৱাত জাপ দি মৰে।

বসৱৰ মৃত্যুৰ পিছত ভতিজাক চন্ন বসৱে নেতৃত্ব লয়। বহুত চাৰণকৱিয়ে এই ধৰ্ম জনপ্ৰিয় কৰি তোলে। এই সাহিত্যৰ নাম বচন শাস্ত্ৰ। কন্নড় দেশত বচন শাস্ত্ৰ আজিও জনপ্ৰিয়।

বীৰশৈৱৰ অৰ্থ বীৰৰ শৈৱ ধৰ্ম। বীৰশৈৱৰ তিনিটা শ্ৰেণী, সামান্য, মিশ্ৰ আৰু শুদ্ধ শৈৱ। সামান্য আৰু মিশ্ৰ শৈৱই বিষ্ণুপূজাও কৰে। শুদ্ধ শৈৱই অকল শিৱপূজা কৰে আৰু লিঙ্গ ধাৰণ কৰে; লিঙ্গ ধাৰণ কৰাৰ কাৰণে তেওঁলোকৰ ধৰ্মক লিঙ্গায়ৎ বুলি কোৱা হয়।

বীৰশৈৱ আগমান্ত ধৰ্ম। আগম বৈদিক ধৰ্মান্তৰ বুলি কোৱা হয়। বীৰশৈৱই ৬৩ জন তামিল সাধক আৰু তেওঁলোকৰ গ্ৰন্থক দেৱঅনুপ্ৰাণিত বুলি মানে।



এওঁলোকক পুৰাতন আৰু পিছৰ সাধকসকলক নতুন-পুৰাতন বুলি কোৱা হয়। সাতশজন সাধকৰ নাম পোৱা যায়; তেওঁলোকৰ ভিতৰত বসৱো আছে। বীৰশৈৱই এওঁলোকৰ উপদেশ, বেদ, আগম আৰু পুৰাণ প্ৰামাণিক শাস্ত্ৰ বুলি মানে; প্ৰত্যক্ষ আৰু অনুমানকো প্ৰমাণ বুলি লয়।

বীৰশৈৱ দৰ্শনৰ নাম শক্তিবিশিষ্টাদ্বৈত। এই দৰ্শনৰ বৈশিষ্ট্য এইখিনি: শিৱ আৰু শক্তি অবিচ্ছেদ্য; শিৱ আৰু শক্তিৰ মাজত দ্বয়ত্ব নাই। তেনেকৈ আত্মা আৰু শিৱৰ মাজত দ্বয়ত্ব নাই। শক্তিয়ে আত্মাক শিৱৰ সৈতে অভেদ্য মিলনৰ ডোলেৰে বান্ধিছে। আত্মা শিৱৰ সৈতে সম্পূৰ্ণ এক নহয়, তেনেকৈ সম্পূৰ্ণভাৱে বেলেগো নহয়; আত্মা অংশ শিৱ পূৰ্ণ; আত্মা দেহ, শিৱ এই দেহৰ আত্মা।

শিৱই পৰমব্ৰহ্ম, একমেৱ অদ্বিতীয়; তেওঁ সচ্চিদানন্দ, সৰ্বশক্তিমান, মহত্তম, সৰ্বশুভগুণসম্পন্ন। জীৱ আৰু জড়জগৎ তেওঁৰে অংশ আৰু তেওঁৰে ইচ্ছাত উদ্ভূত। তেওঁ জগতৰ পৰম কাৰণ কিন্তু তেওঁৰ ক্ষয় নাই, পৰিৱৰ্তন নাই। তেওঁ জগতৰ একমাত্ৰ কাৰণ হৈয়ো, বিশ্বাকাৰ হৈয়ো, জগদাধিক, বিশ্বাধিক। তেওঁৰ পৰাই সকলো জীৱ ওপজে, তেওঁতেই বাস কৰে, শেহত তেওঁতেই লয় পায়; আদি-মধ্য-অন্তহীন হৈয়ো, নিৰাকাৰ হৈয়ো তেওঁ চিৎ আৰু আনন্দস্বৰূপ আৰু তেৱেঁই একমাত্ৰ সৰ্বগত পৰম সত্য।

শক্তি শিৱৰ অবিচ্ছেদ্য অঙ্গৰূপে শিৱতে চিৰকাল বাস কৰে। শক্তিয়েই মূলপ্ৰকৃতি বা মায়া, সৃষ্টি প্ৰসৱিনী। এই মায়া অদ্বৈত বেদান্তৰ মায়া বা মোহ নহয়, এই মায়া পৰমব্ৰহ্ম শিৱৰ সৃষ্টিকাৰিণী শক্তি। জুইৰ লগত তাপৰ, পোহৰৰ লগত সূৰ্যৰ যি সম্বন্ধ, শক্তিৰ লগত শিৱৰ সেই সম্বন্ধ। শক্তিৰ জৰিয়তে শিৱ বিশ্বৰ পৰম কাৰণ হৈছে। শিৱই নিজস্ব স্বভাৱ শক্তিক দিয়ে। শক্তিৰ পৰা সকলো জীৱ ওলায়; এয়ে সৃষ্টি। প্ৰলয়ত আটাইবিলাক শক্তিলৈ ঘূৰি যায় আৰু বীজাকাৰত শক্তিত বাস কৰে।

জীৱ শিৱৰ অংশ। অবিদ্যাৰ কাৰণে জীৱই নিজকে শিৱৰ অংশ বুলি নাজানে। অবিদ্যাৰ বিনাশ হলে শিৱৰ লগত জীৱ একে হৈ যায়। কিন্তু জীৱ আৰু শিৱৰ মাজত ভেদ আছে, কিয়নো জীৱ সৰ্বজ্ঞ, সৰ্বশক্তি-মান নহয়, জীৱ কৰ্ম আৰু মল দূষিত আৰু সংসাৰৰ প্ৰাণী। জুই আৰু স্ফুলিঙ্গৰ মাজত যি সম্বন্ধ, জীৱ আৰু শিৱৰ মাজত সেই সম্বন্ধ। এই সম্বন্ধত ভেদ আছে, অভেদো আছে; সেইকাৰণে এই দৰ্শনক ভেদাভেদ দৰ্শন বুলি কোৱা হয়।

পৰশিৱক স্থল বুলি কোৱা হয়; স্থল মানে থল, বাসস্থান। স্ব-ইচ্ছাতে আৰু শক্তি ক্ষুব্ধ হলে পৰশিৱ স্থল, লিঙ্গ আৰু অঙ্গত বিভক্ত হয়। শিৱ বা ৰুদ্ৰই লিঙ্গ আৰু পূজাপাত্ৰ। মুক্ত জীৱাত্মাক অঙ্গ বুলি কোৱা হয়, জীৱাত্মা বা অঙ্গই উপাসক। শক্তি কলা আৰু ভক্তি এই দুই ভাগত বিভক্ত হয়। কলাই শিৱৰ পৰা জগৎ ব্যক্ত কৰিছে। ভক্তিয়ে জীৱাত্মাক বন্ধনৰ পৰা মুক্ত কৰে।

বীৰশৈৱ দৰ্শনৰ মূল লক্ষ্য পৰশিৱৰ সৈতে ঐক্য-লাভ। ঐক্যলাভ কেনেকৈ কৰিব পাৰি? অবিদ্যা আৰু মলনাশ হলে ঐক্যলাভ ঘটে। অবিদ্যা আৰু মলনাশ কেনেকৈ কৰিব পাৰি? এই দৰ্শনৰ মতে শিৱ পতি, জীৱ পশু আৰু আণৱমল, মায়ামল আৰু কৰ্মমল এই ত্ৰিমল হল পাশ। এই পাশে জীৱৰূপী পশুক বান্ধি থৈছে। জীৱই পতিক জানিলেই পাশমুক্ত হব পাৰিব আৰু তেতিয়া অবিদ্যাও ধ্বংস হ'ব। শিৱ পতিক কেনেকৈ জানিব পাৰি? জনাৰ উপায় এই তিনিটা: দীক্ষা, পঞ্চাচাৰ আৰু অষ্টাৱৰণধাৰণ।

দীক্ষা: লিঙ্গধাৰণেই দীক্ষা। সন্তান ওপজাৰ পিছতেই গুৰুৱে সন্তানৰ ডিঙিত লিঙ্গ আঁৰি দিয়ে। এই লিঙ্গ আজীৱন ধাৰণ কৰা হয়। লিঙ্গায়তে বিশ্বাস কৰে,

লিঙ্গই পৰমা জ্যোতি আৰু অগ্নিস্বৰূপা, জ্যোতি আৰু অগ্নিস্বৰূপা লিঙ্গই সকলো অপবিত্ৰতা ভস্ম কৰে।

পঞ্চাচাৰ : লিঙ্গাচাৰ, সদাচাৰ, শিৱাচাৰ, ভৃত্যাচাৰ আৰু গণাচাৰ।

লিঙ্গাচাৰ : লিঙ্গই একমাত্ৰ ইষ্টদেৱতা। লিঙ্গৰ নিত্যপূজাই লিঙ্গাচাৰ।

সদাচাৰ : নিৰ্মল জীৱিকাৰে ধন উপাৰ্জন কৰিব; সঞ্চিত ধন সৎ কামত খৰচ কৰিব। এয়ে সদাচাৰ।

শিৱাচাৰ : লিঙ্গায়তৰ মাজত বাচবিচাৰ নকৰিব; নিজৰ ভিতৰত খোৱা-বোৱা, বিয়া-বাৰু, কৰিব। এইটো শিৱাচাৰ।

ভৃত্যাচাৰ : শিৱৰ আৰু শিৱভক্তৰ দাস হৈ থাকিব; নাৰী-পুৰুষ উভয়ৰে প্ৰতি সমান ব্যৱহাৰ কৰিব। জীৱক মৰম কৰিব। এয়ে ভৃত্যাচাৰ।

গণাচাৰ : শিৱনিন্দকৰ ওপৰত প্ৰতিশোধ লব।

অষ্টাবৰণধাৰণ : এই আঠোটাক অষ্ট আৱৰণ বা বৰ্ম বুলি কোৱা হয়:— ১। গুৰু ২। লিঙ্গ ৩। জঙ্গম ৪। পাদোদক ৫। প্ৰসাদ ৬। ভস্ম ৭। ৰুদ্ৰাক্ষ আৰু ৮। মন্ত্ৰ।

গুৰু : গুৰুৱেই প্ৰথম বৰ্ম। গুৰু শিৱতুল্য, গুৰুক শ্ৰদ্ধা-ভক্তি জনাব।

লিঙ্গ : ওপজাৰ লগে লগে গুৰুৱে শিশুক লিঙ্গ দিয়ে; মৃত্যুলৈকে আজীৱন ধাৰণ কৰিব; দৈনিক পূজা কৰিব। লিঙ্গ শক্তিশালী দ্বিতীয় বৰ্ম।

জঙ্গম : এই শব্দটোৰ অৰ্থ যিজনাৰ ব্ৰহ্মজ্ঞান প্ৰাণৱন্ত, সদাজাগ্ৰত। এওঁ চৰণ কৰে, প্ৰচাৰ কৰে, বাট প্ৰদৰ্শন কৰে। এওঁ জীৱনমুক্ত।

পাদোদক : গুৰু বা জঙ্গমৰ পদ-জল।

প্ৰসাদ : লিঙ্গপূজাত নিৱেদন কৰা ভোগ-নৈবেদ্য আদি।

গুৰু আৰু জঙ্গমৰ পৰশ, শুভদৃষ্টি বা কামনা, পাদোদক আৰু প্ৰসাদে ভক্তক আধ্যাত্মিক শক্তিসম্পন্ন কৰে। পাদোদক আৰু প্ৰসাদে ভক্তৰ চিদ্ ৰসৰ উদ্ৰেক কৰে।

ভস্ম : অন্তৰৰ মোহ ভস্মসাৎ হৈ গল, তাৰে পৰিচায়ক ভস্মধাৰণ।

ৰুদ্ৰাক্ষ : ৰুদ্ৰাক্ষধাৰণো বিশেষ বৰ্ম।

মন্ত্ৰ: নমঃ শিৱায়, এই পঞ্চ অক্ষৰেই মন্ত্ৰ। শিৱৰ সৈতে ঐক্যলাভৰ যিবিলাক উপায়ৰ কথা কোৱা হল, প্ৰত্যেকটো উপায়েই সহায়ক : কিন্তু শিৱৰ সৈতে ঐক্যলাভ কৰাৰ প্ৰকৃষ্ট উপায় হল ভক্তি। শিৱৰ সৈতে মিলনত ভক্তই অনিৰ্বচনীয় আনন্দ লাভ কৰে; এই অৱস্থাক লিঙ্গাঙ্গ সামৰস্য বুলি কোৱা হয়।

বীৰশৈৱ ধৰ্মত নাৰীৰ স্থান ওখ। নাৰীয়ে পুৰুষৰ সৈতে সমান অধিকাৰ ভোগ কৰে, নাৰীয়েও দীক্ষা লয়। বিধবা বিৱাহ সমাদৃত। বালিকা বিৱাহ নাই। মাহেকীয়া হলেও নাৰী অশুচি নহয়।

বীৰশৈৱ ধৰ্মই এই কেইটা বৈশিষ্ট্যৰ কাৰণে গৌৰৱ কৰিব পাৰে: ১। জাতিভেদ নাই ২। অস্পৃশ্যতা নাই আৰু ৩। সৰল জীৱন যাপন আৰু উৰ্ধমুখী চিন্তন।

### কাশ্মীৰ শৈৱধৰ্ম

শৈৱ ধৰ্মৰ এটা শাখা কাশ্মীৰত উপজিছিল। কাশ্মীৰত ওপজা শাখাটোৰ নাম কাশ্মীৰ শৈৱধৰ্ম বুলি কোৱা হয়। কিন্তু এই ধৰ্ম বহু নামে জনাজাত, যথা ত্ৰিক শাসন, ত্ৰিক শাস্ত্ৰ, ৰহস্য সম্প্ৰদায়, ত্ৰ্যম্বক সম্প্ৰদায়। তিনিৰ সমষ্টিৰ পৰা ত্ৰিক শব্দটো হৈছে। কোন তিনিটা গোট থাই ত্ৰিক হৈছে? বহু ৰকমে তিনি হৈছে, যেনে—সিদ্ধ, নামক আৰু মালিনী; শিৱ শক্তি আৰু অণু; পৰা, অপৰা আৰু পৰাৎপৰা; ভেদ, অভেদ আৰু ভেদাভেদ। কাশ্মীৰ শৈৱধৰ্মৰ দুটা শাখা, স্পন্দ আৰু প্ৰত্যভিজ্ঞা। এই ধৰ্মৰ দৰ্শনক স্বাতন্ত্ৰ্য, স্বাতন্ত্ৰ্যবাদ, স্পন্দ আৰু আভাসবাদ বুলি কোৱা হয়।

সাহিত্য ॥ বসুগুপ্ত (৮ম শতিকা)ৰ শিৱ সূত্ৰ



আৰু সোমানন্দ (৯ম শতিকা)ৰ শিৱদৃষ্টি এই ধৰ্মৰ প্ৰধান সাহিত্য। এওঁলোক দুজনেই এই ধৰ্মৰ পাতনি মেলে।

দৰ্শন ॥ এই ধৰ্মই পৰমব্ৰহ্মক অনুত্তৰ, চিৎ, চৈতন্য, পূৰ্ণসংৱিদ, শিৱ, পৰমশিৱ, পৰমেশ্বৰ আৰু অন্যান্য নাম দিছে। শিৱই পৰমব্ৰহ্ম, শিৱই একমাত্ৰ পৰম সত্য, সৰ্বজ্ঞ, শাশ্বত, নিৰাকাৰ। শিৱৰ এইটো বিশেষত্ব যে, তেওঁ সম্পূৰ্ণ স্বচ্ছন্দ। শিৱই অহম্ (মই), শিৱই ইদম্ (এইটো); শিৱই গ্ৰাহক, শিৱই গ্ৰাহ্য; শিৱই ভোক্তা, শিৱই ভোগ্য।

সৃষ্টি ॥ শিৱ চিৎ : চিৎৰূপী শিৱৰ ইচ্ছাত জগৎ-সমষ্টি ওপজে আৰু চিৎৰূপী শিৱতে অৱস্থান কৰে। অন্য দৰ্শনে প্ৰকৃতিৰ পৰা সৃষ্টি ওপজে বুলি কয়; ত্ৰিক দৰ্শনে জগৎসৃষ্টিৰ কাৰণে প্ৰকৃতিৰ প্ৰয়োজন স্বীকাৰ নকৰে। শিৱই নিজ ইচ্ছাৰে জগৎ সৃষ্টি কৰে। শিৱই নিজ শক্তিৰে আত্মাৰূপে প্ৰকাশ পায় আৰু আত্মাৰ ভোগৰ কাৰণে জগৎ সৃষ্টি কৰে। শিৱই একমাত্ৰ পৰমাত্মন আৰু বিশ্বজগতৰ একমাত্ৰ অধিকৰণ। শিৱৰ স্পন্দই (স্পন্দনে) ই সৃষ্টি। সেই কাৰণে এই দৰ্শনৰ নাম স্পন্দবাদ।

শক্তি ॥ সৃষ্টি শিৱৰ আত্মপ্ৰকাশ। শিৱৰ ব্যক্ত ৰূপৰ নাম শক্তি। শিৱ আৰু শক্তি বিভিন্ন নহয়; পৰম শিৱৰ দুটা ৰূপ; এটা ৰূপ শিৱ আৰু আনটো শক্তি। শক্তি শিৱৰ সৈতে অভিন্না; জুইৰ লগত জুইৰ দাহিকা শক্তিৰ যি সম্বন্ধ, শিৱৰ সৈতে শক্তিৰ সেই সম্বন্ধ। যদি শিৱক সম্পূৰ্ণৰূপে সৰ্বাতিৰিক্ত বুলি ধৰা হয়, তেতিয়া শিৱক সাৰসুৰহীন শৱ বুলি কব লাগিব; বাস্তৱতে শিৱ আৰু শক্তিৰ মাজত সামৰস্য (equilibrium) আছে; সেই কাৰণে শিৱ শক্তিৰ অখণ্ডতাক পৰমশিৱ বুলি কোৱা হয়। শক্তিয়েই শিৱৰ হৃদয়, শিৱৰ সাৰ। শক্তি শিৱৰ ধৰ্ম। দুয়োৰে মাজত তাদাত্ম্য বিৰাজ কৰিছে।

শক্তিৰ এই পাঁচোটা ৰূপ আছে : চিৎ, আনন্দ, ইচ্ছা, জ্ঞান আৰু ক্ৰিয়া। চিৎ=আত্মবোধ শক্তি। আনন্দ=বাহিৰা একোৰে ওপৰত নিৰ্ভৰ নকৰি নিজৰ আত্মাক লৈ পূৰ্ণানন্দ ভোগ কৰিব পৰা শক্তি। ইচ্ছা=শিৱই যি শক্তিৰে নিজৰ পৰাই বিশ্বচৰাচৰ ব্যক্ত কৰে, সেইটো শক্তি ইচ্ছা শক্তি। জ্ঞান=সৃষ্টি কৰাৰ আগতে সৃষ্ট বস্তুৰ কোনটোৰ লগত কোনটোৰ কেনেকুৱা সম্বন্ধ হব সেইটো ঠিক কৰি লব লাগিব। ঘড়ী এটাৰ কোনটো অংশই কাৰ সৈতে কেনেকৈ যোগাযোগ ৰাখিব সেইটো আগতে স্থিৰ কৰি নললে ঘড়ী এটা তৈয়াৰ কৰিব পৰা নাযাব, আগতে স্থিৰ কৰি লব লাগিব। যিটো শক্তিয়ে এই সম্বন্ধ স্থাপন কৰে সেইটো জ্ঞান শক্তি। ক্ৰিয়া=যি কোনো ৰূপ ধাৰণ কৰিব পৰা শক্তিৰ নাম ক্ৰিয়া শক্তি।

শক্তিক স্বাতন্ত্ৰ্য বুলিও কোৱা হয়, কিয়নো শক্তি কাৰো ওপৰত নিৰ্ভৰশীল নহয়। শক্তিয়েই বিমৰ্শ; বিমৰ্শ মানে স্পন্দন। স্পন্দনৰ পৰা সৃষ্টি হয়। সৃষ্টিত দুটা বস্তু থাকিব লাগিব, অহম্ আৰু ইদম্, গ্ৰাহক আৰু গ্ৰাহ্য, ভোক্তা আৰু ভোগ্য। সেই কাৰণে সৃষ্টিৰ আগত অহম্ (মই)ৰ ভাৱ উপজিব লাগিব। অহং ভাৱ কেনেকৈ ওপজে? শক্তিক এখন দাপোণ বুলি ধৰক। যেতিয়া শিৱৰ নিজ বিম্ব শক্তিৰূপ দাপোণৰ ওপৰত পৰে, তেতিয়া পৰম শিৱৰ হৃদয়ত 'অহম্' (মই) ভাৱৰ উদয় হয়, ইয়াৰ নাম "অহন বিমৰ্শ"। এইটোক মূল বিম্ব বুলি কোৱা হয়, বিশ্বৰ সকলোবিলাক বস্তু প্ৰতিবিম্ব আৰু আভাস মাত্ৰ। সেই কাৰণে এই দৰ্শনক আভাস-বাদ বুলি কোৱা হয়। এই দৰ্শনৰ মতে বিশ্বখন গ্ৰাহক আৰু গ্ৰাহ্যৰে গঠিত হৈছে। সকলো গ্ৰাহক মূল গ্ৰাহক "অহং-বিমৰ্শ" বিম্বৰ প্ৰতিবিম্ব মাত্ৰ। গ্ৰাহক আছে দেখিয়েই গ্ৰাহ্যৰ অস্তিত্ব সাৰ্থক হৈছে। গ্ৰাহকৰ ভোগৰ কাৰণে গ্ৰাহ্য সামগ্ৰী। জীৱাত্মাই গ্ৰাহক আৰু পৰিদৃশ্যমান জগৎ জীৱাত্মাৰ ভোগ্য সামগ্ৰী।

জগতৰ উপাদান আৰু নিমিত্ত কাৰণ কি? ওপৰত কোৱা হৈছে যে, শিৱৰ নিজ বিম্ব যেতিয়া শক্তিৰূপ

দ যত পৰে তেতিয়া "অহম্" ভাৱ ওপজে ; ইয়াৰ পৰাই জগৎ ব্যক্ত হবলৈ ধৰে। যিহেতুকে শিৱৰ বাহিৰে বা শিৱৰ অতিৰিক্ত একো থাকিব নোৱাৰে, জগতৰ উপাদান আৰু নিমিত্ত কাৰণ শিৱৰ বাহিৰে একো থাকিব নোৱাৰে, সেই কাৰণে আমি কওঁ 'যত্ত জীৱ তত্ত শিৱ'। জগৎ যিবিলাক উপাদানেৰে ব্যক্ত হৈছে, সেইবিলাকক তত্ত্ব বুলি কোৱা হয়। ত্ৰিক দৰ্শনত ৩৬টা তত্ত্ব আছে। আচলতে শিৱৰ আত্ম-প্ৰকাশেই সৃষ্টি। ফুল যেনেকৈ ফুলে, তেনেকৈ সৃষ্টিৰ উন্মেষ হয়, ফুলৰ পাপৰি জাপ খালে যেনেকৈ মুকুল হয়, তেনেকৈয়ে প্ৰলয়ত জগতৰ নিমেষ হয়।

শিৱৰ অণুত্ব।। "শিৱৰ ক্ৰিয়া পাঁচোটা, তিৰোধান, সৃষ্টি, স্থিতি, সংহাৰ আৰু অনুগ্ৰহ। শিৱ অসীম, সীমাৰ মাজত বান্ধ নাখালে সৃষ্টি হব নোৱাৰে ; সেই কাৰণে শিৱ সসীম হৈছে ; শিৱৰ এই কৃত্যৰ নাম তিৰোধান বা সংকোচ। উন্মেষ শিৱৰ তিৰোধান। শিৱৰ এই সসীম আৰু সংকুচিত হব পৰা শক্তিক শিৱৰ অণুত্ব বুলি কোৱা হয়। ইয়াৰ পিচত সৃষ্টিৰ আৰম্ভ হয়।

সৃষ্টিৰ ক্ৰমবিকাশ।। সৃষ্টিৰ কাৰণে শিৱ আকৌ সংকুচিত হয় ; শিৱৰ দ্বিতীয় সংকোচক পুৰুষ বুলি কোৱা হয়। পুৰুষৰূপে শিৱ পঞ্চবিধ সীমিতত্বেৰে সীমিত হয় ; শিৱ কাল আৰু দিক্ (time and space) দ্বাৰা সীমিত হয়, শিৱৰ জ্ঞান, কৰ্তৃত্ব আৰু ভোগো সীমিত হয়। শিৱই পুৰুষৰূপে সংকুচিত হোৱাৰ পিচৰ পৰা অহম্ আৰু ইদম্ অৰ্থাৎ গ্ৰাহক আৰু গ্ৰাহ্যৰ ক্ৰমবিকাশ হবলৈ ধৰে। ক্ৰমবিকাশৰ প্ৰথম মূল তত্ত্ব এই পাঁচোটা : শিৱতত্ত্ব, শক্তিতত্ত্ব, সদাশিৱতত্ত্ব, ঈশ্বৰতত্ত্ব আৰু সদ্ বা শুদ্ধ বিদ্যা।

শিৱতত্ত্ব : শিৱৰ প্ৰথম স্পন্দ বা স্পন্দনৰ নাম শিৱতত্ত্ব। এই তত্ত্বত অহম্ আৰু ইদম্ একীভূত হৈ থাকে। এইটো অব্যক্ত অৱস্থা। ইয়াত চিৎশক্তিৰ প্ৰাধান্য বেছি।

শক্তি তত্ত্ব : অহম্ অস্মি, মই ; এই অৱস্থাত ইদং ওপজা নাই। এই তত্ত্ব সকলো ভাৱৰ বীজভূমি। এইটো শূন্য বা মহাশূন্য অৱস্থা কিয়নো এই অৱস্থাত একো নোপজে। ইয়াত আনন্দ শক্তিৰ প্ৰাধান্য বেছি।

সদাশিৱ তত্ত্ব : ইয়াত ইদম্ অৰ্থাৎ গ্ৰাহ্যৰ আবিৰ্ভাৱ ঘটে। ইয়াত ইচ্ছাশক্তিৰ প্ৰাধান্য বেছি কিয়নো ইয়াত শিৱই শক্তিতত্ত্ব উদ্ভূত মহাশূন্য পূৰ্ণ কৰাৰ কাৰণে সৃষ্টি কৰিবলৈ ইচ্ছা কৰে।

ঈশ্বৰ তত্ত্ব : ইয়াৎ অহম্ আৰু ইদম্, এই দুয়োৰো তাদাত্ম্য ঘটে। অহম্ ইদম্ময়ে এইটো। ইয়াত জ্ঞান শক্তিৰ প্ৰাধান্য বেছি।

সদ্ বা শুদ্ধ বিদ্যা : ইয়াত অহম্ আৰু ইদম্ অৰ্থাৎ গ্ৰাহক আৰু গ্ৰাহ্যৰ মাজত পাৰ্থক্য ঘটে। অহম্ এটা মেৰুত আৰু ইদম্ আনটো বিপৰীত মেৰুত থাকে। ইয়াত ইচ্ছা শক্তিৰ প্ৰাধান্য বেছি।

অহম্ আৰু ইদম্ (গ্ৰাহক আৰু গ্ৰাহ্যই) দুই মেৰুত ঠাই লোৱাৰ পিচৰ পৰাই সাংখ্য দৰ্শনে বৰ্ণনা কৰা মতে সৃষ্টিৰ ক্ৰমবিকাশ ঘটিবলৈ ধৰে আৰু সৰ্বশেষত অনন্ত বৈচিত্ৰ্যপূৰ্ণ বিশ্বচৰাচৰ বিকশিত হয়।

স্থিতি: এনেকৈয়ে শিৱক অধিকৰণ বা ভেটি হিচাপে লৈ বিশ্ব ব্যক্ত হয়। শিৱ আৰু বিশ্বৰ মাজত পাৰ্থক্য নাই। বিশ্ব শিৱৰ দেহ আৰু শিৱ শিৱৰ আত্মা। শিৱই জগতৰ শাশ্বত স্থিতি, শাশ্বত আশ্ৰয়। ফুলবিলাক যেনেকৈ সূতাত গাঁথা থাকে, শিৱতেই বিশ্বখন গাঁথা আছে।

প্ৰলয়।। আমি প্ৰলয় বুলিলে ধ্বংস বুজোঁ। আচলতে প্ৰলয়ত একেবাৰে ধ্বংস নহয়। আগতে কোৱা হৈছে যে, অহম্ যেতিয়া এটা মেৰুলৈ আৰু ইদম্ বিপৰীত মেৰুলৈ যায় তেতিয়া পূৰ্ণ বেগেৰে সৃষ্টিৰ ক্ৰমবিকাশ ঘটে। যেতিয়া প্ৰলয় আহে তেতিয়া অহং জ্ঞানে ইদং জ্ঞানক আত্মসাৎ কৰে ; আত্মা শিৱত্বলৈ উভতি যায় আৰু সৰ্বশেষত অব্যক্তত লীন হয়। ইয়াকেই প্ৰলয় বা নিমেষ বা সংহাৰ বুলি কোৱা হয়। শিৱৰ অব্যক্ত অৱস্থালৈ প্ৰত্যাবৰ্তনেই প্ৰলয়।



অনুগ্ৰহ।। জীৱাত্মাই যেতিয়া ইদম্ জ্ঞানক আত্মসাৎ কৰিব পাৰিব তেতিয়া জীৱাত্মায়ো অব্যক্ত অৱস্থালৈ উভতি যাব পাৰিব, অৰ্থাৎ মুক্তি লাভ কৰিব। আত্মাই কেনেকৈ ইদম জ্ঞানক আত্মসাৎ কৰিব পাৰিব ?

পৰম শিৱই একমাত্ৰ সত্য, এইটো জ্ঞান-প্ৰত্যভিজ্ঞা যেতিয়া জীৱাত্মা লাভ কৰিব তেতিয়াই আত্মাই ইদম্ জ্ঞানক আত্মাসাৎ কৰিব পাৰিব আৰু আত্মাই মুক্তি লাভ কৰিব। সেই কাৰণে ত্ৰিক দৰ্শনক প্ৰত্যভিজ্ঞা দৰ্শন বুলি কোৱা হয়। আত্মা নিজেই চিৎ, নিজেই শিৱ। তেতিয়া আত্মাই স্বৰূপ চিনি পায়, নিজকে শিৱ বুলি উপলব্ধি কৰে, যেতিয়াই আত্মাই মুক্তি লাভ কৰে। জীৱাত্মা আৰু বিশ্বাত্মা একে। ত্ৰিক দৰ্শনে আত্মা বহু বুলি স্বীকাৰ নকৰে।

আত্মাই কেনেকৈ নিজকে শিৱ বুলি চিনি পাব ? স্পন্দ শাস্ত্ৰই কয়, ঐকান্তিক যোগ-সাধনৰ জৰিয়তে আত্মাই নিজকে শিৱ বুলি উপলব্ধি কৰে।

সবাতোকৈ ডাঙৰ কথা, শিৱৰ অনুগ্ৰহ লাগে। শিৱই আত্মাক অনুগ্ৰহ দান কৰিবলৈ ব্যাকুল হৈ আছে। যেতিয়া ই আত্মাৰ শিৱৰ অনুগ্ৰহ লাভ কৰাৰ সময় আহে, তেতিয়াই শিৱই অনুগ্ৰহ উবুৰিয়াই দিয়ে। তেতিয়া আত্মাই মুক্তিলাভ কৰে, অৰ্থাৎ শিৱৰ সৈতে একত্ব অনুভৱ কৰে। শিৱৰ অনুগ্ৰহ অৱতৰণক শক্তিপাৎ বুলি কোৱা হয়। বিশ্বখন শিৱৰ ক্ৰীড়া, লীলা। শিৱই শিশ্ব অনুগ্ৰহ বৰ্ষণ কৰিয়েই আনন্দ পায় ; ইয়ে শিৱৰ লীলা। শিৱই পৰম সত্য, শিৱৰ অনুগ্ৰহেই পৰম সাৰ।

## শিৱবিশিষ্টাদ্বৈত ধৰ্ম

শ্ৰীকণ্ঠই শিৱাবিশিষ্টাদ্বৈত ধৰ্ম প্ৰৱৰ্তন কৰে। তেওঁ ১২শ শতিকাৰ লোক বুলি অনুমান কৰা হয়। তেওঁ অদ্বৈতবাদৰ পক্ষপাতী। তেওঁৰ মূল শিক্ষা এইখিনি।

শিৱই পৰম ব্ৰহ্ম। শিৱৰ কাম পাঁচোটা, সৃষ্টি, স্থিতি, সংহাৰ, তিৰোভাৱ আৰু অনুগ্ৰহ। শিৱই নিজ শক্তিৰ জৰিয়তে জগৎ ব্যক্ত কৰে, শিৱ কিন্তু বিশ্বাকাৰ আৰু বিশ্বাধিক। পৰাশক্তি শিৱৰে ৰূপ-ভেদ মাত্ৰ ; ইচ্ছা, জ্ঞান আৰু ক্ৰিয়া পৰাশক্তিৰ বিভিন্ন প্ৰকাশ। শিৱই ইচ্ছা-শক্তিৰ জৰিয়তে ইচ্ছা কৰে, 'মই বহু হম' জ্ঞানশক্তিৰ জৰিয়তে সৃষ্টি কেনেকৈ কৰিব পাৰি তাৰ উপায় চিন্তা কৰে আৰু ক্ৰিয়াশক্তিৰে বিশ্বচৰাচৰ ব্যক্ত কৰে। ঘট আৰু মাটিৰ মাজত যেনেকৈ পাৰ্থক্য নাই, তেনেকৈ বিশ্ব আৰু শিৱৰ মাজত পাৰ্থক্য নাই। কিন্তু বিশ্বই শিৱ নহয়, কিয়নো শিৱ চিৎ, বিশ্ব অচিৎ।

শিৱই কিয় সৃষ্টি কৰে ? আত্মাক মুক্তি দিবলৈ সৃষ্টি কৰে। আত্মা বদ্ধ ; কিয়নো আত্মা মলযুক্ত। কৰ্ম কৰি থাকোঁতে আত্মা মলমুক্ত আৰু মুক্ত পোৱাৰ উপযুক্ত হয়। আত্মস্বৰূপলাভৰ জৰিয়তে মুক্তি পোৱা যায়। কিন্তু যেতিয়ালৈকে সুখ-দুখ উপভোগৰ জৰিয়তে কৰ্ম শেষ নহয় তেতিয়ালৈকে মুক্তি নাহে। শিৱ কৰুণাময়, শিৱই সকলোৰে মুক্তি কামনা কৰে। মুক্তিৰ প্ৰকৃষ্ট উপায় প্ৰভু শিৱৰ ধ্যান। জীৱাত্মাই শিৱৰ ধ্যান কৰোঁতে কৰোঁতে নিজৰ ক্ষুদ্ৰকোষৰ পৰা মুক্ত হৈ অসীম আকাশলৈ উঠে। তেতিয়া শিৱই ভক্তক নিজ অনুগ্ৰহ ঢালি দিয়ে আৰু ভক্তই শিৱসাক্ষাৎকাৰ লাভ কৰে আৰু মুক্তিলাভ কৰে। জীৱাত্মাই মুক্তিলাভ কৰিলে শিৱতুল্য হয়, পূৰ্ণানন্দ ভোগ কৰে, জগৎখন শিৱৰ অংশ যেন দেখে আৰু সৰ্বশেষত শিৱত্ব লাভ কৰে।

# হিন্দী সাহিত্যৰ ধাৰা

শ্ৰীমতী মৃন্ময়ী দত্ত

হিন্দী সাহিত্যৰ জন্ম হয় প্ৰায় ৮শ শতিকাত। পিছৰ ১০ম শতিকালৈকে আমি যি ভাষাৰ সাহিত্য পাইছোঁহক, তাত হিন্দী ভাষাৰ স্পষ্ট ৰূপ পোৱা নাযায়। সেইবাবে হিন্দী সাহিত্যৰ ভালেমান বুৰঞ্জী লিখকে হিন্দী সাহিত্যৰ জন্ম ১০ম শতিকাত হয় বুলি ধৰিছে।

এই দহ-এঘাৰ শ বছৰৰ ভিতৰত বহুত বেছি পৰিমাণে সুন্দৰ সাহিত্য ৰচনা হয়। সময়ে সময়ে পৰৱৰ্তী সাহিত্যৰ ধাৰা সলনি হৈ গৈছে। আৰু এনে গ্ৰন্থ ৰচিত হৈছে যি ভিন ভিন যুগৰ প্ৰতিনিধি-স্বৰূপে গণ্য হৈ আহিছে।

হিন্দী সাহিত্যৰ আদি যুগক "বীৰ গাথা কাল" বোলা হয়। এই কালচোৱাত থনচেৰেক বীৰকাব্য ৰচিত হৈছে য'ত "খুমান ৰাসো", "বিসলদেৱ ৰাসো", "হম্মীৰ ৰাসো", "বিজয়পাল ৰাসো" আৰু "পৃথ্বীৰাজ ৰাসো" আদি কাব্য বিখ্যাত। এই কাব্যসমূহত বেছি ভাগ কোনো ডাঙৰ ৰজাৰ বীৰত্বৰ কাহিনী আৰু যুদ্ধৰ বৰ্ণনা আছে।

"পৃথ্বীৰাজ ৰাসো" হিন্দী ভাষাৰ প্ৰথম মহাকাব্য হিচাপে ধৰা হয়। ইয়াৰ কবি আছিল চন্দ বৰদাই। তেওঁ মহাৰাজ পৃথ্বীৰাজৰ ৰাজকবি আৰু সেনাপতি আছিল। এই মহাকাব্য ১২শ শতিকাৰ বুলি ঠাৱৰ কৰিব পাৰি। ইয়াৰ ভাষা পুৰণি হিন্দী।

সেই সময়ত ভাৰতবৰ্ষ সৰু সৰু ৰাজ্যবোৰত বিভক্ত আছিল। ৰজাই আজৰি সময়ত যুদ্ধ কৰিছিল। যুদ্ধৰ কোনো কাৰণ আছিল। কেতিয়াবা ৰাজ্য বিস্তাৰৰ বাবে কোনো ৰজাই আন ৰজাৰ সৈতে যুদ্ধ কৰিছিল। কেতিয়াবা ৰাজকুমাৰীৰ লগত বিবাহৰ কাৰণে যুদ্ধ কৰিব লাগিছিল আৰু কেতিয়াবা হৈছিল।

এফালে নিজৰ ভিতৰতে বিৰোধ আৰু অনেকালে বিদেশীৰ সৈতে যুদ্ধ কৰিবলগীয়া হৈছিল। ১২শ শতিকাত আজমীৰত পৃথ্বীৰাজ চৌহানে ৰাজত্ব কৰিছিল। দিল্লীৰ ৰাজ্য তেওঁৰ ককাদেউতাকৰ ৰাজ্যৰ লগত চামিল হৈছিল। সেইবাবে তেওঁৰ ৰাজ্যৰ কলেবৰ বহুত বাঢ়িছিল। কনৌজৰ ৰজা জয়চন্দ্ৰৰ জীয়েক সংযুক্তাৰ লগত তেওঁৰ বিবাহ হৈছিল। কিন্তু এই বিবাহ জয়চন্দ্ৰৰ ইচ্ছাৰ বিৰুদ্ধে হৈছিল। পৃথ্বীৰাজে সংযুক্তাক হৰণ কৰি নিছিল।

পৃথ্বীৰাজ চৌহানৰ ৰাজত্ব কালত মহম্মদ ঘোৰীয়ে কেবাবাৰো ভাৰত আক্ৰমণ কৰিছিল। এই যুদ্ধত তেওঁ প্ৰাণপণে যুঁজিছিল। শেষত তেওঁ হাৰে আৰু চন্দবৰদাইৰ মতে তেওঁক ঘোৰীয়ে বন্দী কৰি লৈ যায়।

চন্দই 'পৃথ্বীৰাজ ৰাসো'ত মহাৰাজ পৃথ্বীৰাজৰ কাহিনী লিখিছে। সংযুক্তাৰ বিবাহ আৰু ঘোৰীৰ লগত যুদ্ধ-বিগ্ৰহৰ সুন্দৰ বৰ্ণনা এই গ্ৰন্থত পোৱা যায় আৰু সেই সময়ৰ ৰজাসকলৰ জীৱনৰ দৰ্শন লাভ হয়। 'পৃথ্বীৰাজ ৰাসো' পঢ়িলে ৰাজপুতসকল বৰ সাহসী বীৰ আৰু সন্মানী পুৰুষ আছিল বুলি জানিব পাৰি। কিন্তু সিসকলে নিজৰ ভিতৰত শত্ৰুতা আচৰণ কৰিছিল। এনে শত্ৰুতাৰ কাৰণে দেশৰ বহুত ক্ষতি হৈছিল।

পদ্মাৱত :

লাহে লাহে ভাৰতত মুছলমান বাদশাহৰ ৰাজত্ব আৰম্ভ হ'ল। সমগ্ৰ উত্তৰ ভাৰত তেওঁলোকৰ হাতলৈ আহিল। দক্ষিণ ভাৰতৰ কিছুমান ঠাই তেওঁলোকৰ অধিকাৰভুক্ত হ'ল। এইদৰে এক নতুন সভ্যতাৰ লগত ভাৰতবাসীৰ পৰিচয় ঘটিল।

মুছলমান জাতিৰ চুফী সন্তসকল বৰ উদাৰ নীতিৰ লোক আছিল। সিসকলে প্ৰেমেই ঈশ্বৰ প্ৰাপ্তিৰ পথ বুলি কৈছিল। সিসকলে মানৱ সমাজত চিৰ-প্ৰচলিত লোক কথা কবিতা আকাৰে লিখিছে। কোনো প্ৰেমিকা-প্ৰেমিকাৰ কাহিনীৰ সহায়ত তেওঁ-লোকে ভগৱৎ প্ৰেমৰ কথা বৰ্ণাইছে। সাহিত্যৰ এই শাখা 'প্ৰেমকাব্য' নামে জনাজাত। এই পৰম্পৰাত ভালেমান সাহিত্য ৰচিত হৈছে, যেনে—'মধুমালতী', 'মৃগাৱতী', 'ঢোলা', 'মারু', 'হীৰ' আৰু 'ৰাংঝা' আদিৰ কাহিনী আজিও বৰ আগ্ৰহেৰে শুনা হয়।

প্ৰেমকাব্যৰ ধাৰাৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ 'পদ্মাৱত'। ইয়াক চুফী কবি মালিক মোহম্মদ জায়সীয়ে ৰচনা কৰিছিল। চুফী কবিসকলৰ মাজত 'কুতবন', 'মঞ্জন' আৰু 'উস্মান' আদি গ্ৰন্থ পোৱা যায়। কিন্তু এই সন্তসকলৰ ভিতৰত ১৬শ শতিকাৰ মালিক মোহম্মদ জায়সীয়ে বিশিষ্ট স্থান অধিকাৰ কৰিছে। পদ্মাৱত হিন্দী ভাষাৰ বিশুদ্ধ গ্ৰন্থ। ইয়াৰ ভাষা অৱধী। লক্ষ্ণৌৰ মাজত আৰু বহি অঞ্চলত এই ভাষা ব্যৱহাৰ হয়। "পদ্মাৱত"ত চিতোৰৰ ৰাণী পদ্মিনীৰ গল্পকবিতা আকাৰে ৰচিত হৈছে। জায়সীৰ কাহিনী ইতিহাসত সম্পূৰ্ণ পোৱা নাযায়। এই গল্পৰ সহায়ত তেওঁৰ চুফীমতৰ প্ৰেম বুজাইছে। তেওঁ কল্পনাৰ যোগেদি গল্পসমূহ নিজৰ ঠাচত ৰচনা কৰিছে। ইয়াত পদ্মিনীৰ ৰূপৰ গুণ, প্ৰেমৰ বেদনা, বিয়োগ-বেদনা আদিৰ কথা সুন্দৰকৈ বৰ্ণনা কৰা হৈছে। যেনেকৈ প্ৰেমিকে প্ৰেমিকাক পাবলৈ উত্ৰাৱল হৈ থাকে, তেনেকৈ জীৱই ঈশ্বৰক লাভ কৰিবলৈ উত্ৰাৱল হয়; সেই কথাকে জায়সীয়ে এই গল্পৰ সহায়ত দাঙি ধৰিছে।

জায়সীৰ পূৰ্বে আমীৰ খুস্ৰোই হিন্দীভাষা সজাই-পৰাই তোলাত যথেষ্ট সহায় কৰিছে। তেওঁৰ 'মুকৰিয়া' (গূঢ় কবিতা) আৰু 'পহেলিয়া' (গূঢ় প্ৰশ্ন) আজিও মনোৰঞ্জন সাধনৰ হৈ আছে। 'খড়ীবোলী' নামক হিন্দী ভাষাৰ যি ৰূপ আমি দেখিবলৈ পাওঁ, তাৰ প্ৰথম প্ৰকাশ আমি আমীৰ খুস্ৰোৰ কবিতাত পাওঁহক। জায়সী আৰু খুস্ৰোৰ নিচিনা কবীৰেও হিন্দু-মুছলমানৰ ভিতৰত ভেদভাৱ নাৰাখিছিল। কবীৰক বহুত সন্ত কবিয়ে সন্মান কৰে। ভক্ত কবীৰ আৰম্ভৰ, জাতিৰ উচ্চ-নীচ, ভেদা-ভেদ ভাৱৰ বিৰোধী আছিল, একতা আৰু মিলা-প্ৰীতিৰ শিক্ষা দিছিল। তেওঁ কৈছিল, যেনেকৈ এটা হাতীৰ দুটা নাম তেনেকৈ হিন্দুৰ ভগৱান আৰু মুছলমানৰ আল্লা একেই। যি সকলো বস্তুতে ব্যাপ্ত হৈ আছে, সেই শক্তিৰ কোনো ৰূপ অথবা ৰং নাই। তেওঁ কোৱা কথাবোৰ পদ বা দোহাত কৈছিল। তেওঁৰ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ "কবীৰ বীজক" নামে খ্যাত। যিসময়ত এফালে চুফী সন্তই নিজৰ প্ৰেমৰ বাণী শুনাইছিল, সেই সময়ত আন ফালে বৈষ্ণৱ ধৰ্ময়ো বিয়পি পৰি সকলোকে প্ৰেমৰ দোলেৰে বান্ধিবলৈ প্ৰয়াস কৰিছিল।

জাতি পাঁতি পুছেন কোয়,
হৰিকো ভজে সো হৰিকো হোয়।

এয়ে আছিল বৈষ্ণৱ ধৰ্মৰ মত। বৈষ্ণৱসকলে সকলো ভক্তক সমান চকুৰে চাইছিল; জাতপাতৰ

ভেদভাৱ পাহৰি বৈষ্ণৱ ধৰ্মত ব্ৰাহ্মণ আৰু শূদ্ৰই উভয়ে সিহঁতৰ লগত মিলি গৈছিল। বৈষ্ণৱ সাধুসকলৰ ভিতৰত গোস্বামী তুলসীদাস আৰু সুৰদাস ব্ৰাহ্মণ আছিল। কিন্তু নামদেৱ, ৰেইদাস আৰু দাদু নীচ জাতিৰ আছিল। বৈষ্ণৱ সাধু কবিসকলৰ ভিতৰত যিসকলে ভগৱানক অৱতাৰ বুলি নকয়, সিসকলে নিৰ্গুণ পৰমেশ্বৰক মানিছিল। পিছৰ কালত কবিয়ে ভগৱানৰ অৱতাৰৰ বৰ্ণনা কৰে। শ্ৰীৰাম আৰু শ্ৰীকৃষ্ণ দুই মুখ্য অৱতাৰস্বৰূপে মানে। কিছুমান কবিয়ে ৰামৰ গুণ গায় আৰু কিছুমানে কৃষ্ণৰ গুণ গায়।

## ৰামচৰিত মানস :

ৰামৰ গুণ গোৱাসকলৰ ভিতৰত তুলসীদাস সৰ্বশ্ৰেষ্ঠ। তেওঁৰ 'ৰামচৰিত মানস' যাক ৰামায়ণ বুলি কোৱা হয় অৱধী ভাষাত ৰচনা কৰা হিন্দীৰ সৰ্বশ্ৰেষ্ঠ মহাকাব্য। ই শ্ৰেষ্ঠ গ্ৰন্থ হিচাপে পৃথিৱীত পৰিগণিত হৈছে। হিন্দী জনাসকলৰ ভিতৰত ৰামায়ণৰ সমান আদৰ কোনো গ্ৰন্থই নাপায়। এনে কোনো হিন্দী জনা লোক নাই যিবিলাকে ৰামায়ণৰ অলপ নহয় অলপ পদ নাজানে। ৰামায়ণত শ্ৰীৰামচন্দ্ৰৰ অৱতাৰৰ কথা অতি ৰসালভাৱে লিপিবদ্ধ কৰা হৈছে। কাহিনীৰ লগে লগে মানুহ বা কৰ্মৰ উপদেশ দিয়া হৈছে। গাৰ্হস্থ্য ধৰ্মৰ এনেকুৱা উপদেশ কতো পোৱা নাযায়। ভাতৃৰ লগত ভাতৃৰ কেনে সম্বন্ধ, পতি-পত্নীৰ লগত কেনে ব্যৱহাৰ হ'ব লাগে, পিতা-পুত্ৰৰ কৰ্তব্য কি—এই সকলো কথা সুন্দৰভাৱে লিখা আছে। ৰামায়ণ জ্ঞানৰ ভাণ্ডাৰ। ইয়াত জীৱনৰ সকলো কথাৰ সাৰতত্ত্ব নিহিত আছে। সেইবাবে আজিও মানুহে ঘৰে ঘৰে ৰামায়ণৰ পূজা কৰে আৰু গাৱেঁ গাৱেঁ মানুহে ৰামায়ণৰ বচন শুনে। গোস্বামী কেনে শ্ৰেষ্ঠ কবি আছিল, তাক ৰহিমৰ দোহাৰ পৰা বুজিব পাৰি।

সুৰতিয়, নৰতিয়, নাগতিয় সব চাহে।
গোদলিয়ে হুলসী ফিৰে, তুলসী সো সুত হোয় ॥

## সুৰ সাগৰ :

তুলসীদাসে ভগৱান ৰামচন্দ্ৰৰ ৰচিত গায় আৰু সুৰদাসে ভগৱান শ্ৰীকৃষ্ণৰ চৰিত গায়। কিন্তু সুৰদাসে শ্ৰীকৃষ্ণৰ সম্পূৰ্ণ জীৱনৰ কাহিনী কোৱা নাই। তেওঁ আছিল শ্ৰীকৃষ্ণৰ বালকৰূপৰ ভক্ত। সেয়ে তেওঁ শ্ৰীকৃষ্ণৰ বাল্য-লীলা আৰু গোপীসকলৰ প্ৰেম আৰু বিৰহৰ পদ ৰচনা কৰিছে। তেওঁৰ এই গীতবোৰ ইমান ৰসাল আছিল যে এই কথাৰ ব্যাখ্যানত গোসাইদেৱ সুৰদাসতকৈ আগবঢ়া নাছিল। মথুৰাৰ ওচৰৰ গীত-পদ জনা লোকসকলৰ মানত ব্ৰজভাষাত ৰচিত "সুৰ-সাগৰ" ভক্তি আৰু প্ৰেমৰ সুমিষ্ট ক্ষীৰসাগৰ ; ইয়াক পান কৰি মানুহৰ আমনি নালাগে। সুৰদাসৰ পদবোৰে মানুহৰ অন্তৰ কিমান জয় কৰিব পাৰে, তাৰ এইটো এটা প্ৰসিদ্ধ দোহা—

কিধোঁ সুৰ কো সৰ লগ্যো, কিধোঁ সুৰ কী পীৰ,
কিধোঁ সুৰ কো পদ লগ্যো, বেধ্যো সকল সৰীৰ।

এই ভক্তি কালডোখৰত সুৰদাসৰ নিচিনা শ্ৰেষ্ঠ কবি আৰু নাছিল। তেওঁক আজিলৈকে হিন্দী ভাষাভাষী লোকে পাহৰিব পৰা নাই আৰু তেওঁ চিৰকাল অমৰ হৈ থাকিব। বিদ্যাপতি, মীৰাবাই, আব্দুল ৰহিম খানখানা ৰহিম আৰু ৰসখানা এওঁবিলাকো কবিসকলৰ ভিতৰত গণ্য হৈছে। হিন্দু মুছলমান সকলো কবিয়ে এই ভক্তিৰূপী গঙ্গাত ডুব গৈ আছে, আৰু নিজৰ বাণীৰে মানৱ সমাজক সন্তোষ দি আছে।

## বিহাৰী সতসই :

হিন্দী সাহিত্যৰ ওপৰত ভক্তিৰ বহুখিনি প্ৰভাৱ পৰিছে। ১৮শ শতিকাত ৰাধা-কৃষ্ণৰ প্ৰেমৰ ৰূপ সলনি হৈছিল। এতিয়া সংসাৰী প্ৰেমৰ ফালেহে কবিয়ে মনযোগ দিছে। এই সময়ৰ কবিতাত শৃঙ্গাৰ ৰস বিশেষৰূপে পোৱা যায়। নায়িকাৰ সৌন্দৰ্যৰ বৰ্ণনা, নায়কৰ বিৰহত নায়িকাৰ ব্যাকুলতা, নায়ক-নায়িকাৰ মিলন, এই সকলোবিলাক কবিতাৰ বিষয়



বস্তু। আৰু এক কথা হ'ল। সোৱাদ লগাকৈ কথা কোৱাৰ ফালে কবিসকলৰ অধিক মনযোগ হ'ল। এই সময়ৰ প্ৰায়বিলাক সাহিত্য ব্ৰজ ভাষাত ৰচিত হৈছে। ভাষা বহুখিনি মাৰ্জিত আৰু সুললিত। সেই সময়ৰ কবিসকলৰ ভিতৰত বিহাৰী, মতিৰাম, ভূষণ, দেৱ, পদ্মাকৰ, আলম আৰু ঘনানন্দই প্ৰধান।

এই কবিসকলৰ ভিতৰত ভূষণে কেৱল শৃঙ্গাৰ ৰসৰ কবিতাই লিখা নাছিল, তেওঁ শিৱাজীৰ বীৰত্বৰ বিষয়েও বৰ্ণনা কৰিছে। সেই সময়ৰ কবিসকলৰ ভিতৰত বিহাৰীৰ স্থান শ্ৰেষ্ঠ আছিল। তেওঁ কম কথাতে বেছি হৃদয়বিদাৰক ভাব ফুটাই তোলাত খ্যাতি লাভ কৰিছিল। বিহাৰীয়ে সাতশ দোহা লিখিছিল আৰু ইয়াক 'বিহাৰী সতসই' বুলি কোৱা হয়। সাতশ পদ-বিশিষ্ট সত সইৰ দোহা অতি প্ৰসিদ্ধ।

সতসৈয়া কে দোহৰে, জ্যো নাৱক কেতীৰ।
দেখন সে ছোটে লগে, ধাৱ কৰে গম্ভীৰ ॥

বিহাৰীৰ দোহাৰ ভাৱ আৰু অৰ্থ গভীৰ ; যেনেকৈ এখন জাহাজৰ ওচৰত গৈ থিয় হলে তাৰ ভিতৰখন কিমান ডাঙৰ আৰু ভিতৰত কি কি আছে ক'ব নোৱাৰি, কিন্তু তাৰ ভিতৰত সোমালেহে সকলো কথা জানিব পাৰি সেইদৰে বিহাৰীৰ দোহাবিলাকো দেখিবলৈ সৰু হলেও তাত বহুত গূঢ় অৰ্থ সোমাই আছে।

বিহাৰী সতসইত ভক্তি, উপদেশ, চিকিৎসা আদি কিছুমান বিষয় লিখিছে। কিন্তু শৃঙ্গাৰ ৰসৰ দোহাই অধিক। এই দোহাবিলাকত যেন হাতী মাৰি ভুৰুকাত ভৰাইছে। পিছত ভালেমান ডাঙৰ ডাঙৰ কবিয়ে বিহাৰীৰ দোহাৰ ভাৱ লৈ ছন্দ ৰচনা কৰিছে। প্ৰেছ আৰু ছপাকাম দেশত যেতিয়া আৰম্ভ হ'ল, তেতিয়া ভিন ভিন বিষয়ৰ পুথি ওলাবলৈ ধৰিলে। এই সময়লৈকে হিন্দী সাহিত্য বেছিভাগ পদ্যত লিখা হৈছিল। কিন্তু এতিয়া লিখকে গদ্য সাহিত্য ৰচনা আৰম্ভ কৰিছে।

গদ্য সাহিত্যৰ আৰম্ভণিতে হিন্দীৰ নতুনৰূপৰ (যাক "খড়ীবোলী" কোৱা হয়) চেতনা জাগি উঠে।

ইংৰাজ শাসনত ভাৰতৰ শোক লগা অৱস্থা দেখি মানুহ-বিলাকৰ মন স্বাধীনতা আৰু দেশ প্ৰেমৰ চিন্তাত ব্যাকুল হৈছিল। হিন্দী ভাষাৰ কবি আৰু লিখকৰ ওপৰত তাৰ প্ৰভাৱ পৰিল। কবিসকলে প্ৰেম আৰু শৃঙ্গাৰ গীত এৰি দেশৰ দুৰ্দশাৰ ফালে দেশবাসীৰ মনযোগ আকৰ্ষণ কৰিলে।

হিন্দীৰ এই নৱযুগৰ সূচনা হয় ভাৰতেন্দুবাবু হৰিশ্চন্দ্ৰৰ সময়ৰ পৰা। ভাৰতেন্দুবাবু সেই সময়ৰ সৰ্বশ্ৰেষ্ঠ কবি আৰু নাট্যকাৰ আছিল। তেওঁৰ নাটকে হিন্দী সাহিত্যৰ দৃঢ় বুনিয়াদ স্থাপন কৰিছিল বুলি ক'ব পাৰি। তেওঁৰ নাটকত দেশ আৰু সমাজৰ দুৰ্দশাগ্ৰস্ত অৱস্থাৰ পৰিচয় পোৱা যায়। তেওঁৰ সময়তে এনেকুৱা আৰু কেবাগৰাকীও লিখকে মূলবান হিন্দী সাহিত্য ৰচনা কৰিছিল। সিসকলৰ ভিতৰত পণ্ডিত প্ৰতাপ নাৰায়ণ মিশ্ৰ, বালকৃষ্ণ ভট্ট আদিৰ নাম প্ৰসিদ্ধ। এই যুগৰ লিখকসকলে হিন্দীভাষাৰ ভালেখিনি উন্নতি সাধন কৰিছে।

এই শৃঙ্গাৰ যুগ পাৰ হওঁ নৌ-হওঁতেই ইতিহাসৰ পৰিৱৰ্তন হৈছে। আমাৰ দেশত ইংৰাজৰ শাসন আৰম্ভ হ'ল। এতিয়া কবি আৰু লিখকসকলৰ ধ্যান-ধাৰণা নায়ক-নায়িকাৰূপৰ পৰা দেশৰ অৱস্থালৈ আহিল। ১৯০০ শতিকাৰ শেষত ভাৰতেন্দু হৰিশ্চন্দ্ৰই ভাৰতৰ দুৰ্দশাৰ ফালে সকলোৰে মন আকৰ্ষণ কৰিলে পোন প্ৰথমে তেওঁ নাটকৰ যোগেদিয়ে দেশপ্ৰেমৰ ধ্বনি কৰিলে। ১৯০৫ চনত বঙ্গদেশত স্বদেশী আন্দোলন আৰম্ভ হয়। লাহে লাহে ৰাষ্ট্ৰীয় কংগ্ৰেছ নৰমপন্থী লোকৰ পৰা চৰম পন্থীৰ হাতলৈ যায়। ১৯১৪ চনৰ যুদ্ধৰ পিছত মহাত্মা গান্ধীয়ে ভাৰতৰ ৰাজনীতিৰ ফালে আহিল আৰু দেশৰ স্বাধীনতা আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰিলে।

দেশ-প্ৰেম আৰু ৰাজনৈতিক আন্দোলনৰ প্ৰভাৱত কেতবিলাক হিন্দী বাতৰি কাকত ওলাবলৈ ধৰিলে। পণ্ডিত মহাবীৰ প্ৰসাদ দ্বিবেদীয়ে হিন্দী সাহিত্যৰ

উন্নতি সাধনৰ বাবে সকলোতকৈ অধিক কাম কৰিছিল ভাৰতেন্দুবাবু হৰিশ্চন্দ্ৰ যুগৰ পিছত। তেওঁ "সৰস্বতী" নামৰ মাহেকীয়া আলোচনীৰ সম্পাদনা কৰিছিল। তেওঁৰ আগতে কিছুমান লোকৰ এনে ধাৰণা আছিল যে 'খোড়ীবোলী'ত যিমান ভাল গদ্য লিখিব পাৰি সিমান ভাল কবিতা ৰচনা কৰিব নোৱাৰি। পণ্ডিত মহাবীৰৰ প্ৰসাদ দ্বিবেদীয়ে 'খোড়ীবোলী'ত এনেৰূপ প্ৰদান কৰিলে যে কবিতা আৰু গদ্য উভয়কে 'খোড়ীবোলী'ত ৰচনা কৰিব পাৰি। মৈথিলী চৰণ গুপ্ত আৰু শ্ৰীজয় শঙ্কৰ প্ৰসাদ আদি লোক দ্বিবেদী যুগৰ দান। সিসকলে 'খোড়ীবোলী'ত যি গ্ৰন্থ আৰু কাব্য ৰচনা কৰিছে সি হিন্দী সাহিত্যৰ গৌৰৱৰ বস্তু।

## ভাৰত ভাৰতী :

শ্ৰীমৈথিলী চৰণ গুপ্তই দেশবাসীক কৈছিল—"আমি কি আছিলোঁ, কি হলোঁ আৰু কি হ'ম। এতিয়া আমি সেই সকলো সমস্যা বিচাৰ কৰোঁহঁক। 'ভাৰত-ভাৰতী'ত নিজৰ দেশৰ অতীত যুগৰ কাহিনী বৰ্তমান যুগৰ কাহিনী আৰু আগন্তুক যুগৰ কাহিনী দৃষ্টি গোচৰ হয়। আদিতে আমি কেনে বীৰ আছিলোঁ, বিদ্যা আৰু জ্ঞানত কেনে পণ্ডিত আছিলোঁ, তাক পঢ়িলে, গৰ্বত আমাৰ বুকু ফুলি উঠে। কিন্তু যেতিয়া কবিয়ে বৰ্তমান যুগৰ অধঃপতনৰ কথা বৰ্ণনা কৰে, তেতিয়া লাজ আৰু অপমানত আমাৰ মূৰ দোঁ খাই পৰে। তথাপি তেওঁ বিশ্বাসেৰে কয় যে আমি কি হ'বলৈ বিচাৰোঁ। ১৯১১-১২ চনত ৰচিত 'ভাৰত-ভাৰতী'ত উঠি অহা ডেকাসকলৰ মনত দেশ প্ৰেমৰ ভাৱ সুমুৱাই দি সিসকলে বৰ ডাঙৰ কাম কৰিছে। ভাৰতেন্দুৰ সময়ৰ পৰা 'খড়ী বোলী'ত কিছুমান কবিতা ৰচিত হৈছিল। গুপ্তৰ 'ভাৰত-ভাৰতী' পৰিষ্কাৰ 'খড়ী বোলী'ৰ সুন্দৰ নমুনা। শেষত বেছি ভাগক বিয়ে 'খড়ী বোলী'ত ৰচনা কৰিবলৈ ধৰিলে।

## কামায়নী :

ইংৰাজ শাসনৰ সময়ত মানুহে ইংৰাজী পঢ়াৰ ফালে মন দিলে আৰু পশ্চিমীয়া ভাৱধাৰাৰ লগত যিসকলৰ পৰিচয় ঘটিল। হিন্দী সাহিত্যত কথা-কাহিনী আৰু কবিতাৰ নতুন ভাৱধাৰাৰ সৃষ্টি হ'ল। স্ত্ৰী-পুৰুষৰ সমান অধিকাৰ, ব্যক্তি স্বাধীনতা, পিতৃ-মাতাৰ হস্তক্ষেপ নোহোৱা বিবাহ, এনেবিলাক ভাৱ প্ৰকট হ'বলৈ ধৰিলে। লগে লগে আৰু এটা কথা আহি পৰিল। সকলো কথা বিচাৰ-বুদ্ধিৰ দ্বাৰা পৰীক্ষা কৰিবলৈ ধৰিলে। শ্ৰদ্ধাৰে কোনো কথা মানি লবলৈ ভাল নোপোৱা হ'ল। এইদৰে নতুন আৰু পুৰণি বিচাৰ-শক্তিৰ মাজত ঘোৰ সংঘৰ্ষ আৰম্ভ হ'ল। কবিসকলে প্ৰায়ে অন্তৰ গীত বা মুক্তক ৰচনা কৰিছিল। মনৰ ভাৱবোৰ সৰু সৰু গীতৰ দ্বাৰা প্ৰকাশ কৰিছিল। কিন্তু প্ৰসাদজীয়ে কবিতাৰ এখন ডাঙৰ গ্ৰন্থৰ লিখিছিল। ইয়াক কিছু পৰিমাণে প্ৰবন্ধ-কাব্য বুলি কব পাৰি।

প্ৰলয়ৰ পিছত মনুৱে কেনেকৈ পুনৰ সৃষ্টি ৰচনা কৰিছিল, সি অতি পুৰণি কাহিনী। বেদ আৰু পুৰাণত এই কাহিনী পোৱা যায়। প্ৰসাদজীয়ে ইয়াক নিজৰ কাব্য 'কামায়নী'ক আধাৰ কৰি ইয়াক বুজাইছে যে অকল বুদ্ধিয়ে মনক সুখ দিব নোৱাৰে। বুদ্ধিৰ লগে লগে শ্ৰদ্ধাৰো প্ৰয়োজন। শ্ৰদ্ধায়ে মনক শান্তি দিয়ে। অকল বুদ্ধিয়ে মানুহৰ মনক চঞ্চল কৰি তোলে আৰু তেওঁ অস্থিৰ হৈ ইফালে সিফালে ঘূৰি ফুৰে। এই কাব্যই নতুন আৰু পুৰণি বিচাৰ ধাৰাক একে লগ কৰিছে। এই প্ৰসঙ্গত পণ্ডিত সূৰ্য কান্ত ত্ৰিপাঠী, নিৰালা, সুমিত্ৰানন্দন পন্ত আৰু মহাদেৱী বৰ্মা আদিৰ নাম প্ৰসিদ্ধ। ইয়াৰ বাহিৰেও হিন্দী ভাষাত আজি অনেক কবিয়ে নিজৰ উচ্চমানৰ ৰচনাৰ সহায়ত সাহিত্যৰ ভঁৰাল চহকী কৰিছে।

## গোদান :

গদ্যৰ ক্ষেত্ৰত এতিয়ালৈকে আলোচনা, ভ্ৰমণ





কাহিনী আদি ভালেমান সাহিত্য ৰচিত হৈছে। সাহিত্যৰ এই নতুন দিশত কাহিনী আৰু উপন্যাসৰ বিশিষ্ট স্থান আছে। এই যুগৰ উপন্যাস লিখকসকলৰ ভিতৰত প্ৰেমচাঁদৰ নাম পোন প্ৰথমে লোৱা হয়। প্ৰেমচাঁদৰ ৰচনাত জনসাধাৰণৰ, ঘাইকৈ গাওঁলীয়া জনতাৰ প্ৰকৃতৰূপ ফুটি উঠিছে। এনেয়ে প্ৰেমচাঁদৰ সকলো ৰচনাই অতি উৎকৃষ্ট। কিন্তু গোদান উপন্যাস তাৰ ভিতৰত উচ্চতম। 'গোদান' হৰি নামৰ এজন সহজ-সৰল, দুখীয়া আৰু সাধু কৃষকৰ কাহিনী। তাত কৃষকৰ দুখ-দৈন্য, অভাৱ-অভিযোগৰ এখন অতি সুন্দৰ চিত্ৰ দাঙি ধৰা হৈছে। সাধু হৰিয়ে গোটেই জীৱন হাড়ভঙা পৰিশ্ৰম কৰিছিল, কিন্তু তথাপিও দাৰিদ্ৰ্যৰ পৰা হাত সাৰিব পৰা নাছিল। তেওঁ মৰিবৰ সময়ত যেতিয়া গো-দান কৰিব লগা হ'ল, ঘৈণীয়েকৰ সেই কাম কৰিবলৈ সমৰ্থ নহ'ল। গোদানৰ পিছত হিন্দী ভাষাত ভালেমান উৎকৃষ্ট উপন্যাস ৰচিত হৈছে; তাৰ ভিতৰত শেখৰ, মৈলা আঁচল নামৰ উপন্যাসে হিন্দী সাহিত্যৰ এক নতুন দিশৰ সন্ধান দিয়ে। হিন্দীত এফালে যেনেকৈ মৌলিক সাহিত্য ৰচনা হৈছিল, তেনেকৈ দেশৰ বেলেগ ভাষাত, তথা ইংৰাজী সাহিত্যৰ অধিক অনুবাদ এই যুগত হৈছিল। যিবোৰ বেলেগ ভাষাৰ সাহিত্যৰ প্ৰভাৱ হিন্দী সাহিত্যৰ ওপৰত বেছিকৈ পৰিছিল, তাৰ ভিতৰত সংস্কৃত, বঙালী আৰু ইংৰাজী প্ৰধান।

ইংৰাজসকলৰ সময়ত গদ্য আকাৰত লিখাৰ ফালে বেছি মন দিয়া হৈছিল। ভাৰতেন্দু বাবুৱে তেওঁৰ নাটক বেছি পৰিষ্কাৰ 'খড়ী-বোলী'ত লিখে। ইয়াৰ পিছত গদ্যত গল্প আৰু উপন্যাস লিখিবলৈ ধৰে। লাহে লাহে বাতৰি কাকত ওলাবলৈ ধৰে। বাতৰি কাকতে গদ্য-সাহিত্য পৰিপাটিকৈ লিখাত ডাঙৰ কাম কৰে। ক্ৰমে প্ৰবন্ধ, আলোচনা, ভ্ৰমণ কাহিনী আদি ভালেমান সাহিত্যৰ সৃষ্টি হয়।

হিন্দী সাহিত্যই চন্দ বৰদাইৰ পৰা এতিয়ালৈকে সমানে উন্নতিৰ পথত আগবাঢ়ি গৈ আছে। ন-ন লিখক পৰম্পৰাই এই সাহিত্য-ভঁৰাল টনকিয়াল কৰি আহিছে। সাহিত্যৰ সকলো অঙ্গকে পৰিপুষ্ট কৰিবলৈ যত্ন কৰা হৈছে।*

* কেন্দ্ৰীয় শিক্ষামন্ত্ৰী দপ্তৰ প্ৰকাশিত 'জ্ঞান সৰোবৰ' নামক গ্ৰন্থৰ পৰা অনূদিত

# গোৱালপৰীয়া উপভাষাৰ স্বৰূপ

শ্ৰীৰাজেন ৰাভা

দৰাচলতে গোৱালপাৰা জিলাত পাৰম্পৰিক সম্পৰ্কিত অথচ প্ৰায় নিজস্ব উপভাষিক ক্ষেত্ৰ আছে। কিন্তু সুদীৰ্ঘ দিন গৱেষণাৰ অভাৱত এই জিলাৰ উপভাষাৰ গুৰুত্ব আৰোপিত হোৱা নাই। বৰং কিছুমানে বঙলা ভাষাৰ লগত উপকৰাভাৱে কিছু সাদৃশ্যৰ ভিত্তিতে গোৱালপৰীয়া লোক গীতৰ ভাষা আৰু গাৱঁলীয়া মাত-কথাক বঙলুৱা বুলি সমালোচনা কৰা দেখা যায়। কিন্তু গৱেষণাৰ দৃষ্টিৰে এই জিলাৰ উপভাষাসমূহ চালিজাৰি চালে নিশ্চয় এইবোৰৰ স্বকীয়তা ৰূপ দেখা পোৱা যাব।

গ্ৰীয়েৰচন প্ৰমুখ্যে প্ৰাচীন ভাষা-তাত্বিকসকলে পূৰ্ব-মাগধী প্ৰাকৃতৰ পৰা অসমৰ আৰু উত্তৰ বংগৰ উপভাষাবোৰৰ উৎপত্তি বুলি মতামত দি গৈছে। ড° সুনীতি কুমাৰ চেটাৰ্জীয়েও প্ৰাকৃত-অপভ্ৰংশৰ কামৰূপ শাখাৰ অন্তৰ্ভুক্ত কৰিছে। ড° বাণীকান্তদেৱে চিদলী অঞ্চলৰ কথিত ভাষাকেই 'বিশুদ্ধ ৰাজবংশী' ভাষা নামকৰণেৰে গোৱালপৰীয়া ভাষা বুলি মন্তব্য দি গৈছে। ড° বীৰেন দত্তদেৱেও তেখেতৰ সূক্ষ্ম গৱেষণাৰ দ্বাৰা গোৱালপৰীয়া উপভাষাৰ নিজস্বতা দেখুৱাই ভৌগোলিক ভিত্তিত—পুব গোৱালপৰীয়া উপভাষা, পশ্চিম গোৱালপৰীয়া উপভাষা আৰু মধ্য গোৱালপৰীয়া উপভাষাৰূপে তিনিটা উপভাষিক ক্ষেত্ৰত বিভক্ত কৰিছে।

এইটো অনস্বীকাৰ্য্য যে, এসময়ত প্ৰাচীন কামৰূপ ৰাজ্য বিহাৰৰ গঙ্গাম প্ৰদেশ আৰু বংগদেশৰ 'কৰ্ণসুবৰ্ণলৈকে' সুবিস্তৃত আছিল। তেনেক্ষেত্ৰত উত্তৰ বংগৰ ৰংপুৰ, কোঁচবিহাৰ, জলপাইগুৰি জিলা আৰু গোৱালপাৰা জিলাতো পাৰম্পৰিকভাৱে ভাষাৰ প্ৰভাৱ নপৰা বুলি কব নোৱাৰি। কিয়নো, গোৱালপাৰা জিলা এই জিলাসমূহৰ সীমান্তৱৰ্তী এখন জিলা। তদুপৰি—এই জিলা, মোগল তথা বৃটিছ শাসনৰ দিনতো ঢাকা আৰু ৰংপুৰৰ পৰা শাসিত হৈছিল। তেনেস্থলত এই ঠাইবোৰত সেই সময়ৰ ভাষাই পাৰম্পৰিকভাৱে প্ৰভাৱ বিস্তাৰ নকৰা বুলি কোৱাও টান হ'ব।

ভাস্কৰবৰ্মাৰ দিনত যেতিয়া হিউৱেনচাং কামৰূপলৈ আহিছিল, তেতিয়াও কামৰূপ ৰাজ্য কৰ্ণসুবৰ্ণলৈ বিস্তৃত আছিল। সেই সময়ত হিউৱেনচাঙে মন্তব্য দি গৈছে—'Their language differ a little from that of Mid-India............Their memories





are retentive and they are earnest in study. (Records, II, p. 195 )

এই মন্তব্যৰ ওপৰত ভিত্তি কৰি প্ৰবীণ কবি-সাহিত্যিক, সমালোচক, ভাষাবিদ্, বুৰঞ্জীবিদ ৺ডিম্বেশ্বৰ নেওগদেৱেও মন্তব্য দি গৈছে—'This proves that Asamiya as a characterised and distinct language was already recognised............. Linguistic evidence perhaps joins them to show that no language of Bengal was specially mentioned by Yuan Chwang for the simple reason that it was then one with that of Kamrup or Assam and no sprout of a separate Bengali speech was yet forthcoming.' ( New light on History of Assamese Literature, P. 38 )

Griersonৱেও মন্তব্য দি গৈছে—'North Bengal and Assam did not get their languages from Bengal proper but directly from the West. Magadhi-Apabhramsa, in fact, may be considered as spreading out east wards................and hence we find North Bengal agreeing in some respects rather with Oriya, spoken far away to the south than with Bengali proper of which it is usually classed as a sub-dilect.' (Linguistic Survey of India, 1, 1, p. 126)

তেখেতে লিখি থৈ যোৱা প্ৰাচীন উপভাষাবোৰৰ পৰা সেই সময়ৰ সেই ঠাইবোৰৰ ভাষাসমূহৰ সাদৃশ্য-বৈসাদৃশ্যৰ বিষয়ে জানিব পাৰোঁ। তলত কেইটামান উপভাষাৰ নমুনা উল্লেখ কৰা হ'ল—

(১) অসমীয়া—'এজন মানুহৰ দুটা পুতেক আছিল। তাৰে সৰুটোৱে বাপেকক ক'লে, হে পিতা, সম্পত্তিৰ কি ভাগ মোত পৰে তাক মোক দিয়া।'

(২) ৰাজবংশী—'এক জনকাৰ দুই বেটা আছিল। তাৰ মধ্যে ছোট বেটা তাৰ বাবাক কৈলা, বাবা, সাইত্তিৰ যে ভাগ মুই পাইম্ তা মোক দে।'

(৩) ৰংপুৰী—'একজন মানুসেৰ দুইকোনা বেটা আছিল। তাৰ ছোটকোনা উৱাৰ বাপক কাইলে, বা, মোৰ পইসা-কড়িৰ ভাগ মোক দেও।'

(৪) জলপাইগুৰি—'এক ঝনকাৰ দুই ঝন বেটা আছিল। অম্‌হাৰ মধ্যত ছোট বেটা ওৰ বাপক কহিল, কি বোলে বা, হামাৰ সম্পত্তিৰ মুই যে ভাগ পাম তা তুই মোক দে।'

(৫) কোঁচবেহাৰ—'একজনা মানসিৰ দুই কোনা বেটা আছিল। তাৰ মদ্দে ছোটজন উৱাৰ বাপক কহ্‌লা, বা, সম্পত্তিৰ যে হিস্তা মুই পাইম তাক মোক দেন্।'

( Linguistic Survey of India, ( Vol. V, pt. 1 )

ওপৰত উল্লেখিত কথাফাঁকিবোৰৰ নমুনাৰ পৰা স্পষ্টভাৱে প্ৰমাণিত হয় যে, সেই সময়ত সেই অঞ্চলবোৰৰ ভাষাভাষী মানুহবিলাকে 'আছিল' ক্ৰিয়াপদ ব্যৱহাৰ কৰিছিল। তদ্ৰূপে—দাৰ্জিলিং, ঢাকা, ত্ৰিপুৰা, নোৱাখালি, বাখৰগঞ্জ, চট্টগ্ৰাম, শ্ৰীহট্ট, কাছাৰ, বগুৰা আদি অঞ্চলবোৰতো 'আছিল' ক্ৰিয়াপদ ব্যৱহাৰৰ নমুনা পোৱা যায়।

১৮৭৮ চনত গ্ৰীয়েৰচনে ৰংপুৰ জিলাৰ পৰা 'গোপীচন্দ্ৰৰ গান' বা 'ময়নামতীৰ গান' সংগ্ৰহ কৰিছিল। তলত নমুনা দিয়া হ'ল।

'মানিক চন্দ্ৰ ৰাজা ছিল ধৰ্মী বৰ ৰজা :
ময়নাক বিয়া কৰিল তাৰ নও বুৰি ভাৰ্য্যা।'

* * *

'আজি আজি কালি কালি বাৰ বছৰ হইল,
দেখিবৰ ন পাৰি মৰহৰজ ব্যাগল কৰি দিল।

* * *

'মহাৰাজা ৰাজ্য কৰি থায় পাটৰ উপৰ'
ময়নাক ঘৰ বান্ধি দিলে ফেকদাৰ বন্দৰ······

* * *

'কে কয় ইগুলা কথা, কে আৰ পইতায়'
পুৰুষেৰ সংগে গেলে ঠিক বাঘে ধৰি খায়।'

এই গানৰ শব্দমালা—ৰাজা, ধৰ্মী, বিয়া, কৰিল, তাৰ, আজি, কালি, বাৰ, বছৰ, হইল, কৰি, দিল, উপৰ, বান্দি, দিলে, ইগুলা, কথা, পইতায় গেলে, বাঘে, ধৰি, খায় আদি গোৱালপৰীয়া উপভাষাৰ শব্দৰ লগত সাদৃশ্য আছে। এই গানত 'ছিল' ক্ৰিয়াপদৰ ব্যৱহাৰ দেখা যায়। এই বিষয়ে আমি এইটো ভাবিব পাৰোঁ যে,—কোঁচবংশীয় শেষ ৰজা প্ৰেমনাৰায়ণৰ হাতৰ পৰা কোঁচ ৰাজ্য মুছলমানৰ শাসনাধীনলৈ যায় (১৬৩৯—৬৬)। তেতিয়াৰ পৰাই ৰংপুৰ, কোঁচবিহাৰ, জলপাইগুৰি আদি জিলা উত্তৰ বংগৰূপে পৰিচিত হয় আৰু সেই অঞ্চলৰ মানুহবিলাকৰ ভাষাত ক্ৰমে বঙালী ভাষাৰ প্ৰভাৱ পৰিবলৈ ধৰে। সেয়ে ময়নামতীৰ গানত 'ছিল' অতীত ক্ৰিয়াৰ প্ৰভাৱ পৰাটো সম্ভৱ হ'ব পাৰে।

ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে মন্তব্য দি গৈছে—'The three eastern most speeches of the great Indo-European family of languages—Assamese, Bengali and Oriya are closely linked with each other, in fact they are like uterine sisters within the family. A thousand of or twelve hundred years ago, Assamese, Bengali and Oriya virtually formed one single speech.' (Preface to New light on History of Assamese Literature, pp. V—VI)

গোৱালপাৰা জিলাৰ পুৰণি নাম 'গুৱাল পাৰ জিলা' আছিল। অতীতত এই জিলা নানা সংঘাতৰ সন্মুখীন হ'বলগীয়া হৈছিল। এই জিলাতেই 'মিৰ্জা নাথান' আদি কৰি মোগল ফৌজদাৰসকলে ইয়াৰ অধিবাসীসকলৰ ওপৰত নানা অত্যাচাৰ কৰি বিজয় অভিযান চলাইছিল। এই জিলা সুদীৰ্ঘকাল মোগলৰ শাসনাধীনত থাকি ৰংপুৰৰ পৰা শাসিত হৈছিল (M. Myrtinৰ Eastern India মেপ দ্ৰষ্টব্য) Eastern Indiaৰ পূব সীমা আছিল কুটাকুটি। (বৰ্তমানৰ ধুপধৰাৰ কোঠাকুঠি)। ইয়াতেই বহুতো ধৰ্মৰ মহাজনসকলে থিতাপি লৈ থলুৱা ভাষা-ভাষী মানুহবিলাকক ধৰ্মান্তৰ কৰি তুৰিছিল। বৰ্তমান গোৱালপাৰা চহৰতেই Monsier Jean Baptist Chevalierয়ে বেপাৰৰ ফেক্টৰী খুলিছিল (১৭৬৩ খৃঃত)। তাৰ পিছত Gilbot, Champanae, Mr. Lear, Mr. Laval, Mr. Baille, Mr. willium, Mr. Rouch, Mr. Dow, Mr. Wheat Land, Mr Macenllum, Mr. Bigger আদি French আৰু British East India Companyয়ে গোৱালপাৰা চহৰতেই থিতাপি লৈ বেহা-বেপাৰ কৰিছিল। Mr. Learয়ে গোৱালপাৰা চহৰতেই নিজাকৈ বাস ভৱন কৰি স্বাধীনভাৱে এটা লোণৰ ফেক্টৰী খুলিছিল। এই বেপাৰ সংক্ৰান্তত ফৰাচী-ইংৰাজৰ পাৰস্পৰিক প্ৰতিদ্বন্দ্বিতা, ষড়যন্ত্ৰ আৰু যুদ্ধ বিগ্ৰহাদিও হৈছিল। বুৰঞ্জীবিদ শ্ৰীবেণুধৰ শৰ্মাদেৱৰ ভাষাত—'গুৱালপাৰা' আছিল ইউৰোপীয় নগৰ এথনৰ দৰে, যাৰ তুলনা দিবলৈ উত্তমাশা দ্বীপৰ পছিম পোনে আৰু এখন নগৰ আছিল।'

এই সময়চোৱাতেই আৰবী, ফৰাচী আৰু ইংৰাজী ভাষাৰ শব্দ কিছু পৰিমাণে হ'লেও গোৱালপৰীয়া ভাষাৰ ওপৰত প্ৰভাৱ নপৰা বুলি কব নোৱাৰি।

পিছলৈ এই জিলা জমিদাৰসকলৰ হাতলৈ যায়। জমিদাৰসকল বঙালী মানুহ আছিল (বিজনী জমিদাৰৰ বাহিৰে)—

'The Gauripur family is said to be descended from a Kayastha, who migrated





from Trihut to Goalpara about the beginning of sixteenth century A.D. The first member of the family of whom anything definite is known was Kabi Sekhar, who succeeded his father in 1658 A.D.'........

'The present Zamindars of Karaibari obtained their Eastates in 1809 A.D., when the Zamindaries of that turbulent frontier chieftain, Mahendra Narayan, were attached for arrears of revenue and sold. The auction purchaser was one Rama Nath Lahiri, Prime Minister of Koch Behar, and it is from him that the present holders take their title.'...........

'According to the family tradition the founder of the line was a Kshatriya named Chikna Narayan, who was adopted by a certain Raja of Sidli named Bhim Singha.'.........

'The family (Parbatjoar Estate) is said to be descended from one Hatibar chaudhury, who received a grant of the Estate twelve generations ago.'..........

'The Chapar family is descended from a Rarhi Brahman, named Joy Narayan Sarma, who was native of the Kishorganj, sub-division of Mymensingh. This man obtained a grant of the Estate from the Mughals.'...........

'The History of the Bijni family is the history of a line, which gradually declined from the proud position of a powerful sovereign prince, to the comfortable, though less dignified status of a wealthy Zamindar.'...........

(Assam District Gazetteers, Chap. III)

জমিদাৰসকলৰ দিনতে গোৱালপাৰা জিলাত বাংলা ভাষাৰ প্ৰভাৱ কিছু পৰিছিল। জমিদাৰী শাসনৰ সকলো কাম-কাজ বঙলা ভাষাত চলিছিল। এনেকি বৃটিছ শাসনৰ দিনতো আদালত, পঢ়াশালিবোৰত বঙলা ভাষাই মাধ্য-ভাষা হিচাপে চলিছিল। এই পৰিস্থিতিৰ মাজেৰে অতিক্ৰম কৰিও সেই সময়ত থলুৱা গোৱালপাৰাবাসীয়ে মাত্ৰ বংগীয় ভাষাৰ পূৰ্ণ ৰূপ গ্ৰহণ কৰা নাই বুলি কোৱাৰ যথেষ্ট থল আছে।

গোৱালপাৰা জিলাৰ সীমান্তৱৰ্তী জিলা 'কোচবিহাৰ'ৰ প্ৰাচীন লোক-গীতৰ নমুনালৈ লক্ষ্য কৰিব পাৰোঁ। (Bulletin Vol. XVIII, No. 1, Anthropological Survey of India)

পশ্চিমেৰ পানী, পুবেৰ পানী,
উত্তৰেৰ ৰাজা, দক্ষিণেৰ প্ৰজা।

* * *

চিলমাৰীৰ চিকণ চিৰা
গোৱালপাৰাৰ দৈ,
খাইবাৰ সময় মনে পৰে
বন্ধু এল কই।

* * *

হালুৱাৰ শোভা হাল-কৃষি,
জমিনেৰ শোভা ধান।
পুৰুষেৰ বল টাকা পয়সা,
নাৰীৰ বল সোৱামী।
পুৰুষেৰ শোভা লম্বা ধুতি,
বিছানাৰ শোভা নাৰী।

* * *

আ ৰাহে, এহেন বয়সে
বিহা নাহইল মোৰ

আস্‌পাৰসিৰ বিহা হয়,
মাসে মাসে।
মোৰ কম্‌বক্তিৰ বিহা নাহয়,
কপালেৰ দোষে।

* * *

এইবাৰ মৰিলে মুই আসিম পালেয়া,
অবৰ কইলে মৰিম মুই জলত ডুবিয়া।
মোৰে হায় হায়ৰে ! অ শন্ দয়াৰ দাদা,
দাদা কওন তোৰ আগে,
গাবুৰ বয়সে বুঢ়া পুৰুষ মনত নালাগে।

—এই গীতসমূহত ব্যৱহৃত হোৱা—পানী, ৰাণী, চিকণ, দৈ, চিৰা, হাল-কৃষি, সোৱামী, নাহইল, মোৰ, নাহয়; এবাৰ, মৰিলে, মুই, তোৰ, মনত, নালাগে, পালেয়া, ডুবিয়া, গাবুৰ, পুৰুষ আদি শব্দবোৰক মাত্ৰ বঙালী ভাষাৰ শব্দ বুলি কব নোৱাৰি।

কোনো কোনোৱে গোৱালপৰীয়া লোক-গীতবোৰক বঙালী লোক-গীত বুলি অভিহিত কৰি সমালোচনা কৰে। সম্ভৱ, তেখেতসকলে লোক-গীতসমূহৰ ভাষাৰ ক্ৰিয়াপদৰ ফালে দৃষ্টি ৰাখিয়ে সমালোচনা কৰে। সঁচা কথা—বৰ্তমান গোৱালপৰীয়া লোক-গীতসমূহত—কইৰওনা, খাইওনা, যাইওনা আদি ক্ৰিয়াপদে ঠাই পাইছে। প্ৰাচীন গোৱালপৰীয়া ভাষাত—নোহোৱা অৰ্থত ক্ৰিয়াপদৰ পিছত 'না' প্ৰত্যয় প্ৰয়োগৰ নিদৰ্শন পোৱা নাযায়। কৰবাত পালেও তাক প্ৰক্ষিপ্ত বুলি ধৰিব পাৰি। ওপৰত উল্লেখিত কোচবিহাৰৰ প্ৰাচীন লোক-গীততো নিদৰ্শন পোৱা নাযায়। সম্ভৱ, এনে ধৰণৰ লোক-গীতসমূহ নতুন ৰচনা—যত প্ৰাচীন গোৱালপৰীয়া লোক-গীতৰ শব্দযোজনা সংযোজিত হোৱা নাই। জলপাইগুৰি জিলাৰ প্ৰাচীন লোক-গীতসমূহতো এনে ধৰণৰ ক্ৰিয়াপদ দৃষ্ট নহয়। উদাহৰণ স্বৰূপে—

জলপাইগুৰি জিলাৰ 'চোৰ-চৌন্নিৰ গান' (Bulletin, Vol VII, Cultural Research Institute of West Bengal)

'আই মোক দিলেন কি দেখি
মোৰ কপালে মিলিল চোৰা স্বামী ইকি,
চোৰা যাছে চুৰি কৰিব,
মোৰ নাগছে জিগিৰ জিগিৰ।
কেমনে পোহাই মুই অন্ধকাৰ আতি—
ইকলা ঘৰে সন্ধেয়া সাই।
কান্দিয়া মুই বিছানা ভিজাই
ই জনম মোৰ ব্যাথাই গেইল,
হমু চোৰেৰ নাৰী।

* * *

আনিম কত জিনিস-পাতি
সোণাৰ অলংকাৰ,
যদি কোনোমতে বিধি বিপদ নাদেই অৰ
ও তোৰ ঠেঙত পিন্ধাইম তাৰ গুজুৰিত।
কাণত পিন্ধাইম ৰিং মাকুৰি
ছুই হাতে বেস্‌মে চুৰি,
আৰো গোলাত পিন্ধাইম, চুন্নি তোক,
প্ৰজাপতিৰ হাৰ,
আৰো আনিম কত কাপৰ-চোপাৰ,
দেখিলে খাবি ফাঁপোৰ।
কত ৰকম বছৰ বছৰ
হচ্ছে আবিষ্কাৰ,
ও তুই চুপ কৰি থাক, চুন্নি,
নালাগে ভাবিবৰ।

—ওপৰোক্ত গীত দুটিৰ শব্দ গঠন গোৱালপৰীয়া আৰু অসমীয়া ভাষাৰ ওচৰ চপা। মুই, তুই, কান্দিয়া, সন্ধেয়া, আনিম, অৰো, ঠেঙত, মোৰ, মোক, তোক, আই, পিন্ধাইম আদি শব্দ একে। ক্ৰিয়াপদৰ পিছত নোহোৱা অৰ্থত 'না' প্ৰত্যয় ব্যৱহাৰ হোৱা নাই ; 'নাদেই', 'নালাগে' হে প্ৰয়োগ হোৱা দেখা যায়। অসমীয়া ব্যাকৰণৰ নিয়মমতে—১ম পুৰুষৰ ভৱিষ্যত



কালত 'ইম' ক্ৰিয়াবিভক্তি ইয়াত যথাযথভাৱে ব্যৱহৃত হৈছে। এই লোক-গীতবোৰত 'হমু' ক্ৰিয়াপদ (১ম পুৰুষৰ স্বৰূপভূত কালত) ব্যৱহাৰ হোৱা দেখা যায়। এইবোৰ চণ্ডীদাসৰ, 'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ ভাষাৰ শব্দ। ৺ডিম্বেশ্বৰ নেওগদেৱৰ মতে—প্ৰাচীন বঙলা ভাষাত এনেবোৰ ক্ৰিয়াপদৰ ব্যৱহাৰৰ নিদৰ্শন পোৱা নাযায়। এই ফালৰ পৰা শ্ৰীকৃষ্ণ কীৰ্তন ৰচয়িতা চণ্ডীদাস প্ৰাচীন অসমৰ মানুহ আছিল বুলি কোৱাৰ যুক্তি আছে। শ্ৰীকৃষ্ণ কীৰ্তনৰ—পেন্দু, গেম্থ, হমু, মাৰক, বুজিছে, বড়-আই, বাষ্ট, হাট, নাজানিল, গুৱাপান, মাৱ-বাপ, উলটিয়া, পিঠি, সিন্দুৰ, নুপুৰ নাপিন্ধিবো, লৈ যাব ধৰি, পৰৰ পুৰুষ, সোৱাদ লাগে, মোক লৈ যাব ধৰি—ইত্যাদি শব্দ আৰু বাক্য গোৱালপৰীয়া উপভাষাত এতিয়াও বিদ্যমান। বিস্তৃত সমালোচনা দ্ৰষ্টব্য—'শ্ৰীকৃষ্ণ কীৰ্তন'ৰ ভাষা বংলা নে?' (Asam Sahitya Sabha Patrika, Vol. VIII No.1. pp. 29—38) আৰু 'The Language of SriKrisna Kirttan' (The Assam Research Journal, 1942.)

বৌদ্ধ চৰ্যাপদবোৰৰ ৰচক বহুতো প্ৰাচীন কামৰূপৰ মানুহ। এই চৰ্যাপদবোৰৰ ভাষাৰ প্ৰভাৱ অসমীয়া ভাষাৰ ওপৰত যথেষ্ট প্ৰভাৱ পৰিছে। গতিকে গোৱালপৰীয়া উপভাষাৰ ওপৰতো প্ৰভাৱ নপৰাকৈ থকা নাই। তলত উল্লেখিত চৰ্যাপদৰ শব্দৰাজি এতিয়া গোৱালপৰীয়া উপভাষাত ব্যৱহাৰ হৈ আছে।

হাবি (আহিবি), হাল (আহিল), হালং আহিলোঁ, নাপ্ৰা (অসুখ), মাগনা-মাগ্‌নি (এনে, মিছাকৈ), মাথাই (বহুত), অংকা (এনেকুৱা) তেংকা (তেনেকুৱা), যেংকায়-তেংকায় (যেনি-তেনি), চপৰেং (মধুৰি আম), মান্‌গো (মানুহজন), দামান (বেছি), তাপাৰা (তাৰ পিছত), চন্তা (সচকা), লেচ্‌ৰেঙা, (লেতেৰা), কেণ্ট্‌ৰা (কেৰাচকুৱা), ঝামত্ৰেং (বিশৃংখলা), মাম (ভাত), যান্তি-যুতি (সঁচাকৈ) চাবলিয়াম (দলিয়াম), নেব্‌কা (বথলিওৱা), থংটা (উলিওৱা), চুয়া (নাদ), খামাথ্‌থায় (নিশ্চয়কৈ), ৰকায় (সোনকালে, বেগতে) ইত্যাদি।

অতি প্ৰাচীন কালৰে পৰা গোৱালপাৰা জিলাত ৰাভা, গাৰো, কোঁচ, মেচ, কছাৰী, চাণ্ডাল, মুণ্ডা আদি নানা জনজাতীয় মানুহ বাস কৰি আছে। বেপাৰ বাণিজ্য সংক্ৰান্তত উত্তৰ প্ৰদেশ, বিহাৰ-ৰাজ্য, পুতনা, পঞ্জাৱ আদি ৰাজ্যৰ পৰাও মানুহ আহি থিতাপি লৈ বসবাস কৰি আছে। কিছু বছৰৰ আগৰ পৰা মৈমনসিংৰ পৰা উদ্বাস্তুসকলে প্ৰব্ৰজন্ লৈ এই জিলাতেই নিগাজীকৈ বসবাস কৰি আছে। গতিকে এইসকলৰ ভাষাৰ শব্দসম্ভাৰো কিছুপৰিমাণে গোৱালপৰীয়া উপভাষাৰ ওপৰত প্ৰভাৱ নপৰাকৈ থকা নাই। এই দৃষ্টিভংগীৰ ফালৰ পৰা গোৱালপৰীয়া উপভাষাক এটা মিশ্ৰিত ভাষা বুলি কব পাৰি। মুঠতে এই উপভাষা অসমৰ আৰু বংগৰ অন্যান্য উপভাষাৰ লক্ষণসমূহৰ লগতো যথেষ্ট পাৰ্থক্য আছে।

ধ্বনি তাত্বিক ফালৰ পৰা 'শ' 'ষ' 'স'ৰ ধ্বনি পশ্চিম গোৱালপাৰা অঞ্চলত বাংলা ভাষাৰ ধ্বনিৰ ওচৰ চপা আৰু পূৱ গোৱালপাৰা অঞ্চলত অসমীয়া ভাষাৰ ধ্বনিৰ ওচৰ চপা। গোৱালপৰীয়া আঞ্চলিক কথিত উপভাষা—জনজাতীয় কোনো কোনো অঞ্চলত ট-বৰ্গ আৰু ত-বৰ্গৰ মূৰ্দ্ধন্য আৰু দন্ত্য ধ্বনিৰ বৈশিষ্ট্য ৰক্ষা হোৱা দেখা যায়। 'চ' আৰু 'ছ'ৰ উচ্চাৰণৰ বৈশিষ্ট্য আছে। কোনো কোনো অঞ্চলত আৰু জনজাতীয় অঞ্চলবোৰত 'শ', 'ষ', 'স' ৰ ধ্বনি 'ছ'ৰ দৰে উচ্চাৰিত হয়। 'ৰ' 'ড়'ৰ উচ্চাৰণৰ পাৰ্থক্য নাই।

ৰূপতাত্বিক ফালৰ পৰা জলপাইগুৰি, কোচবিহাৰ, ৰংপুৰ, মৈমনসিং জিলাৰ উপভাষাসমূহৰ লগত সাদৃশ্য থকা কিছু শব্দসম্ভাৰ পোৱা যায় যদিও অসমৰ অন্যান্য উপভাষাৰ লগত সাদৃশ্য থকা শব্দও যথেষ্ট আছে। তদুপৰি এনে কিছুমান অঞ্চলত বহুতো শব্দ আছে—সেইবাবোৰৰ নিজস্বতাও আছে।

বহিদৃ'ষ্টিৰ ফালৰ পৰা—গোৱালপৰীয়া উপভাষাক মান্য অসমীয়া ভাষাৰ লগত বৈসাদৃশ্য যেন লাগিলেও এই উপভাষাক বাদ দি মান্য অসমীয়া ভাষাৰ সম্যক্ অধ্যয়ন হব নোৱাৰে। কিয়নো, 'গোৱালপাৰা' এখন অসমৰ অবিচ্ছেদ্য জিলা। এই দৃষ্টিভংগীৰ ফালৰ পৰা অসমীয়া ভাষাৰ পুনৰ গঠন আৰু বিকাশৰ ক্ষেত্ৰত গোৱালপৰীয়া উপভাষাৰ সম্যক্ গৱেষণাৰ যথেষ্ট আৱশ্যকতা আৰু থল আছে।

---

[ এই প্ৰবন্ধত থলুৱা শব্দ সম্ভাৰৰ বিস্তৃত আলোচনা কৰা সম্ভৱপৰ নহ'ল। আগমনিৰ মঃ আৰিফ উল্লা সৰকাৰ, ধুবুৰীৰ শ্ৰীউমেশচন্দ্ৰ শৰ্মা, মঃ আব্দুল খয়েৰ চৌধুৰী, মঃ মুবল আহমেদ, চাপৰৰ শ্ৰীমংগল চন্দ্ৰ বৰ্মণ, মঃ জব্বৰ আলি সেখ, বইটামাৰীৰ শ্ৰীপ্ৰফুল্ল নাথ, অভয়াপুৰীৰ শ্ৰীসুশান্ত বেনাৰ্জী, শ্ৰীকৃষ্ণা বেনাৰ্জী, হাবৰাঘাটৰ শ্ৰীকেশৱ ৰায়, শ্ৰীদময়ন্তী ৰায়, লক্ষীপুৰৰ শ্ৰীমীৰা ৰায়, শ্ৰীৰেখা ৰায়, ভুৰৈৰ শ্ৰীসুশীল ৰায়, শ্ৰীমঞ্জৰী ৰাভা আৰু দলগোমাৰ শ্ৰীখনীন্দ্ৰ দাসৰ সৌজন্যত থলুৱা শব্দ-সম্ভাৰ সংগ্ৰহ কৰি প্ৰবন্ধটি যুগুত কৰা হৈছে। ]



( ৩২ পৃষ্ঠাৰ পিছৰ পৰা )

কুৰুবংশত কোনো দিনে নকৰা কাম কৰিছিল পঞ্চ পাণ্ডৱে দ্ৰৌপদীক সমূহীয়া পত্নী কৰি। ইয়ো পুৰুষৰ খেয়ালী মনৰেই পৰিচায়ক। এজনী তিৰোতাক সম্পত্তিৰ নিচিনা পাঁচ ভায়েকৰ মাজত ভগাই লোৱা হৈছে।*

সামাজিক মৰ্যাদা পাবলৈ গ্ৰীক নাৰীয়ে বিয়া কৰালে নচলিছিল, গণিকা হলেহে সমাজত মৰ্যাদা পাব পাৰিছিল। পুৰুষে নিজৰ স্ত্ৰীৰ লগত প্ৰণয় কৰাটো লাজৰ কথা বুলি ভাবিছিল। স্ত্ৰীৰ প্ৰয়োজন আছিল কেৱল উত্তৰাধিকাৰী উৎপাদনৰ নিমিত্তে।—Studies in Ancient Greek Society.

ডঃ ৰাধাকৃষ্ণনে 'কল্কি'ত লিখিছে—"প্ৰগতিশীল লিখকসকলে এই কথাটোত জোৰ দি ঠিকেই কৰিছে যে যদিও এক বিবাহ সমাজৰ আদৰ্শ তথাপি এই কথা-টোও বিবেচনাৰ বিষয় যে একবিবাহৰ ফলত বহু নাৰীৰ যৌন অতৃপ্তি ঘটে আৰু বহু নাৰীয়ে গণিকা বৃত্তি গ্ৰহণ কৰে।" এইকাৰণেই বোধহয় আলিঙ্গনৰ আদি কাণ্ডতে কাম-কলাৰ অদ্ভুত কৌশল দেখিও অহল্যাই ইন্দ্ৰক চিনিও নিচিনাৰ ভাও জুৰি অঙ্গদান কৰিলে·কিবা এটি আগেয়ে অনুভৱ নকৰা তৃপ্তিত। এই নোপোৱা বস্তু পোৱাৰ তৃপ্তিয়ে ইন্দ্ৰক অভিশাপ দিবলৈও নিদিলে। ( অভিশাপ যদি দিয়ে গৌতমেই দিব। ) নোপোৱাৰ বেদনাই হয়তো কেইমুহূৰ্তমান আগলৈকে অহল্যাক সতী কৰি ৰাখিছিল, পোৱাৰ তৃপ্তিয়ে অহল্যাক পৰিণত কৰিলে শিলাখণ্ডত। এই একেই কাৰণতে হয়তো মহাভাৰতৰ প্ৰধান নায়িকা দ্ৰৌপদীয়ে এজনীয়া দুজনীয়া নহয় পাঁচ-জনীয়া স্বামীত্বৰ পঙ্কিলতাকো গাত সানি লৈছিল—বিনা দ্বিধাই, বিনা আপত্তিৰে।

ছেক্সপীয়ৰে জেথেতৰ চৰিত্ৰ এটিৰ মুখেৰে কোৱাইছিল—"ভেনিচ নগৰীৰ তিৰোতাসকলে তেওঁলোকৰ কুকৰ্মবোৰ ঈশ্বৰক দেখুৱাবলৈ ভয় নকৰে; কিন্তু গিৰীয়েকহঁতক দেখুৱাবলৈ ভয় কৰে। তেওঁলোকৰ শুদ্ধ বিবেকে কয়—কুকৰ্ম নকৰাকৈ নাথাকিবা, নজনোৱাকৈ থাকিবা।"

স্ত্ৰী চৰিত্ৰ সম্পৰ্কে বাৰ্নাৰ্ডশ্বৰ অভিমত—

"পুৰুষে প্ৰণয় নাযাচে মানে তিৰোতাই চুপ হৈ অপেক্ষা কৰিব লাগে বুলি ধৰি লোৱা হয়। নহয়, তিৰোতাই নীৰৱ নিশ্চল হৈ অপেক্ষা কৰে সঁচা, কিন্তু সেইটো মকৰাই মাখিৰ কাৰণে কৰা অপেক্ষাহে।" জেথেতৰ আন এটি অভিমত—"কিয়? স্বামী সংগ্ৰহত বাহিৰে নাৰী জীৱনত আৰু কি কাম আছে?" নেপোলিয়নেও কৈছিল- "পুৰুষে যশস্যাৰ পিছত আৰু নাৰীয়ে পুৰুষৰ পিছত দৌৰা উচিত।" বাৰ্নাৰ্ডশ্বৰ আন এটা অভিমত—"পুৰুষৰ বিপদ হলে তিৰোতা অধীৰ হয়, মৰিলে চকুলো টুকে; কিন্তু সেই চকুলো আমাৰ কাৰণে নহয়—এজন পিতৃৰ হানি আৰু এটা সন্তানৰ জন্ম হানিৰ কাৰণেহে।"

পুৰুষ লিখক বেছি কাৰণেই হওক বা আন কাৰণেই হওক স্ত্ৰী-চৰিত্ৰৰ সমালোচনাতকৈ পুৰুষ-চৰিত্ৰৰ সমালোচনা কম যেন লাগে। পাৰ্ল বাকে Good Earth উপন্যাসৰ তিৰোতা চৰিত্ৰ এটিৰ দ্বাৰা কোৱাইছে—"এইটো ভাবি মূৰ্খামি নকৰিবা যে এজন পুৰুষৰ বাবে এজনী তিৰোতাই যথেষ্ট। আনক কঠোৰ পৰিশ্ৰমত অৱসন্ন হোৱা তিৰোতাই পুৰুষৰ নিমিত্তে তাইৰ দেহৰ মাংস কাটি দিলেও পুৰুষৰ মানত যথেষ্ট নহয়। পুৰুষৰ ৰুচিয়ে বিচাৰি যাব নতুনত্ব অতি শীঘ্ৰে আৰু তুমি মূৰ্খই তেওঁৰ ৰুচিৰ উপযোগী হৈ নুঠিবা কোনো দিনে। পুৰুষৰ ওচৰত তোমাৰ স্থান গাড়ীৰ বলধতকৈ অলপহে ওপৰত।"

ছেক্সপীয়েৰৰ এমিলিয়াৰ মুখতো আমি শুনিবলৈ পাওঁ—"পুৰুষসকল একোটাইত পেট আৰু আমি আহাৰ। ক্ষুধাৰ্ত হৈ সিহঁতে আমাক খায় আৰু ভৰ্তি হলে বতিয়াই দিয়ে।"

এইটো ঠিক যে তিৰোতাই পুৰুষৰ বিৰুদ্ধে আৰু

---

* গীতাতো তিৰোতাক ভাল চকুৰে চোৱা হোৱা নাই। গীতা—১।৩৯-৪২ আৰু ৯।৩২ শ্লোক দ্ৰষ্টব্য।

পুৰুষে তিৰোতাৰ বিৰুদ্ধে কোৱাৰ যথেষ্ট থল আছে ; কাৰণ আনৰ বিৰূপ আলোচনা কৰাটো মানুহৰ নিচা। কিন্তু স্ত্ৰী পুৰুষ উভয়ে উভয়ৰ যিটো দোষ দেখে সেইটো দোষ নহয়। ইয়াক জৈৱ কামনা (animal pleasure) বুলিব পাৰি। এই জৈৱ কামনাৰ তাগিদেই Lady chatterly এ চকিদাৰৰ লগত শুছি গৈছিল। অৱশ্যে এই জৈৱ কামনাৰ তাগিদা মানৱ-দেহত কম-বেছি পৰিমাণে থাকে। La Egmaralda ই Gringoire অক বিয়াৰ পিছতো কব পাৰিছিল—"আমাৰ সম্বন্ধ ভাই-ভনীৰ নিচিনা, দুটি আত্মা লগ হৈ থাকিও এক হৈ নাথায়—একেখন হাতৰ দুটি আঙুলিৰ দৰে।"

এই ক্ষেত্ৰত ডঃ ৰাধাকৃষ্ণণেও তিৰোতাকেই পুৰুষতকৈ শ্ৰেষ্ঠ বুলি কয়—পুৰুষতকৈ নাৰী বেছি সহিষ্ণু। নাৰীয়ে ভালপোৱা জনৰ দোষ আনকি অপৰাধো পাহৰি যাব পাৰে। নাৰীৰ ভিতৰত যি আধ্যাত্মিক সূক্ষ্মতা আছে তাক আমি সকলোৱে আয়ত্ব কৰা দৰকাৰ।... নাৰীয়ে নিজক হীন প্ৰতিপন্ন কৰি পুৰুষৰ পৰ্যায়লৈ যোৱাতকৈ পুৰুষে নাৰীৰ স্থানলৈ উঠা উচিত।

ব্ৰাজিলৰ বাকৈৰি আৰু মালয়চিয়াৰ দায়াদ জাতিৰ পুৰুষে শ শ বছৰ ধৰি প্ৰসব বেদনা ভুগি আহিছে। তেওঁলোকে সন্তান জন্মাৰ সময়ত 'কনভেদ্' নামৰ এটা আচাৰ পালন কৰে। ঘৈনীয়েকৰ প্ৰসব বেদনা আৰম্ভ হোৱাৰ লগে লগে পিতৃসকলেও বিছনাত পৰি প্ৰসব বেদনা অনুভৱ কৰে। সন্তান জন্মাৰ পিছত পিতাকেও সন্তানৰ কাষত শুই থাকে। বাকৈৰি পিতৃসকলৰ এই বেদনাভোগ পূৰ্ণমাত্ৰাই অভিনয় নহয়, কাৰণ নাই নসৰাণৈলেকে তেওঁ পানীত তিতোৱা কটিৰ বাহিৰে একো খাব নোৱাৰে। দায়াদ-পিতৃয়ে সন্তান জন্মাৰ পৰা ৪ দিন ৰ'দত ওলাব নোৱাৰে আৰু এসপ্তাহ কেৱল নিমখ আৰু ভাত খাই থাকিব লাগে।"—Lokayata, by D. P. Chottopaddhaya. অন্ধবিশ্বাস হলেও ইয়াৰ দ্বাৰা পত্নীৰ প্ৰতি থকা পতিৰ ভালপোৱা আৰু শ্ৰদ্ধাভাবৰ আতিশয্য ফুটি উঠিছে।

কমলা সম্পৰ্কে কৰা জৱাহৰলালৰ মন্তব্য এষাৰ এইখিনিতে প্ৰণিধানযোগ্য। "বিবাহিত জীৱনৰ বিশবছৰ অতিবাহিত হৈছিল, তথাপি তেওঁ তেওঁৰ কিবা এটা নতুন মানসিক বা আধ্যাত্মিক চিন্তাধাৰাৰ দ্বাৰা কিমান দিন মোক আচৰিত কৰি তুলিছিল। নানা উপায়ে মই তেওঁক বুজি পাইছিলো আৰু পিছৰ বছৰ কেইটাত মই অশেষ চেষ্টা কৰিছিলো তেওঁক বুজিবলৈ। তেওঁ তেওঁক বুজাত মোক কোনো বাধা দিয়া নাছিল, কিন্তু মই প্ৰায়েই আচৰিত হৈছিলো যে সঁচাই মই তেওঁক জানিব নাইবা বুজিব পাৰিছিলো নে নাই। তেওঁৰ কিবা এটা এনে গুণ আছিল যিটো প্ৰতাৰণশীল, পৰীসদৃশ সঁচা অথচ অসাকৰা, আৰু বুজিবলৈ টান। মই তেওঁক কৈছিলোঁ—'আমি কিমান সৌভাগ্যশালী।' তেৱোঁ মানি লৈছিল, কাৰণ যদিও আমি মাজে সময়ে কাজিয়া কৰিছিলো আৰু পৰস্পৰৰ প্ৰতি ৰাগান্বিত হৈ উঠিছিলো তথাপি আমি আমাৰ প্ৰাণ-শক্তি উজ্জলাই ৰাখিছিলো আৰু দুয়োৰে কাৰণে জীৱনটোৱে সদায় আমাৰ আগত দাঙি ধৰিছিল নতুন ৰোমাঞ্চকৰ অভিজ্ঞতা আৰু দান কৰিছিল এটাই আনটোক বুজাত নতুন সূক্ষ্মদৃষ্টি।"

---

# ভাৰতৰ লোক কথা

( মুল হিন্দীৰ পৰা অনুবাদ )

অনুবাদক—শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত

লোক কথাৰ উৎপত্তি মনোৰঞ্জনৰ ইচ্ছা-প্ৰসূত। সময় কটোৱাৰ কাৰণে লোক কথাৰ সৃষ্টি। ইয়াৰ সৰহভাগ কথাত গভীৰ ভাব সোমাই আছে। ব্ৰত আৰু পূজা পাঠৰ লগত ভালেমান গল্প সোমাই আছে। বঙ্গদেশৰ বেছিভাগ লোক কথা ব্ৰত-কথাৰ ৰূপেৰেই ভৰি আছে। আমাৰ দেশৰ বেলেগ বেলেগ ঠাইৰ ব্ৰত-কথা আন ঠাইৰ লগত অৱশ্যে মিলি যায়। ইয়াৰ ভিতৰত ভালেমান কাহিনী আৰু গল্প পুৰণিও নহয় ধৰ্মসম্বন্ধীয়ও নহয়। সেইবোৰ ঘৰুৱা গল্প-কাহিনী। লোক কথাৰ নায়ক কেতিয়াবা কেতিয়াবা ইতিহাস প্ৰসিদ্ধ হ'ব পাৰে। পঞ্জাবৰ "ৰজা ৰসালুৰ" গল্প কাহিনী বৰ প্ৰসিদ্ধ। এই গল্পৰ ঘটনাসমূহ কাল্পনিক বুলিব পাৰি। এইদৰে গল্পবোৰ দেশে দেশে বীৰ পুৰুষৰ লগত সাঙোৰ খুওৱা হয় আৰু তাৰ প্ৰমাণ বীৰ পুৰুষৰ কীৰ্তিকলাপত পোৱা যায়। চৰিত্ৰৰ গুণ কীৰ্তনবোৰ এই গল্পবোৰ বিশেষত্ব।

শব্দবোৰৰ ন-ন প্ৰয়োগো লোক কথাত কম মিলি যোৱা নাই। বুন্দেলখণ্ডৰ কথাত বীৰ ৰসৰ কীৰ্তিৰ কাৰণে "কড়খা" শব্দৰ বেছিকৈ প্ৰচলন হৈছে। 'কড়খা' গোৱাসকলক 'কৰখেত' কোৱা হয়। সূৰ্যৰ তাপৰ পৰা নিজক ৰক্ষা কৰাৰ কাৰণে ছাতি ব্যৱহাৰ কৰা হয় ; তাক "সূৰযমুখী" কোৱা হয়। একেলগে জলা দুটা জুইৰ মহলাক বুন্দেলখণ্ডৰ লোক কথাত "দুশাখা" বুলি কোৱা হয়। পৰিধান শব্দৰ সলনি হোৱা ৰূপ "পৰদনী"। ধনপোৱা মোনাক "বসনী" বোলে। এইদৰে লোক কথাবোৰে ভাষাক বিকাশ প্ৰাপ্ত হোৱাত সহায় কৰে। সদায় ন-ন শব্দ আমাৰ পৰিচিত বন্ধুৰ সদৃশ আমাৰ মাজলৈ আহে আৰু তাৰ লগত আমি মিলি যাওঁ।

ভাৰত লোক কথাৰ দেশ। "বৃহৎ কথা", "কথা চৰিৎ-সাগৰ", "পঞ্চতন্ত্ৰ" আৰু জাতকৰ লোক-কথা জনাজাত। আমাৰ পুৰণি সংগ্ৰহ কৰা গল্প বহুতো কম-বেছি পৰিমাণে সাল-সলনি হৈ আন দেশলৈও গৈছে। এঠাইৰ পৰা আন ঠাইলৈ ঘূৰিফুৰা মানুহৰ দ্বাৰা কোনো এক দেশৰ গল্প আন দেশলৈ যায়। সাগৰৰ বাটেৰে বেপাৰ কৰা মুদৈসকলেও ইদেশৰ গল্পবোৰ সিদেশত প্ৰচাৰ কৰে। এনেকৈয়ে যেতিয়া কোনো এক দেশৰ সেনাই আন এখন দেশ আক্ৰমণ কৰে, তেতিয়াও যুঁজাৰু সেনাই গল্পৰ আদান-প্ৰদানৰ মাধ্যমৰ কাম কৰিছিল।

সেই কাৰণে পৃথিৱীৰ লোক-কথাবোৰত বহুতো সামঞ্জস্য থকা দেখিবলৈ পোৱা যায়। একেটা গল্পকে

বহুতো দেশত অলপ অচৰপ পৰিৱৰ্তিত ৰূপত শুনিবলৈ পোৱা যায়। কেতিয়াবা প্ৰায় একে গল্পকে বেলেগ বেলেগ দেশত শুনিবলৈ পালে, শুনোতাই আচৰিত হৈ যাব লাগে।

এই কথাই গল্পপ্ৰেমীসকলক আচৰিত কৰি তোলে; কিন্তু ইয়াৰ অনুভৱ বহুত কম মানুহৰহে হয়। এনে ধৰণৰ মিল থকা গল্প শুনি বহুতো মানুহে ভাবিবলৈ বাধ্য হয় যে, সেই গল্পটো তেওঁলোকৰ গাৱঁৰ বস্তু। আন গাওঁলৈ বা দেশলৈ সেই গল্পটো ওলাই যাব কেনেকৈ?

ভাৰতীয় লোককথাৰ অধিকতৰ সংগ্ৰহ পোন প্ৰথমে ইংৰাজীত ছপা হৈ ওলায়। এই ক্ষেত্ৰত ইউৰোপৰ বিদ্বান লোকসকলৰ চেষ্টা পাহৰিব নোৱাৰি। অলপতে ডাঃ বেৰিয়ৰ এলবিনে মহাকোশলৰ লোককথাৰ কিছু সংগ্ৰহ বৰ পৰিশ্ৰমেৰে যুগুত কৰিছে। ডাঃ এলবিনে নিজৰ গ্ৰন্থৰ ভূমিকাত উল্লেখ কৰিছে যে, এতিয়ালৈকে ভাৰত, লঙ্কা, তিব্বত, বৰ্মা আৰু মালয়ৰ মুঠতে তিনিহাজাৰ ঘৰুৱা গল্প ছপা হৈ ওলাইছে।

লোককথা সংগ্ৰহৰ কাম আৰম্ভ হয় ১৮৮৬ খৃষ্টাব্দত। সেই বছৰত মধ্যভাৰতৰ আদিম জাতিবোৰৰ মাজত প্ৰচলিত লোককথাবোৰৰ ইংৰাজী অনুবাদেৰে সৈতে ছপা কৰা হয়। তাৰ পিছত দক্ষিণ ভাৰত, বঙ্গদেশ আৰু পঞ্জাবৰ লোককথাবোৰ প্ৰকাশিত হয়। বিংশ শতিকাৰ আৰম্ভণিতে চিমলাৰ গাৱঁৰ গল্প আৰু পঞ্জাবৰ প্ৰেমৰ গল্পবোৰ ছপা হৈ ওলায়। প্ৰথম মহাযুদ্ধৰ আগতে যিবোৰ লোক-কথা প্ৰচলিত হৈছিল, সেইবোৰৰ ভিতৰত বঙ্গদেশৰ ঘৰুৱা গল্পবোৰ আৰু শোভনা দেৱীৰ "পূবৰ মুকুতা"ই প্ৰধান। তাৰ পিছত শৰৎচন্দ্ৰৰ ছোটনাগপুৰৰ মুণ্ডা, উৰাঁৱ, খেড়িয়া আদি আদিম জাতিবোৰৰ গল্প প্ৰকাশ কৰে।

হিন্দীত লোককথাৰ সৰ্বপ্ৰথম সংগ্ৰহ "বুন্দেলখণ্ডৰ গ্ৰাম্য গল্প"। ইয়াৰ লিখক শিৱপ্ৰসাদ চতুৰ্বেদী। ইয়াত ২৭টি গল্প আছে। ১৯৪৭ চনত এই গল্প-সংগ্ৰহ প্ৰকাশিত হয়। সেই বছৰতে সত্যেন্দ্ৰই কৰা সংগ্ৰহ "ব্ৰজৰ লোককাহিনী" প্ৰকাশিত হয়। এই সংগ্ৰহত ৪১টা কাহিনী ব্ৰজভাষাত প্ৰকাশিত হয়। শিৱপ্ৰসাদ চতুৰ্বেদীৰ বুন্দেলখণ্ডৰ লোক-কাহিনীৰ দ্বিতীয় সংগ্ৰহ "পাষাণ নগৰী" ১৯৫০ চনত প্ৰকাশিত হয়। ইফালে হিন্দী ভাষাত বেলেগ বেলেগ দেশৰ বহুতো সংগ্ৰহ ছপাহৈ পলায়।

৺ৰবীন্দ্ৰনাথ ঠাকুৰে "এক আছিল ৰজা" নাম দি গল্প লিখিছিল আৰু এনেকৈয়ে লোককথাৰ পৰম্পৰাক আগবঢ়াই নিয়াত সহায় কৰিছিল। বহুতো গল্পৰ "এক আছিল ৰজা" বা "এজন ৰজা আছিল" এনে ধৰণে কৰা হৈছিল। ল'ৰা-ছোৱালীবোৰেও বুঢ়ী মাকৰ পৰা সাধুকথা শুনিবৰ সময়ত ৰজাৰ নাম-ধাম, সময় আদিৰ বিষয়ে একো গম নলৈছিল আৰু কেৱল সাধুকথাহে শুনিছিল।

যেনেকৈ আমাৰ নতুন কবিসকলে লোকগীতৰ পৰা প্ৰেৰণা পায়, সেইদৰে নতুন লিখকসকলে লোককথাৰ সহায়ত নিজৰ দেশক বুজিবলৈ সমৰ্থ হ'ব পাৰে। জনতাৰ কলা আৰু কাৰিকৰী বিস্তাৰদৰে লোকগীত লোক-কাহিনীৰ মূল্য প্ৰত্যেক দেশতে উচ্চ স্তৰত নিৰূপিত হৈছে আৰু লগে লগে তাৰ সমাদৰো বাঢ়িছে। কাৰণ এয়ে যে, এইবোৰৰ পৰা জনগণৰ প্ৰকৃত জীৱন, প্ৰকৃত ভাব আৰু আদৰ্শৰ বিষয়ে জানিবলৈ পোৱা হয়।

# পুথি পৰিচয়

[ এই শিতানত পৰিচয় কৰি দিবলৈ দুকপিকৈ কিতাপ পঠাব লাগে। ]

—সম্পাদক

**সাহিত্য সমন্বয়** (৪ৰ্থ খণ্ড)—সম্পাদক শ্ৰীচিত্তৰঞ্জন চৌধুৰী প্ৰকাশক—শ্ৰীসচ্চিদানন্দ মেধি, সম্পাদক কোকৰাঝাৰ সাহিত্য সভা; পৃষ্ঠা সংখ্যা —৭৪+৮; প্ৰথম প্ৰকাশ ১ফেব্ৰুৱাৰী, ১৯৭৭ চন; বেচ ধনে ৩·৫০ টকা।

অসম সাহিত্য সভাৰ শাখাসমূহৰ ভিতৰত যিসকলে নিয়মীয়াকৈ কিতাপ আলোচনী আদি নিজাকৈ প্ৰকাশ কৰি আছে তাৰ ভিতৰত কোকৰাঝাৰ সাহিত্য সভা অন্যতম। যোৱা কেইটিমান বছৰত গধুৰ চিন্তামূলক প্ৰবন্ধ পাতিৰে এইখন শাখা সভাই কেবাখনো সংকলন প্ৰকাশ কৰাটো মনকৰিবলগীয়া।

পৰিচয় কৰি দিবলৈ লোৱা 'সাহিত্য সমন্বয়' (৪ৰ্থ খণ্ড) এই অনুষ্ঠানটিৰ শেহতীয়া প্ৰকাশ। ইয়াৰ আগতে এই অনুষ্ঠানটিয়ে একে নামেৰে তিনিটা খণ্ড তিনিটা বছৰত সুন্দৰকৈ উলিয়াইছে। সৰ্বমুঠ হোটা গভীৰ চিন্তামূলক প্ৰবন্ধৰে সমৃদ্ধ এই চতুৰ্থ খণ্ড 'সাহিত্য সমন্বয়' পাঠকৰ হাতত তুলি দি আমি চোৱাবতে কব খুজিছোঁ যে বিবিধ বিষয়ৰ প্ৰবন্ধসমূহে সকলো শ্ৰেণীৰ পাঠকক অকল মনৰ খোৰাক দিয়াই নহয়, জ্ঞান আহৰণৰ বাবেও যথেষ্ট সমল দিছে। এনেকেন সংকলন এটি সু-সম্পাদনা কৰি পাঠকৰ আগত দাঙি ধৰাৰ বাবে অনুষ্ঠানটিক আমি ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**ঘনচিৰিকাৰ বাহ**—লিখক শ্ৰীকুমুদ গোস্বামী; প্ৰকাশক পূৰ্বাঞ্চল প্ৰকাশন, বৰপেটা; প্ৰথম প্ৰকাশ—জানুৱাৰী ১৯৭৭; পৃষ্ঠা সংখ্যা ১৩৬+৬; বেচ—পাঁচ টকা।

আধুনিক অসমীয়া গল্প সাহিত্যত শ্ৰীকুমুদ গোস্বামীৰ স্থানৰ বিষয়ে পাঠক পাঠিকাক নতুনকৈ পৰিচয় কৰি দিব নালাগে। এই দশকত যিসকল নতুন গল্পকাৰে অসমীয়া গল্প-সাহিত্যত নতুন চিন্তা আৰু নতুন পৰিৱেশন পদ্ধতি উপস্থাপন কৰিছে শ্ৰীকুমুদ গোস্বামী সেইসকলৰ এজন বিশিষ্ট। ইয়াৰ আগতে লিখকৰ গল্প সংকলন 'দুৱাৰ' আমি পঢ়িছোঁ।

হাতত তুলি লোৱা 'ঘনচিৰিকাৰ বাহ' লিখকৰ দ্বিতীয় গল্প সংকলন। সৰ্বমুঠ চৈধ্যটা গল্প সম্বলিত এই সংকলনটি পাঠকে যথেষ্ট উপাদেয় সামগ্ৰী পাব এই বিষয়ে আমি নিশ্চিত।

কিতাপখনৰ ছপা-বন্ধা ভাল হৈছে। আমি জানি সুখী হৈছো বৰপেটাৰ এখন বিদ্যালয়ৰ ছাত্ৰসকলে নিজাকৈ ছপাশাল পাতি নিজে কাম কৰি এই কিতাপখন সুন্দৰকৈ ছপাই-বন্ধাই উলিয়াইছে। পূৰ্বাঞ্চল প্ৰকাশন নামৰ প্ৰকাশন অনুষ্ঠানটিয়ে আৰম্ভণিতেই ভৱিষ্যতৰ এক আশাৰ ৰেঙনি দিছে। আমি পূৰ্বাঞ্চল প্ৰকাশনৰ পৰা আৰু ভাল ভাল কিতাপ পাম বুলি আশা ৰাখিছোঁ।

**বত্ৰিশ পুতলা**—অনুবাদক শ্ৰীকেশবানন্দ শৰ্মা পাঠক;

প্ৰকাশক—শ্ৰীখগেন্দ্ৰ নাৰায়ণ দত্তবৰুৱা লয়াৰ্চ বুক ষ্টল, গুৱাহাটী-১ : ১ম সংস্কৰণ ১৯৭৬ (ফেব্ৰুৱাৰী); পৃষ্ঠা সংখ্যা ১১২+৮; মূল্য সাত টকা।

মহাকবি কালিদাস বিৰচিত ভৰ্তৃহৰিৰ বৈৰাগ্য কথা, বহুশ্ৰুত উপখ্যান আৰু বত্ৰিশ পুতলাৰ গল্প-বোৰ অনুবাদ কৰি 'বত্ৰিশ পুতলা' নাম দি এই পুথি-খনিত সন্নিবিষ্ট কৰা হৈছে। পুথিখনি অনুবাদ কৰোঁতে অনুবাদক শ্ৰীশৰ্মা পাঠকে মূলৰ যথাৰ্থ ৰাখিবৰ যত্নত ত্ৰুটী কৰা নাই। এনেকি মূলৰ বাক্য গাঠনিৰো ক্ৰম ৰক্ষা কৰিবলৈ চেষ্টা কৰিছে। ফলত মূকলি অনুবাদত যথেষ্ট খুঁত থাকি গ'ল আৰু ঠাঁয়ে ঠাঁয়ে খোকোজা লগা হ'ল। কিছুমান বাক্যৰ অনুবাদ এনেকুৱা হ'ল যে পাঠকে বহু যত্ন কৰিহে ভাবাৰ্থ বুজিব লাগে (যেনে—"ৰজাৰ দুই ভৰি ওচৰৰ সামান্য ৰজাৰ ৰাণীসকলৰ শিৰৰ সেন্দুৰৰ দ্বাৰাই অৰুণ বৰ্ণ ধাৰণ কৰিছিল" 'চাৰিকোণ ভাবৰ সৈতে সমান দুই ভৰি লতা সদৃশ দুই হাতৰ লয়লাসৰ দৃশ্য নৃত্যৰ আৱৰ্ত্তণীতে সামান্য বুলি ধৰা হয়। নৰ্তকীৰ দেহ যেন দেখাত নতুন হয় এনে হোৱা উচিত……" ইত্যাদি। কিতাপৰ বাক্য ৰচনাত (বিশেষকৈ সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ প্ৰতি) শ্ৰীশৰ্মা পাঠকে সমূলি মন দিয়া নাই। এনেবোৰ ভুল-ত্ৰুটীয়ে 'বত্ৰিশ পুতলা'ৰ দৰে মূল্যবান পুথিখনিক অনুবাদকে পাঠকৰ সন্মুখত প্ৰকৃত ৰূপত থিয় কৰাব নোৱাৰিলে। পৰৱৰ্তী সংস্কৰণত ভালদৰে হাত ফুৰাই আসোৱাহবোৰ দূৰ কৰাত কৃতকাৰ্য হ'ব বুলি আশা কৰিছোঁ। কিতাপখনিৰ ছপা-বন্ধা বেয়া হোৱা নাই।

**অসমৰ বাটে ঘাটে**—লিখক ড° গজেন্দ্ৰ কুমাৰ দেববায়; প্ৰকাশিকা—শ্ৰীমতী ইন্দুলেখা দেববায়, উলুবাৰী, গুৱাহাটী-৭; প্ৰথম প্ৰকাশ—মহালয়া, ১৯৭৬ চন, পৃষ্ঠা সংখ্যা ৯০+২+৬; বেচ—পাঁচ টকা।

ড° গজেন্দ্ৰ কুমাৰ দেববায়ৰ 'এই দেশ আসাম' নামৰ বঙলা ভাষাত লিখা অসম দেশৰ বুৰঞ্জী এখন আমি আগতেই পঢ়িছো। অসমৰ বিষয়ে বহুখিনি কথা সন্নিবিষ্ট কৰি ড° দেববায়ে এক ব্যাপক অঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰত যোগাযোগ ৰক্ষাৰ কাৰণে সেই পুথিৰে এক অৰিহণা দিছে। সম্প্ৰতি পৰিচয় কৰি দিবলৈ লোৱা 'অসমৰ বাটে ঘাটে' লিখকৰ আন এখন পুথি যিখনত তেখেতে অকল বুৰঞ্জীৰ তথ্যৰ ওপৰতেই নিৰ্ভৰ নকৰি অন্যান্য চিন্তা চৰ্চাৰ সামগ্ৰীকো লৈ অসম সম্পৰ্কে কিছু কথা বঙলা ভাষাৰে ৰচনা কৰি প্ৰকাশ কৰিছে। কিতাপখনৰ নাম নিৰ্বাচনতো তেখেতে সেইদিশৰ প্ৰতি লক্ষ্য ৰাখি বঙলা ভাষাত ৰচিত যদিও কিতাপখনৰ নাম অসমীয়াৰে দিছে। অসম সম্পৰ্কীয় বহুতথ্য তেখেতে বিভিন্ন পুথি-পাজিৰ পৰা সংগ্ৰহ কৰি আৰু কম পৰিসৰতে সহজ সৰল ভাষাত লিখি বিশেষকৈ বঙলা ভাষাৰ পাঠকসকলৰ কামত অহাকৈ দাঙি ধৰাত কৃতকাৰ্য হৈছে। মুঠ দহোটা বিভিন্ন বিষয়ৰ ৰচনাৰ মাজত শিৱসাগৰ, তেজপুৰ, ডিমাপুৰ, গুৱাহাটী আদি বিভিন্ন স্থানক ঐতিহাসিক দৃষ্টিভংগীৰে চাই লিখকে যিমান পাৰি প্ৰাচীন জগতখনৰ লগতো সম্পৰ্ক স্থাপন কৰিবলৈ কৰা প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়।

আমি শ্ৰীদেববায়ৰ পৰা নিশ্চয় আৰু বহুত আশা কৰিব পাৰো।

**শোণিতপুৰীয়া সংস্কৃতিৰ ৰূপৰেখা**—লিখক শ্ৰীনাৰায়ণ দাস, দৰং মহাবিদ্যালয়, দৰং মহাবিদ্যালয় আলোচনীৰ ঊনত্ৰিংশৎ সংখ্যাৰ পৰা পুনৰ্মুদ্ৰিত, ডিচেম্বৰ ১৯৭৬ চন, পৃষ্ঠা সংখ্যা ১৬।

অসমৰ ইতিহাসৰ এক উজ্জ্বল অধ্যায় শোণিতপুৰৰ বিষয়ে ইতিমধ্যে বহু গ্ৰন্থত আলোচিত হৈছে। লোক-কথা, ঐতিহাসিক তথ্য, স্থাপত্য-ভাস্কৰ্য্য আদিৰ চাক্ষুস প্ৰমাণ আদিৰে সুষমামণ্ডিত শোণিতপুৰৰ বিষয়ে আৰু বহু কথা হয়তো অনাবিষ্কৃত হৈয়ে আছে। উদ্ঘাটনৰ প্ৰচেষ্টাও চলি আছে। প্ৰবক্তা শ্ৰীনাৰায়ণ দাসে ঐতিহাসিক তথ্যৰ ওপৰত ভিত্তি কৰি বহু গ্ৰন্থৰে পৰাখিনি সমল সংগ্ৰহেৰে এইখন ৰচনা কৰি এক ডাঙৰ কাম কৰিছে। বিশেষকৈ বৃটিছসকলৰ আগমনৰ কালছোৱা—যিছোৱা কালৰ খবৰ সততকাই একেলগে পাবলৈ অসুবিধা হৈ আছিল—সেইছোৱা কালক নিৰ্বাচন কৰি লৈ লিখকে এটা ভাল কাম কৰিছে। দেখাত সৰু যেন লাগিলেও বহুচিত্ৰ সন্নিবিষ্ট কৰি কিতাপ (পুস্তিকা?)খনিয়ে বহুকথা দাঙি ধৰিছে। কিতাপখনি আলোচনীৰ আকাৰত নকৰি 'কিতাপ'ৰ আকাৰত কৰা হলে পুথিভঁৰালৰ কাৰণে বেছি সুবিধা হ'লহেঁতেন। আমি শ্ৰীদাসৰ পৰা শোণিতপুৰৰ এখন সম্পূৰ্ণ বুৰঞ্জীও নিশ্চয় আশা কৰিব পাৰোঁ।

## প্ৰাপ্তি স্বীকাৰ

**ভিজিৰ নাশি জ্যোতি**—(কবিতা আৰু গীতৰ সংকলন)—ৰচক শ্ৰীকিশোৰ কুমাৰ দৈমাৰী, বকো; প্ৰকাশক—শ্ৰীকিশোৰ কুমাৰ দৈমাৰী; প্ৰথম প্ৰকাশ জানুৱাৰী, ১৯৭৩; পৃষ্ঠা সংখ্যা ৮৬+১৬+১২; মূল্য ১·৭৫ টকা।

**নিবেদিতা** (চুটি গল্পৰ সংকলন)—লিখক শ্ৰীকৈলাসমল্ল বৰুৱা; প্ৰকাশক—বৰুৱা কলা মন্দিৰ, টীহ; প্ৰথম প্ৰকাশ-১৯৭৬ চন; পৃষ্ঠা সংখ্যা ১১০+৪; বেচ ৪·০০ টকা।

**বাগ্মীনেতা দেশভক্ত ফুকন** (দেশভক্ত তৰুণৰাম ফুকনৰ বিষয়ে)—লিখক—শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, প্ৰকাশক—শ্ৰীনবেন হাজৰিকা, মঙ্গলদৈ; প্ৰথম প্ৰকাশ জানুৱাৰী, ১৯৭৭; পৃষ্ঠা সংখ্যা ৪৬+৮; বেচ-সাধাৰণ সংস্কৰণ ৩·০০, উন্নত সংস্কৰণ ৫·০০ টকা।

**শিশু সাহিত্যিক অনন্ত দেৱ শৰ্মা** (৺ অনন্ত দেৱশৰ্মাৰ জীৱনী)—লিখক শ্ৰীভৰত চন্দ্ৰ ডেকা; প্ৰকাশক—শ্ৰীযোগেন্দ্ৰ নাথ চক্ৰৱৰ্তী, চক্ৰৱৰ্তী ব্ৰাদাৰ্চ, মঙ্গলদৈ; ১ম প্ৰকাশ-১৮৯৮ শক; পৃষ্ঠা সংখ্যা ৩৩+৪+৪; বেচ ১·৩০ টকা।

**বিশ্ব জননী** (কবিতাৰ পুথি)—লিখক শ্ৰীগুৰুদত্ত ভাগৱতী; প্ৰকাশক—জয়শ্ৰী প্ৰকাশালয়, হাতীগাওঁ, গুৱাহাটী-৬; ১ম প্ৰকাশ—ডিচেম্বৰ, ১৯৭৬; পৃষ্ঠা সংখ্যা ২৬+৬, বেচ-১·৫০ টকা

**জীৱন দৰ্শন ও মোৰ খেতিৰ জীৱন** (আত্মজীৱন আৰু বিশেষকৈ কৃষি-জীৱনৰ বিষয়ে অভিজ্ঞতা সম্বলিত পুথি)—লিখক শ্ৰীপ্ৰিয়ৰাম দৰৱধৰা বৰুৱা, বৰতলা বাঁহগড়া গাওঁ, পোঃ মেজেঙ্গা (ভায়া-নাজিৰা) জিলা-শিৱসাগৰ; প্ৰকাশক—লিখক নিজে; প্ৰথম প্ৰকাশ ১৯৭৬; পৃষ্ঠা সংখ্যা ৭৪+৮; বেচ ২·৭৫ টকা

**অপৰাধী কোন** (একাঙ্কিকা)—লিখক শ্ৰীৰতি বড়া; প্ৰকাশক—শ্ৰীমোলান গগৈ, মৌচুমী প্ৰকাশন, শিৱসাগৰ; ১ম প্ৰকাশ—আগষ্ট ১৯৭৬; পৃষ্ঠা সংখ্যা ১৪+৪; বেচ ১·০০ টকা

**এখন সাগৰৰ মাজৰ পৰা কৈছোঁ** (কবিতা)—লিখক—শ্ৰীৰাম গোস্বামী, বৰহাপজান; প্ৰকাশক—নতুন প্ৰকাশ, বৰহাপজান; পৃষ্ঠা সংখ্যা ১২+৪; বেচ এটকা।

# অসম সাহিত্য সভাৰ বিগত বছৰটোৰ কেইটামান অনুষ্ঠানৰ বতৰা

১৯৭৬ চনৰ ১২ ডিচেম্বৰ তাৰিখে যোৰহাটৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ এক গাম্ভীৰ্য্যপূৰ্ণ সভাত ভাষা-জননীৰ একান্ত সাধক ককা ড° নীলমণি ফুকন ডাঙৰীয়াই অসম সাহিত্য সভালৈ আগবঢ়োৱা তেখেতৰ পুথিভঁৰাল আৰু ৰচনাৱলী গ্ৰহণ কৰা হয়। সভাত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই আৰু উদ্বোধন কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি আৰু বকুলবনৰ কবি শ্ৰীআনন্দচন্দ্ৰ বৰুৱাদেৱে।

সভাত প্ৰধান সম্পাদক ড° হেমন্ত শৰ্মাই প্ৰতিবেদন পাঠ কৰি কয়,

"যোৱা ২৯ অক্টোবৰ (১৯৭৬) তাৰিখে গুৱাহাটীৰ ভগৱতী প্ৰসাদ বৰুৱা ভৱনত অনুষ্ঠিত হোৱা কাৰ্য-নিৰ্বাহক সমিতিৰ বৈঠকত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ ডঃ নীলমণি ফুকন ককাই অসম সাহিত্য সভালৈ তেখেতৰ প্ৰকাশিত-অপ্ৰকাশিত সমস্ত কিতাপৰ স্বত্ব আৰু তেখেতৰ ব্যক্তিগত পুথি-ভঁৰালটি দুটা আলমাৰীসহ অসম সাহিত্য সভালৈ দান স্বৰূপে আগবঢ়োৱাত সভাই সন্তোষ প্ৰকাশ কৰে আৰু সভাৰ প্ৰতি তেখেতৰ চেনেহৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰি কৃতজ্ঞতাৰে ককাৰ দান গ্ৰহণ কৰে আৰু ককালৈ ধন্যবাদ জ্ঞাপন কৰে।

ককাৰ দান—(১) পুথি: ইংৰাজী ১৬১ খন, হিন্দী ৫৬ খন, অসমীয়া ২৫৬ খন, (২) আলোচনী: ইংৰাজী ৪১ খন, অসমীয়া ৯৬ খন, প্ৰকাশিত পুথি: ১৭ খন, অপ্ৰকাশিত পুথি: ১২ খন, মুঠ— ৬৩৯ খন।

**প্ৰকাশিত কিতাপৰ তালিকা:**—সাহিত্য-কলা, চিন্তামণি, জ্যোতিকণা, তৰুণ অসম, জিঞ্জিৰি, মানসী, সন্ধানী, আহুতি, মৰ্ম্মবাণী, মৰা ডালত কুঁহিপাত, মানস প্ৰতিমা, পুষ্পিতা ধৰণী, তুমিনো নোহোৱা কি, শতধাৰা, গুটিমালি, অমিত্ৰা, জয়াতীৰ্থ।

**অপ্ৰকাশিত পাণ্ডুলিপিৰ তালিকা:** ১। মানস পুৰী ২। সহস্ৰ ধাৰা ৩। বুৰঞ্জীৰ বিং ৪। ঋতু সম্ভাৰ ৫। উৎসৱানন্দ ৬। বীৰোচিত কাহিনী ৭। শ্ৰদ্ধাঞ্জলী ৮। অনন্ত কালৰ বাণী ৯। বিনোবা বিচাৰ ১০। নৱ পত্ৰিকা ১১। তৰুণ ভাৰত ১২। ওঙ্কাৰ ১৩। বাস্তৱৰ বিভূতি।

আমি অতি আনন্দৰে জনাওঁ যে ককাৰ গ্ৰন্থসমূহ প্ৰকাশ কৰিবৰ কাৰণে 'নীলমণি প্ৰকাশন সমিতি' নামে এটি উপসমিতি গঠন কৰা হৈছে আৰু এই বছৰ



ককাৰ অপ্ৰকাশিত গ্ৰন্থ 'বাস্তৱৰ বিভূতি' প্ৰকাশ কৰিবৰ কাৰণে সভাই দিহা কৰিছে। এনেদৰে এই উপসমিতি পৰ্যায়ক্ৰমে ককাৰ গ্ৰন্থসমূহ প্ৰকাশ কৰিবলৈ যত্নপৰ হ'ব।

ককাৰ এই মহৎ দানৰ তুলনা নাই। এই দানৰ আদৰ্শই অন্যান্য দাতাসকলক অনুপ্ৰেৰিত কৰি অসমীয়া ভাষা-জননীৰ এই মহত্তম অনুষ্ঠান অসম সাহিত্য সভাৰ উত্তৰোত্তৰ সমৃদ্ধিৰ কাৰণে আগবাঢ়ি আহিব বুলি আশা কৰিলোঁ।

সদৌ শেষত শ্ৰদ্ধেয় ককাৰ সুন্দৰ স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি আৰু সুধীসমাজক কৰপুটে মোৰ শ্ৰদ্ধা নিবেদন কৰি এই চুটি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।



॥ মানপত্ৰ প্ৰদান অনুষ্ঠানৰ এটি ছবি ॥

**প্ৰতিবেদন পাঠৰ অন্তত প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ হৈ তলত দিয়া মানপত্ৰেৰে ককা ফুকনলৈ অভিনন্দন আগবঢ়ায়:**

**"অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্য অকাডেমীৰ সদস্য, মহত্তম ডঃ নীলমণি ফুকন ককাৰ কৰকমলেষু**

অসমীয়া ভাষা, সাহিত্য আৰু জাতীয়-জীৱনৰ প্ৰতি গভীৰ আন্তৰিক প্ৰেম আৰু শ্ৰদ্ধাই যি গৰাকী অশীতিপৰ ব্যক্তিক এতিয়াও সক্ৰিয় কৰি ৰাখিছে, যি গৰাকী ব্যক্তিয়ে স্বতঃস্ফূৰ্ত প্ৰেৰণাৰে কাব্য-চৰ্চাত আত্মনিয়োগ কৰি ভাষা-জননীৰ পূজাৰ বেদীত অৰ্ঘ্য নিবেদন কৰি আহিছে, সেই গৰাকী কবি-সাহিত্যিক, সমাজকৰ্মী শ্ৰদ্ধেয় ডঃ নীলমণি ফুকন ডাঙৰীয়া, অসম সাহিত্য সভালৈ আপুনি আগবঢ়াইছে আপোনাৰ প্ৰকাশিত-অপ্ৰকাশিত সমস্ত কিতাপৰ স্বত্ব আৰু দুটা আলমাৰিসহ আপোনাৰ ব্যক্তিগত পুথিভঁৰালটি। সভাই আপোনাক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জনাবলৈ পাই আনন্দ লাভ কৰিছে। শ্ৰীমন্ত শংকৰ-মাধৱৰ আদৰ্শৰ প্ৰতি আৰু মহাত্মা গান্ধীৰ আদৰ্শৰ প্ৰতি একান্ত অনুৰক্ত আপুনি শৈক্ষিক-সাংস্কৃতিক-

সামাজিক অনুষ্ঠানৰ লগত নিজকে জড়িত কৰি উত্তৰ পুৰুষক দান কৰিছে প্ৰেৰণা আৰু উৎসাহ। আপুনি আমাৰ সম্ভাষণ গ্ৰহণ কৰক।

অসম সাহিত্য সভাই বাঞ্ছা কৰিছে আপোনাৰ সুদীৰ্ঘ জীৱন আৰু সুন্দৰ স্বাস্থ্য। ইতি—

ভৱদীয়

হেমন্ত কুমাৰ শৰ্মা

প্ৰধান সম্পাদক

অসম সাহিত্য সভা।

চন্দ্ৰকান্ত সন্দিকৈ ভৱন

যোৰহাট-৭৮৫০০১

ডিচেম্বৰ ১২, ১৯৭৬।

মাননীয় সভাপতি শ্ৰীশৰ্মাই তেখেতৰ ভাষণ দান কৰি ককাৰ জীৱনৰ কেইটামান উল্লেখযোগ্য দিশৰ কথা উল্লেখ কৰে আৰু তলত দিয়া প্ৰস্তাৱটি সভাপতিৰ আসনৰ পৰা দাঙি ধৰাত সভাই গ্ৰহণ কৰে :

অসম সাহিত্য সভা আৰু যোৰহাট সাহিত্য সভাৰ উদ্যোগত অনুষ্ঠিত হোৱা আজিৰ ৰাজহুৱা সভাত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বাগ্মীবৰ ডঃ নীলমণি ফুকন ককাই তেখেতৰ প্ৰকাশিত-অপ্ৰকাশিত সমস্ত কিতাপৰ স্বত্ব আৰু তেখেতৰ ব্যক্তিগত পুথিভঁৰালটি দুটা আলমাৰিসহ অসম সাহিত্য সভালৈ দানস্বৰূপে আগবঢ়োৱাত সভাই সন্তোষ প্ৰকাশ কৰে আৰু ককাই উদাৰ হৃদয়েৰে আগবঢ়োৱা দান আন্তৰিকতা আৰু শ্ৰদ্ধাৰে গ্ৰহণ কৰে। উল্লেখ থাকে যে সভাই গ্ৰহণ কৰা ককাৰ গ্ৰন্থসমূহৰ ভিতৰত কবিতা ভাগ পুথিভঁৰালত ৰখা হৈছে, গদ্য ভাগ আনিবৰ কাৰণে সভাই তালিকা যুগুত কৰাইছে।"

১২-১২-৭৬ (প্ৰস্তাৱ সভাপতিৰ আসনৰ পৰা)

সভাৰ আৰম্ভণিতে বকুল বনৰ কবি, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীআনন্দ চন্দ্ৰ বৰুৱাদেৱে বাগ্মীবৰ ককাৰ জীৱনৰ ওপৰত আলোকপাত কৰি অসম সাহিত্য সভালৈ দিয়া এই মহৎ দানক প্ৰশংসা কৰে আৰু অন্যান্য ভাষা-জননীৰ সেৱকবো এইটো এটা আদৰ্শ হব পাৰে বুলি উল্লেখ কৰি ককাক শ্ৰদ্ধা জ্ঞাপন কৰে। প্ৰত্যুত্তৰত ককাই জীৱনত আজি সৰ্বোচ্চ সন্মান পাইছে বুলি আনন্দিত হৈ আবেগজড়িত কণ্ঠেৰে অসম সাহিত্য সভা, অসমীয়া জাতি আৰু অসম মাতৃৰ মহৎ সন্তানসকলৰ ভাষা-জননীৰ বাবে আগবঢ়োৱা বৰঙনিক স্মৰণ কৰি আগবঢ়োৱা এই দান জীৱনৰ সৰ্বোচ্চ প্ৰতিভূ বুলি স্বীকাৰ কৰে।

এই সভালৈ বিশেষভাৱে আমন্ত্ৰিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, অসম সাহিত্য সভা পত্ৰিকাৰ সম্পাদক শ্ৰীযতীন গোস্বামী, শিৱসাগৰ জিলাৰ উপায়ুক্ত শ্ৰীপি, কে, গঙ্গোপাধ্যায় আদিয়ে ককাৰ এই দান অসম সাহিত্য সভাৰ বাবে অমূল্য বুলি প্ৰশংসা কৰি শ্ৰদ্ধা জ্ঞাপন কৰে।

## অসম সাহিত্য সভাৰ চতুৰ্থ লেখক শিবিৰ :

যোৱা ২৪ আৰু ২৫ ডিচেম্বৰ তাৰিখে তেজপুৰ চহৰত অসম সাহিত্য সভাৰ চতুৰ্থ লেখক শিবিৰ অনুষ্ঠিত হয়। ২৪ ডিচেম্বৰৰ দিনা পুৱা চাৰে আঠ বজাত তেজপুৰ সাহিত্য সভা ভৱন প্ৰাঙ্গণত অসম সাহিত্য সভাৰ সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মাই অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। তাৰ পিছত ন বজাত তেজপুৰ জিলা পুথিভঁৰালত অসমৰ মুখ্য মন্ত্ৰী শ্ৰীশৰৎ চন্দ্ৰ সিংহই লেখক



শিবিৰ উদ্বোধন কৰে। অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীচন্দ্ৰধৰ গোস্বামী, তেজপুৰ সাহিত্য সভাৰ সভাপতি শ্ৰীগহন চন্দ্ৰ গোস্বামী আৰু সম্পাদক শ্ৰীনবীন চন্দ্ৰ কাথ হাজৰিকাই আদৰণী ভাষণ দিয়ে। চতুৰ্থ লেখক শিবিৰৰ সঞ্চালক ডঃ মহেশ্বৰ নেওগে তেখেতৰ ভাষণত 'শিবিৰ' শব্দটোৰ ঠাইত 'সত্ৰ' শব্দটোহে খাপখোৱা হয় বুলি কয়।

অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডক্টৰ হেমন্ত কুমাৰ শৰ্মাই তেওঁৰ প্ৰতিবেদন পাঠ কৰে আৰু লেখক শিবিৰলৈ পঠোৱা বিভিন্ন জনৰ বাণী পাঠ কৰে। লেখক শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচীৰ আলোচ্য বিষয়—"সাম্প্ৰতিক অসমীয়া সাহিত্য, ৰুচি, আদৰ্শ আৰু সামাজিক দায়িত্ব" উত্থাপন কৰে শ্ৰীনৰকান্ত বৰুৱাই। শ্ৰীবৰুৱাই সাহিত্যৰ বিভিন্ন ধাৰা, বিভিন্ন ৰুচিবোধ, বিশ্ব সাহিত্যৰ মান, মহাকাব্যৰ লক্ষণ, সমাজবাদী সাহিত্য সৃষ্টিৰ মূল আৰু প্ৰকৃতি আৰু আজিৰ সাহিত্যিক সমালোচকে সমাজবাদী বাস্তৱ সাহিত্যৰ কিদৰে সৃষ্টি কৰিব লাগে উদ্ধৃতিৰে সৈতে বৰ্ণনা কৰে। আলোচনাত অংশগ্ৰহণকাৰী শ্ৰীবীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই সমাজবাদী বাস্তৱতাক মূলতে এটি দাৰ্শনিক বৃত্তি বুলি কয় আৰু এই ভাবধাৰা পোনতে এমিল জলাই আনে; তাৰ পিছত ক্ৰমে গোগল, টলষ্টয়, কাৰ্লমাৰ্ক্স, লেনিন প্ৰভৃতিয়ে পূৰ্ণ ৰূপ দিয়ে বুলি কয়। লগতে ষ্টেলিনৰ সময়ত সমাজবাদী বাস্তৱতাৰ কিদৰে অৱনতি ঘটিল তাৰো এটি সমীক্ষা দাঙি ধৰে।"

অন্যতম অংশগ্ৰহণকাৰী শ্ৰীৰাম গোস্বামীয়ে কয়, "সৎ-সাহিত্য আলোচনা কৰিবলৈ যাওঁতে অসৎ সাহিত্য বুলি কণা এটি ওলাই আহে। আজি চিন্তাশীল লিখক সকলে তাক নিৰ্ণয় কৰিব লাগিব।" শ্ৰীযতীন্দ্ৰ নাথ গোস্বামীয়ে কয়, "ৰুচি সদায় পৰিৱৰ্তনশীল আৰু ব্যক্তি অনুস্বৰে ৰুচিৰো পৰিৱৰ্তন ঘটে।" গোস্বামীয়ে অভিমত প্ৰকাশ কৰি কয় যে চেমনীয়াসকলৰ মন কলুষিত কৰিব পৰা ৰচনাসমূহ অতি সোনকালে বন্ধ কৰা উচিত আৰু তেনেকুৱা ৰচনা যাতে কৰা নহয় তাৰ বাবে চোকা দৃষ্টি ৰাখিব লাগে।

শ্ৰীনাহেন্দ্ৰ পাডুনে কয় যে জনপ্ৰিয় সাহিত্যৰ পঢ়ুৱৈ সমাজ আমাৰ মাজত বেছি; আনহাতে গভীৰ সাহিত্যৰ উপলব্ধি কৰিব পৰা পাঠক ৰব কম। ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যই কয়, "সাহিত্যৰ গুড টেষ্ট এণ্ড বেড টেষ্ট মানে ভাল আৰু বেয়া ৰুচিৰ মাজত ৰুচিবোধৰ এটি মধ্যম পন্থাও আছে। সেই শ্ৰেণীৰ পঢ়ুৱৈৰ সংখ্যাই আমাৰ মাজত বেছি।" ডঃ নিৰ্মলপ্ৰভা বৰদলৈয়ে কয় যে সাহিত্য সৃষ্টিত ধৰ্মীয় ভাবধাৰাৰ এটি মূল্য নিশ্চয় আছে। শ্ৰীনগেন শইকীয়াই আধুনিক সাহিত্য আৰু মাৰ্ক্সীয় ভাবধাৰাই কিদৰে দুই ফালৰ পৰা প্ৰভাৱ পেলাইছে বৰ্ণনা কৰে। শ্ৰীশইকীয়াই ডঃ নিৰ্মল প্ৰভা বৰদলৈৰ প্ৰশ্নৰ উত্তৰত লোক সাহিত্যত স্থূল প্ৰেমৰ মহত্ত্ব থকা বুলি কয়।

এটি প্ৰশ্নৰ উত্তৰত শ্ৰীনৰকান্ত বৰুৱাই কয় যে ৰুচি কেৱল ব্যক্তিগত কথাই নহয়, সমাজতত্ত্বও। শ্ৰীবৰুৱাই ডঃ আনন্দ কুমাৰে ৰুচিবোধৰ ওপৰত দিয়া নন্দন তাত্ত্বিক বা আধ্যাত্মিক দিশটোৰ এটি সমীক্ষা দাঙি ধৰে।

অধ্যাপক ৰায়হানছাহে ৰুচিবোধত এটা জাতিৰ তথাকথিত সমাজ আৰু সভ্যতাৰ এটি বৰ্ণনা পোৱা যায় বুলি কয়। ডঃ গোবিন্দ প্ৰসাদ শৰ্মাই সাহিত্য-সমালোচনাৰ মান আৰু ৰুচি বিষয়টো পাশ্চাত্যৰ সমালোচনাৰ ভিত্তিত বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে আলোচনা কৰে। শ্ৰীৰাম গোস্বামীয়ে সৎজন প্ৰিয় আৰু বহুজন প্ৰিয় সাহিত্যৰ লক্ষণৰ কথা কয়।

অধ্যাপক শ্ৰীৰজনী কান্ত দেৱশৰ্মাই নন্দনতত্ত্বৰ এই বিষয়টোৰ ওপৰত সংস্কৃত সাহিত্যৰ উদ্ধৃতি সহ এটি অতি পাণ্ডিত্যপূৰ্ণ আলোচনা দাঙি ধৰে। (সৰ্বশ্ৰী) মহেশ্চন্দ্ৰ দেৱ গোস্বামী, অতুল চন্দ্ৰ বৰুৱা, আলিমুন-নিছা পিয়াৰ, ৰামচৰণ ঠাকুৰীয়া, দুৰ্গেশ্বৰ শৰ্মা, শুচিব্ৰতা ৰায় চৌধুৰী আদিয়েও আলোচনাত অংশ

গ্ৰহণ কৰে। প্ৰতিবেদনৰ টোকা প্ৰস্তুত কৰে সৰ্বশ্ৰী ৰামচৰণ ঠাকুৰীয়া, কনক ডেকা, কুটুবুদ্দিন আহমেদ আৰু ভৃগুমোহন গোস্বামীয়ে।

**সমাজবাদী আদৰ্শ**

২৫ ডিচেম্বৰ তাৰিখে দ্বিতীয় দিনাৰ শিবিৰ উদ্বোধন কৰে অসমৰ গৃহ আৰু সাংস্কৃতিক মন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়াই। দ্বিতীয় দিনাৰ শিবিৰৰ আলোচ্য বিষয় আছিল "অসমীয়া সংবাদ পত্ৰ আৰু আলোচনীৰ সমস্যা" আৰু 'অসমীয়া আখৰ জোটনি'

দ্বিতীয় দিনাৰ শিবিৰৰ আলোচ্য বিষয় উত্থাপন কৰে শ্ৰীমুনীন্দ্ৰ বৰকটকীয়ে। আলোচনাত অংশ গ্ৰহণ কৰে ( সৰ্বশ্ৰী ) যোগেশ দাস, ডঃ প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্য, ডঃ উপেন্দ্ৰনাথ গোস্বামী, বীৰেন বৰকটকী, ৰাধিকা মোহন ভাগৱতী, লীলা গগৈ, যতীন্দ্ৰনাথ গোস্বামী, ডঃ সত্যেন্দ্ৰ নাৰায়ণ গোস্বামী, লোকনাথ ভৰালী, ৰজনীকান্ত দেব শৰ্মা, নগেন শইকীয়া, ডঃ নিৰ্মল প্ৰভা বৰদলৈ, শুচিব্ৰতা ৰায়চৌধুৰী, সত্য প্ৰসাদ বৰুৱা, যতীন গোস্বামী, ধীৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, পদ্ম পাটৰ, অতুল চন্দ্ৰ বৰুৱা, সতীশ ভট্টাচাৰ্য্য আদিয়ে আৰু প্ৰতিবেদনৰ টোকা সংৰক্ষণ কৰে ( সৰ্বশ্ৰী ) দুৰ্গেশ্বৰ শৰ্মা, কনকচন্দ্ৰ ডেকা, অমল ৰাজখোৱা আৰু ৰমেশ কলিতাই।

২৫ ডিচেম্বৰ তাৰিখে গধূলি মাননীয় শ্ৰীযজ্ঞেশ্বৰ শৰ্মাৰ পৌৰোহিত্যত সামৰণি উৎসৱ অনুষ্ঠিত হয়। সভাত বিশিষ্ট আতিথিৰ ভাষণ দিয়ে বাণিজ্যিক মন্ত্ৰী মাননীয় শ্ৰীবিজয় চন্দ্ৰ শৰ্মাই। সভাত তেজপুৰ সাহিত্য সভা তথা তেজপুৰীয়া ৰাইজে এখনি শৰাই আৰু ফুলাম গামোছাৰে অসম সাহিত্য সভাৰ সভাপতি শ্ৰীশৰ্মাক সম্বৰ্দ্ধনা জনায়। সভাত আদৰণি সভাৰ সভাপতি শ্ৰীচন্দ্ৰধৰ গোস্বামী, তেজপুৰ সাহিত্য সভাৰ সভাপতি শ্ৰীগহন চন্দ্ৰ গোস্বামী, আৰু প্ৰধান সম্পাদক শ্ৰীনবীনচন্দ্ৰ কাথ হাজৰিকাই ভাষণ দিয়াৰ পিছত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ডঃ হেমন্তকুমাৰ শৰ্মাই লেখক শিবিৰ কৃতকাৰ্য কৰি তোলাত যিসকল ব্যক্তি আৰু অনুষ্ঠানে সহায়-সহযোগ আগবঢ়ালে সকলোৰে শলাগ লয়। সন্ধিয়া তেজপুৰ কলা পৰিষদৰ দ্বাৰা এখনি সাংস্কৃতিক সমাৰোহ পতা হয়। সাংস্কৃতিক সমাৰোহৰ বিশেষ আকৰ্ষণ আছিল শ্ৰীনবীনচন্দ্ৰ কাথ হাজৰিকাই ব্ৰজাবলী ভাষাত ৰচনা কৰা 'দুঃশাসনৰ ৰক্তপান' নামৰ নাটখনি।

**॥ চৌধাৰী পুথিভঁৰাল দান গ্ৰহণ ॥**

বিহগী কবি ৰঘুনাথ চৌধাৰীদেৱৰ ৰচিত গ্ৰন্থ আৰু গীতিকবি উমেশচন্দ্ৰ চৌধাৰীদেৱৰ ঘৰুৱা পুথিভঁৰালৰ গ্ৰন্থসমূহ তেখেতসকলৰ পৰিয়ালবৰ্গই অসম সাহিত্য সভালৈ আগবঢ়োৱাত সেই দান গ্ৰহণ কৰিবৰ উদ্দেশ্যে যোৱা ২৬ ফেব্ৰুৱাৰী ( ১৯৭৭ ) তাৰিখে গুৱাহাটী ভগৱতীপ্ৰসাদ বৰুৱা ভৱনত অনুষ্ঠিত হোৱা এক গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠানত সভাপতিত্ব কৰে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থ নাথ শৰ্মাই। সভাত অসম সাহিত্য সভাৰ সম্পাদক ড° হেমন্তকুমাৰ শৰ্মাই তলত দিয়া প্ৰতিবেদনখন পাঠ কৰে :

শ্ৰদ্ধেয় সভাপতি ডাঙৰীয়া, উদ্বোধক মহাশয়, বিশিষ্ট অতিথিদ্বয় আৰু সাহিত্যপ্ৰেমী সুধীবৃন্দ।

জয়জয়তে আপোনাসকলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম জনাই আজি এই অনুষ্ঠান সম্পৰ্কে দুটিমান কথা আপোনালোক ওচৰত নিবেদন কৰিলোঁ।

আজিৰ পৰা ঠিক এবছৰ আগতে অৰ্থাৎ ২৬।২।৭৬ তাৰিখে অসম সভাৰ প্ৰাক্তন সভাপতি বিহগী কবি স্বৰ্গীয় ৰঘুনাথ চৌধাৰীৰ বোৱাৰীয়েক শ্ৰদ্ধেয়া শ্ৰীমতী বসুন্ধৰা চৌধাৰীয়ে বিহগী কবি চৌধাৰীৰ ৰচিত আৰু প্ৰকাশিত সমগ্ৰ গ্ৰন্থৰ প্ৰকাশৰ স্বত্ব আৰু লগতে তেখেতৰ স্বামী প্ৰখ্যাত গীতিকবি স্বৰ্গীয় উমেশ চন্দ্ৰ চৌধাৰীৰ ব্যক্তিগত পুথিভঁৰালত মূল্যবান গ্ৰন্থ-আলোচনী আদি উমেশচন্দ্ৰ চৌধাৰীদেৱৰ স্মৃতিত



গুৱাহাটীত থকা ভগৱতী প্ৰসাদ বৰুৱা ভৱনত সংৰক্ষিত কৰি প্ৰসঙ্গ-গ্ৰন্থ হিচাপে ব্যৱহাৰ কৰাৰ উদ্দেশ্যে অসম সাহিত্য সভাক দান দিব বুলি আমাক জনায়। অসম সাহিত্য সভাৰ যোৱা ২৭ আৰু ২৮ মাৰ্চত ( ১৯৭৬ ) বহা কাৰ্যনিৰ্বাহক সমিতিৰ অধিবেশনত শ্ৰদ্ধেয় শ্ৰীমতী চৌধাৰী প্ৰমুখ্যে চৌধাৰী পৰিয়ালৰ সকলোটিলৈ শলাগ জনাই সেই দান গ্ৰহণ কৰাৰ অনুকূলে সিদ্ধান্ত গ্ৰহণ কৰে আৰু সেই সম্পৰ্কে আৱশ্যকীয় ব্যৱস্থা লবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। এই মৰ্মে চৌধাৰী পৰিয়ালৰ লগত আলোচনা কৰি তেখেত-সকলে দান হিচাপে দিয়া গ্ৰন্থসমূহ ২২।৭।৭৬ তাৰিখে আইনসঙ্গতভাবে গ্ৰহণ কৰা হয়। উক্ত দানৰ বাবে চৌধাৰী পৰিয়ালৰ উত্তৰাধিকাৰী, উত্তৰাধি-কাৰিণী শ্ৰীমতী বসুন্ধৰা চৌধাৰী, সৰ্বশ্ৰী শান্তৰাম চৌধাৰী, গুণাভিৰাম চৌধাৰী, পৰশ কুমাৰ চৌধাৰী, মুকুট চৌধাৰী, ভাৰ্গব চৌধাৰী, পতঞ্জলি চৌধাৰী, শ্ৰীমতী অৰুণমণি চৌধুৰী আৰু শ্ৰীমতী গীতিমণি পাঠকক অসম সাহিত্য সভাৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

চৌধাৰী পৰিয়ালে অসম সাহিত্য সভাক প্ৰকাশন স্বত্ব অৰ্পণ কৰি দিয়া ৰঘুনাথ চৌধাৰীৰ গ্ৰন্থ কেইখন হ'ল—( ১ ) সাদৰী ( ২ ) কেতেকী ( ৩ ) কাৰবালা ( ৪ ) দহিকতৰা আৰু ( ৫ ) নৱমল্লিকা। গীতিকবি উমেশচন্দ্ৰ চৌধাৰীৰ ঘৰুৱা পুথিভঁৰালৰ পৰা অসম সাহিত্য সভালৈ দান কৰা দুষ্প্ৰাপ্য আলোচনীৰ সংখ্যা ৭০ খন, বিভিন্ন সভাৰ সভাপতিৰ অভিভাষণ আৰু বক্তৃতামালা আৰু স্মৃতিগ্ৰন্থ ১৬, আৰু অন্যান্য গ্ৰন্থৰ সংখ্যা হ'ল ১৯৫ খন। মুঠ সংখ্যা ২৮১ খন। দুষ্প্ৰাপ্য আলোচনীৰ ভিতৰত জোনাকী ( প্ৰথম ভাগ ), বাঁহী ( ৮ বছৰৰ ), আৱাহন ( ১২ বছৰৰ ), উষা ( ২য় বছৰৰ ), চেতনা ( ৪ বছৰৰ), আলোচনী ( ১ম বছৰৰ, সুৰভি ( ১ম বছৰৰ ), ৰামধেনু ( ৫ বছৰৰ ), দেশ ( ৩১ বছৰৰ ) আদি প্ৰধান। অন্যান্য পুথিৰ ভিতৰত কবিতা আৰু গীতৰ পুথিয়েই সৰহ। তদুপৰি কেবাখনো গল্প, উপন্যাস, জীৱনী, নাটক, আৰু ধৰ্মমূলক গ্ৰন্থ আছে। গীত আৰু কবিতা পুথিৰ ভিতৰত ৰঘুনাথ চৌধাৰীৰ উল্লিখিত গ্ৰন্থৰ উপৰিও উমেশচন্দ্ৰ চৌধাৰীৰ ৰচিত "প্ৰতিধ্বনি", মন্দাকিনী, 'ত্ৰিবেণী', 'দেৱধ্বনি' আৰু 'অমৃত মন্থন' আছে। আশাকৰো এই গ্ৰন্থ আৰু আলোচনীসমূহে আমাৰ পাঠক সমাজক নিশ্চয় উপকৃত কৰিব। এই দান গ্ৰহণৰ ক্ষেত্ৰত আমি বিশেষভাবে সহায় পাইছোঁ শ্ৰদ্ধেয় অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, অধ্যাপক শ্ৰীৰজনী কান্ত দেব শৰ্মা, ডক্টৰ মহেশ্বৰ নেওগ, অধিবক্তা শ্ৰীগোবিন্দ চন্দ্ৰ কলিতা, আৰু শ্ৰীকনকচন্দ্ৰ ডেকাৰ পৰা। সেই বাবে আটাইকেইজনলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

এই গ্ৰন্থসমূহ সংৰক্ষিত কৰি ৰখাৰ উদ্দেশ্যে অসম সাহিত্য সভাৰ অনুৰোধত ভগৱতীপ্ৰসাদ বৰুৱা ভৱন ৰক্ষণ সমিতিয়ে এটি গডৰেজ আলমাৰী দিছে। ইয়াৰ কাৰণে সমিতিৰো শলাগ ললোঁ।

এইখিনিতে উল্লেখ কৰিব পাৰি যে অসম সাহিত্য সভাৰ এগৰাকী প্ৰাক্তন সভাপতি বাগ্মীবৰ শ্ৰীনীলমণি ফুকন ডাঙৰীয়াই তেখেতক ৰচিত ৩০ খন গ্ৰন্থৰ স্বত্ব আৰু ব্যক্তিগত পুথিভঁৰালৰ সমস্ত গ্ৰন্থ ( ৬৩৯ খন ) দুটা আলমাৰীসহ অসম সাহিত্য সভাক দান কৰিছে। এই দান ১২ ডিচেম্বৰ ১৯৭৬ তাৰিখে আনুষ্ঠানিক ভাবে অসম সাহিত্য সভাই গ্ৰহণ কৰে। আনন্দৰ কথা যে অসম সাহিত্য সভাৰ আন এগৰাকী প্ৰাক্তন সভাপতি অসমকেশৰী অম্বিকাগিৰি ৰায় চৌধুৰীৰ পত্নী শ্ৰদ্ধেয় শ্ৰীমতী কৌশল্যা দেৱী ৰায় চৌধুৰীয়ে তেখেতৰ স্বামীৰ ব্যক্তিগত পুথিভঁৰালৰ গ্ৰন্থ আৰু আলোচনীসমূহ অসম সাহিত্য সভাক দান দিছে। শ্ৰদ্ধেয়া শ্ৰীমতী ৰায় চৌধুৰীক কৃতজ্ঞতা জনালো। এই দানো অসম সাহিত্য সভাই সোনকালে আনুষ্ঠানিক ভাৱে গ্ৰহণ কৰিব।

অসমী আইৰ এই সুযোগ্য সন্তান কেইগৰাকীৰ স্বৰচিত আৰু ব্যৱহৃত গ্ৰন্থসমূহ দান হিচাপে লাভ কৰি অসম সাহিত্য সভা যেনেকৈ ধন্য হৈছে, তেনেকৈ এই মহৎ দানৰ আদৰ্শ ই আন সকলো দাতাকে অনুপ্ৰেৰিত কৰিব আৰু সিকলৰ মহৎ দানৰ দ্বাৰাও সাহিত্য সভা সমৃদ্ধ হ'ব। ইয়াকেই কামনা কৰিছোঁ।

আজিৰ এই সভাৰ লগতে চৌধাৰী পৰিয়ালে দান কৰা গ্ৰন্থ আৰু আলোচনী কেইখনমানৰ প্ৰদৰ্শনী আৰু বিহগী কবি চৌধাৰী আৰু গীতিকবি চৌধাৰীৰ সাহিত্য প্ৰতিভা সম্পৰ্কে স্থানীয় উৎসৱ সমিতিৰ সহযোগত আলোচনাৰ আয়োজন কৰা হৈছে। ইয়াৰ বাবে উৎসৱ সমিতিৰ শলাগ ললোঁ।

সদৌ শেষত চৌধাৰীৰ পৰিয়ালৰ লগতে আজিৰ এই সমবেত সুধী মণ্ডলীক মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ভাষা জননী ! জয়তু অসম সাহিত্য সভা।"


শ্ৰীগোবিন্দৰাম কলিতাই 'নামঘোষা'ৰ কাকুতি ঘোষাৰে মংগলাচৰণ গোৱাৰ পিছতে ডঃ মহেশ্বৰ নেওগে উদ্বোধনী ভাষণত কয়—'প্ৰকৃতিৰো অস্তিত্ব আছে, বক্তব্য আছে ; স্বৰ্গীয় বিহগী কবিৰ অমৰ কাব্যবোৰত সেই বাণী প্ৰতিধ্বনিত হোৱাৰ উপৰিও ভাৰতীয় ঐতিহ্যৰ সুন্দৰ দিশ এটাও লুকাই আছে।' উৎসৱ সমিতিৰ সম্পাদক শ্ৰীকনকচন্দ্ৰ ডেকাই অসম সাহিত্য সভাৰ কেৰাটাও অত্যাৱশ্যকীয় দিশত দৃষ্টিপাত কৰি ১৯৭৬-৭৭ৰ বছৰটো অসম সাহিত্য সভাৰ 'কীৰ্তিপূৰ্ণ বছৰ' বুলি অভিহিত কৰে আৰু 'ব্যক্তি বিশেষৰ স্বৰচিত গ্ৰন্থ আৰু গ্ৰন্থগাৰ গ্ৰহণ' তাৰে এটি কীৰ্তিস্তম্ভ বুলি কয়। ডঃ অৰুণমণি চৌধাৰীয়ে তেওঁৰ পিতৃ উমেশ চৌধাৰীৰ সাহিত্য সাধনাৰ বিষয়ে কয় ; লগতে কয় "দেউতা প্ৰচাৰ বিমুখ আছিল আৰু তেওঁৰ গীতবোৰ আনে বেসুৰীয়াকৈ গোৱা সহ্য কৰিব নোৱাৰিছিল।" শ্ৰীগুণাভিৰাম চৌধাৰীয়ে দেউতাক উমেশচন্দ্ৰ চৌধাৰীৰ সময়ৰ সাহিত্য, সংস্কৃতি আৰু ৰাজনীতি সাধনাত থকা অসমৰ বিশিষ্ট লোকসকলৰ লগত দেউতাক কিদৰে গঠনমূলক আলোচনাত সততে ব্যস্ত আছিল, সেই বিষয়ে কয়। শ্ৰীচৌধাৰীয়ে চৌধাৰী পৰিয়ালৰ হৈ ৺উমেশচন্দ্ৰ চৌধাৰীৰ স্বৰচিত 'দেৱধ্বনি', 'প্ৰতিধ্বনি', 'অমৃতমন্থন', 'মন্দাকিনী', 'ত্ৰিবেণী' আৰু 'পঞ্চামৃত' গীত আৰু কাব্য-গ্ৰন্থ কেইখনো অসম সাহিত্য সভাক দান কৰিবলৈ ইচ্ছা প্ৰকাশ কৰে।

বিশিষ্ট অতিথি ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্যই বিহগী কবিৰ জীৱন দৰ্শন আৰু কাব্য-প্ৰতিভাৰ এটি আলেখ্য দাঙি ধৰে। অন্যতম বিশিষ্ট অতিথি অধ্যাপক অতুলচন্দ্ৰ হাজৰিকাই গীতিকবিৰ জীৱনধাৰা, গীত আৰু কাব্য সৃষ্টিৰ সুন্দৰ বৰ্ণনা দিয়ে আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীত উমেশচন্দ্ৰ চৌধাৰীৰ উল্লেখ নথকাত দুখ প্ৰকাশ কৰে। অধ্যাপিকা নীলিমা দত্তই 'যুগৰ নিৰ্মালি' আৰু ৰোহিণীকুমাৰ শৰ্মাই 'চৌধাৰী তৰ্পণ' স্বৰচিত কবিতা পাঠ কৰে।

সভাত শ্ৰীহিতেশ ডেকা, কুমাৰ কিশোৰেও একোষাৰ কয় আৰু কুমাৰী এনি দত্তই গীত পৰিবেশন কৰে। সভাপতিৰ ভাষণত অধ্যক্ষ তীৰ্থনাথ শৰ্মাই সাহিত্য সভালৈ পৰামৰ্শ আগবঢ়াই কয় যে বিভিন্ন ব্যক্তিয়ে কৰা এই সাত্ত্বিক দানসমূহ যাতে তামসিক দানত পৰিণত কৰা নহয়, সাহিত্য সভাই তালৈ ভালদৰে লক্ষ্য কৰা উচিত হ'ব।'

ইয়াৰ পিছত সভাপতি অধ্যক্ষ শৰ্মাই চৌধাৰী পৰিয়ালে অসম সাহিত্য সভালৈ দান কৰা গ্ৰন্থৰাজিৰ প্ৰদৰ্শনীৰ দ্বাৰ উদ্ঘাটন কৰে।

## ১৯৭৬-৭৭ চনৰ অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্যসকল :



বাওঁফালৰ পৰা (বহি) সৰ্বশ্ৰী তৰুণচন্দ্ৰ পামেগাম, শৈলেন্দ্ৰনাথ দাস, হৰেশ্বৰ গোস্বামী, হিতেশ ডেকা (উপ-সভাপতি), যতীন্দ্ৰনাথ গোস্বামী, যজ্ঞেশ্বৰ শৰ্মা (সভাপতি), ডঃ হেমন্তকুমাৰ শৰ্মা (প্ৰধান সম্পাদক), নগেন শইকীয়া, অতুলচন্দ্ৰ বৰুৱা, শুচিব্ৰতা ৰায়চৌধুৰী, যতীন গোস্বামী (পত্ৰিকা সম্পাদক), গোবিন্দচন্দ্ৰ পৈৰা, দেৱপ্ৰসাদ বৰুৱা।

থিয় হৈ (প্ৰথম শাৰী) সৰ্বশ্ৰী অৰুণ গোস্বামী, আব্দুল মালিক চৌধুৰী, ডিম্বেশ্বৰ শৰ্মা, ৰাজেন ৰাভা, ইন্দ্ৰেশ্বৰ পেগু, সতীশচন্দ্ৰ চৌধুৰী, ৰামচৰণ ঠাকুৰীয়া, শ্ৰীশান চক্ৰৱৰ্তী, নিৰঞ্জন মহন্ত, প্ৰকাশ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, বীৰেন্দ্ৰচন্দ্ৰ দাস।

থিয় হৈ (দ্বিতীয় শাৰী) সৰ্বশ্ৰী নবীন, হেম শইকীয়া, নন্দ বৰদলৈ, অমল ৰাজখোৱা, প্ৰসন্নৰাম দাস, বসন্তকুমাৰ গোস্বামী, প্ৰমোদচন্দ্ৰ হাজৰিকা।

# অসম সাহিত্য সভাঃ উদ্বৃত্ত পত্ৰ

## ১৯৭৬ চনৰ ৩১ মাৰ্চ পৰ্যন্ত

**পুঁজি আৰু ঋণ**

| | | | |
|---|---|---|---|
| সাধাৰণ পুঁজিঃ পূৰ্ব বছৰৰ মতে | ৩,১৫,৩৮৩·২২ | | |
| চলিত বছৰৰ ঘাটি বাদ | ৭১৭৭·৫০ | | |
| | ৩,০৮,২০৫·৭২ | | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ মূল্য | ৮৪,৯০০·০০ | | |
| | | ৩,৯৩,১০৫·৭২ | |
| অক্ষয় পুঁজি সমূহঃ | | | |
| আজীৱন সভ্যৰ পুঁজি | ৬৮,৬২৫·০০ | | |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুঁজি | ১৭,৪০০·০০ | | |
| " সামাজিক সমাবোহ " | ১,৫৫০·০০ | | |
| দক্ষিণপাট সত্ৰাধিকাৰ পুঁজি | ৫,০০০·০০ | | |
| কমলাদেৱী স্মাৰক " | ২,০০০·০০ | | |
| হৰিহৰ চৌধুৰী বঁটা পুঁজি | ১,০০০·০০ | | |
| ডিগবৈ সাহিত্য সেৱা সমিতি পুঁজি | ৫,০০০·০০ | | |
| বনমালী শইকীয়া পুঁজি | ১,০০১·০০ | | |
| প্ৰেমধৰ দত্ত পুঁজি | ২,০০০·০০ | | |
| মোহন চন্দ্ৰ শৰ্মা পুঁজি | ২,৫০০·০০ | | |
| উগ্ৰতাৰা ন্যাস পুঁজি | ২,৫০০·০০ | | |
| বিষ্ণুৰাম মেধি ন্যাস পুঁজি | ৫,০০০·০০ | | |
| ৰাধাকান্ত সন্দিকৈ সামাজিক সমাবোহ | ২,৫০০·০০ | | |
| চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নি বীমা পুঁজি | ৫,০০০·০০ | | |
| | | ১,২১,০৭৬·০০ | |

**সম্পত্তি আৰু বিনিধান**

| | | |
|---|---|---|
| চন্দ্ৰকান্ত সন্দিকৈ ভৱন ধাৰ্যিত মূল্য | | ৮৪,৯০০·০০ |
| আচবাব আৰু সঁজুলি | | |
| আৰম্ভণী উদ্বৃত্ত | ১৬,৫৬৯·৭৪ | |
| চলিত বছৰৰ জমা | ২,২৮০·৯৮ | ১৮,৭৫০·৭২ |
| গ্ৰন্থাগাৰ | | |
| আৰম্ভণী উদ্বৃত্ত | ১৩,২৫৪·৭৬ | |
| চলিত বছৰৰ জমা | ২,০৫১·৯৫ | ১৫,৩০৬·৭১ |
| সামৰণি মূল্য প্ৰকাশন আদি | | ২,৮১,৩১৯·০০ |
| অক্ষয় পুঁজি সমূহৰ বিনিধান | ১,০৯,৬৫১·০০ | |
| অক্ষয় পুঁজি সমূহৰ বাহিৰে পুঁজিৰ বিনিধান | ৫,৯৯৯·৫২ | |
| দানৰ পুঁজি সমূহৰ বিনিধান | ৬,৪২৮·২৯ | ১,২২,০৭৮·৮১ |
| অসম সাহিত্য সভা ( গুৱাহাটী ) পুঁজিৰ বিনিধান | | ১,০২,৯৪৫·৯৭ |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন | | |
| অৰৱক্ষণ পুঁজিঃ | | |

[ খ পিঠিত চাওক ]

## অক্ষয় পুজিসমূহৰ বাঢ়ি পুজি

| | | |
|---|---|---|
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক ন্যাস বাঢ়ি পুজি | | ৪২'৯১ |
| " " সামাজিক সমাৰোহ | " | ৪৬৫'৪৬ |
| দক্ষিণপাট অধিকাৰ গোস্বামী | " | ৭০৩'২৯ |
| কমলাদেৱী স্মাৰক | " | ২৪২'১৬ |
| হৰিহৰ চোধুৰী বঁটা | " | ৩৩৮'৩০ |
| ডিগবৈ সাহিত্য সেৱা সমিতি | " | ২,২৪১'৭০ |
| প্ৰেমধৰ দত্ত পুজিৰ | " | ১৮'৪৬ |
| মোহন চন্দ্ৰ শৰ্মা বঁটা পুজিৰ | " | ২৫৭'২০ |
| উগ্ৰতাৰা ন্যাস পুজিৰ | " | ১৭৪'৮০ |
| বনমালী শইকীয়া বঁটা পুজিৰ | " | ১৬০'৫০ |
| বিষ্ণুৰাম মেধি ন্যাস পুজিৰ | " | ৮০০'৩০ |
| ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ | " | ৫২'০০ |
| চন্দ্ৰকান্ত ভৱন অগ্নি বীমা পুজিৰ | " | ৫০০'০০ |
| | | ৬০০০ ১৩ |

| | | |
|---|---|---|
| আচবাব পত্ৰ | ৯,৮৪১'৪১ | |
| অঃ কোঃ অঃ এপেক্স বেঃ | | |
| গুৱাহাটীত জমা | ৩৩,৩২২'৭৬ | |
| হাতেজমা | ৫৫'৭৫ | |
| | | ৪৩,২১৯'৯২ |
| চন্দ্ৰকান্ত অভিধানৰ বাবদ অতিৰিক্ত ব্যয় | | ২,০৩১'৭৫ |
| গোহাঞি বৰুৱা শতবাৰ্ষিকী পুজিৰ ঋণ | | ২,৭০২'৬০ |
| বিশেষ পুজিৰ বঁটাৰ বাবে নিয়া ঋণ | | ১,৪০৫'০০ |
| কৰ্মচাৰীৰ ঋণৰ বাকী | | ৮১১'০০ |
| প্ৰকাশনৰ বাবে ছপাশালক অগ্ৰিম | | ১৭,০৮৫'০০ |
| চন্দ্ৰকান্ত ইন্দ্ৰকান্ত স্মাৰক পুজি আৰু বনমালী শইকীয়া পুজিৰ | | ১'৬১ |

## সামৰণি উদ্বৃত্ত

| | | |
|---|---|---|
| বেংকত : অসম কো-অপাৰেটিভ এপেক্স বেংক—যোৰহাট | ১০,০৩১'৭৩ | |
| " ", গুৱাহাটী- | ১,২৭৩'৫৬ | |
| নগদ—কেন্দ্ৰীয় কাৰ্যালয় | ৪৬৮'৬২ | |
| গুৱাহাটী কাৰ্যালয় | ২৩৩'১২ | |
| | | ১২,০০৭'০৩ |
| | | মুঠ—৭,০৪,৫৬৫'১২ |



## দানৰ পুজিসমূহ

| | | |
|---|---|---|
| ৰাধাকান্ত সন্দিকৈ স্মৃতি পুজি | ৬,২২০'৮১ | |
| শৰত চন্দ্ৰ গোস্বামী " | ১৪৫'৮৫ | |
| ছপাশাল পুজি | ৬১'৬৩ | |
| অসম সাহিত্য সভা : গুৱাহাটী ভৱন | ১,০২,৯৪৫'৯৭ | |
| ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৰক্ষণ | ৪৩,২১৯'৯২ | |
| | | ১৫২,৫৯৪ ১৮ |

## অন্যান্য

| | | |
|---|---|---|
| কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ বিশেষ অনুদানৰ বাকী | ৩০,৪৬৬'৮৫ | |
| প্ৰকাশন এজেন্টৰ জমা | ৭০০'০০ | |
| স্থগিত হিচাপ | ৬২২'২৪ | |
| | | ৩১,৭৮৯'০৯ |
| | | ৭,০৪,৫৬৫'১২ |

অসম সাহিত্য সভাৰ ১৯৭৫-৭৬ চনৰ আজীৱন পুজি, বাঢ়ি পুজি দান আৰু বিশেষ পুজিসমূহৰ হিচাপ কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী কাৰ্যালয়ৰ হিচাপ বহী আৰু সংশ্লিষ্ট কাগজ-পত্ৰৰে সৈতে পৰীক্ষা কৰি সভাৰ ১৯৭৬ চনৰ ৩১ মাৰ্চ তাৰিখৰ উদ্বৃত্ত পত্ৰ, ১৯৭৫-৭৬ চনৰ সাধাৰণ পুজিৰ আয়-ব্যয়ৰ হিচাপ আৰু উল্লেখিত পুজিসমূহৰ আয়-ব্যয়ৰ হিচাপ প্ৰস্তুত আৰু পৰীক্ষা কৰি জনাওঁ যে—সকলো হিচাপৰ বিবৃতি আৰু ব্যাখ্যা আমাৰ হিচাপ পৰীক্ষাৰ প্ৰয়োজন অনুসৰি আমি পাইছোঁ। আমি জনাও যে উক্ত উদ্বৃত্ত পত্ৰ আৰু পুজিসমূহৰ আয়-ব্যয়ৰ হিচাপ সমূহে আমাৰ বিশ্বাস অনুযায়ী সভাৰ উক্ত বছৰৰ প্ৰকৃত অৱস্থা দৰ্শাইছে।

স্বাঃ ( জে-এন-শইকীয়া এণ্ড কোং
চাৰ্টাৰ্ড একাউনটেন্ট
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা

২২ মে, ১৯৭৬ চন

স্বাঃ হেমন্তকুমাৰ শৰ্মা
২২।৫।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
গুৱাহাটী—১

স্বাঃ শ্ৰীযতীন্দ্ৰনাথ শৰ্মা
৫।৬।৭৬
সভাপতি,
অসম সাহিত্য সভা

| | |
|---|---|
| সামৰণি মূল্য : প্ৰকাশন আদিৰ | ২,৮১,৬১৯'০০ |
| চলিত বছৰৰ ঘাটি | ৭,১৭৭'৫০ |
| | মুঠ ৫,১৩,৭৬৬'২৯ |

| | | |
|---|---|---|
| সমিতি বৈঠক আদি | | ১৩২৫'৬০ |
| সম্পত্তি প্ৰতিপালন | | ৯,২২৮,৫০ |
| শতবাৰ্ষিকী : ৰাধানাথ ফুকন | ৫০০'০০ | |
| আনন্দৰাম সৌ'ৰবৰ্ণি | ৫,৮০৬'০৫ | |
| কৰ্মবীৰ নবীন বৰদলৈ | ২,২৮৩'৬০ | |
| হিতেশ্বৰ বৰবৰুৱা | ৭,৯২৮'৯৭ | |
| | | ১৬,৫১৮'৬২ |
| তৃতীয় লেখক শিবিৰ | | ৮,৯১৫'৫৬ |
| গোপাল গোস্বামী বঁটা | | ৬০০'০০ |
| হিচাপ পৰীক্ষা | | ২,০৫০'০০ |
| বিবিধ : ঐশ্চিক পুঁজি—সভাপতি | ১০০'০০ | |
| " প্ৰধান সম্পাদক | ৭৫'০০ | |
| সাময়িক দান | ৫০'০০ | |
| পত্ৰিকা বিজ্ঞাপনৰ বৰ্তন | ৪১২'০০ | |
| বেংকৰ ভৰথি | ৩৫'৭৪ | |
| | | ৬৭২'৭৪ |
| | | মুঠ—৫,১৩,৭৬৬'২৯ |

এই তাৰিখৰ টোকা অনুসৰি চহী কৰা হ'ল।

স্বাঃ ( জে-এন-শইকীয়া এণ্ড কোং )
চাৰ্টাৰ্ড একাউন্টেন্ট
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
২২।৫।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

স্বাঃ ত্ৰৈলোক্যেশ্বৰ শৰ্মা
৫।৬।৭৬
সভাপতি,
অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## *বিশেষ পুঁজি [ক] অক্ষয় পুঁজিৰ ১৯৭৫—৭৬ চনৰ আয়-ব্যয়ৰ হিচাপ*

### ( ১ ) আজীৱন সভ্যৰ অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৬২,৮২৫'০০ | সামৰণি উদ্বৃত্ত | |
| চলিত বছৰৰ জমা | ৫,৮০০'০০ | বিনিধান : জাতীয় সঞ্চয় পত্ৰ | ৫৭,২০০'০০ |
| | | সাধাৰণ পুঁজিত | ১১,৪২৫'০০ |
| | ৬৮,৬২৫'০০ | | ৬৮,৬২৫'০০ |

### ( ২ ) চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত স্মাৰক পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১৭,৪০০'০০ | বিনিধান দহ বছৰীয়া প্ৰতিৰক্ষা পুঁজি | ১৭,৪০০'০০ |
| | ১৭,৪০০'০০ | | ১৭,৪০০'০০ |

### ( ৩ ) দক্ষিণপাট অধিকাৰ গোস্বামী অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ৫,০০০'০০ | এচ-বি-আই স্থায়ী জমা | ৫,০০০'০০ |
| | ৫,০০০'০০ | | ৫,০০০'০০ |

### ৪ ) চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত সামাজিক সমাবোহ পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১,৫৫০'০০ | বিনিধান স্থায়ী জমা ,অঃ কোঃ এণ্ড বেং যোৰহাট | ১,৫৫০'০০ |
| | ১,৫৫০'০০ | | ১,৫৫০ ০০ |

### ( ৫ ) কমলাদেৱী ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,০০০'০০ | বিনিধান স্থায়ী জমা ঐ | ২,০০০'০০ |
| | ২,০০০'০০ | | ২,০০০'০০ |

( ছ পিঠিৰ পিছৰ পৰা )

(৬) হৰিহৰ চৌধুৰী বঁটা পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১০০০·০০ | বিনিধান স্থায়ী জমা অঃ কোঃ এঃ বেঃ যোৰহাট | ১,০০০·০০ |
| | ১০০০·০০ | | ১,০০০·০০ |

(৭) ডিগবৈ সাহিত্য সেৱা সমিতি ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ৫০০০·০০ | বিনিধান স্থায়ী জমা ঐ | ৫,০০০·০০ |
| | ৫০০০·০০ | | ৫,০০০·০০ |

(৮) বনমালী শইকীয়া অক্ষয় পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ১ ০০১·০০ | বিনিধান স্থায়ী জমা ঐ | ১,০০০·০০ |
| | | সাধাৰণ পুঁজিত | ১·০০ |
| | ১,০০১·০০ | | ১,০০১·০০ |

(৯) প্ৰেমধৰ দত্ত স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,০০০·০০ | বিনিধান স্থায়ী জমা, অঃ কোঃ এঃ বেঃ যোৰহাট | ২ ০০০·০০ |
| | ২,০০০·০০ | | ২,০০০·০০ |

(১০) মোহন চন্দ্ৰ শৰ্মা ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,৫০০·০০ | বিনিধান স্থায়ী জমা ঐ | ২,৫০০·০০ |
| | ২,৫০০·০০ | | ২,৫০০·০০ |

(১১) উগ্ৰতাৰা ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,৫০০·০০ | বিনিধান স্থায়ী জমা ঐ | ২,৫০০·০০ |
| | ২,৫০০·০০ | | ২,৫০০·০০ |



( জ পিঠিৰ পিছৰ পৰা )

(১২) শ্ৰীবিষ্ণুৰাম মেধি ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ৫,০০০·০০ | বিনিধান স্থায়ী জমা ঐ | ৫০০০·০০ |
| | ৫,০০০·০০ | | ৫০০০·০০ |

(১৩) ৰাধাকান্ত সন্দিকৈ সামাজিক সমাৰোহ পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ২,৫০০·০০ | বিনিধান এচ-বি-আই- | ২,৫০০·০০ |
| | ২,৫০০·০০ | | ২,৫০০·০০ |

(১৪) চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ অগ্নিবীমা

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | সামৰণি উদ্বৃত্ত | |
| মূল পুঁজি | ৫,০০০·০০ | বিনিধান এচ-বি-আই- | ৫,০০০·০০ |
| | ৫,০০০·০০ | | ৫,০০০·০০ |

সংশ্লিষ্ট বহী-পত্ৰৰে সৈতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
২২।৫।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
গুৱাহাটী—১

স্বাঃ ত্ৰীৰত্নেশ্বৰ শৰ্মা
৫।৬।৭৬
সভাপতি,
অসম সাহিত্য সভা

স্বাঃ (জে-এন-শইকীয়া এফ-চি-এ)
চাৰ্টাৰ্ড একাউন্টেন্টচ
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## বিশেষ পুঁজি : অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি [খ] ১৯৭৫—৭৬ চনৰ হিচাপ

### (১) চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত স্মাৰক ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১,৯৫৫'০১ | ভৱনৰ মেৰামতি আৰু পানীকল | ২,৪১৪'০০ |
| চন্দ্ৰধৰ বৰুৱা পঃ বাঃ সমিতিৰ দান | ৮০০'০০ | ভৱনৰ অগ্নিবীমা | ৩৫৩'০০ |
| বাঢ়ি পুঁজিৰ সুদ | ৫৪'১০ | ডাকঘৰত জমা | ৪২'৩৮ |
| | | হাতে জমা | '৬১ |
| | ২,৮০৯'১১ | | ২,৮০৯'১১ |

### (২) দক্ষিণপাট অধিকাৰ গোস্বামীৰ অক্ষয় পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৬৬১'৩১ | ডাকঘৰত জমা | ৭০৩'২৯ |
| বাঢ়ি পুঁজিৰ সুদ | ৩৩৩'৯০ | | |
| | ৭০৩'২৯ | | |

### (৩) চন্দ্ৰকান্ত—ইন্দ্ৰকান্ত সামাজিক সমাবোহ পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫৬০'৩১ | বাৰ্ষিক সমাবোহৰ বাবদ ব্যয় | ১১০'০০ |
| বাঢ়ি পুঁজিৰ সুদ | ১৫'১৫ | ডাকঘৰত জমা | ৪৬৫'৪৬ |
| | ৫৭৫'৪৬ | | ৫৭৫'৪৬ |

### (৪) কমলাদেৱী স্মাৰক পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১,৬৮৬'৮১ | প্ৰকাশনৰ বাবে দান | ১,৫০০'০০ |
| বাঢ়ি পুঁজিৰ সুদ | ৫৫'৩৫ | ডাকঘৰত জমা | ২৪২'১৬ |
| | ১,৭৪২'১৬ | | ১,৭৪২'১৬ |

### (৫) হৰিহৰ চৌধুৰী বঁটা পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৩২৭'২৫ | ডাকঘৰত জমা | ৩৩৮'৩০ |
| বাঢ়ি পুঁজিৰ সুদ | ১১'০৫ | | |
| | ৩৩৮'৩০ | | |

### (৬) ডিগবৈ সাহিত্য সেৱা সমিতিৰ ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২,০৬১'৫০ | অসম কো—অপাৰেটিভ এপেক্স বেংক যোৰহাট | ২,২৪১'০০ |
| বাঢ়ি পুঁজিৰ সুদ | ১৭২'২০ | | |
| | ২,২৪১'৭০ | | |

[ ট ]

### (৭) প্ৰেমধৰ দত্ত পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২৩'২৩ | বেংকৰ কৰ্তন | ৬'০০ |
| বাঢ়ি পুঁজিৰ সুদ | ১'২০ | অসম কো-অপাৰেটিভ এপেক্স বেংক যোৰহাট | ১৮'৪৩ |
| | ২৪'৪৩ | | ২৪'৪৩ |

### (৮) মোহন চন্দ্ৰ শৰ্মা পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২৩৬'২০ | অসম কো-অপাৰেটিভ এপেক্স বেংক যোৰহাট | ২৫৭,২০ |
| বাঢ়ি পুঁজিৰ সুদ | ২১'০০ | | |
| | ২৫৭'২০ | | |

### (৯) উগ্ৰতাৰা ন্যাস পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৬০'৬০ | অসম কো-অপাৰেটিভ এপেক্স বেংক যোৰহাট | ১৭৪'৮০ |
| বাঢ়ি পুঁজিৰ সুদ | ১৪'২০ | | |
| | ১৭৪'৮০ | | |

### (১০) বনমালী শইকীয়া ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৪৮'৫০ | অসম কো-অপাৰেটিভ এপেক্স বেংক যোৰহাট | ১৬০'৫০ |
| বাঢ়ি পুঁজিৰ সুদ | ১২'০০ | | |
| | ১৬০'৫০ | | |

### (১১) বিষ্ণুৰাম মেধি ন্যাস পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৭৪১'৮০ | অসম কো-অপাৰেটিভ এপেক্স বেংক যোৰহাট | ৮০৩'৩০ |
| বাঢ়ি পুঁজিৰ সুদ | ৬১'৫০ | | |
| | ৮০৩'৩০ | | |

### (১২) ৰাধাকান্ত সন্দিকৈ সামাজিক সমাবোহ পুঁজিৰ বাঢ়ি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২২৭'০০ | সমাবোহত ব্যয় | ১৭৫'০০ |
| | | ডাকঘৰত জমা | ৫২'০০ |
| | | | ২২৭'০০ |

(১৩) চন্দ্ৰকান্ত সন্দিকৈ ভৱন অগ্নিবীমা পুঁজিৰ বাহি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | | | |
| বেংকৰ সুদ | ৫০০.০০ | ডাকঘৰত জমা | ৫০০.০০ |

সংশ্লিষ্ট বহী-পত্ৰৰ সৈতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

স্বাঃ (শ্ৰীজ্ঞানেন্দ্ৰ নাথ শইকীয়া,)
চাৰ্টাৰ্ড একাউন্টেন্ট
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
২২।৫।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা
গুৱাহাটী—১

স্বাঃ শ্ৰীযতেশ্বৰ শৰ্মা
৫।৬।৭৬
সভাপতি,
অসম সাহিত্য সভা

# অসম সাহিত্য সভাঃ

## দানৰ পুঁজিসমূহৰ (গ) ১৯৭৫-৭৬ চনৰ হিচাপ

(১) ৰাধাকান্ত সন্দিকৈ স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫৭৪১.১১ | সামৰণি উদ্বৃত্ত | |
| চলিত বছৰৰ সুদ | ৪৭৯.৭০ | অসম কো-অপাৰেটিভ এপেক্স বেংক লিঃ যোৰহাট-- | ৬,২২০.৮১ |
| | ৬২২০.৮১ | | |

(২) শৰত চন্দ্ৰ গোস্বামী স্মৃতি পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ১৪০.৯৫ | সামৰণি উদ্বৃত্ত | |
| চলিত বছৰৰ সুদ | ৪.৯০ | ডাকঘৰ চেভিংচ বেংক | ১৪৫.৮৫ |
| | ১৪৫.৮৫ | | |

(৩) হুপাদাম পুঁজি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ৫৮.১৩ | সামৰণি উদ্বৃত্ত | |
| চলিত বছৰৰ সুদ | ৩.৫০ | অসম কো-অপাৰেটিভ এপেক্স বেংক লিঃ যোৰহাট | ৬১.৬৩ |
| | ৬১.৬৩ | | |

(৪) ভগৱতী প্ৰসাদ বৰুৱা ভৱন অৱক্ষণ নিধি

| | | | |
|---|---|---|---|
| আৰম্ভণি উদ্বৃত্ত | ২১,৭৪৪'৩১ | সম্পত্তি প্ৰতিপালন | ৪১২'৫০ |
| ভৱনৰ ভাড়া | ৩,৭৫০'০০ | ভৱনৰ অগ্নিবীমা | ১৪৫'১০ |
| সভাগৃহৰ মাননী | ৯১৫'০০ | বানচ | ৪৮৭'৫০ |
| বেংকৰ সুদ | ১,৪৭২'৭০ | নৈমিত্তিক | ৩২০'০০ |
| | ৩৪,৭৮২'০১ | পৰিবহন | ৩৮'৫০ |
| | | | ১,৪০৩'৫০ |
| | | সামৰণি উদ্বৃত্ত | |
| | | অসম কো-অপাৰেটিভ এপেক্স বেংক গুৱাহাটী | ৩৩,৩২২'৭৬ |
| | | হাতেজমা | ৫৫'৭৫ |
| | | | ৩৪,৭৮২'০১ |

সংশ্লিষ্ট বহী-পত্ৰৰ সৈতে পৰীক্ষা কৰি সঠিক পোৱা হ'ল।

স্বাঃ ( শ্ৰীজ্ঞানেন্দ্ৰ নাথ শইকীয়া এফ-চি-এ )
চাটাৰ্ড একাউন্টেন্ট
হিচাপ পৰীক্ষক, অসম সাহিত্য সভা।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
২২।৫।৭৬
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

স্বাঃ শ্ৰীযজ্ঞেশ্বৰ শৰ্মা
৫।৬।৭৬
সভাপতি,
অসম সাহিত্য সভা



# অসম সাহিত্য সভা

## কাৰ্য-নিৰ্বাহক সমিতি ঃ ২য় অধিবেশন

## স্থান ঃ ভিমাপুৰ নামঘৰ

## ৫ আৰু ৬ জুন ১৯৭৬

১। উপস্থিতসকল— শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ( সভাপতি ), শ্ৰীহিতেশ ডেকা ( উপ-সভাপতি ), ডঃ হেমন্ত কুমাৰ শৰ্মা ( প্ৰধান সম্পাদক ), শ্ৰীবসন্ত কুমাৰ গোস্বামী ( সহকাৰী সম্পাদক ), শ্ৰীলীলা গগৈ, শ্ৰীহৰেশ্বৰ গোস্বামী, শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী, শ্ৰীইন্দ্ৰেশ্বৰ পেগু, শ্ৰীহামছিং হান্সে, শ্ৰীশুচিব্ৰতা ৰায় চৌধুৰী, শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীঅতুল চন্দ্ৰ বৰুৱা, শ্ৰীঅৰুণ চন্দ্ৰ গোস্বামী, শ্ৰীযতীন গোস্বামী, শ্ৰীদুৰ্গেশ্বৰ শৰ্মা, শ্ৰীপ্ৰকাশ গোস্বামী, মোঃ আব্দুল মালিক চৌধুৰী, শ্ৰীসতীশ চন্দ্ৰ চৌধুৰী।

নিমন্ত্ৰিতসকল ঃ শ্ৰীনগেন শইকীয়া, শ্ৰীঅমল ৰাজখোৱা, শ্ৰীগোবিন্দ চন্দ্ৰ পৈৰা, শ্ৰীপদ্ম পাটৰ, শ্ৰীহৰিপ্ৰসাদ ৰাই, শ্ৰীহেমহৰি চেতিয়া, শ্ৰীভূপেন শৰ্মা।

২। প্ৰধান সম্পাদকে অসম সাহিত্য সভাৰ মাননীয় সভাপতি, শ্ৰীযজ্ঞেশ্বৰ শৰ্মাদেৱক আসন গ্ৰহণ কৰিবৰ কাৰণে অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

৩। সভাপতিয়ে তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে ঃ

অসম সাহিত্য সভাৰ আজি ৫ জুন ১৯৭৬ তাৰিখে বহা কাৰ্য-নিৰ্বাহক সমিতিৰ দ্বিতীয় অধিবেশনে তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু সিসকল বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে—

বিধায়িনী আয়োগৰ সদস্য ( ভাষা ) আৰু অসমৰ প্ৰাক্তন মন্ত্ৰী যোগেন্দ্ৰ নাথ শইকীয়া, তেজপুৰৰ শিক্ষাবিদ, অধিবক্তা আৰু খ্যাতনামা অভিনেতা অন্নদা কুমাৰ পদ্মপতি, নিতাই পুখুৰীৰ সংবাদসেৱী ৰাজেন্দ্ৰনাথ বৰুৱা, শিৱসাগৰৰ বিশিষ্ট ধৰ্ম-প্ৰাণা মহিলা বেদৱতী ৰাজখোৱা, যোৰহাটৰ প্ৰবীণ নাগৰিক কমলেশ্বৰ শৰ্মা, অধিবক্তা খান বাহাদুৰ ৰুকুনুদ্দিন আহমেদ, যোৰহাটৰ উদীয়মান চলচ্চিত্ৰ সম্পাদক অনিল দত্ত, বিশিষ্ট সংস্কৃত পণ্ডিত, দেৱেন্দ্ৰনাথ বেদান্ত সাংখ্যতীৰ্থ, গুৱাহাটীৰ সৰ্বজনপ্ৰিয় সমাজ-কৰ্মী গুৰুপ্ৰসাদ বৰুৱা আৰু প্ৰবীণ অধিবক্তা, শিল্পী, শশীকান্ত গোস্বামী, ডিব্ৰুগড়ৰ প্ৰাক্তন অয়ুক্ত শৰৎচন্দ্ৰ কাকতি, ডিব্ৰুগড়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিদ্যাধৰ শৰ্মা বৰুৱা, আপাবা সত্ৰৰ সংস্কৃত পণ্ডিত নাৰায়ণ গোস্বামী, বৰপেটাৰ সাহিত্য-সেৱী, অধিবক্তা সোণপতি দেৱ শৰ্মা আৰু মঞ্চ চলচ্চিত্ৰ শিল্পী মোহিনী কান্ত দাস, সোণাপুৰৰ বিশিষ্ট সমাজ-কৰ্মী স্বাধীনতা আন্দোলনৰ যুঁজাৰু কৃষ্ণ গোস্বামী, অভয়াপুৰীৰ বিশিষ্ট সমাজকৰ্মী অমৃত তায়ণ অধিকাৰী, ডিব্ৰুগড়ৰ

শিক্ষাবিদ, সাংবাদিক আৰু গীতিকাৰ নবীন চন্দ্ৰ বৰদলৈ, দেৱীচৰণ বৰুৱা ছোৱালী কলেজৰ অধ্যাপিকা আৰু গীতিকাৰ ৰাণী পাঠক আৰু জিজিৰাম নদীত দুৰ্ঘটনা হৈ অকাল মৃত্যু বৰণ কৰা লোকসকল।

৪। প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ এই অধিৱেশনখন ডিমাপুৰলৈ নিমন্ত্ৰণ কৰি অনা কাৰণে ডিমাপুৰ সাহিত্য সভা, ডিমাপুৰ নামঘৰ কৰ্তৃপক্ষ আৰু ডিমাপুৰীয়া ৰাইজলৈ শলাগ জনায় আৰু উপস্থিত সদস্যসকলৰ পৰিচয় জ্ঞাপন কৰে।

৫। ডিমাপুৰ শাখা-সাহিত্য সভাৰ সম্পাদক শ্ৰীতৃপেন শৰ্মাই স্বাগত ভাষণেৰে উপস্থিত ব্যক্তি সকলক আদৰণি জনায়।

৬। প্ৰধান সম্পাদকে কাৰ্য-নিৰ্বাহক সমিতিৰ পূৰ্ববৰ্তী অধিৱেশনৰ কাৰ্য-বিৱৰণি উত্থাপন কৰে। সমিতিয়ে গ্ৰহণ কৰে।

৭। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী কাৰ্য-নিৰ্বাহক সমিতিৰ অধিৱেশনৰ কাৰ্য-বিৱৰণিৰ পৰা উত্থিত বিষয় সম্পৰ্কে জনায় যে—

(ক) প্ৰকাশনৰ ক্ষেত্ৰত ছপাশালত থকা পুথিৰ ভিতৰত 'চুফী আৰু চুফীবাদ, "Indian Palaeography" ছপা হৈ আহিছে আৰু 'অধ্যয়ন চক্ৰ', "বেজবৰুৱাৰ ডায়েৰী," 'স্বাধীনতা আন্দোলনৰ ৰূপৰেখা,' 'আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ'ৰ ছপা সম্পূৰ্ণ হৈছে। যোৱা বছৰ প্ৰকাশ কৰিব খোজা পুথিৰ ভিতৰত (১) 'হেকসপীয়েৰ,' (২) 'কামৰূপী লোকগীত সংগ্ৰহ' আৰু (৩) 'অসমীয়া সমাজ আৰু ইছলাম সংস্কৃতি' সোনকালে ছপাশালত দিব পৰা হ'ব বুলি আশা কৰা গৈছে। 'লুইত পাৰৰ আমি অসমীয়া,' 'বড়ো জন-গোষ্ঠী' আৰু নগা ভূমিৰ পাণ্ডুলিপিৰ কাৰণে লিখক-লেখিকাৰ লগত যোগাযোগ কৰাৰ কথা প্ৰধান সম্পাদকে জানিবলৈ দিয়ে। সভাই এই বছৰ প্ৰকাশ কৰিব খোজা জনজাতীয় সাধুকথা আৰু শিশু-উপযোগী বিভিন্ন ধৰ্মৰ কাহিনী সম্বলিত পুথিৰ প্ৰস্তাৱিত লিখকৰ লগত যোগাযোগ কৰা, প্ৰস্তাৱিত দেশভক্ত তৰুণ ৰাম ফুকনৰ স্মৃতি-গ্ৰন্থ, আৰু অসমীয়া গল্প-সংকলনৰ সংগ্ৰহ আৰু সম্পাদনাৰ কামৰ অগ্ৰগতি, কালিৰাম মেধি ৰচনাৱলী সম্পৰ্কে সংগ্ৰাহক আৰু সম্পাদকৰ লগত যোগাযোগ কৰা 'অসমৰ ঠাইৰ নামৰ ইতিবৃত্ত,' 'শতাব্দীৰ অৰ্ঘ্য,' 'The Last Phase of Gandhiji,' 'চিৰ চেনেহী মোৰ ভাষা জননী' সম্পৰ্কে লোৱা সভাৰ সিদ্ধান্তৰ কথা সংশ্লিষ্ট ব্যক্তিক জনোৱা হৈছে বুলি প্ৰধান সম্পাদকে কাৰ্য-পালিকাক জানিবলৈ দিয়ে। The Serpent of the Rope ৰ অসমীয়ালৈ অনূদিত গ্ৰন্থৰ প্ৰকাশক বিচাৰি পোৱা নাই বুলি প্ৰধান সম্পাদকে জনায়।

(খ) (১) প্ৰধান সম্পাদকে জনায় যে, কাৰ্য-নিৰ্বাহক সমিতিয়ে প্ৰথম অধিৱেশনত গঠন কৰি দিয়া উপ-সমিতি সমূহে যথাৰীতি কামত আগ বাঢ়িছে, আৰু

ভাষাজ্ঞান পৰীক্ষাৰ পাঠ্য ক্ৰমৰ স্বীকৃতিৰ কাৰণে ৰাজ্য চৰকাৰৰ লগত যোগা-যোগ কৰা হৈছে।

(২) প্ৰধান সম্পাদকে জনায় যে—ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণ পৰিকল্পনা উপ-সমিতিয়ে প্ৰস্তাৱিত ভৱনটি ভাৰতীয় বিদ্যাভৱনৰ আহিত হ'ব লাগে বুলি আৰু ভৱনটিত অন্ততঃ ৭৫০ জন মানুহ বহিব পৰা এটা প্ৰেক্ষাগৃহ, অতিথিশালা, সংগ্ৰহালয় আৰু চিত্ৰশালা থাকিব লাগে বুলি অনুভৱ কৰে। পৰিকল্পনা উপসমিতিৰ মতে ভৱনটি তিনিমহলীয়া হ'ব লাগে, তাৰে প্ৰথম পৰ্যায়ত তলৰ মহলাৰ কাম হাতত ল'ব লাগে। তলৰ মহলাত প্ৰেক্ষাগৃহ, অতিথি-শালা, আৰু দ্বিতীয় পৰ্যায়ত ওপৰ মহলাৰ কাম অৰ্থাৎ সংগ্ৰহালয় আৰু চিত্ৰশালাৰ কাম হ'ব লাগে। সমিতিয়ে সদৌ অসম ভিত্তিত দান-বৰঙণি সংগ্ৰহ কৰাৰ কথা অনুভৱ কৰে আৰু অসম সাহিত্য সভাৰ প্ৰতিজন সদস্যই এটকাকৈ বৰঙণি দিবলৈ অনুৰোধ কৰিবলৈ কাৰ্য-নিৰ্বাহক সমিতিক পৰামৰ্শ দিয়ে, আৰু ৩১ অক্টোবৰ ( ১৯৭৬ খৃঃ)



তাৰিখৰ ভিতৰত বৰঙণি সংগ্ৰহ হ'ব লাগে আৰু ১৯৭৭ চনৰ ২৬ জানুৱাৰীত ৰাধাকান্ত সন্দিকৈৰ স্মৃতি দিৱসৰ দিনাই ভৱনৰ প্ৰথম পৰ্যায়ৰ কাম আৰম্ভ কৰিবলৈ স্থিৰ কৰাৰ কথা জনায়। অৰ্থসংগ্ৰহৰ উদ্দেশ্যে এখন সৰু পুস্তিকা প্ৰকাশ কৰাৰ কথাও উপ-সমিতিয়ে কাৰ্য-নিৰ্বাহকক পৰামৰ্শ দিয়ে।

(৩) মাজুলীৰ প্ৰস্তাৱিত সাংস্কৃতিক অধ্যয়ন কেন্দ্ৰ সম্পৰ্কে উপ-সমিতিয়ে আলোচনা কৰি কাৰ্য-নিৰ্বাহকৰ সদস্য অধ্যক্ষ ইন্দ্ৰেশ্বৰ পেগু আৰু মাজুলীৰ বিভিন্ন অঞ্চলৰ নেতৃস্থানীয় লোক আৰু সত্ৰস্থলত কাৰ্য-নিৰ্বাহকৰ দুই-এজন সদস্যক লৈ এখন সভা পাতি অধ্যয়ন কেন্দ্ৰ প্ৰতিষ্ঠাৰ সম্ভাব্যতা সম্পৰ্কে পৰিকল্পনা উপ-সমিতিক পৰামৰ্শ দিবলৈ অনুৰোধ কৰে। সমিতিয়ে সম্প্ৰতি মাজুলীৰ এখন ইতিবৃত্তমূলক গ্ৰন্থ প্ৰকাশ কৰিবলৈ পৰামৰ্শ দিয়ে।

(৪) আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক উপাধি দিয়াৰ কাৰণে উপ-সভাপতিয়ে শ্ৰদ্ধেয় সন্দিকৈ ডাঙৰীয়াৰ পৰা সন্মতি লবলৈ প্ৰথমে স্থিৰ কৰে।

(গ) সাংস্কৃতিক ভ্ৰমণৰ কাৰণে আৰ্থিক অনুদান বিচাৰি অসমৰ মুখ্য মন্ত্ৰী আৰু সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীক সাক্ষাৎ কৰি আঁচনি দিয়া আৰু চৰকাৰৰ পৰা আশানুৰূপ প্ৰতিশ্ৰুতি পোৱাৰ কথা প্ৰধান সম্পাদকে সমিতিক জনায়।

(ঘ) চৰকাৰী কাৰ্যালয়সমূহত ৰাজ্য ভাষা সন্তোষ-জনকভাৱে চলোৱা আৰু অসমৰ অন-অসমীয়া স্কুলসমূহত অসমীয়া ভাষা শিকোৱা সম্পৰ্কে যোৱা কাৰ্য-নিৰ্বাহকৰ অধিৱেশনে লোৱা সিদ্ধান্তৰ কথা আৰু অসম সাহিত্য সভাৰ আঁচনি মুখ্য মন্ত্ৰীক স্মাৰক-পত্ৰৰ যোগেদি জনাওৱা, আৰু অসম সাহিত্য সভাৰ মাননীয় সভাপতি প্ৰমুখ্যে দু-জনীয়া এটি সন্মতি দলে ১২ মে ১৯৭৬ তাৰিখে মুখ্য-মন্ত্ৰীক সাক্ষাৎ কৰাৰ কথা প্ৰধান সম্পাদকে জনায়। অসম সাহিত্য সভাই গ্ৰহণ কৰা আঁচনিখন আৰ্থিক অনু-দানৰ বাবে মুখ্যমন্ত্ৰী, সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক দিয়া হৈছে।

(ঙ) যোৱা কাৰ্য-নিৰ্বাহকৰ ২৩ নং সিদ্ধান্ত অনুযায়ী গুৱাহাটী কাৰ্যালয়ত ব্যৱহাৰৰ কাৰণে এটা ডুপ্লিকেটিং মেচিন ক্ৰয় কৰাৰ কথা প্ৰধান সম্পাদকে জনায়। প্ৰধান সম্পাদকৰ বাসভৱনত টেলিফোন সংযোগৰ কাৰণে আৱশ্য-কীয় টকা জমা দিয়া হৈছে, আৰু গুৱাহাটী কাৰ্যালয়ত এবছৰৰ কাৰণে সম্পূৰ্ণ অস্থায়ীভাৱে এজন কাৰ্যালয় সহকাৰীক নিযুক্তি দিয়া, কেন্দ্ৰীয় কাৰ্যালয়ৰ তৃতীয় কাৰ্যালয় সহকাৰীয়ে ছুটী লোৱাত উক্ত পদত হেমিৰুদ্দিন আহমদক অস্থায়ীভাৱে নিযুক্তি দিয়াৰ কথা প্ৰধান সম্পাদকে সমিতিক জানিবলৈ দিয়ে।

(চ) ৰঘুনাথ চৌধাৰীৰ সমগ্ৰ ৰচনাৱলীৰ স্বত্ব আৰু গীতিকবি উমেশ চন্দ্ৰ চৌধাৰীৰ স্মৃতিত সাহিত্য সভালৈ দান কৰিব খোজা গ্ৰন্থ আৰু আলোচনীসমূহ ল'বৰ কাৰণে চৌধাৰী পৰিয়ালৰ লগত যোগাযোগ কৰাৰ কথা প্ৰধান সম্পাদকে জনায়।

(ছ) গুৱাহাটীত তৰুণৰাম ফুকন আৰু কালিৰাম মেধিৰ জন্ম শতবাৰ্ষিকী উৎসৱ সমিতি গঠন হোৱা আৰু ৰাজ্য চৰকাৰৰ তৰফৰ পৰা গঠিত শতবাৰ্ষিকী উৎসৱ সমিতিয়ে তৰুণৰাম ফুকনৰ এখনি চিত্ৰ প্ৰকাশ কৰিব খোজাৰ কথা সমিতিক প্ৰধান সম্পাদকে অবগত কৰায়।

(জ) যোৰহাটত গঠন কৰা হীৰক জয়ন্তী উৎসৱ তদৰ্থ সমিতিয়ে হীৰক জয়ন্তী উৎসৱৰ বাবে প্ৰাৰম্ভিক কামৰ প্ৰস্তুতি চলাইছে বুলি প্ৰধান সম্পাদকে জনায়।

(ঝ) লিখক শিবিৰ সম্পৰ্কে কোনো আঁচনি গ্ৰহণ কৰা নাই বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে। কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য সকলক বিশেষ নৈমিত্তিক ছুটী মঞ্জুৰ কৰাৰ কাৰণে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

(ঞ) 'মধ্য বিংশ শতিকাৰ অসমীয়া সাহিত্য' 'সৰং

স্মৃতি' আৰু 'মংগলদৈ' সন্মিলনৰ বাৰ্ষিকী সম্পৰ্কত আৰু যোৱা ত্ৰয়শ্চত্বাৰিংশ টিহু সন্মিলনৰ বাৰ্ষিকীৰ কাৰণে ক্ৰমে মংগলদৈ আৰু টিহুৰ অভ্যৰ্থনা সমিতিৰ লগত যোগাযোগ কৰা হৈছে বুলি প্ৰধান সম্পাদকে জানিবলৈ দিয়ে।

(ট) অসম সাহিত্য সভাৰ অভ্যাপুৰীত অনুষ্ঠিত হ'ব লগীয়া চতুশ্চত্বাৰিংশ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ বৈঠক এই জুন মাহতে অনুষ্ঠিত হ'ব বুলি প্ৰধান সম্পাদকে জনায়।

৮। (১) সমিতিয়ে যোৱা কাৰ্য-নিৰ্বাহকৰ বৈঠকত এই বছৰ প্ৰকাশ কৰিব খোজা গ্ৰন্থসমূহৰ ভিতৰত তলত নাম দিয়া গ্ৰন্থকেইখন প্ৰথম পৰ্যায়ত প্ৰকাশ কৰিবলৈ স্থিৰ কৰেঃ—(১) ছেকছপীয়েৰ, (২) কামৰূপী লোকগীতি-সংগ্ৰহ, (৩) অসমীয়া সমাজ আৰু ইছলাম সংস্কৃতি, (৪) তিনিখন পৰিচয় গ্ৰন্থমালা, (৫) তিনিখন ধৰ্মীয় সাধু, (৬) তিনিখন জনজাতীয় সাধু, (৭) গল্প-সংকলন, (৮) নগা ভূমি (নাগামিজত), (৯) সাদৰী, (১০) দহিকতৰা। উল্লেখযোগ্য যে গল্প-সংকলন, সাদৰী, দহিকতৰা—এই কেইখন পুথি পাঠ্য পুথি হোৱাৰ সপক্ষে প্ৰকাশ কৰিবলৈ সভাই স্থিৰ কৰে। আঁচনিত লোৱা বাকী গ্ৰন্থ পৰ্যায়ক্ৰমে ছপোৱা হব।

(২) The Serpent and the Ropeৰ অসমীয়া অনূদিত গ্ৰন্থখনি প্ৰকাশৰ কাৰণে পূৰ্বতে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা অৰ্থ সাহায্য যথোপযুক্ত নহয় বুলি সমিতিয়ে অনুভৱ কৰে আৰু কেন্দ্ৰীয় চৰকাৰক অতিৰিক্ত সাহায্য দিবৰ কাৰণে অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(৩) সমিতিয়ে বিভিন্ন ধৰ্মীয় সাধুপুথিৰ পাণ্ডুলিপি প্ৰস্তুত কৰিবৰ কাৰণে মিনি ঐমুজ বা আনন্দি কেনৰাৰ (বাইবেলৰ সাধু), শাসনবংশ ভিক্ষু বা ধৰ্মপাল ভিক্ষু (জাতকৰ সাধু তথা বৌদ্ধ ধৰ্মীয় সাধু) কৰ্পসিং (শিখ ধৰ্মীয় সাধু) আৰু ছগনলাল জৈনক (জৈনধৰ্মীয় সাধু) দায়িত্ব দিবলৈ প্ৰধান সম্পাদকক কৰ্তৃত্ব দিয়ে।

(৪) মাননীয় সভাপতিৰ পৰামৰ্শক্ৰমে সমিতিয়ে পৰিচয় গ্ৰন্থমালা শিতানত কেইখনমান গ্ৰন্থ প্ৰণয়ন কৰাৰ কাৰণে তলত নাম লিখাসকলক অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়েঃ (১) ডাঃ মথুৰানাথ ভট্টাচাৰ্য ( আধুনিক চিকিৎসা বিজ্ঞান ), (২) ডঃ বীৰেন্দ্ৰনাথ দত্ত ( অসমীয়া সঙ্গীতৰ ঐতিহ্য ), (৩) ডঃ মুকুন্দমাধৱ শৰ্মা (কাব্য আৰু ব্যঞ্জনা ), (৪) ডঃ ভুবন মোহন দাস (নৃতত্ত্ব), (৫) মথুৰানাথ গোস্বামী (ধৰ্ম আৰু ৰাজনীতি ), (৬) শ্ৰীদীননাথ বৰুৱা (অসমৰ চাহ খেতি)

(৫) সমিতিয়ে The Last Phase of Gandhiji আৰু The Serpent and the Ropeৰ সংক্ষিপ্ত অনুবাদ কৰিবৰ কাৰণে ক্ৰমে শ্ৰীযতীন গোস্বামী আৰু শ্ৰীশুচিব্ৰতা ৰায়চৌধুৰীক অনুৰোধ জনায়।

৯। ৰাজহুৱা ধনৰ অপব্যৱহাৰৰ অভিযোগ, উত্থাপিত হব পাৰে বুলি, আশংকাৰ কথা উল্লেখ কৰি অসম সাহিত্য সভাৰ মাকুম আৰু মঙ্গলদৈ সন্মিলনৰ অভ্যৰ্থনা সমিতিক বছৰেকীয়া অধিবেশনত হোৱা আয়-ব্যয়ৰ হিচাপ দাখিল কৰিবৰ কাৰণে তাগিদা দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১০। সমিতিয়ে তৰুণৰাম ফুকন জন্ম শতবাৰ্ষিকী উপলক্ষে অসম সাহিত্য সভাৰ পুঁজিৰ পৰা ১০০০'০০ টকা আৰু ফুকন সোঁৱৰণী বক্তৃতাৰ কাৰণে ১০০০'০০ টকা অভ্যৰ্থনা সমিতিক দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সমিতিয়ে দেশভক্ত ফুকনৰ চিত্ৰ প্ৰকাশ কৰাৰ পূৰ্বসিদ্ধান্ত বাতিল কৰে।

১১। লিখক শিবিৰ কেনেধৰণে পতা হব সেই সম্পৰ্কে প্ৰাক্তন প্ৰধান সম্পাদক শ্ৰীনগেন শইকীয়া, শ্ৰীসতীশ চৌধুৰী আৰু প্ৰধান সম্পাদকে মাননীয় সভাপতিৰ লগত পৰামৰ্শ কৰি সিদ্ধান্ত কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।



১২। শ্ৰীৰমা দাস, নলিনী বালা দেৱী, তিপৰৈ সাহিত্য সেৱা সমিতিৰ সম্পাদক আদিৰ চিঠি সভাত পাঠ কৰা হয়। সমিতিয়ে এই বছৰত লোৱা আঁচনিভুক্ত প্ৰকাশন অধিক ব্যয় হব কাৰণে উক্ত পত্ৰ লিখক-লিখিকাৰ চিঠি বিবেচনা কৰিব পৰা নহব বুলি অনুভৱ কৰে।

১৩। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ডাক টিকট মহাপুৰুষৰ বাণী দিয়া হওক বুলি সভাই মত পোষণ কৰে। মাননীয় সভাপতিয়ে আগবঢ়োৱা তলৰ বাণীটো সমিতিয়ে গ্ৰহণ কৰে—"সকল ভূততে দেখিবেক নাৰায়ণ।

আতপৰে আনধৰ্ম সবে বিড়ম্বন।"

১৪। সমিতিয়ে হৰেন্দ্ৰনাথ কলিতাৰ পৰিয়ালবৰ্গক সাহিত্যিক পেন্সন দিবৰ কাৰণে অনুৰোধ কৰাৰ লগতে আন আন দুৰ্গত পৰিয়ালকো এনে সাহায্য দি সহায় কৰিবলৈ চৰকাৰক অনুৰোধ জনাবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৫। কাৰ্যালয় সচিবৰ প্ৰয়োজনীয়তা অনুভৱ কৰি সভাই মত প্ৰকাশ কৰে যে পূৰ্বৰ অন্য সকলো চৰ্ত একেই ৰাখি, নিৰ্ভৰযোগ্য, কাৰ্যদক্ষ ২৫ বছৰ বয়সৰ ওপৰৰ যি কোনো লোকে আবেদন কৰিব পাৰিব বুলি বিজ্ঞাপন দিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

১৬। প্ৰকাশন অভিকৰ্তাৰ নিযুক্তি সম্পৰ্কত সভাই মত প্ৰকাশ কৰে যে—আবেদনকাৰী আৰু পূৰ্বৰ অভিকৰ্তা শ্ৰীবৃন্দীন্দ্ৰ কুমাৰ ৰাজখনিকৰক দুমাহলৈ পূৰ্বৰ চৰ্তমতে নিযুক্তি দিয়া হওক, কিন্তু ভ্ৰমণ বানচৰ ক্ষেত্ৰত এই চৰ্তটো সংযোজিত হ'ব যে যি ঠাইত ভ্ৰমণৰ কাৰণে যান-বাহনৰ সুবিধা নাই সেই ঠাইত প্ৰতি কিলোমিটাৰত ২৫ পইচাকৈ ভ্ৰমণ-বানচ পাব। প্ৰয়োজন হলে সভাপতিৰ লগত পৰামৰ্শ কৰি প্ৰধান সম্পাদকে প্ৰকাশন-অভিকৰ্তাৰ কাৰ্যকাল আৰু এমাহ বঢ়াই দিব পাৰিব। গুৱাহাটীৰ শ্ৰীদেবেন দাসকো একে চৰ্তত দিয়া হওক, কিন্তু প্ৰথম মাহৰ কাম-কাজ সন্তোষজনক নহলে শ্ৰীদাসক অব্যাহতি দিবলৈ প্ৰধান সম্পাদকক সমিতিয়ে দায়িত্ব দিয়ে।

১৬। প্ৰধান সম্পাদকে ১৯৭৫-৭৬ চনৰ পৰীক্ষিত হিচাপ পাঠ কৰে আৰু বাজেট দাখিল ধৰে। সমিতিয়ে গ্ৰহণ কৰে।

১৭। সমিতিয়ে সৰ্বশ্ৰী শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰ, যতীন্দ্ৰনাথ গোস্বামী, শইকীয়া, অমল ৰাজখোৱা, অৰুণচন্দ্ৰ গোস্বামী, দেৱপ্ৰসাদ বৰুৱা আৰু বসন্তকুমাৰ গোস্বামী আহ্বায়ক এই সকলোৰে এখন সংবিধান-সংশোধনী সমিতি গঠন কৰি দিয়ে। এই সমিতি যোৰহাটত বহিব। এই সমিতিয়ে বিত্ত-উপবিধি আৰু নিৰ্বাচন-উপবিধিৰ খচৰা প্ৰস্তুত কৰিব।

১৮। সভাৰ কাৰ্য-নিৰ্বাহক সমিতিৰ সিদ্ধান্তসমূহ প্ৰচাৰ পত্ৰৰ যোগেদি শাখা সভাসমূহক অৱগত কৰাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়া হয়।

১৯। কহিমা সাহিত্য সভা ভৱনৰ অত্তৰক্ষণৰ কাৰণে প্ৰস্তাৱ যোগে নগালেণ্ড চৰকাৰক অনুৰোধ কৰা হওক বুলি সভাই মত প্ৰকাশ কৰে।

২০। যোৰহাটৰ কেন্দ্ৰীয় কাৰ্যালয়ৰ সমুখৰ পথটো 'অল্ডছাকিত হাউছ' পথৰ পৰিৱৰ্তে 'সাহিত্য সভা পথ' হব লাগে বুলি প্ৰস্তাৱ যোগে যোৰহাটৰ পৌৰসভাক অনুৰোধ জনাবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২১। নতুনকৈ নিযুক্তি দিয়া কাৰ্যালয় সহকাৰী শ্ৰীচেমিৰুদ্দিন আহমদ আৰু শ্ৰীঅজিত কুমাৰ তালুকদাৰৰ নিযুক্তিত অনুমোদন জনোৱা হয়।

২২। অসম সাহিত্য সভাৰ কাৰ্যালয়ৰ কৰ্মীবৃন্দৰ বেতন বৃদ্ধি সম্পৰ্কে কৰা আবেদন সমিতিয়ে সহানুভূতিৰে বিবেচনা কৰে। মাননীয় সভাপতি, শ্ৰীহৰেশ্বৰ গোস্বামী আৰু প্ৰধান সম্পাদকক এই সম্পৰ্কে আলোচনা কৰি সমিতিক পৰামৰ্শ দিবলৈ দায়িত্ব দিয়ে।

২৩। অসম সাহিত্য সভাৰ কাৰ্যালয়ৰ কৰ্মী বৃন্দৰ বেতন বৃদ্ধি সম্পৰ্কে কৰা আবেদন সমিতিয়ে সহানুভূতিৰে বিবেচনা কৰে।

২৪। অসম সাহিত্য সভাৰ চতুশ্চত্বাৰিংশ সন্মিলনৰ সভাপতিৰ কাৰণে সদস্যসকলে ১৮ জনৰ নাম সভাপতিক দিয়ে। সমিতিয়ে এই ১৮ জনৰ পৰা ভোটৰ ভিত্তিত ৮ জন লোকৰ নাম নিৰ্বাচন কৰে, তাৰে পাঁচজনৰ ভিতৰত কোনোৱে সম্মতি নিদিলে ক্ৰম অনুসৰি শেষৰ তিনিজনৰ পৰা সম্মতি বিচাৰিবলৈ আৰু সংশ্লিষ্ট পৰৱৰ্তী কাৰ্য সভাৰ নিয়মাৱলী অনুযায়ী কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। (নাম সমূহ গোপন নথি হিচাপে সংৰক্ষিত হৈছে।

২৫। শিৱসাগৰৰ অন্ধ কবি শ্ৰীমিলন দেওধাই বৰুৱা আৰু দেৰগাৱঁৰ শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীক আৰ্থিক অনুদান দিবৰ কাৰণে ৰাজ্য চৰকাৰক অনুৰোধ কৰিবলৈ সভাই প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৬। সমিতিয়ে সাহিত্য সভাৰ ডাক খৰছ বহুবহুল বুলি অনুভৱ কৰি এটি ফ্ৰেংকিং মেছিন ( Franking machine ) ক্ৰয় কৰিবৰ কাৰণে ডাক আৰু তাঁৰ বিভাগৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৭। সমিতিয়ে সভাপতি ভাওৰীয়াৰ চিঠি-পত্ৰৰ খা-খৰচৰ বাবদ সম্প্ৰতি ১০০'০০ (এশ) টকা দিবলৈ সিদ্ধান্ত কৰে।

২৮। ৰাধাকান্ত সন্দিকৈ ভৱন-নিৰ্মাণ পৰিকল্পনা, সমিতিৰ পৰামৰ্শ গ্ৰহণ কৰি সমিতিয়ে অসম সাহিত্য সভাৰ প্ৰতিজন সভ্যৰ পৰা এটকাকৈ ধৰণি সংগ্ৰহ কৰিবলৈ সিদ্ধান্ত কৰে আৰু এই মৰ্মে শাখা-সভাসমূহৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

২৯। সত্ৰাত জামডিং অসমীয়া হাইস্কুলৰ শিক্ষক শ্ৰীৰত্নকান্ত দেৱনাথে অসমীয়া হাইস্কুলখন বেলৰে কৰ্তৃপক্ষৰ প্ৰশাসনৰ অন্তৰ্ভুক্ত কৰিবৰ কাৰণে চৰকাৰৰ লগত যোগাযোগ কৰাৰ কথা উত্থাপন কৰে। সমিতিয়ে সহানুভূতিৰে শ্ৰীনাথৰ কথা শুনে আৰু এই সম্পৰ্কত কোনো মতামত নিদিবলৈ স্থিৰ কৰে।

৩০। সমিতিয়ে তলত নাম দিয়া শাখা-সভাসমূহক আৰু স্বীকৃত সভাসমূহক স্বীকৃতি দিয়ে—

(ক) শাখা সভা (১) জোনাকী সাহিত্য সমাজ,—ৰাজগড়, গুৱাহাটী—৭

(২) বৰগাং শাখা সাহিত্য সভা, ডাকঘৰ বৰগাং, জিলা—দৰং

(খ) স্বীকৃত সভা (১) অসম লেখিকা সন্থা, সম্পাদিকা শ্ৰীপ্ৰীতি বৰুৱা, গুৱাহাটী—১

৩১। সমিতিয়ে তলত নাম দিয়া আজীৱন সভ্যসকলক স্বীকৃতি প্ৰদান কৰে--

১। শ্ৰীতৰুণেশ্বৰ ভূঞা, চাপৰমুখ, নগাওঁ,
২। শ্ৰীঅশ্বিনী কুমাৰ ভট্টাচাৰ্য, " "
৩। শ্ৰীসুখেন্দু চন্দ্ৰ পাল " "
৪। শ্ৰীনন্দকিশোৰ হাংকাৰিয়া " "
৫। শ্ৰীঈশ্বৰ চন্দ্ৰ শৰ্মা " "
৬। মঃ বিচাৰ আলি, হোজাই "
৭। মঃ চামচুল ইছলাম, " "
৮। মঃ মইনউদ্দিন আহমেদ " "
৯। শ্ৰীপ্ৰসন্ন কুমাৰ নাথ, ভুৰাগাওঁ "
১০। শ্ৰীহৰেন্দ্ৰকুমাৰ নাথ, দলগোমা, গোৱালপাৰা
১১। শ্ৰীহৰিৰাম পাঠক-- " "
১২। শ্ৰীশৰৎচন্দ্ৰ নাথ " "
১৩। কুমাৰী কল্পনা কলিতা " "
১৪। ৰত্নেশ্বৰ দাস " "
১৫। শ্ৰীটোমৰমল কিল্লা, দক্ষিণ শালমৰা "
১৬। শ্ৰীজগদীশ প্ৰসাদ আগৰৱালা দক্ষিণশালমৰা "
১৭। শ্ৰীকমলাকান্ত দাস, মাটিপৰ্বত, পোঃ গুৱালকুছি, কামৰূপ
১৮। শ্ৰীস্ফটিকচন্দ্ৰ দাস, কাঞ্চন নগৰ " "
১৯। শ্ৰীকেশবচন্দ্ৰ বৈশ্য, সাং নাপাড়া " "
২০। নবীনচন্দ্ৰ বৈশ্য, ২ নং নাত্তাদল, " "



২১। শ্ৰীসনাতনচন্দ্ৰ দাস, সাং ভাতিপাৰা (হাটী সত্ৰ) পোঃ গুৱালকুছি, কামৰূপ
২২। শ্ৰীশচীন্দ্ৰনাথ ফুকন, ডিমাপুৰ, নগালেণ্ড
২৩। শ্ৰীৰামশকল শাহৱান, " "
২৪। শ্ৰীভি-হাৰাল্ " "
২৫। অৰুণ চন্দ্ৰ বয় " "
২৬। কান্তেশ্বৰ কলিতা " "
২৭। শ্ৰীবাবুল কছাৰী " "
২৮। শ্ৰীনৰেশ চন্দ্ৰ দাস " "
২৯। শ্ৰীতাৰা প্ৰসাদ ভট্টাচাৰ্য " "
৩০। শ্ৰীভুপেন শৰ্মা " "
৩১। শ্ৰীভিলোমী আজামী " "
৩২। শ্ৰীমাণিক চন্দ্ৰ ফুকন " "
৩৩। শ্ৰীহেমন্ত কুমাৰ ফুকন " "
৩৪। শ্ৰীকনক চন্দ্ৰ কলিতা " "
৩৫। শ্ৰীখেওলে কিৰে " "
৩৬। শ্ৰীখগেন্দ্ৰনাথ চেতিয়া " "
৩৭। শ্ৰীধনবাহাদুৰ যোনাচ " "
৩৮। শ্ৰীমতী চনিমা বৰ্মন " "
৩৯। চদা'ৰ গুৰুমুখ সিং " "
৪০। শ্ৰীমাণিক ভট্টাচাৰ্য " "
৪১। ইছিকবাজজিৎ সিং " "
৪২। শ্ৰীনৱকুমাৰ শৰ্মা " "

৩২। প্ৰধান সম্পাদকে সকলোকে শলাগ জনায় আৰু বিয়লি ডিমাপুৰ নামঘৰত অনুষ্ঠিত হ'বগীয়া সম্বৰ্ধনা সভা আৰু গধুলিৰ সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকিবলৈ অনুৰোধ কৰে।

৩৩। সভাপতিয়ে দুয়োদিন কাৰ্য-পৰিচালনা কৰোঁতে সদস্যসকলে সততে আগবঢ়োৱা সহায়-সহযোগৰ কাৰণে সদস্যসকলক ধন্যবাদ জ্ঞাপন কৰি সভা ভংগৰ ঘোষণা কৰে।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

স্বাঃ যজ্ঞেশ্বৰ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা

# অসম সাহিত্য সভা

## কাৰ্য নিৰ্বাহক সমিতিৰ তৃতীয় অধিবেশন

## স্থান :—ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী

## ২৯ আৰু ৩০ অক্টোবৰ, ১৯৭৬ চন

১। উপস্থিত সদস্য সকল :—

সৰ্বশ্ৰী যজ্ঞেশ্বৰ শৰ্মা, সভাপতি, অৰুণচন্দ্ৰ গোস্বামী, অতুলচন্দ্ৰ বৰুৱা, সতীশচন্দ্ৰ চৌধুৰী, ৰামচৰণ ঠাকুৰীয়া, ইন্দ্ৰেশ্বৰ পেগু, আব্দুল মালিক চৌধুৰী, হৰেশ্বৰ গোস্বামী, যতীন গোস্বামী, প্ৰকাশ গোস্বামী, দুৰ্গেশ্বৰ শৰ্মা, লীলা গগৈ, নিৰঞ্জন মহন্ত, শ্ৰীমান চক্ৰৱৰ্তী, শুচিব্ৰতা ৰায়-চৌধুৰী, বসন্ত কুমাৰ গোস্বামী, সহকাৰী সম্পাদক, হেমন্ত কুমাৰ শৰ্মা, প্ৰধান সম্পাদক,

২। বিশেষভাৱে নিমন্ত্ৰিতসকল :—

সৰ্বশ্ৰী তীৰ্থনাথ শৰ্মা, অতুলচন্দ্ৰ হাজৰিকা, ডঃ মহেশ্বৰ নেওগ, সত্যেন্দ্ৰনাথ শৰ্মা, উত্তমচন্দ্ৰ ব্ৰহ্ম, গুৰুদত্ত ভাগৱতী, কনকচন্দ্ৰ ডেকা, গোবিন্দ মহন্ত, জ্যোতিষ বৰুৱা, ৰাম গোস্বামী, নন্দ তালুকদাৰ, ৰজনীকান্ত দেৱ শৰ্মা, নগেন শইকীয়া।

৩। প্ৰধান সম্পাদকে মাননীয় সভাপতিক আসন গ্ৰহণৰ কাৰণে অনুৰোধ জনায়। সভাপতিয়ে আসন গ্ৰহণ কৰে।

৪। সভাপতিয়ে তলত দিয়া শোক প্ৰস্তাৱটি উত্থাপন কৰে :

অসম সাহিত্য সভাৰ কাৰ্য নিৰ্বাহক সমিতিৰ আজিৰ এই অধিবেশনে তলত নাম দিয়া ব্যক্তিসকলৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰে আৰু সিসকলৰ বিদেহ আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে :—

অসমৰ ৰাজহ মন্ত্ৰী, বিশিষ্ট সমাজবাদী আৰু মুক্তি-যুঁজাৰু পৰমানন্দ গগৈ, আন্তৰ্জাতিক খ্যাতি সম্পন্ন পণ্ডিত ডঃ যোগীৰাজ বসু, ভাৰতৰ প্ৰখ্যাত শিক্ষাবিদ ডঃ ৰামস্বামী মুদালিয়াৰ, বাৰানসীৰ প্ৰসিদ্ধ দাৰ্শনিক আৰু সংস্কৃত পণ্ডিত মহামহোপাধ্যায় গোপীনাথ কবিৰাজ, অসম পশুচিকিৎসা বিভাগৰ প্ৰাক্তন সঞ্চালক ডঃ ৰবীন্দ্ৰনাথ হাজৰিকা, গুৱাহাটী বিশ্ববিদ্যালয় কলেজসমূহৰ পৰিদৰ্শক, শিক্ষাবিদ আব্দুল জেলিল, দেৰগাওঁ কলেজৰ অধ্যক্ষ হৰকান্ত মহন্ত, বৰপেটাৰ প্ৰবীণ শিক্ষক মহেন্দ্ৰনাথ চৌধুৰী, কলিয়াবৰ শাখা সাহিত্য সভাৰ প্ৰতিষ্ঠাতা যোগেশ্বৰ বৰা, ছিলং মুকুল সংঘৰ সম্পাদক দেৱীচৰণ দাস, ছিলঙৰ বিশিষ্ট নাগৰিক লক্ষেশ্বৰ বৰবৰা, উত্তৰ লক্ষীমপুৰৰ সমাজকৰ্মী ললিতচন্দ্ৰ শৰ্মা, ভাৰতৰ চোচিয়েলিষ্ট ইউনিটি চেণ্টাৰৰ সাধাৰণ সম্পাদক, শিৱদাস ঘোষ, বিদ্ৰোহী কবি কাজী নজৰুল ইচলাম, চীনৰ চেয়াৰ-মেন মাও চে টুং, ভাৰতৰ শীৰ্ষস্থানীয় নেপথ্য গায়ক মুকেশ, মগাৰ্ৰৰ সংগীতজ্ঞ সুশীল বেনাৰ্জী, বৰপেটাৰ খ্যাতনামা অভিনেতা বিষ্ণুপ্ৰসাদ দাস, সোণাৰীৰ জনপ্ৰিয়



সমাজকৰ্মী আৰু গায়ক গঙ্গাধৰ বৰঠাকুৰ, অৱসৰপ্ৰাপ্ত বিফৰ্মচ্ কমিছনাৰ ৰবীন্দ্ৰৰাম খাউন্দ, যোৰহাটৰ বিশিষ্ট চাহখেতিয়ক আৰু শিক্ষানুৰাগী উমাচৰণ বৰুৱা, গুৱাহাটীৰ আইনজীৱী কৃষ্ণচন্দ্ৰ গোস্বামী, বিশিষ্ট বঙালী সাহিত্যিক শংকৰ চেটাৰ্জী, মানকাচাৰৰ অৱসৰপ্ৰাপ্ত চিভিলচাৰ্জন গোলাম হুছেইন, তিতাবৰৰ সৰবৰহী লোক মহেন্দ্ৰ শইকীয়া, গুৱাহাটীৰ ধৰ্মপ্ৰাণ মহিলা নীৰবাবালা চৌধুৰী, কোকৰাঝাৰৰ বিশিষ্ট সমাজকৰ্মী ৰবীন বসুমতাৰী, গুৱাহাটীৰ বিশিষ্ট দন্ত চিকিৎসক ডাঃ কুমুদ চন্দ্ৰ চৌধুৰী, ডিব্ৰুগড়ৰ প্ৰবীণ অধিবক্তা বিনন্দিচন্দ্ৰ মেধি, যোৰহাটৰ বিশিষ্ট নাগৰিক গোলোকচন্দ্ৰ খাউন্দ, নাজিৰাৰ নাট্যকাৰ হৰেশ্বৰ ভট্টাচাৰ্য নলবাৰীৰ প্ৰখ্যাত খেলুৱৈ খলিলৰ ৰহমান, যোৰহাটৰ জয়চন্দ্ৰ বৰুৱা, দেৰগাওঁৰ ৰাধাফুকন, পাঠশালাৰ তাৰিণী চন্দ্ৰ পাটগিৰি আৰু যোৰহাটৰ মানিকচন্দ্ৰ হাজৰিকা। প্ৰস্তাৱ পাঠৰ অন্তত উপস্থিত সকলোৱে অলপ সময় থিয় হৈ মৌনভাৱে পৰলোকগতসকলৰ আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

৫। প্ৰধান সম্পাদকে সদস্য আৰু নিমন্ত্ৰিত ব্যক্তিসকলক সম্ভাষণ জনায় আৰু সিসকলৰ পৰিচয় দান কৰে।

৬। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী বৈঠকৰ কাৰ্যবিৱৰণি উত্থাপন কৰে আৰু সমিতিয়ে গ্ৰহণ কৰে।

৭। প্ৰধান সম্পাদকে পূৰ্ববৰ্তী কাৰ্য-নিৰ্বাহক সমিতিৰ অধিৱেশনৰ কাৰ্য-বিৱৰণিৰ পৰা উত্থিত বিষয় সম্পৰ্কে এইদৰে জনায় :—

ক) যোৱা বছৰৰ ছপাশালত থকা পুথিৰ ভিতৰত 'অধ্যায়ন-চক্ৰ,' 'বেজবৰুৱাৰ ডায়েৰী,' 'ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া,' 'স্বাধীনতা আন্দোলনৰ ৰূপৰেখা' ছপা হৈ আহিছে। এই বছৰৰ আঁচনিত ধৰা প্ৰকাশনৰ ভিতৰত (১) ছেক্সপীয়েৰ, (২) কাৰবি সাধু, (৩) কামেং সীমান্তৰ সাধু, (৪) 'শতাব্দীৰ অৰ্ঘ্য', (৫) 'বুদ্ধজাতকৰ সাধু,' (৬) 'দেশভক্ত তৰুণৰাম ফুকন স্মৃতিমালা আৰু (৭) 'চাহ বনুৱাৰ মাজত প্ৰচলিত সাধু,' ছপাশালত দিয়া হৈছে। ১) 'অসমীয়া সমাজ আৰু ইছলাম সংস্কৃতি, ২) 'কামৰূপী লোকগীত সংগ্ৰহ,' ৩) 'ৰড়ো সাধু,' ৪) মিছিং সাধু,' ৫) 'নেপালী সাধু,' ৬) ইছলামী বা ন-অসমীয়াৰ সাধু, ৭) 'ধ্বনি আৰু ৰসতত্ত্ব' পাণ্ডুলিপি প্ৰধান সম্পাদকে পাইছে আৰু ছপাশালত দিবৰ কাৰণে সাজু কৰিছে। নাগামিজত যুগুত কৰিবলৈ দিয়া নগাভূমিৰ পাণ্ডুলিপি শ্ৰীমতী নৱমালতী চক্ৰৱৰ্তীয়ে সোনকালে পঠিয়াব বুলি জনাইছে। প্ৰস্তাৱিত গল্প-সংকলনৰ পাণ্ডুলিপিও প্ৰস্তুত হৈছে বুলি প্ৰধান সম্পাদকে জনাইছে। বাকী লিখকসকলৰ পৰা আঁচনিভুক্ত গ্ৰন্থসমূহৰ পাণ্ডুলিপি সংগ্ৰহ কৰিবৰ কাৰণে প্ৰধান সম্পাদকে যোগাযোগ কৰিছে।

খ) ৰাধাকান্ত সন্দিকৈ ভৱন নিৰ্মাণৰ কাৰণে অসম সাহিত্য সভাৰ প্ৰতিগৰাকী সদস্যৰ পৰা এটকাকৈ ধৰওপি তোলাৰ উদ্দেশ্যে সমিতিৰ পৰামৰ্শ অনুযায়ী প্ৰচাৰ পত্ৰ যোগেদি আবেদন জনোৱা হৈছে। তদুপৰি ভৱন নিৰ্মাণৰ বাবে অনুদান বিচাৰি ৰাজ্য চৰকাৰৰ যোগেদি কেন্দ্ৰীয় চৰকাৰক উনৈশ লাখ টকাৰ আঁচনি দিয়া হৈছে।

গ) মাজুলীৰ ইতিবৃত্তমূলক গ্ৰন্থ প্ৰনয়ণ কৰিবলৈ কাৰ্য-নিৰ্বাহক সমিতিৰ সদস্য শ্ৰীইন্দ্ৰেশ্বৰ পেগুক জনোৱা হৈছে।

ঘ) আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াক উপাধি প্ৰদানৰ সিদ্ধান্তৰ কথা জনাই সন্মতি বিচাৰি চিঠি দিয়া হৈছে।

ঙ) সাংস্কৃতিক ভ্ৰমণৰ কাৰণে আধিক অনুদান বিচাৰি সাংস্কৃতিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰীক পুনৰ আঁচনি দিয়া হৈছে। চৰকাৰে আঁচনিখন পৰীক্ষা কৰিছে বুলি প্ৰধান সম্পাদকে জনাইছে।

চ) প্ৰধান সম্পাদকে জনায় যে বিহগী কবি ৰঘুনাথ চৌধুৰীৰ সমস্ত প্ৰকাশিত গ্ৰন্থৰ স্বত্ব আৰু গীতি কবি উমেশচন্দ্ৰ চৌধুৰীৰ ব্যক্তিগত পুথিভঁৰালৰ গ্ৰন্থসমূহ চৌধাৰীৰ পৰিয়ালে অসম সাহিত্য সভাক আইনসংগতভাৱে দান কৰিছে। সভাৰ অনুৰোধক্ৰমে ভগৱতী প্ৰসাদ বৰুৱা

ভৱন অগ্ৰৱক্ষণ সমিতিয়ে গ্ৰন্থসমূহ সংৰক্ষণৰ কাৰণে সভাক এটি গড্ৰেজ আলমাৰী দান স্বৰূপে আগবঢ়াইছে বুলি প্ৰধান সম্পাদকে জনায়।

ছ) সমিতিৰ পূৰ্ববৰ্তী কাৰ্যনিৰ্বাহকৰ ২৩ নং সিদ্ধান্ত অনুযায়ী প্ৰধান সম্পাদকৰ বাসভৱনত এটি টেলিফোন সংস্থাপন কৰা হৈছে।

জ) দেশভক্ত তৰুণৰাম ফুকনৰ জন্ম-শতবাৰ্ষিকী উৎসৱৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ কাম-কাজ সুচাৰুৰূপে পৰিচালিত হৈছে বুলি উৎসৱ সমিতিৰ সম্পাদকৰ পৰা জনা গৈছে।

ঝ) লিখক শিবিৰৰ আঁচনিও পূৰ্ববৰ্তী কাৰ্যনিৰ্বাহক সমিতিয়ে গঠন কৰি দিয়া উপসমিতিয়ে সম্পূৰ্ণ কৰিছে।

ঞ) অসম সাহিত্য সভাৰ মাকুম, মণ্ডলদৈ সন্মিলনৰ অভ্যৰ্থনা সমিতিক সন্মিলনত হোৱা আয়-ব্যয়ৰ হিচাপ দাখিল কৰিবৰ কাৰণে অনুৰোধ কৰা হৈছে। তদুপৰি মণ্ডলদৈ সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদকক লগ ধৰি হিচাপ দাখিল কৰাৰ কথা কোৱা হৈছে, কিন্তু কাৰো-পৰাই এই পৰ্যন্ত সঁহাৰি পোৱা নাই।

ট) স্বৰ্গীয় হৰেন্দ্ৰনাথ কলিতাৰ পৰিয়ালবৰ্গৰ লগতে আন তেনেধৰণৰ দুৰ্গত পৰিয়ালক সাহিত্যিক পেন্সন দিবৰ কাৰণে অনুৰোধ কৰি চৰকাৰৰ লগত যোগাযোগ কৰা হৈছে।

ঠ) কাৰ্যালয় সচিবৰ বিজ্ঞাপন অনুযায়ী প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ পোৱা হৈছে যদিও এই পৰ্যন্ত নিযুক্তি দিব পৰা হোৱা নাই।

ড) শ্ৰীবঙ্কিম কুমাৰ ৰাজখনিকৰ আৰু শ্ৰীদেৱেন দাসক প্ৰকাশন অভিকৰ্তাৰূপে নিযুক্তি দিয়া হৈছে।

ঢ) সংবিধান-সংশোধনী সমিতিয়ে বিত্ত উপবিধি আৰু নিৰ্বাচন উপবিধি খচৰা প্ৰস্তুত কৰিছে।

ণ) সভাই কেন্দ্ৰীয় কাৰ্যালয়ৰ সন্মুখৰ পথটো 'সাহিত্য সভা পথ' হব লাগে বুলি যোৰহাটৰ পৌৰ সভাক অনুৰোধ কৰা হৈছে।

ত) সভাৰ কৰ্মীবৃন্দৰ বেতন বৃদ্ধি সম্পৰ্কে এটি খচৰা যুগুত কৰা হৈছে।

থ) শিৱসাগৰৰ অন্ধ কবি মিলন দেওধাই বৰুৱা আৰু দেৰগাওঁৰ শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামীক আৰ্থিক অনুদান দিবৰ কাৰণে অনুৰোধ কৰি ৰাজ্য চৰকাৰক জনোৱা হৈছে।

দ) ফ্ৰেংকিং মেচিন ক্ৰয় কৰা সম্পৰ্কে ডাক আৰু তাঁৰ বিভাগৰ লগত যোগাযোগ কৰা হৈছে।

৮। পূৰ্ববৰ্তী কাৰ্যনিৰ্বাহক সমিতিৰ কাৰ্যবিৱৰণিৰ পৰা উদ্ভিত বিষয় সম্পৰ্কত সমিতিয়ে মত প্ৰকাশ কৰে যে—

(১) প্ৰকাশন (ক) তৰুণৰাম ফুকন জন্ম-শতবাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰিব খোজা 'তৰুণৰাম ফুকন স্মৃতিমালা' গ্ৰন্থৰ তলত দিয়া লোকসকলক লৈ সম্পাদনা সমিতি গঠন কৰা হওক:

মুখ্য সম্পাদক : শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা
যুটীয়া সম্পাদক : ডঃ হেমন্ত কুমাৰ শৰ্মা,
শ্ৰীৰামচৰণ ঠাকুৰীয়া

(খ) সমিতিয়ে শ্ৰীটীকাৰাম উপাধ্যায়, আৰু শ্ৰীতাৰাপতি উপাধ্যায়ৰ লগতে শ্ৰীদ্ৰোণ উপাধ্যায়কো 'নেপালী সাধু'ৰ সংগ্ৰাহক হিচাপে স্বীকৃতি দিয়ে।

(গ) 'হেৰম্বুকপেনৰ সাধু'ৰ পৰিবৰ্তে 'কামেং সীমান্তৰ সাধু' হ'ব লাগে বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

(ঘ) 'ন-অসমীয়া সাধু'ৰ 'ন-অসমীয়া' শব্দৰ ঠাইত উপযুক্ত শব্দ সংযোগ কৰিবৰ কাৰণে সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সমিতিয়ে মত প্ৰকাশ কৰে যে—সাধুখনৰ সংগ্ৰাহক আতাউৰ ৰহমান, এম. হলিম উদ্দিন দেৱান আৰু পূৰ্বৰ কাৰ্যনিৰ্বাহকৰ মনোনীত সংগ্ৰাহক এম ইব্ৰাহীম আলি এই তিনিজনক যুটীয়া ভাৱে দায়িত্ব দিয়া হওক। প্ৰধান সম্পাদকে পাতনিত পুনৰীক্ষকৰ নাম উল্লেখ কৰিব বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

(ঙ) 'অসমীয়া সমাজ আৰু সংস্কৃতি'ৰ পুনৰীক্ষণ কৰিবৰ কাৰণে সভাপতিৰ লগত পৰামৰ্শ কৰি মঃ ৰায়হান



স্বাহকক দিয়া হৈছে বুলি প্ৰধান সম্পাদকে জনায়, সমিতিয়ে অনুমোদন কৰে।

(চ) 'ধ্বনি আৰু ৰসতত্ত্ব'ৰ সম্পৰ্কত লিখক ডঃ মুকুন্দ মাধৱ শৰ্মাৰ চিঠি সভাত পাঠ কৰা হয়—সমিতিয়ে লিখকৰ পাৰিশ্ৰমিক সভাৰ নিয়ম অনুযায়ী দিয়া হওক বুলি মত প্ৰকাশ কৰে আৰু লিখকৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(ছ) শ্ৰীমতী নৱমালতী চক্ৰৱৰ্তীৰ চিঠি পাঠ কৰা হয় আৰু সমিতিয়ে ডঃ মহেশ্বৰ নেওগ আৰু শ্ৰীমতী আৰামক নগাভূমি গ্ৰন্থৰ পুনৰীক্ষকৰ দায়িত্ব দিবলৈ প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে। বৰ্তমান পুথিখনি নগামিজত প্ৰকাশ কৰা হওক আৰু সম্ভৱ হলে পিছত ইংৰাজী প্ৰকাশৰ দিহা কৰা হব বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

(জ) ডঃ শৈলেন ভৰালীয়ে 'নাটক' গ্ৰন্থখনৰ পুনৰ প্ৰকাশৰ অনুৰোধ কৰা চিঠি পাঠ কৰা হয়। কিন্তু পূৰ্বৰ প্ৰকাশনেই সম্পূৰ্ণ বিক্ৰী নোহোৱাত ডঃ ভৰালীৰ অনুৰোধ সভাই বিবেচনা কৰিব পৰা নহ'ব বুলি অনুভৱ কৰে।

(২) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীমিত্ৰদেৱ মহন্ত অধিকাৰক অভিনন্দন জনাবৰ কাৰণে এটি অনুষ্ঠানৰ আয়োজন কৰিবলৈ যোৰহাট সাহিত্য সভাক অনুৰোধ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক সমিতিয়ে দায়িত্ব দিয়ে।

(৩) প্ৰখ্যাত লোকৰ জন্ম-মৃত্যুৰ তালিকা প্ৰকাশ কৰিবৰ কাৰণে শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক দায়িত্ব দিয়া হৈছিল যদিও শ্ৰীগোস্বামীৰ কামৰ দায়িত্ব অত্যধিক হোৱাত শ্ৰীনন্দ তালুকদাৰ, শ্ৰীঅমল ৰাজখোৱা, ডঃ হেমন্তকুমাৰ শৰ্মা, শ্ৰীৰাম গোস্বামী, শ্ৰীঅতুল বৰুৱা, শ্ৰীডিম্বেশ্বৰ শৰ্মা এই সকলকো দায়িত্ব দিবলৈ সভাই প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

(৪) চিহু অধিবেশনৰ বাৰ্ষিকী প্ৰকাশ কৰিবৰ কাৰণে অভ্যৰ্থনা সমিতিৰ লগত পুনৰ যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক সমিতিয়ে পৰামৰ্শ দিয়ে।

(৫) ৰঘুনাথ চৌধাৰীৰ 'সাদৰী' পুথি গুৱাহাটীৰ বাণী প্ৰকাশে যিহেতু ছপা কৰিছে তাৰ বাবে পাব লগা ৰয়েলটি সভাক দিব খোজাত সভাই বাণী প্ৰকাশক ধন্যবাদ জ্ঞাপন কৰে আৰু এই সম্পৰ্কে আইনসঙ্গতভাৱে চুক্তি কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(৬) কৰুণা নীলমণি ফুকনৰ ২৯ খন গ্ৰন্থৰ স্বত্ব আইন-সঙ্গতভাৱে সাহিত্য সভাক দান কৰাৰ উপৰিও তেখেতৰ ব্যক্তিগত পুথি ভঁৰালটি দুটা আলমাৰী সহ সভাক দান কৰাত সভাই কৃতজ্ঞতাৰে ককাৰ দান গ্ৰহণ কৰে। আনুষ্ঠানিকভাৱে এই দান গ্ৰহণ কৰিবৰ কাৰণে এটি অনুষ্ঠানৰ আয়োজন কৰিবলৈ যোৰহাট সাহিত্য সভাক অনুৰোধ কৰিবলৈ সভাই প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

সভাই এই প্ৰসঙ্গত গীতিকবি উমেশচন্দ্ৰ চৌধাৰীৰ আৰু ৰঘুনাথ চৌধাৰীৰ পৰিয়ালৰ দানো আনুষ্ঠানিকভাৱে গ্ৰহণ কৰিবলৈ স্থানীয় সাহিত্য সভাক অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে। সভাই দুয়োটা অনুষ্ঠানলৈ ৫০.০০ টকাকৈ সাহায্য দিবৰ কাৰণে সিদ্ধান্ত কৰে।

(৭) ককা নীলমণি ফুকনৰ 'বাতৰিৰ বিভূতি' সভাৰ হৈ পূৰ্বশ্ৰী প্ৰকাশনক প্ৰকাশ কৰিবৰ কাৰণে অনুৰোধ কৰিবলৈ সভাই প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(৮) 'চাপে'শট এণ্ড দি ৰপ' গ্ৰন্থৰ সংক্ষিপ্ত অনুবাদটো অনুবাদিকা শ্ৰীমতী শুচিব্ৰতা ৰায়চৌধুৰীৰ পৰা লৈ গ্ৰন্থখন প্ৰকাশ কৰিবৰ কাৰণে বাণী প্ৰকাশৰ লগত যোগাযোগ কৰিবলৈ সভাই প্ৰধান সম্পাদকক দায়িত্ব দিয়ে।

(৯) ককা নীলমণি ফুকনৰ অসম সাহিত্য সভালৈ দান সম্পৰ্কীয় আলোচনাৰ বাবে যোৰহাটলৈ যোৱাৰ বাবদ শ্ৰীকৃষ্ণক ডেকাক ভ্ৰমণ বানচ দিবৰ বাবে সভাই প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে।

(১০) সভাৰ প্ৰকাশনসমূহৰ আছি কাকত চাই দিবৰ কাৰণে প্ৰকৃত উপযুক্ত লোকক নিযুক্তি দি ছপাশালক দিয়াৰ অনুপাতে মাননি দিবৰ কাৰণে সভাই অনুমোদন জনায়।

(১১) প্ৰকাশন অভিকৰ্তা স্বৰূপে নিযুক্তি দিয়া শ্ৰীদেবে দাস আৰু শ্ৰীবুদ্ধীপ্ত কুমাৰ ৰাজখনিকৰৰ পৰা উপযুক্ত সঁহাৰি নোপোৱাত পুনৰ যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক সভাই দায়িত্ব দিয়ে। তদুপৰি সভাই প্ৰধান সম্পাদকক উপযুক্ত বুলি বিবেচিত ব্যক্তিক সভাৰ নিয়ম অনুযায়ী প্ৰকাশন অভিকৰ্তা স্বৰূপে দিবলৈ দায়িত্ব দিয়ে।

(১২) গীতিকাৰ ৰাণী পাঠকৰ প্ৰকাশিত গ্ৰন্থ বেজবৰুৱাৰ ৰতৰা'ৰ এশ কপি তেখেতৰ স্বামী শ্ৰীপ্ৰাণেশ্বৰ পাঠকে সভাক দান স্বৰূপে আগবঢ়ায়। সমিতিয়ে ধন্যবাদ সহ এই দান গ্ৰহণ কৰে।

(১৩) লিখক শিবিৰ ২৪ আৰু ২৫ ডিচেম্বৰত আয়োজন কৰিবলৈ সমিতিয়ে মত প্ৰকাশ কৰে। প্ৰধান সম্পাদকে লিখক শিবিৰৰ আঁচনি উত্থাপন কৰে, সমিতিয়ে গ্ৰহণ কৰে।

আঁচনি—(ক) বিষয় ঃ ১। সাম্প্ৰতিক সাহিত্য, ৰুচি আদৰ্শ আৰু সামাজিক দায়িত্ব, এই বিষয়টিয়ে ১। ৰুচি বোধৰ স্বৰূপ, ২। সমাজবাদী।

বাস্তৱতা ঃ আদৰ্শ আৰু শৈল্পিক অভিব্যক্তি, ৩। সাহিত্য সমালোচনাৰ মান আৰু ৰুচি, ৪। সমাজ—লিখক—পাঠক এই কেইটি দিশ সামৰিব।

২। অসমীয়া সংবাদ পত্ৰ আৰু আলোচনাৰ সমস্যা আৰু মান। এই বিষয়টিয়ে বৰ্তমান অসমীয়া সংবাদপত্ৰ আৰু আলোচনীৰ ১) বিষয়বস্তু নিৰ্বাচন, লিখক আৰু পাঠকৰ ৰুচি, ২) বিষয় উপস্থাপন ৰীতি, ৩) কাকতৰ দৃষ্টিভংগী, ৪) আখৰ জোঁটনি আৰু আভিধানিক ৰূপৰ বিপৰ্যয়, এইকেইটা সামৰিব। ৪ নং দিশটোত অসমীয়া সংবাদ পত্ৰ আৰু আলোচনীৰ লগতে অসমীয়া গ্ৰন্থৰ আখৰ জোঁটনিৰ কথাও সন্নিবিষ্ট হ'ব।

(খ) তেজপুৰ সাহিত্য সভাই আনুষ্ঠানিকভাৱে লিখক শিবিৰ তেজপুৰলৈ নিমন্ত্ৰণ কৰাত সভাই ধন্যবাদ জ্ঞাপন কৰে।

(১৪) দেশভক্ত তৰুণৰাম ফুকনৰ জন্ম-শতবাৰ্ষিকীৰ সময়তে আৰু সম্ভৱ নহলে পিছত তৰুণৰাম ফুকন স্মাৰক বক্তৃতামালা সন্নিবিষ্ট কৰি গ্ৰন্থ আকাৰে প্ৰকাশ কৰিবৰ কাৰণে সভাই মত প্ৰকাশ কৰে আৰু সোনকালে বক্তৃতামালা প্ৰস্তুতিৰ কাৰণে শ্ৰীতীৰ্থনাথ শৰ্মাদেৱক অনুৰোধ জনায়। চৰকাৰী ভাবে শতবাৰ্ষিকী উদযাপন কৰিব খোজা সমিতিৰ লগত যোগাযোগ কৰিবৰ কাৰণে উৎসৱ সমিতিক অনুৰোধ কৰিবলৈ প্ৰধান সম্পাদকক সমিতিয়ে দায়িত্ব দিয়ে। ২২ আৰু ২৩ জানুৱাৰীত অনুষ্ঠিত হবলগীয়া ফুকনৰ জন্ম শতবাৰ্ষিকীৰ স্মাৰক বক্তৃতাৰ কাৰণে শ্ৰীতীৰ্থনাথ শৰ্মাই সম্মতি জ্ঞাপন কৰিছে বুলি জানিব পাৰি সভাই সন্তোষ প্ৰকাশ কৰে।

(১৫) শ্ৰীশ্ৰীমান চক্ৰৱৰ্তীক যুগুত কৰিবলৈ দিয়া পুথি পুৰাণৰ সাধুৰ ঠাইত 'মহাভাৰতৰ সাধু' হ'ব লাগে বুলি সমিতিয়ে মত প্ৰকাশ কৰে।

(১৬) কাৰ্য্যালয় সচিবৰ. বিজ্ঞাপন অনুযায়ী এজনো উপযুক্ত লোক নোপোৱাত সভাই পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিলৈ নিযুক্তি স্থগিত ৰাখে।

(১৭) সমিতিয়ে সভাৰ কৰ্মচাৰীৰ বেতন বৃদ্ধি সম্পৰ্কে গঠন কৰা উপ-সমিতিৰ তলত দিয়া প্ৰতিবেদনখন ( ১ অক্টোবৰ, ১৯৭৬ তাৰিখৰ ) গ্ৰহণ কৰে।

মুখ্য সহকাৰী ( চৰকাৰী উচ্চবৰ্গৰ ):—

৩৫০'০০ — ১০ — ৪০০ ইবি— ১৫ — ৫৫০'০০ নিৰিখ

বৰ্তমান :— ৩২০'০০ + ৪৫ + ৫০

= ৪১৫'০০ ( ১৯'০০ ভবিষ্যনিধি )

১৫'০০ এ'। বৃদ্ধি

৪৩০'০০

ভবিষ্যনিধি ২৫'৮০

মুঠ— ৪৫৫'৮০

বৰ্তমান পোৱা ৪৩৪'২০

পুঁজিৰ মাহে অধিক খৰছ— ২১'৬০



কাৰ্যালয় সহকাৰী—উচ্চবৰ্গ (যোৰহাট কাৰ্যালয়ৰ প্ৰথম )

নিৰিখ— চৰকাৰী নিম্নবৰ্গ—

২৪৫ — ৫ — ২৬৫ ইবি— ৭ — ৩৩৫

ইবি— ৯ — ৩৮০

বৰ্তমান— ১৮৭'৫০ + ৪০'০০ + ২৫'০০

= ২৫২'৫০ ( ১১'২৫ ভবিষ্যনিধি )

২'৫০ বৃদ্ধি

২৫৫'০০ দৰমহা

ভবিষ্যনিধি ১৫'৩০

২৭০'৩০

বৰ্তমান ২৬৩'৭৫

পুঁজিৰ মাহে অধিক খৰছ— ৬'৫৫

কাৰ্যালয় সহকাৰী নিম্নবৰ্গ ঃ নিৰিখ চৰকাৰী

৪ৰ্থ ১৯০'০০ — ২'০০ — ২০০'০০

ইবি ৩ — ২৪২'০০

— ৪'০০ — ২৫০'০০

চকিদাৰ পিয়ন

১। যোৰহাট ১৬৬'০০ — ৮'৩০ ভঃ নিঃ ১৭৪'৩০

৪'০০ বৃদ্ধি

১৭০'০০

ভবিষ্যনিধি ১০'০০

মুঠ ১৮০'০০

বৰ্তমান— ১৭৪'০০

৬'২০ পইচা

২। যোৰহাট পিয়ন ১০০'০০

২৫'০০ পুঁজি

১২৫'০০

৩। গুৱাহাটীৰ পিয়ন ১৩৬'০০ — ৬'০০ ভৱিষ্যনিধি

২'০০

১৩৮'০০

৬'১২

১৪৪'১২

বৰ্তমান ১৪২'০০

পুঁজিৰ মাহে অতিৰিক্ত ২'১২

গুৱাহাটী ১ম কাৰ্যালয় সহকাৰী—১৯০'০০ — ৫ — ২১৫'০০

ইবি— ৫ — ২৬৫'০০ — ৭ — ৩০০'০০

যোৰহাট ২য় কাৰ্যালয় সহকাৰী ১৯০'০০

৫'০০

মুঠ— ১৯৫'০০

গুৱাহাটীৰ ২য় কাৰ্যালয়

সহকাৰী ১৯০'০০ + ৫ = ১৯৫'০০

মালি— ৪০'০০ ( ৩৫'০০ ) বৰ্তমান

জমাদাৰ— ২৫'০০ ( ২০'০০ ) বৰ্তমান

গুৱাহাটী ১২'০০ ( ৭'৫০ ) বৰ্তমান

বেতন সম্পৰ্কীয় সমিতিয়ে গুৱাহাটীৰ ১ম কাৰ্য্যালয় সহকাৰীয়ে হিচাপ ৰখা আৰু ধন লেন-দেন কৰা বাবদ মাহে ২০'০০ টকাৰ বানচ এটি দিবলৈ দিয়া পৰামৰ্শ সমিতিয়ে গ্ৰহণযোগ্য নহয় বুলি বিবেচনা কৰে।

(১৮) গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰী শ্ৰীঅনন্ত তালুকদাৰৰ বাৰ্ষিক বেতন বৃদ্ধি সম্পৰ্কত আগৰ সমিতিৰ সিদ্ধান্ত বাতিল কৰে আৰু ভবিষ্যতলৈ তেওঁৰ নিয়মীয়া ভাবে বাৰ্ষিক বেতন বৃদ্ধিত সভাই অনুমোদন জনায়।

(১৯) ১৭ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈকে সাহিত্য সভা সপ্তাহ পালন কৰিবৰ কাৰণে সভাই স্থিৰ কৰে।

(২০) গুৱাহাটী কাৰ্য্যালয়ৰ শ্ৰীঅজিত কুমাৰ তালুকদাৰে ১৮ দিনৰ ছুটি লোৱাত প্ৰধান সম্পাদকে শ্ৰীতালুকদাৰৰ ঠাইত শ্ৰীজিতেন শৰ্মাক ১৮ দিনৰ কাৰণে নিযুক্তি দিয়াত

সমিতিয়ে অনুমোদন জনায় ।

(২১) কেন্দ্ৰীয় কাৰ্যালয়ৰ সহকাৰী সম্পাদক শ্ৰীবসন্ত কুমাৰ গোস্বামী অস্থায়ীভাৱে কাৰ্য্যালয়ত উপস্থিত থাকিব নোৱাৰাত প্ৰধান সম্পাদকক কাৰ্যালয়ৰ দায়িত্ব সাময়িকভাৱে কাঃনিঃ সদস্য শ্ৰীঅৰুণ গোস্বামীক দিয়াটোত সভাই অনমোদন জনায় ।

(২২) হীৰক জয়ন্তী সম্পৰ্কে যোৰহাটৰ উপসমিতিৰ প্ৰতিবেদন পাঠ কৰা হয় । সেইমতে যোৰহাটৰ সাহিত্য সভাক পৰৱৰ্তী অধিবেশন নিমন্ত্ৰণ জনাবৰ বাবে অনুৰোধ কৰিবলৈ সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

(২৩) নিয়মাৱলীৰ ২৪ ছেদ অনুযায়ী, গুৱাহাটী কাৰ্যালয়ৰ সহকাৰী সম্পাদক শ্ৰীপ্ৰসন্নৰাম দাসৰ সম্পৰ্কে উঠা অভিযোগ অনুসন্ধান কৰিবলৈ তলত নাম দিয়া ব্যক্তি-সকলক দায়িত্ব দিয়া হয় ।

সভাপতি, হৰেশ্বৰ গোস্বামী, শুচিব্ৰতা ৰায়চৌধুৰী, নগেন শইকীয়া, প্ৰধান সম্পাদক ।

(২৪) চলিত বিত্তীয় বছৰৰ বাবে সভাই শ্ৰীজ্ঞানেন শইকীয়াক সভাৰ হিচাপৰক্ষক ৰূপে পুনৰ নিয়োগ কৰে ।

(২৫) জনজাতি সম্পৰ্কীয় সাহিত্য প্ৰকাশনৰ কাৰণে ২৬ হাজাৰ টকা দিয়াৰ আশ্বাস পোৱাত সমিতিয়ে সমাজ কল্যাণ দপ্তৰৰ মন্ত্ৰী শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্ম ডাওৰীয়াৰ শলাগ লয় ।

(২৬) আগন্তুক অভ্যৰ্থনা সম্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্মই সন্মিলনৰ প্ৰস্তুতি সম্পৰ্কে সমিতিক অৱগত কৰায় ।

ক) সমিতিয়ে ৰাষ্ট্ৰপতি, প্ৰধান মন্ত্ৰী নাইবা অৰুণাচল, মেঘালয়, নগালেণ্ডৰ মুখ্য মন্ত্ৰীক আগন্তুক অভ্যৰ্থনা সন্মিলনলৈ নিমন্ত্ৰণ কৰিবৰ কাৰণে স্থিৰ কৰে ।

খ) সমিতিয়ে ১৯৭৭ চনৰ ৪, ৫ আৰু ৬ ফেব্ৰুৱাৰী তাৰিখে অসম সাহিত্য সভাৰ ৪৪শ বাৰ্ষিক অধিবেশনৰ দিন স্থিৰ কৰে । অধিবেশনৰ কাৰণে ২৫ ( ক ) দফাত উল্লেখ কৰা বিশিষ্ট ব্যক্তিৰ উপৰিও সংশ্লিষ্ট শাখা সন্মিলনৰ কাৰণে নিমন্ত্ৰণ কৰিবলগীয়া বিশিষ্ট ব্যক্তি, অধিবেশনৰ সম্পূৰ্ণ কাৰ্যসূচী আদি প্ৰনয়ণ কৰিবৰ কাৰণে তলত উল্লেখ কৰা লোকসকলক লৈ এখন অধি-বেশন সমিতি গঠন কৰে ঃ—

১) সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মা, ২) ডঃ হেমন্তকুমাৰ শৰ্মা, প্ৰধান সম্পাদক, ৩) শ্ৰীবসন্তকুমাৰ গোস্বামী, সহ-কাৰী সম্পাদক ৪) শ্ৰীহৰেশ্বৰ গোস্বামী ৫) শ্ৰীনগেন শইকীয়া, ৬) শ্ৰীযতীন গোস্বামী, ৭) শ্ৰীদুৰ্গেশ্বৰ শৰ্মা ।

২৭। সমিতিয়ে চতুশ্চত্বাৰিংশ সন্মিলনৰ কাৰণে সভাপতি নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবৰ কাৰণে তলত দিয়া সদস্যসকলক দায়িত্ব দিয়ে । শ্ৰীবসন্তকুমাৰ গোস্বামী আৰু শ্ৰীপ্ৰকাশ গোস্বামীয়ে বেলট পেপাৰ খুলিব, শ্ৰীসতীশ চৌধুৰী, শ্ৰীগোবিন্দ মহন্ত শ্ৰীৰামচৰণ ঠাকুৰীয়া, শ্ৰীশ্ৰীমান চক্ৰৱৰ্তী, শ্ৰীইন্দ্ৰেশ্বৰ পেগুৱে গণনা কৰিব আৰু শ্ৰীহৰেশ্বৰ গোস্বামীয়ে সভাপতিক সহায় কৰিব ।

২৮। ভোট গণনাৰ শেষত আগন্তুক অভ্যৰ্থনা সন্মিলনৰ কাৰণে চৈয়দ আব্দুল মালিক সভাপতিৰূপে নিৰ্বাচিত হৈছে বুলি মাননীয় সভাপতি শ্ৰীযজ্ঞেশ্বৰ শৰ্মা ডাঙৰীয়াই ঘোষণা কৰে, সমিতিয়ে গ্ৰহণ কৰে ।

২৯। নগাওঁৰ শ্ৰীযোগেন ভূঞাৰ চিঠি সভাত পাঠ কৰা হয় আৰু আনন্দৰাম ঢেকীয়াল ফুকনৰ নামেৰে দলঙৰ নামকৰণ কৰিবলৈ চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ সভাই প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩০। আনন্দৰাম ঢেকীয়াল ফুকনৰ ১২৫ বছৰ পূৰ্ণ উপলক্ষে উছবৰ আয়োজন কৰিবলৈ নগাওঁ সাহিত্য সভাৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে । উছৱ উপলক্ষে ঢেকীয়াল ফুকনৰ ৰচনাৱলীৰ প্ৰকাশৰ দিহা কৰিবলৈ সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে আৰু আৰ্থিক সাহায্যৰ বাবে চৰকাৰৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩১। ডেমাৰাৰী সাহিত্য সভাৰ ঠাইত শ্ৰীশ্ৰীগোবিন্দ



মিশ্ৰ সাহিত্য সভা আৰু ৰামদিয়া জ্ঞানোদয় আলোচনাচক্ৰৰ ঠাইত জ্ঞানোদয় সাহিত্য সভা হব লাগে বুলি সংশ্লিষ্ট শাখা সভা দুখনে ৰাজহুৱা ভাৱে দিয়া প্ৰস্তাৱ সমিতিয়ে গ্ৰহণ কৰে ।

৩২। নগাওঁৰ আহঁতগুৰিত বেজবৰুৱাৰ জন্মস্থান সম্পৰ্কে আলোচনা কৰি সভাই তলত দিয়া লোকেসকলক স্থানৰ সম্পৰ্কত অধ্যয়ন কৰি অভিমত দিবলৈ দায়িত্ব দিবৰ কাৰণে প্ৰধান সম্পাদকক পৰামৰ্শ দিয়ে । ১) শ্ৰীলীলা গগৈ ২) ডঃ নবেন কলিতা ৩) সভাপতি

৩৩। বনমালী শইকীয়া বটা উপসমিতিত মাকুম সাহিত্য সভাৰ এজন সদস্য থাকিব লাগে বুলি অনুৰোধ কৰাত সভাই সন্মতি জ্ঞাপন কৰে ।

৩৪। ৰাইহকুনী বৰাই যুগুত কৰিব খোজা সাহিত্য সভাৰ তথ্য চিত্ৰখনৰ চিত্ৰলিপি সভাই অনুমোদন কৰিলেহে বৈধ হব বুলি সমিতিয়ে মত প্ৰকাশ কৰে । এই সম্পৰ্কত সমিতিয়ে আৰ্থিক সাহায্যৰ বাবে ৰাজ্য চৰকাৰৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩৫। অম্বিকাগিৰি ৰায়চৌধুৰীৰ ব্যক্তিগত পুথিভঁৰালটি সভাক দান কৰিবৰ কাৰণে তেখেতৰ পৰিবাৰ শ্ৰীমতী কৌশল্যা দেৱী ৰায়চৌধুৰীয়ে আগবঢ়োৱা প্ৰস্তাৱত সভাই আনন্দেৰে সন্মতি জ্ঞাপন কৰে আৰু ধন্যবাদ সহ দান গ্ৰহণ কৰিব বুলি জনায় ।

৩৬। ধুবুৰীত আঞ্চলিক কাৰ্যালয় নিৰ্মাণ সম্পৰ্কে আলোচনা কৰি সমিতিয়ে ধুবুৰী শাখা সাহিত্য সভাৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩৭। ধুবুৰী অধিবেশনৰ হিচাপ-পত্ৰ বিচাৰি যোগাযোগ কৰিবৰ কাৰণে সমিতিয়ে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩৮। শিলচৰৰ অসমীয়া মাধ্যমৰ দেশভক্ত তৰুণৰাম ফুকনৰ হাইস্কুলখন চৰকাৰে এই শতবাৰ্ষিকী বছৰতে নিজৰ অধীনলৈ নিব লাগে বুলি সমিতিয়ে অনুভব কৰে আৰু চৰকাৰৰ লগত যোগাযোগ কৰিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৩৯। কাছাৰৰ মাধ্যমিক স্কুলত অসমীয়া শিক্ষক নিয়োগ কৰা আৰু আকাশবাণী শিলচৰ কেন্দ্ৰত অসমীয়া মাধ্যমত প্ৰচাৰৰ ব্যৱস্থা কৰিবৰ কাৰণে সংশ্লিষ্ট কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰিবলৈ প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৪০। সভাই ডাক ব্যয়তকৈ ফ্ৰেংকিং মেচিন ব্যয়বহুল হ'ব বুলি বিবেচনা কৰি ফ্ৰেংকিং মেচিন ক্ৰয় কৰা সিদ্ধান্ত বাতিল কৰে ।

৪১। ৰাধাকান্ত সন্দিকৈ ভৱনৰ নক্সা যুগুত কৰিবৰ কাৰণে সমিতিয়ে সম্প্ৰতি এহেজাৰ টকা নক্সা যুগুত কৰোতাক দিবৰ কাৰণে প্ৰধান সম্পাদকক দায়িত্ব দিয়ে ।

৪২। কাছাৰৰ বানপানী প্ৰপীড়িত বাইজক সভাৰ পুঁজিৰ পৰা প্ৰধান সম্পাদকে এশ টকাৰ সাহায্য আগ-বঢ়োৱাত সভাই অনমোদন কৰে ।

৪৩। নিয়মাৱলী সংশোধনী সমিতিক সংশোধনী প্ৰস্তাৱ-সমূহ জুকিয়াই পৰৱৰ্তী কাৰ্যনিৰ্বাহক সমিতিত উত্থাপন কৰিবলৈ সমিতিয়ে দায়িত্ব দিয়ে ।

৪৪। সভাই তলত দিয়া আজীৱন সভ্য আৰু শাখা-সভাসমূহক আনুষ্ঠানিকভাৱে স্বীকৃতি দান কৰে ।

ক) আজীৱন সভ্য (১) শ্ৰীগৌৰাঙ্গ শৰ্মা, মাজুলী (২) শ্ৰীচাৰু-চন্দ্ৰ কাকতি, মাজুলী (৩) শ্ৰীগণেশলাল চোমানি, মাজুলী, ৪) শ্ৰীনিত্যানন্দ ভড়ালী, মাজুলী, ৫) শ্ৰীপদ্মকান্ত ভূঞা, মাজুলী, ৬) শ্ৰীবেণুধৰ হাজৰিকা, মাজুলী, ৭) শ্ৰীতৰুণচন্দ্ৰ পামেগাম, মাজুলী, ৮) শ্ৰীথোলোৰু হাজৰিকা, মাজুলী, ৯) শ্ৰীমতী কণমাই মুদৈ, মাজুলী, ১০) শ্ৰীদ্ৰোণকান্ত ভাগৱতী, মাজুলী, ১১) শ্ৰীমতী অঞ্জনা ভূঞা, ১২) শ্ৰীৰাজেন্দ্ৰ নাথ ওজা, কুমাৰীকাটা, কামৰূপ, ১৩) শ্ৰীদুলাল বৰপুজাৰী, তৰাজান, যোৰহাট, ১৪) শ্ৰীমেঘৰাম পাঠক, উজানবজাৰ, গুৱাহাটী, ১৫) শ্ৰীৰেৱানাথ শৰ্মা, শিলপুখুৰী, গুৱাহাটী, ১৬) শ্ৰীপুৰুষোত্তম ভাগৱতী, গুৱাহাটী—৩, ১৭) শ্ৰীগুৰুদত্ত ভাগৱতী, শ্বিলং, ১৮) শ্ৰীগোলাপ চন্দ্ৰ দত্ত, লাচিত নগৰ, গুৱাহাটী—৭, ১৯) শ্ৰীমতী ললিতা ফুকন, ভৰলুমুখ,

গুৱাহাটী—১, ২০) শ্ৰীৰমণ ভাই মেহতা, ভৰলুমুখ, গুৱাহাটী—১

ঘ) শাখা সভা ১। ৰূপাই চাহবাগিছা শাখা সাহিত্য সভা, ডুমডুমা, ডিব্ৰুগড়, ২। মৈদাম চাহবাগিছা শাখা সাহিত্য সভা, মৈদাম চাহবাগিছা, ৰূপজান, ডিব্ৰুগড়, ৩। চেলাখাট শাখা সাহিত্য সভা, তিনচুকীয়া, ডিব্ৰুগড়, ৪। জ্ঞানমালিনী শাখা সাহিত্য সভা, উত্তৰ আমোলাপট্টি, ডিব্ৰুগড়, ৫। বৰ-চাপৰি সাহিত্য সভা, নুমলিগড়, গোলাঘাট, ৬। কমলাবাৰী সাহিত্য সভা, কমলাবাৰী, মাজুলী, ৭। ফুলনি সাহিত্য সভা, ফুলনি, মিকিৰপাহাৰ, ৮। মানিকাহাৰ শাখা সাহিত্য সভা, মানকাহাৰ, গোৱালপাৰা, ৯। জ্ঞানোদয় সমাজ, নলবাৰী, কামৰূপ,

ঙ) স্বকৃত সভা, পিপলিবাৰী, জ্ঞানদায়িনী সাহিত্য সভা

৪৫। কাৰ্যসূচী সমুদায় বিষয়ৰ অন্তত প্ৰধান সম্পাদকে সভাপতি প্ৰমুখ্যে সমূহ সদস্য লৈ শলাগ জ্ঞাপন কৰে।

৪৬। সভাপতিয়ে সকলোটিলৈ ধন্যবাদ জ্ঞাপন কৰি সভা ভংগ ঘোষণা কৰে।

স্বাঃ হেমন্ত কুমাৰ শৰ্মা
প্ৰধান সম্পাদক,
অসম সাহিত্য সভা

স্বাঃ যতেশ্বৰ শৰ্মা
সভাপতি,
অসম সাহিত্য সভা

# অসম সাহিত্য সভাৰ প্ৰকাশন

বৰ্তমান মজুত থকা

| ক্ৰম নং | কিতাপৰ নাম | মূল্য | ক্ৰম নং | কিতাপৰ নাম | মূল্য |
|---|---|---|---|---|---|
| ১ | ৰজনীকান্ত বৰদলৈ ৰচনামালা | ১২·০০ | ২৭ | লক্ষ্মীনাথ বেজবৰুৱা ( ইংৰাজী ) | ·৫০ |
| ২ | বেজবৰুৱাৰ প্ৰবন্ধ বাছনি | ১০·০০ | ২৮ | লক্ষ্মীনাথ বেজবৰুৱা ( ,, ) | ·৫০ |
| ৩ | সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা | ১০·০০ | ২৯ | অসম সাহিত্য সভা বাৰ্ষিকী—গোৱালপাৰা | ৩·০০ |
| ৪ | অৰুণোদইৰ ঢলফাট | ৮·০০ | ৩০ | ,, ,, ,, —নলবাৰী | ৩·০০ |
| ৫ | বেজবৰুৱা প্ৰতিভা | ৮·০০ | ৩১ | ,, ,, ,, —উঃ লক্ষীমপুৰ | ৩·০০ |
| ৬ | ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ | ৭·০০ | ৩২ | ,, ,, ,, —ডিব্ৰুগড় | ৩·০০ |
| ৭ | বেজবৰুৱাৰ চিত্ৰলেখা | ৬·০০ | ৩৩ | ,, ,, ,, —নাজিৰা | ৩·০০ |
| ৮ | বেজবৰুৱাৰ দিনলেখা | ৪·০০ | ৩৪ | ,, ,, ,, —তেজপুৰ | ৩·০০ |
| ৯ | আউটলুক অন নেফা | ৪·০০ | ৩৫ | ,, ,, ,, —বৰপেটা | ৩·০০ |
| ১০ | ৰঘুনাথ চৌধাৰী স্মৃতিগ্ৰন্থ | ৪·০০ | ৩৬ | ,, ,, ,, —ধিং | ৩·০০ |
| ১১ | নকুলচন্দ্ৰ ভূঞা স্মৃতিগ্ৰন্থ | ৪·০০ | ৩৭ | ,, ,, ,, —মাকুম | ৩·০০ |
| ১২ | ৰিলিজিয়ন অব লভ্ এণ্ড ডিভচন | ৩·০০ | ৩৮ | ,, ,, ,, —ধুবুৰী | ৩·০০ |
| ১৩ | মুদ্ৰাৰাক্ষস | ৩·০০ | ৩৯ | ,, ,, ,, —ৰঙিয়া | ৪·০০ |
| ১৪ | কৰ্পূৰ মঞ্জৰী | ৩·০০ | ৪০ | মণ্ডলদৈ মণ্ডলদৈ | ১৫·০০ |
| ১৫ | আচামিজ ফৰ অল | ২·০০ | ৪১ | তিস্তাৰৰ সৌৰৱণ | ৬·০০ |
| ১৬ | আপ্কি অসমীয়া | ২·০০ | ৪২ | বেজবৰুৱাৰ বাণী | ·৫০ |
| ১৭ | আনটাৰগাৰি অচমীয়াক স্কিয়ানি | ২·০০ | ৪৩ | হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী | ২৫·০০ |
| ১৮ | আচামীয়া লা-ৰাবো-লেন আচামীয়া হিকাই-হি | ২.০০ | ৪৪ | ষ্টাডিজ ইন দি আৰ্লি হিষ্টৰি অব আচাম | ৩০·০০ |
| | | | ৪৫ | কনকলাল বৰুৱা ৰচনাৱলী | ১০·০০ |
| ১৯ | শিক্ষাৰ মাধ্যম আঞ্চলিক ভাষা অসমীয়া | ২·০০ | ৪৬ | ভাষণাৱলী—৪ৰ্থ খণ্ড | ২০·০০ |
| ২০ | নীলাচল পাঠ | ২·০০ | ৪৭ | আনন্দচন্দ্ৰ আগৰৱালা গ্ৰন্থাৱলী | ৫০·০০ |
| ২১ | আমাৰ লক্ষ্মীনাথ | ১·৫০ | ৪৮ | চন্দ্ৰধৰ বৰুৱা গ্ৰন্থাৱলী | ৪০·০০ |
| ২২ | অসমীয়া ভাষা | ১·০০ | ৪৯ | গোৱালপৰীয়া লোকগীত | ১৫·০০ |
| ২৩ | অসম সাহিত্য সভাৰ পৰিচিতি | ১·০০ | ৫০ | গোহাঞি বৰুৱা প্ৰতিভা | ১০·০০ |
| ২৪ | প্ৰমথনাথ চক্ৰৱৰ্তী | ১·০০ | ৫১ | অসমীয়া জাতিৰ ইতিবৃত্ত | ১০·০০ |
| ২৫ | বিশ্বনাথ ৰাজবংশী | ১·০০ | ৫২ | লংকাকাণ্ড ৰামায়ণ | ১০·০০ |
| ২৬ | লক্ষ্মীনাথ বেজবৰুৱা ( হিন্দী ) | ·৫০ | ৫৩ | ৰাভা জনজাতি | ৭·০০ |

# অসম সাহিত্য সভাৰ প্ৰকাশন

[ বৰ্তমান মজুত থকা ]

| ক্ৰম নং | কিতাপৰ নাম | মূল্য | ক্ৰম নং | কিতাপৰ নাম | মূল্য |
|---|---|---|---|---|---|
| ৫৪ | অসমীয়া গ্ৰন্থপঞ্জী | ৬·০০ | ৭৫ | দিগ্বিজয়ী | ২·০০ |
| ৫৫ | পৰমাচাৰ্য্য পণ্ডিত হেমচন্দ্ৰ গোস্বামী | ৬·০০ | ৭৬ | বিষ্ণুপ্ৰিয়া মনিপুৰী | ·৬ |
| ৫৬ | ছেমুৱেল জনছনৰ জীৱনী | ৫·০০ | ৭৭ | চন্দ্ৰধৰ বৰুৱা মানুহজন | ·৫ |
| ৫৭ | একাদশী | ৫·০০ | ৭৮ | অসমৰ জনজাতি | ২·০০ |
| ৫৮ | চুটি গল্প | ৫·০০ | ৭৯ | সাহিত্যৰত্ন চন্দ্ৰধৰ বৰুৱা | ৫·৫০ |
| ৫৯ | গাৰো সংস্কৃতিৰ ৰূপৰেখা | ৫·০০ | ৮০ | জগন্নাথ বৰুৱা | ৫·০০ |
| ৬০ | দেউৰী চুতীয়া | ৪·৪০ | ৮১ | তৰুণৰাম ফুকন | ৩·০০ |
| ৬১ | কাৰ্বি জনগোষ্ঠী | ৪·৪০ | ৮২ | তিৰা সম্প্ৰদায় | ৫·০০ |
| ৬২ | ডিমাছা | ৪·০০ | ৮৩ | হিতেশ্বৰ বৰবৰুৱা স্মৃতিমালা | ৬·০০ |
| ৬৩ | লিপি সমস্যা | ৩·০০ | ৮৪ | স্নেহৰ অৰুণাচল ( মাইহিল চ'ষ্টুং ) | ৫·০০ |
| ৬৪ | টাই ভাষা | ৩·০০ | ৮৫ | Annals of Assam Sahitya Sabha | ৫·০০ |
| ৬৫ | প্লেট' | ৩·০০ | ৮৬ | চুক্তি আৰু চুক্তিবাদ | ৪·০০ |
| ৬৬ | চক্ৰেটিছ | ৩·০০ | ৮৭ | সাগৰৰ কথা | ২·৫০ |
| ৬৭ | নাটক | ৩·০০ | ৮৮ | Development of Script in Ancient Kamrupa | ১০·০০ |
| ৬৮ | স্বপ্ন বাসৱদত্তা | ৩·০০ | ৮৯ | বেজবৰুৱাৰ দিনলেখা ( ২য় খণ্ড ) | ১০·০০ |
| ৬৯ | জীৱনী | ৩·০০ | ৯০ | ভাৰতৰ স্বাধীনতা আন্দোলনৰ ৰূপৰেখা | ৪·০০ |
| ৭০ | আনন্দচন্দ্ৰ আগৰৱালাৰ জীৱনী | ৩·০০ | ৯১ | অধ্যয়ন চক্ৰ | ৫·০০ |
| ৭১ | বনুৱাৰ সাংস্কৃতিক জীৱনত এভুমুকি | ৩·০০ | ৯২ | আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ | |
| ৭২ | কৰম পূজা আৰু ঝুমুৰ গীত | ২·০০ | ৯৩ | ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া | |
| ৭৩ | সভাপতিৰ অভিভাষণ ( ড° নেওগ ) | ২·০০ | | | |
| ৭৪ | মপিন উছৱ | ২·০০ | | | |

প্ৰাপ্তি স্থান :

(১) কেন্দ্ৰীয় কাৰ্যালয় : অসম সাহিত্য সভা,
চন্দ্ৰকান্ত সন্দিকৈ ভৱন
যোৰহাট-৭৮৫০০১
ফোন—৩৭৬

(২) গুৱাহাটী কাৰ্যালয়, অসম সাহিত্য সভা
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী-৭৮১০০১
ফোন—৪৭৭৬

পূৰ্বদেশ মুদ্ৰণ, ৰিহাবাৰী, গুৱাহাটী-৮ত মুদ্ৰিত আৰু অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° হেমন্তকুমাৰ শৰ্মাৰ দ্বাৰা প্ৰকাশিত।

বেছ—খনে তিনি টকা মাথোন

সম্পাদক—যতীন গোস্বামী